ইজৰাইল

হেম বৰুৱা



ব্লগ অসম

যাৰ চকুত জীৱনৰ স্বপ্ন,
যাৰ বুকুত দেশ-প্ৰেমৰ জুই,
সেইসকল অনুজলৈ...

I laughed out of malice but I wept for pity.

: Jean-Paul Sartre

এধানমান পোহৰ

ইজৰাইল এখন নতুন দেশ। একালৰ গৃহচ্যুত ইহুদীৰ করুণ ইতিহাস ইয়াত মূৰ্ত হৈ আছে। ইহুদী বুলিলে আমাৰ শ্বেক্সপীয়েৰৰ শ্বাইলকলৈ মনত পৰে। শ্বাইলক্ যে ইহুদীৰ একমাত্র প্রতিনিধি নহয়, সেইষাৰ কথা ইজৰাইল ভ্রমণ-কালত উপলব্ধি কৰিবলৈ মোৰ সৰহ সময় নেলাগিল। অতীতৰ করুণ ইতিহাস বোকোচা বান্ধি লৈ জাতি এটা নতুন স্বপ্ন-ৰচনা কাৰ্য্যত কেনেকৈ ব্যস্ত, সেইষাৰ কথাও উপলব্ধি কৰিবলৈ সৰহ সময় নেলাগিল। ভালকৈ গমি চাবলৈ গলে, দেশ-ভ্ৰমণ আৰু কিতাপ অধ্যয়ন, এই দুয়োটা সমপৰ্য্যায়ৰ কথা। মানুহৰ অন্তৰ-আত্মাত নজনাক জানিবলৈ, নুবুজাক বুজিবলৈ সদায়েই এক ধাউতি বিদ্যমান। এই কাৰণেই মানুহে কিতাপ পঢ়ে বা দেশ-ভ্ৰমণ কৰে। ইয়াকে যেনিবা চিনেমা চোৱাদি উপভোগ কৰিবলৈ গলে, একো কথাই নিসিজে। সুক্ষ্ম দৃষ্টিৰে সকলো বস্তু নিৰীক্ষণ কৰিব পাৰিব লাগিব। সংবেদনশীল অন্তৰ এখনেৰে সকলো বস্তু উপলব্ধি কৰিবলৈ যত্ন কৰিব লাগিব। নহলে কিতাপ পঢ়াও মিছা, দেশ-ভ্ৰমণো মিছা।

ইজৰাইলৰপৰা প্ৰত্যাৱৰ্তন কৰাৰ পথত ইৰাণৰ ৰাজধানী তেহৰাণত এদিনৰ কাৰণে সোমাইছিলো। এইখন মুচলিম্ ৰাষ্ট্ৰ। একেষাৰ কথা ইয়াত মোৰ উপলব্ধি হৈছিল—প্ৰাচীন ঐতিহ্য আৰু আধুনিকতাৰ আহ্বান, এই দুয়োটাৰ মাজত সাময়িকভাৱে হলেও কেনেকৈ এক বুজা-পৰা হব পাৰে, তাৰেই ইয়াত প্ৰচেষ্টা

চলিছে। নিকা ধুনীয়া তেহৰাণ চহৰখন। ইয়াত আলিত মুচলিম মহিলাক মটৰ-গাড়ী চলাই ফুৰা দেখিছিলোঁ। মূৰত ওৰণীৰ লেখীয়া বোৰখাৰ এক আধুনিক সংস্কৰণ। পিঠিলৈকে বৈ পৰা এখন কলা কাপোৰ-বাকীবোৰত পছিমীয়া পৰিচয়। এই অগ্ৰগতিৰ দ্বিতীয়টো স্তৰে কি ৰূপ লয়, কব নোৱাৰো। কিন্তু এইটো যে এটা নিৰীক্ষণ কৰিব লগা কথা, সেইষাৰ কথা হলে জানো।

তেহৰাণ চহৰত যিটো হোটেলত মই আছিলো, তাৰ নাম 'মৰ্মৰ'। হোটেলৰ লাউঞ্জত দেখিছিলো এজনী ইংৰাজ ছোৱালী। মুখখন ইমান সৰল যে দেখিলেই মৰম লাগি যোৱা বিধৰ। অকলশৰে বহি তাই কিছুমান ইংৰাজী বাতৰি কাকত আৰু আলোচনী পঢ়াত ব্যস্ত। মই কাষ চাপি গলো। তাইৰ ওচৰতে বহি সেই কাকত-আলোচনীৰে দুই-এখন পঢ়িবলৈ ধৰিলো। সন্ধিয়া তেহৰাণত থকা ইজৰাইলী দূতাবাস আৰু ভাৰতীয় দূতাবাসৰ কেইজনমান বন্ধুৱে এটা পাৰ্টি দিছিল। তালৈ যাব লাগে। এনেতে মূৰত এখন স্কাৰ্ফ মাৰি ছোৱালীজনী আহি ওলালহি। তাই কলে: 'বাটে বাটে ফুৰিবলৈ যাব নেকি? বলক'। সেই আপাহতে তাইক মই সুধিলো: 'তুমি কোনোবা কলেজৰ ছাত্ৰী নেকি? ইমান যে পঢ়া?' কলেজৰ ছাত্ৰী তাই নহয়। কিন্তু এইখিনিতে ছোৱালীজনীয়ে পাহৰিব নোৱাৰা কথা এষাৰ কলে : 'The best form of recreation is reading books.' অৰ্থাৎ 'জিৰণিৰ সৰ্বোৎকৃষ্ট প্ৰয়োগ হৈছে কিতাপ অধ্যয়ন'। জ্ঞান অৰ্জনৰ বাবে সদায়েই যে পণ্ডিতৰ কাষ চাপিব লাগে, সেইষাৰ কথা নহয়।

দেশ-ভ্ৰমণ কৰিবলৈ গলেই যে কিতাপ লেখিব লাগে, সেইষাৰ কথাও সদায়েই সত্য নহয়। সেই কাৰণেই ইজৰাইল সম্বন্ধে কিতাপ এখন লেখাৰ কথা ভবা নাছিলো। কিন্তু আহি পাবৰে পৰা এনেকৈ বন্ধু-বান্ধৱৰপৰা চিঠি আহিবলৈ ধৰিলে যে নেলেখি নোৱাৰিলোঁ। দিল্লীত দুই-এজন বন্ধু-বান্ধৱে কৈছিল: 'আপুনি কিতাপখন ইংৰাজীত লেখক'। এই পৰামৰ্শটো মানি

লবলৈ মই টান পালো। কাৰণ-ইংৰাজী ভাষাৰ জৰিয়তে ইজৰাইল কিয় পৃথিৱীৰ প্ৰত্যেকখন দেশৰ বিষয়ে জানিবলৈ কিতাপ আছে। সেইবুলি আমাৰ অসমীয়া ৰাইজৰ বাবে দেশ-বিদেশৰ কথা জানিবলৈ কিবা কিতাপ আছে জানো? প্ৰত্যেক অসমীয়াৰে নিজৰ মানুহৰ প্ৰতি এক কৰ্তব্য আছে। এইষাৰ কথা বিস্মৃত হলে কাৰো কল্যাণ হব নোৱাৰে। ভ্ৰমণ সম্বন্ধে মোৰ আৰু দুখন কিতাপ আছে। এখনৰ নাম 'সাগৰ দেখিছা'। আনখনৰ নাম 'ৰঙা কৰবীৰ ফুল'। এইখন কিতাপ সেই দুখনৰ ৰিজনিত বেলেগ হৈছে। কিতাপখন লেখিবলৈ লওঁতে আমাৰ ঘৰৰ গৰাকীয়ে কলে : 'আপোনাৰ দুটা দোষ। সেই দোষ দুটা এইখন কিতাপত অতিক্ৰম কৰিবলৈ চেষ্টা কৰিব। এটা হৈছে আপুনি নিজৰ কথা বেছিকৈ কয়। আনটো হৈছে আপুনি ছোৱালীৰ কথা বেছিকৈ লেখে। এই অভ্যাসটো বাদ দিব নোৱাৰি নে?'

উপৰোক্ত কথাষাৰে মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছে। সঁচা কথা, নিজৰ কথা মই অলপ বেছিকৈ লেখোঁ। দাৰ্শনিকপ্ৰৱৰ নিট্‌চেই জানো কোৱা নাই - 'নিজৰ কথা কবলৈ থকা সত্ত্বেও যিজনে নকয়, সেইজনতকৈ আৰু ডাঙৰ ভণ্ড পৃথিৱীত নাই।' ইমান ডাঙৰ মোৰ এজন সমৰ্থক থকা সত্ত্বেও নিজৰ কথা কিতাপখনত যিমানদূৰ সম্ভৱ, সিমানদূৰ বাদ দিছোঁ। সেইদৰে ছোৱালীৰ কথাও যিমানদূৰ সম্ভৱ, সিমানদূৰ বাদ দিছোঁ। অগত্যা নোৱাৰাত হে দুই-এজনীৰ কথা উল্লেখ কৰিছোঁ।

বাটত পঢ়িবলৈ দিল্লীৰ সাংবাদিক এজনে পাৰ্কীন্‌চনৰ 'ইন্ লজ্ এণ্ড আউট লজ' বোলা কিতাপখন দিছিল। প্লেনত কিতাপখন পঢ়ি পেলালোঁ। তাত এটা বাক্য আছে : 'In writing a travel book the thing to avoid is monotony. The only remedy for this is to give your story a climax'। এই কিতাপখনত সেইষাৰ কথা সম্ভৱপৰ হৈছে নে নাই কব নোৱাৰোঁ। বিচাৰৰ দায়িত্ব পঢ়ুৱৈ সমাজৰ হাতত এৰিলোঁ। কিতাপখনৰ প্ৰকাশৰ দায়িত্ব

লোৱা বাবে মিত্র এজেঞ্চি এণ্ড কোং (তিনিচুকীয়া) ৰ শ্ৰীনৰেন্দ্ৰ নাথ দাসক ধন্যবাদ জনালোঁ । ওপৰৰ ছবিখন আঁকি দিয়া বাবে নেকিব আহমদক মৰম জনালোঁ।

হেম বৰুৱা
নতুন দিল্লী
পহিলা জুন ১৯৬৫

তৃতীয় তাঙৰণ

৩য় তাঙৰণৰ "আৰু এছাটি পোহৰ" লিখিবলৈ আজি হেম বৰুৱা আমাৰ মাজত নাই। উঠি অহা চামৰ লগত হেম বৰুৱাৰ লিখনিৰ পৰিচয় কৰি দিবলৈ আমাৰ এয়া প্ৰয়াস। পঢ়ুৱৈৰ পৰা আগৰ দৰে সমাদৰ পাবলৈ আমি আশীৰ্বাদ বিচাৰিলোঁ।

হেম বৰুৱাৰ সহধৰ্মিণী শ্ৰীমতী অনু বৰুৱাক ধন্যবাদ জনালো কিতাপখন প্ৰকাশ কৰিবলৈ দিয়া বাবে।

৫/১২/৮৯
খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

আৰু এছাটি পোহৰ

তাহানি নিউয়ৰ্ক চহৰত সাক্ষাৎ হওঁতে বিশ্ব-বিশ্ৰুত ঔপন্যাসিক পাৰ্লবাকে কৈছিল: “আমাৰ মানুহে ভ্ৰমণ-কাহিনী, অভিযান-কাহিনী ইত্যাদি পঢ়ি ভাল পায়।” এতিয়া মোৰ উপলব্ধি হৈছে : কেৱল আমেৰিকাৰ মানুহেই নহয়, অসমৰ মানুহেও ভ্ৰমণকাহিনী পঢ়ি ভাল পায়। নোহোৱা হলে ‘ইজৰাইল’ কিতাপখনৰ দ্বিতীয় তাঙৰণ জানো সম্ভৱপৰ হলহেঁতেন? এই আপাহতে কিতাপখন মৰমৰ চকুৰে চোৱাৰ কাৰণে আমাৰ সহৃদয় পাঠক-সমাজলৈ শ্ৰদ্ধা আগবঢ়ালোঁ।

মিত্ৰ এজেঞ্চি এণ্ড কোং(তিনিচুকীয়া)ৰ সৰবৰহী গুৰি ধৰোঁতা নৰেন্দ্ৰ নাথ দাসলৈ অন্তৰৰ শ্ৰদ্ধা-প্ৰীতি আগবঢ়ালোঁ - কিতাপখনৰ দ্বিতীয় তাঙৰণ সম্ভৱপৰ কৰি তোলাৰ কাৰণে।

হেম বৰুৱা
নতুন দিল্লী
৫ মে ১৯৬৭

এই কাহিনীৰ শেষ নাই...

নিশাৰ নিস্তব্ধতাক ডোখৰ ডোখৰ কৰি আমাৰ জেট্-বিমানখন আকাশলৈ উঠিল, শত্ৰু-সৈন্যৰ সম্মুখীন হবলৈ আগবঢ়া এটা অশ্বাৰোহীৰ দল হে যেন। প্লেনৰ ভিতৰত আছিল এধানমান শেঁতা পোহৰ। আমি দিল্লীৰ বিমানবন্দৰ এৰিছোঁ হে মাথোন। তেল-এভিভ্ চহৰ এতিয়াও বহুত দূৰত। প্লেনৰ খিৰিকীৰে বাহিৰলৈ দুবাৰ নে এবাৰ ভূমুকিয়াই চালোঁ। কেউপিনে আকাশ আৰু আকাশ। তৰাজাক ক'লৈ গল ? মধ্যাহ্নৰ মৰিশালিত হে, বিৱাহিতা নাৰীৰ ওৰণী আঁৰত কুমাৰী জীৱনৰ কোনোবা প্ৰিয়জনৰ স্বপ্ন লুকাই থকাৰ দৰে সিহঁত লুকাই থাকে। এই অসময়ত সিহঁত লুকাইছে কিয় ? ৰবিঠাকুৰে তেন্তে কিয় কৈছিল -

'ৰাতে সব তাৰাই আছে
দিনেৰ আলোৰ গভীৰে।'

দিনৰ গভীৰ ৰবি-ৰশ্মিৰ বুকুত সিহঁত লুকাই থকাৰ কথা জানো। এতিয়া নিশা লুকাইছে কিয় ? আমাৰ প্লেনখন নিৰ্বিবাদে উৰিছে। মাজে মাজে মাথোন মেঘত খুন্দা খাই দুটা-এটা অশান্তিকৰ জোকাৰ। প্লেনৰ ভিতৰৰ মানুহবোৰ শুই পৰিছে, নিশা গহীন হৈ অহাৰ লগে লগে। মোৰ ওচৰত এটা ডেকাই গাভৰু এজনীৰ সৈতে মদ খাইছে। চাৰিটা চকু ক্ৰমাৎ প্ৰণয়-জোৱাৰত কোমল হৈ আহিছে।....... বাহিৰলৈ আকৌ চালোঁ, এইবাৰ জোনটোৰ

অন্বেষণত। জোনটো অস্পষ্টভাৱে দেখিলোঁ, তেনেই শেঁতা। চলচলীয়া চকুৰে বাটলৈ চাই থকা এজনী বিধৱাৰ দৰে। নাইবা কৱিৰ ভাষাতে :

‘কবৰৰপৰা উঠি অহা কোনো এক নাৰীৰ দৰে আছে
মাথোন জোনৰ অকণ সেমেকা পোহৰ,
তৃষ্ণা আৰু তৃষ্ণা,
সীমাহীন কোনো এক অন্ধকাৰ উত্তাল সমুদ্ৰৰ।’

ইৰাণৰ ৰাজধানী তেহৰাণৰ বিমানবন্দৰত প্ৰায় এঘণ্টাকাল বিশ্ৰাম লোৱাৰ অন্তত আমি আকৌ উৰিবলৈ ধৰিলো। নিশা ঠিক দুই বজাত তেল-এভিভ্ বিমানবন্দৰত আমাৰ প্লেনখন উপনীত হলহি। মোৰো ইজৰাইল ভ্ৰমণ আৰম্ভ হল। পুলকত মনটো নাচি উঠিল। বিমানবন্দৰত অপেক্ষা কৰি থকা ইজৰাইলী চৰকাৰৰ গাড়ীত উঠি তেতিয়াই চহৰলৈ যাত্ৰা কৰিলোঁ। বাহিৰত অলপ অলপ জাৰৰ দিনৰ বৰষুণ। এতিয়া ভাবি চাইছোঁ, সম্ভৱতঃ বেয়া লগা নাছিল। তেতিয়া অৱশ্যে ভালেই লাগিছিল নে বেয়াই লাগিছিল, এনেবোৰ নিষ্প্ৰাণ কথা ভাবিবলৈ মোৰ অৱসৰ নাছিল। সেই সময়ত নিশা কিমান বাজিছিল, চাবলৈ মোৰ হাতত ঘড়ীও নাছিল। সময়ৰ কথা ভাবি মনটো মোৰ অস্থিৰ কৰিবলৈকো ইচ্ছা যোৱা নাছিল।

‘এতিয়া কিমান ৰাতি ?
অলকনন্দা, এতিয়া কিমান ৰাতি ?
গেচ লাইটৰ শেঁতা পোহৰত সঙ্কেত নিষ্ফল
সময়ৰ কাঁটা ৰাতিৰ ঘড়ীত স্থিৰ।’

মানচিত্ৰত চালে ইজৰাইলখন মানুহৰ কেঁচা কলিজা এখন যেন লাগে। এইখন এখন নকৈ জন্ম পোৱা তেনেই সৰু ৰাষ্ট্ৰ। ইয়াৰ মাটি-কালি হৈছে মাথোন আঠ হেজাৰ বৰ্গমাইল। উত্তৰ অঞ্চলত অৱস্থিত গেলিলীৰ পৰ্বতমালাৰপৰা আৰম্ভ কৰি দক্ষিণ অঞ্চলৰ আয়লৎ চহৰ পৰ্য্যন্ত, ই মাথোন দীঘলে ২৬৫ মাইল। ইয়াৰ

উত্তৰ সীমান্তত লেবানন আৰু চিৰিয়া ৰাষ্ট্ৰ অৱস্থিত, পূবত চিৰিয়া আৰু জৰ্ডন ৰাষ্ট্ৰ, দক্ষিণ-পশ্চিমত ইজিপ্ট আৰু গাজাষ্ট্ৰিপ। সীমান্তত কেউপিনে বিদেশী ৰাষ্ট্ৰৰ পৰিমণ্ডলৰ মাজত ইজৰাইল এখন নতুনকৈ উদ্ভৱ হোৱা ইহুদী ৰাষ্ট্ৰ - পৰিবেষ্টিত আৰৱ ৰাষ্ট্ৰসমূহৰ উদ্বিগ্নতাৰ প্ৰাণকেন্দ্ৰ।

ইজৰাইল ৰাষ্ট্ৰৰ বৰ্তমান জনসংখ্যা হৈছে মাত্ৰ ২৫ লাখ। যেতিয়া সম্মিলিত জাতি-সঙ্ঘৰ প্ৰস্তাৱ অনুসৰি ১৯৪৮ চনৰ মে মাহৰ ১৪ তাৰিখে ইজৰাইল ৰাষ্ট্ৰই জন্ম পায়, সেই সময়ত ইয়াৰ জনসংখ্যা আছিল মাথোন ছয় লাখ পঞ্চাশ হেজাৰ। এইকেইবছৰৰ ভিতৰতেই ইয়াৰ জনসংখ্যা ২৫ লাখলৈ বাঢ়িবলৈ পালে কেনেকৈ? ইয়াৰে তিনি লাখ ইহুদী আহিল ইউৰোপৰ, ঘাইকৈ পূৰ্ব-ইউৰোপৰ, বন্দী শিবিৰ সমূহৰপৰা। কেনে অবৰ্ণনীয় অৱস্থাৰ সন্মুখীন হৈ স্বদেশৰ বুকুত আশ্ৰয় বিচৰি প্ৰাণ লৈ এওঁলোক পলাই আহিব লগা হৈছিল, সেই কাহিনী অবিস্মৰণীয়। এই বিষয়ে বৰ্ণনা থকা আশ্ৰয়প্ৰাৰ্থিনী মহিলা এগৰাকীৰ জীৱন-কথা পঢ়িছিলো। ভ্ৰাম্যমান এই ইহুদী জাতিটোৰ বুৰঞ্জী কেনে কৰুণ, তাৰপৰাই বুজিব পাৰিছিলো। লিঁয়-উইৰীচৰ ‘এক্সোডাচ্’ বোলা কিতাপখন যিসকলে পঢ়িছে, সেইসকলৰ কাৰণে এই কাৰুণ্যৰ কথা বুজিবলৈ সৰহ সময় নেলাগিব।

কেইবা শ বছৰ জুৰি পৃথিৱীৰ দেশে দেশে ইহুদীজাতি অনাই-বনাই ফুৰিছিল, বিভিন্ন দেশত বসবাস কৰিছিল। নিজৰ দেশৰ ধূলিকণাৰপৰা বিচ্ছিন্ন হৈ আনৰ দেশত আলহী হব লগা মানুহৰ যি সহজাত অন্তৰ-বেদনা, সেই বেদনাই জাতিটোক চিৰকাল ভাৰাক্ৰান্ত কৰি আহিছে। মনত পৰিছে, তাহানি আমেৰিকাৰ ৱাচিংটন চহৰৰ এগৰাকী মহিলা শিল্পীক সুধিছিলো : “আপোনাসকলৰ দেশৰ নিগ্ৰো মানুহবোৰৰ গীতসমূহ (নিগ্ৰো-স্পিৰিচোৱেলচ্) ইমান বেদনাগধুৰ কিয়?” উত্তৰত শিল্পীগৰাকীয়ে কৈছিল : “নিজ জন্মভূমিৰপৰা উচ্ছেদ হোৱা মানুহৰ অন্তৰৰ সুৰ-স্পন্দন বেদনা-গধুৰ হোৱাটো স্বাভাৱিক। আমাৰ দেশৰ এই

নিগ্ৰো অধিবাসীসকলৰ প্ৰাণতে এনে এক গৃহহীনৰ বেদনা বদ্ধপৰিকৰ হৈ আছে। গতিকেই এওঁলোকৰ গীতসমূহ কৰুণ।”

ইজৰাইল ভ্ৰমণকালত এইষাৰ কথাৰ বুজ লবলৈ যত্ন কৰিছিলোঁ। নিজৰ দেশৰ মাটিৰপৰা আঁতৰি থকা এই ইহুদী জাতিটোৰ গীত, বিশেষকৈ লোক-গীতসমূহ বিষাদ-প্লাৱিত। গীতৰ সম্বন্ধ যেহেতু মানুহৰ আত্মাৰ সৈতে - মানুহৰ আত্মা যেতিয়া বেদনাগধুৰ হয়, তেনে অৱস্থাত মানুহৰ অন্তৰৰ ‘সুমধুৰ সুপ্ৰকাশ’ গীতো কৰুণ হবলৈ বাধ্য। এইষাৰ কথা ইজৰাইলৰ কেইবাযোৰা মানুহক সুধি চাইছোঁ। প্ৰত্যেকেই ‘হয়’ বুলি কৈছে। আচলতে কথাষাৰ হয়ও। ইজৰাইল এৰাৰ আগ-মুহূৰ্তত এওঁলোকৰ চৰকাৰৰ বৈদেশিক মন্ত্ৰণালয়ৰ বিষয়া এজনে মোক এখন লোক-গীতৰ ৰেকৰ্ড উপহাৰ দিছিল। সেইখন ঘৰত আহি বজাই চাইছোঁ। কথাবোৰ নুবুজোঁ যদিও সুৰৰ পিনৰপৰা গীতকেইটা অপূৰ্ব্ব, বেদনাৰ পৰশ আছে যথেষ্ট।

ইহুদী ৰাষ্ট্ৰ স্থাপন, হোৱাৰ পূৰ্বে আমাৰ দেশতো, ঘাইকৈ বম্বে চহৰত ভালেমান ইহুদী মানুহ আছিল। ইয়াৰ সৰহভাগেই বৰ্তমান ইজৰাইলৰ অধিবাসী। ইয়াৰে ভালেমান ডেকা-গাভৰুক এইবাৰ ভ্ৰমণকালত ইজৰাইলত লগ পাই আহিছোঁ। ভাৰতত নহয়, ভাৰতৰ বাহিৰে অন্য দেশত বসবাস কৰা ইহুদী-জাতিয়ে একালত নহয় একালত অসহনীয় অৱস্থাৰ সম্মুখীন হব লগা হৈছিল। অৱশ্যে এইষাৰ কথা পৃথিৱীৰ সকলোবোৰ দেশৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি। ভাৰতৰ দৰে আৰু কেইখনমান দেশতো তেওঁলোকে মৰ্যাদাসম্পন্ন জীৱন যাপন কৰাৰ সুবিধা পাইছিল। সেইবুলি হিটলাৰৰ নাৎচী আমোলত ৬৫ লাখ ইহুদীক - লৰা-ছোৱালী, পুৰুষ-মহিলা অবৰ্ণনীয়ভাৱে হত্যা কৰাৰ কথা কোনে নেজানে? ‘আইক্‌মেন্‌, মিনিষ্টাৰ অৰ্ ডেথ্’ বোলা কিতাপখন যিসকলে পঢ়িছে, সেইসকলক এই বিষয়ে কোৱাৰ কোনো প্ৰয়োজন নাই। কিতাপখন পাৰ্লামেন্ট লাইব্ৰেৰীৰপৰা আনি কেতিয়াবাই মই পঢ়িছোঁ। তাত বৰ্ণিত লোমহৰ্ষক ঘটনাবোৰ

মনত পৰিলে এতিয়াও গাৰ নোম ডাল ডাল হয়। ‘ঘেটোৰ’ অত্যাচাৰ-কেনেকৈ মটৰ-ট্ৰাকত জাকে জাকে ভৰাই লৈ চাইক্লোন-বি গেচ প্ৰয়োগ কৰি ইহুদীসকলক নাৎচী আমোলত কেনেকৈ হত্যা কৰা হৈছিল, ভাবিলে আচৰিত হব লাগে। এই বিষয়ে অযথা বৰ্ণনা দীঘলীয়া কৰি কিতাপখন অপঢ়নীয় কৰিব খোজা নাই।......

কিন্তু এটা কথা সঁচা : যুগে যুগে ইহুদীসকল উৎপীড়িত জাতি। বসবাস কৰা সৰহভাগ দেশতেই ইহুদীসকলে মানৱীয় অধিকাৰ পোৱা নাছিল। ইজৰাইলৰ ইহুদীসমাজৰ মনস্তত্ত্বৰ বুজ লবলৈ হলে এইষাৰ কথা বিস্মৃত হলে নহব। গাঁৱেই হওক বা চহৰেই হওক, য'লৈকে গৈছিলোঁ, ত'তেই দেখিবলৈ পাইছিলো, মানুহৰ মনত এইষাৰ কথা, অত্যাচাৰ-উৎপীড়নৰ ইতিহাস ৰঙীণ হৈ আছে। প্ৰখ্যাত ইংৰাজ লেখক এইচ্. জি. ৱেলচ্‌ৰ লগত সুৰ মিলাই সদায়েই মই ভাবোঁ দুখ নাপালে যেনেকৈ ব্যক্তিৰ আধ্যাত্মিক মনস্তত্ত্বৰ উন্নতি নহয়, তেনেকৈয়ে জাতি বা সমাজৰো নহয়।

ইজৰাইলৰ ৰাজধানী জেৰুজালেম চহৰত অৱস্থিত ছহিদ্-ভৱনলৈ গৈছিলোঁ। উৎপীড়িত ইহুদীৰ কিছুমান ছবি আৰু স্মৃতিচিহ্ন তাত শ্ৰদ্ধা সহকাৰে সজাই থোৱা হৈছে। সেইবোৰৰ মাজত এখন এন্ ফ্ৰেঙ্কৰ বিৰাট ছবিও দেখিছিলো। এই স্মৃতি-থলীক হিব্ৰু ভাষাত ‘য়াদ্ ভা'শ্বেম’ বোলা হয়। বাহিৰত পাতলীয়া বৰষুণ। বতাহে বৰকৈ কোবাইছিল। বস্তুবোৰ এফালৰপৰা চাই যাওঁতে মনটো বেদনাই থকা-সৰকাকৈ কোবাইছিল। মানুহ কেনেকৈ ইমান নিষ্ঠুৰ হব পাৰে? সমুখ ৰণাঙ্গনত যুদ্ধৰত মানুহৰ মৃত্যুৰ কথা মই বুজোঁ। নিৰস্ত্ৰ, অসহায় জনসাধাৰণক এনেদৰে অত্যাচাৰত জুবুৰিয়াই তিল-তিলকৈ মৃত্যুৰ গৰাহলৈ হেঁচুকি দিয়া কথাষাৰ বুজিবলৈ অতিশয় টান।

কণ কণ লৰা-ছোৱালীৰ ওপৰত কৰা অত্যাচাৰৰ অমানুষিক এক দৃশ্য দেখিলো। সেই দৃশ্যৰ তলত ইহুদী কবি এজনৰ

চমৎকাৰ পংক্তি এফাকি লেখা আছে। কৱিজনৰ নাম হৈছে এন্ বিয়ালিক্।

The revenge of a little child,
The Satan has not created.’

ক্ৰমাৎ মনটো এনেদৰে গভীৰ হৈ উঠিল যে সেই ঠাইত আৰু সৰহ সময় থাকিবলৈ আগ্ৰহ নোহোৱা হল। ইজৰাইলী বৈদেশিক মন্ত্ৰণালয়ে লগত এজন ফটোগ্ৰাফাৰ দিছিল। দৃশ্যবোৰ চাই যাওঁতে মানুহজনৰ মনটোও সেমেকি পৰা যেন লাগিছিল। তেওঁৰে উপৰিপুৰুষৰ কেইজনমানে এই জীয়াতু ভুগিব লগা হৈছিল বুলি মানুহজনে সেমেকা চকুৰে বাৰে বাৰে মোক কলে। .... মই য’তেই থিয় নহওঁ লাগিলে, যিহকে নেচাওঁ লাগিলে, তাৰেই তেওঁ ছবি লবলৈ বিচাৰে। বাৰে বাৰে তেওঁক মাথোন কলোঁ : “এই কৰুণ পৰিৱেশত মোৰ ছবি নলব। এনেবোৰ ছবি ঘৰলৈ, লৰা-তিৰোতাৰ ওচৰলৈ মই কঢ়িয়াই নিব নোৱাৰোঁ।”

দেশে-বিদেশে অত্যাচাৰিত হৈ ফুৰা ইহুদী-জাতিৰ কাৰণে এখন গৃহভূমিৰ স্বপ্ন দেখিছিল এজন মানুহে। সেইজন মানুহৰ নাম হৈছে থিয়ডোৰ্ হাৰ্লজ্ (১৮৬০-১৯০৪)। ইহুদী জাতিৰ বাবে গৃহভূমিৰ স্বপ্ন এইজন পুৰুষে ১৮৯৮ চনতেই দেখিছিল - এওঁ আছিল এজন নাট্যকাৰ। ভিয়েনা চহৰৰ অধিবাসী। দেশে দেশে পৰিকল্পিতভাৱে ইহুদী-জাতিৰ ওপৰত অনুষ্ঠিত হোৱা অত্যাচাৰ-উৎপীড়নৰ ইতিহাস আছিল ইজৰাইল ৰাষ্ট্ৰৰ আধ্যাত্মিক পিতৃ হাৰ্লজৰ স্বপ্নৰ ঘাই অনুপ্ৰেৰণা। মনৰ বৃত্তত এই একেটা স্বপ্নই তেওঁৰ বাহ বান্ধি বহিছিল। ইয়াকেই তেওঁ বলিষ্ঠ ভাষাৰে প্ৰকাশ কৰিছিল।

জেৰুজালেম চহৰৰ যিটো টিলাৰ ওপৰত হাৰ্লজৰ স্মৃতিবেদী সজা হৈছে, সেই টিলাটোক মাউন্ট হাৰ্লজ্ বোলা হয়। ঠাইডোখৰ চাই আহিছোঁ। গছ-গছনি, ফুল-লতাৰে সুসজ্জিত পৰ্বতটোৰ ওপৰভাগ এখন ঋষিৰ আশ্ৰম যেন লাগে। সেউজীয়া ঘাঁহনিৰ কাৰ্পেটৰ ওপৰত নানা বৰণীয়া ফুলৰ শোভা। ওখ, লাহি

গছবোৰ, সেইবোৰৰ মাজেদি প্ৰৱাহিত হোৱা বতাহৰ কৰুণ বিননি কাণ-পাতি শুনিছিলো। গ্ৰেনাইট পাথৰেৰে সজা বেদীৰ চৌদিশৰ ফুলবোৰ বতাহত কঁপি উঠিছিল।

‘সৰু সৰু প্ৰাণবোৰ
আনন্দত ফুল হল - বহাগৰ ফুল।’

পাহাৰৰৰ সুউচ্চ শিখৰত ইহুদী-জাতিৰ স্বপ্নৰ প্ৰতীক হাৰ্লজৰ সমাধি-বেদী। বাৰে বাৰে মোৰ মনৰ দিগন্তত ভূমুকি মাৰিছিল আমাৰ ৰাজঘাট আৰু শান্তিবনৰ স্বপ্নই। একোটা জাতিৰ আধ্যাত্মিক ঐতিহ্য এনেকৈয়ে জীয়াই থাকে। ৰং-ৰেখাৰে অঙ্কিত ছবিৰ প্ৰাণ থকাৰ দৰে জাতিৰ বুকুৰ তেজেৰে জীয়াই ৰখা শিল আৰু পাথৰৰ এনেবোৰ স্মৃতি-বেদীৰে প্ৰাণ আছে। এনেবোৰ জীৱন্ত ঐতিহ্যই জাতি একোটাক মহিমামণ্ডিত কৰি তোলে। এই কাৰণেই হয়তো নেহৰুৱে কৈছিল -

‘The future is dark, uncertain. But we can see part of the way leading to it and can tread it with firm steps, remembering that nothing that can happen is likely to overcome the sprit of man which has survived so many perils.’

অতীজৰ অভিজ্ঞতা নতুন স্বপ্নৰ সঁচাৰ-কাঠী।

পেৰিচত এলফ্ৰেড্ ড্ৰেফাচৰ বিচাৰৰ সময়ত থিয়ডোৰ্ হাৰ্লজ্ আছিল এখন বাতৰিকাকতৰ বাতৰি-যোগনিয়াৰ। এই বিচাৰৰ আদিৰেপৰা অন্তলৈকে এওঁ বিচাৰ-থলীত উপস্থিত আছিল। ড্ৰেফাচ্ আছিল ইহুদী। এতিয়াও ইহুদীসকলৰ ধাৰণা, নিৰ্দোষী যদিও যেহেতু ইহুদী, সেইবাবেই ড্ৰেফাচক কঠোৰ দণ্ড বিহা হৈছিল। এই ঘটনাটোৱে হাৰ্লজ্ৰ মনত কথা একেষাৰ স্পষ্ট কৰি তুলিছিল - ‘যেতিয়ালৈকে যি কোনো ঠাইতে ইহুদীসকল সংখ্যালঘিষ্ঠ হৈ থাকিব, যেতিয়ালৈকে নিজে নিয়ন্ত্ৰণ কৰিব নোৱাৰা অৱস্থা আৰু নীতিৰ বহতীয়া হৈ থাকিব লগা হব, তেতিয়ালৈকে অত্যাচাৰ-উৎপীড়ন ইহুদী-সমাজৰ চিৰসহচৰ হৈ

থাকিব। এই সমস্যাৰ এটাই মাথোন সমাধান আছে : ইহুদী-সমাজৰ চিৰন্তন আকাঙ্ক্ষাৰ বাস্তৱ ৰূপান্তৰ। ইহুদীসকলে ইজৰাইললৈ প্ৰত্যাৱৰ্তন কৰিব লাগিব। সেই ঠাইলৈ গৈ আন্তৰ্জাতিক বিধান-তন্ত্ৰই স্বীকৃতি দিয়া এখন স্বাধীন ৰাষ্ট্ৰ স্থাপন কৰিব লাগিব। নিজৰ ভাগ্য নিজে নিয়ন্ত্ৰণ কৰিব লাগিব। নিজৰ ঐতিহ্য অনুসৰি জীৱন ধাৰণ কৰিব লাগিব।'

পৃথিৱীৰ য'তেই নিৰ্বাসিত হৈ নেথাকক লাগিলে, ইহুদী-সমাজ একমুহূৰ্তৰ বাবেও নিজৰ গৃহভূমিৰ বিষয়ে বিস্মৃত হব পৰা নাছিল। আদৰ্শৰ এই যোগসূত্ৰই হৈছে প্ৰত্যেকজন নিৰ্বাসন-জৰ্জৰিত ইহুদীৰ প্ৰাণৰ স্পন্দন। তেওঁলোকৰ ভাষাতে : 'মনোৰম, সুন্দৰ, বাছকবনীয়া পিতৃ-পুৰুষৰ সেই দেশখন।'

এইখিনিতে প্ৰখ্যাত ইহুদী সাহিত্যিক আৰ্ণষ্ট ট'লাৰৰ কথা মোৰ মনত পৰিছিল। একালত এওঁ জাৰ্মেনীৰ অধিবাসী আছিল। জাৰ্ম্মেনীক ধ্বংসস্তূপলৈ ৰূপান্তৰিত কৰোঁতা হিটলাৰে ভাবিছিল, ইহুদী-সমস্যা সমাধানৰ একমাত্ৰ উপায় হৈছে ইহুদী-নিধন। এই অনুপাতে বিৰাট এক আঁচনি প্ৰস্তুত কৰি লৈ তেওঁ ইহুদী-নিধন যজ্ঞ কাৰ্যকৰী কৰি তুলিছিল। এনে অত্যাচাৰৰ সন্মুখীন হৈ আৰ্ণষ্ট ট'লাৰ দেশান্তৰ হব লগা হৈছিল - জাৰ্মেনী পৰিত্যাগ কৰি আমেৰিকাৰ যুক্তৰাষ্ট্ৰত আশ্ৰয় গ্ৰহণ কৰিব লগা হৈছিল। এতিয়ালৈকে যিকেইখন আত্মজীৱনী মই পঢ়িছোঁ, তাৰ ভিতৰত তিনিখনে মোক বৰকৈ স্পৰ্শ কৰিছে। এখন হৈছে নেহৰুৰখন। লেখাৰ প্ৰণালী বেলেগ যদিও দ্বিতীয়খন হৈছে জ্যাঁ-প'ল চাঁট্ৰেৰ 'ৱৰ্ডচ' বোলাখন। তৃতীয়খন আৰ্ণষ্ট ট'লাৰৰখন - "আই ৱজ্ এ জাৰ্মেন'। কি চমৎকাৰ সৃষ্টি।

আমেৰিকাত আশ্ৰয় লৈছিল যদিও আৰ্ণষ্ট ট'লাৰৰ অন্তৰআত্মাই শান্তি পোৱা নাছিল। জাৰ্ম্মেনীত ইহুদীৰ ওপৰত হোৱা অত্যাচাৰৰ কথা সুঁৱৰি অন্তৰ-আত্মা তেওঁৰ কান্দি উঠিল। পলৰীয়া হৈ সেইদৰে আত্মৰক্ষা কৰাতকৈ মৃত্যু বৰণ কৰাই বহুগুণে শ্ৰেয় বুলি কৰি-আত্মাত প্ৰতিভাত হল। অৱশেষত

আত্মহত্যা কৰাটোকে তেওঁ সিদ্ধান্ত কৰিলে। কৱি-শিল্পী এজনৰ মৃত্যুৰ নিকৰুণ বাৰ্তা পাই নেহৰুৰ অন্তৰত তেজ বিৰিঙিছিল। এইখিনিতে আৰ্ণষ্ট ট'লাৰ সম্বন্ধে লেখা নেহৰুৰ প্ৰবন্ধ এটাৰপৰা দুষাৰমান কথা তুলি দিওঁ বুলিছোঁ। নেহৰুৰ এই লেখাখিনি, মোৰ অসম্ভৱ ভাল লাগে।

'Ernst Toller is dead, killed by his own hand. His hand may have done the deed, but he was done to death by that malignant spirit of brutal violence which reigns in kurope today under the name of Fascism and Nazism. … … … Toller was a rare spirit, gentle and sensitive, with the genius of a poet and with a poet's prophetic insight at times, who found the growing violence and the crushing of freedom an intolerable burden, … … … He was a Jew and there was no room for Jews in Hitler's Germany.'

কেৱল জাৰ্ম্মেনীতে নহয়, ফৰাচী দেশ, হলেণ্ড, বেলজিয়াম, ইটালী, গ্ৰীচ, হাঙ্গেৰী, ৰুমেনিয়া আদি সকলোবোৰ দেশতে হিটলাৰৰ কাৰ্য্যসূচী অনুসৰি ইহুদী সম্প্ৰদায়ৰ ওপৰত অমানুষিক অত্যাচাৰ অনুষ্ঠিত হৈছিল। কেৱল ডেনমাৰ্ক দেশৰ সম্ৰাটজনাই হে হিটলাৰক মুকলিভাৱে অৱজ্ঞা কৰি সেই দেশৰ অধিবাসী ইহুদীসকলক ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিছিল। ইয়াৰে যিসকলে ডেনমাৰ্ক এৰি আন দেশলৈ আঁতৰিব খুজিছিল, সেইসকলকে চুইডেনলৈ যাবলৈ নৃপতিগৰাকীয়ে ব্যৱস্থা কৰি দিছিল। দ্বিতীয় মহাসমৰৰ কালছোৱাত নাৎচী-অনুপ্ৰেৰণাত ইহুদী-সম্প্ৰদায়ৰ ওপৰত দেশে দেশে অত্যাচাৰ অনুষ্ঠিত হৈছিল যদিও ইংলণ্ডবাসী ইহুদীৰ ওপৰত কোনো অত্যাচাৰ-উৎপীড়ন হোৱা নাছিল - আৰু হোৱা নাছিল ভাৰত, আমেৰিকা, কেনেডা, অষ্ট্ৰেলিয়া, দক্ষিণ-আফ্ৰিকা, লেটিন-আমেৰিকা ইত্যাদিত বসবাস কৰা ইহুদীসকলৰ ওপৰত।

১৮৮১ চনত ৰুচিয়াত বসবাস কৰাসকলৰ ওপৰত যি কঠোৰ বিধি-ব্যৱস্থা গ্ৰহণ কৰা হৈছিল, সেই বিধি-ব্যৱস্থায়ো ইহুদীসকলক তেনেই জুৰুলা কৰে। সেই সময়ৰ ৰুচ সাম্ৰাজ্যৰ

অন্তৰ্বৰ্তী পোলেণ্ড অঞ্চলত এই ব্যৱস্থা অতি কঠোৰভাৱে প্ৰয়োগ কৰা হৈছিল। ইয়াৰ পৰিণতি স্বৰূপে ১৯০০ চনত প্ৰায় ছয় লাখ আশ্ৰয়প্ৰাৰ্থী ইহুদী ৰুচদেশ পৰিত্যাগ কৰি আমেৰিকালৈ আশ্ৰয় বিচাৰি যাব লগা হয়। বৰ্তমান আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰপৰা ইজৰাইললৈ প্ৰত্যাৱৰ্তন কৰা, আদিতে পোলেণ্ডবাসী কেইবাজনো ইহুদীক মই লগ পাই আহিছোঁ। ইয়াৰ উপৰিও ইয়াৰে কেইভাগমান ইংলণ্ড, দক্ষিণ-আফ্ৰিকা, অষ্ট্ৰেলিয়া, পশ্চিম-ইউৰোপ আদি অঞ্চললৈকো আশ্ৰয় বিচাৰি গৈছিল। ইয়াৰে এমুঠিয়ে ইখন দেশৰপৰা সিখন দেশলৈ অঘৰী সাজি বনাই ফুৰাতকৈ পেলেষ্টাইনলৈ প্ৰত্যাৱৰ্তন কৰি সেই ঠাইত নিগাজিকৈ বসবাস কৰাটোকে অৱশ্যে সিদ্ধান্ত কৰে। কৃষিকাৰ্য্যত মনোনিবেশ কৰা এইসকল ইহুদী আজি ‘বীলু’ ইহুদী বুলি জনাজাত।

বিদেশৰ প্ৰবাসী ইহুদীসকলৰ মাজত নানান অনুষ্ঠান গঢ়ি উঠিবলৈ লয়। ইয়াৰ ভিতৰত প্ৰধান ‘ইভেভেই জিয়ন্’। ইহুদীৰ বাবে নিজৰ গৃহভূমিৰ আদৰ্শ বিদেশত শক্তিশালী কৰি তোলাৰ উপৰিও এই অনুষ্ঠানটোৱে অৰ্থ-সাহায্য আদিৰে পেলেষ্টাইনত বসবাস কৰা ইহুদীসকলক সহায় কৰিবলৈকো লয়। আমেৰিকাৰ যুক্তৰাষ্ট্ৰলৈ যাওঁতে এই জিয়নিষ্ট আন্দোলনক আইনষ্টাইনৰ লেখীয়া বিশ্ববিশ্ৰুত বৈজ্ঞানিকেও কেনেকৈ অৰ্থ সংগ্ৰহ আদিৰ জৰিয়তে সহায় কৰিছিল, তাৰ বতৰা পাই আহিছোঁ। আইনষ্টাইন তেতিয়া জীৱিত, প্ৰিঞ্চটন্ বিশ্ববিদ্যালয়ৰ অধ্যাপক।

যি সম্ৰাট জিয়নক কেন্দ্ৰ কৰি এই আন্দোলনটো গঢ়ি উঠিছিল, জেৰুজালেম চহৰৰ পৰ্বত-শিখৰত সেইজনা সম্ৰাটৰ প্ৰাসাদ এতিয়াও স্মৃতিস্তম্ভ হৈ আছে। এই ঠাইডোখৰ কেৱল ইহুদীৰ বাবেই নহয়, খ্ৰীষ্টানসকলৰ বাবেও পুণ্যভূমি। এদিন পুৱাই এই পৰ্বতটো বগাইছিলো। চাব লগা সকলোবোৰ বস্তু খৰচি মাৰি চাইছিলো। পুৱাৰ বেলিৰ স্বৰ্ণদীপ্ত পোহ পৰি ঠাইডোখৰ উজ্জ্বল হৈ আছিল। ওখ, লাহি গছবোৰৰ মাজে মাজে অলপ বতাহ। গোটেই পৰিৱেশটোতেই যেন ইতিহাস জীৱন্ত হৈ

আছে। ইহুদীসকলৰ মনত বিশেষ এক ধাৰণা আছে - প্ৰাসাদটোৰ তলৰ মাটিৰ গহ্বৰত সম্ৰাট জিয়ন এতিয়াও জীয়াই আছে। তেৱেঁই ইহুদী জাতিটোক ৰক্ষা কৰি আহিছে আৰু ভৱিষ্যতলৈকো কৰিব। গহ্বৰৰ অন্তৰালৰপৰা সকলোবোৰ কথা তেওঁ লক্ষ্য কৰি আছে। বিপদত পৰা মানুহ প্ৰায়েই অদৃষ্টবাদী হয়। মানুহৰ জীৱনত দুৰ্যোগ আছে। সেই কাৰণে ভগৱানো আছে। ভগৱান আতুৰ মানুহৰ প্ৰাণৰ সৃষ্টি। মাউন্ট জিয়ন বগাই প্ৰত্যাৱৰ্তন কৰিব খুজিছোঁ হে মাথোন এনেতে তেওঁলোকে মোক এখন চাৰ্টিফিকেট দিলে। তাত লেখা আছে : ‘অমুকাই প্ৰাচীন তীৰ্থযাত্ৰীৰ ৰীতি অনুসৰি মাউন্ট জিয়ন আৰোহণ কৰিলে’। মই জানো ধৰ্ম কৰিবলৈ গৈছিলো? দেশখনৰ প্ৰাচীন ঐতিহ্যৰ বুজ লবলৈ হে গৈছিলোঁ। যাৰ কোনো আনুষ্ঠানিক ধৰ্ম্মৰ প্ৰতি আনুগত্য নাই, তেনে মানুহক আকৌ তীৰ্থ্যাত্ৰীৰ চাৰ্টিফিকেট! কথাষাৰ ভাবি মোৰ হাঁহি উঠিছিল।... প্ৰাসাদৰ চাৰিউকাষৰ নিৰ্জন উদ্যানৰ গছবোৰৰ মাজে মাজে পুলকিত অন্তৰেৰে গৈ আছোঁ, এনেতে চকুত পৰিল এহাল ডেকাগাভৰু। মনতে মোৰ ভাব হল, ইহঁতৰ এই উদ্ভণ্ডালিবোৰ গহ্বৰৰ বুকুৰপৰা সম্ৰাট জিয়নে চাই থকা নাই জানো? চাই আছে যদি আধুনিক সহজ মিলনৰ বিষয়ে তেওঁ বাৰু কি ভাবিছে?

বৰ আচৰিত, ইজৰাইল ভ্ৰমনকালত দেশৰ ইমূৰৰপৰা সিমূৰলৈকে কতবোৰ মানুহ লগ পালোঁ, কিন্তু কাৰো মুখত অতীতৰ অত্যাচাৰ-উৎপীড়নৰ বিষয়ে তিক্ততাৰ বাণী এষাৰে নুশুনিলোঁ। অৱশ্যে কথা-প্ৰসঙ্গত অতীত জীৱনৰ কৰুণ অধ্যায়টোৰ কথা স্মৰণ নকৰাকৈ নেথাকে - সেইবুলি সেই স্মৰণ-কাৰ্য্যত কাৰো প্ৰতি বিদ্বেষ নাই। নিজৰ ভাগ্যক গৰিহণা দিয়াৰ প্ৰতি হওঁতে আগ্ৰহ নথকা নহয়। প্ৰায়বোৰ মানুহৰ মুখত মাথোন একেষাৰ কথাই শুনিছিলো: ‘আমাৰ পাপৰ কাৰণে আমি গৃহহাৰা হৈছিলোঁ। হে ভগৱান, আমাক কৰুণা কৰা।’

ইহুদীৰ ৰাষ্ট্ৰপিতা হাৰ্‌লজ্‌ৰ স্বপ্ন আজি বাস্তৱলৈ ৰূপান্তৰিত হৈছে। শ শ বছৰ জুৰি নিৰ্বাসিত মানৱ-প্ৰাণত জাগ্ৰত হৈ থকা চেতনাক হাৰ্‌লজে ভাষা দিলে - অন্তৰ-আকাঙ্ক্ষাক বাঙ্ময় কৰি তুলিলে। হেজাৰ প্ৰাণত দীপ্ত হৈ থকা চেতনাক ৰূপ দিব পৰাটোৱেই হৈছে একোজন মহান ব্যক্তিৰ চৰম সাৰ্থকতা। হাৰ্‌লজে ঘোষণা কৰিছিল, কেৱল ভগৱানৰ ওপৰত নিৰ্ভৰশীল হলেই নহব, নিজৰ সকলো আত্মশক্তি প্ৰয়োগ কৰি চেষ্টাও কৰিব লাগিব, তেহে এখন নতুন পৃথিৱীৰ জন্ম সম্ভৱ। চমুকৈ কবলৈ গলে, জিয়নিষ্ট দৰ্শনক হাৰ্‌লজে ৰাজনৈতিক ৰূপ দিলে। আজিৰ যুগত ৰাজনৈতিক সমৰ্থনৰ অবিহনে কোনো আন্দোলনেই কেতিয়াও সাৰ্থক হব নোৱাৰে। চিন্তা-নায়ক টমাচ মেনৰ মতে : ‘In our time, the destiny of man presents its meaning in political terms.’ হাৰ্‌লজে এইষাৰ কথা অন্তৰৰ গভীৰতম কোণত উপলব্ধি কৰিছিল।

১৮৯৭ চনত বাচিলত প্ৰথম বিশ্ব-ইহুদী সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনতেই হাৰ্‌লজৰ স্বপ্ন বাস্তৱ ৰূপ দিয়াৰ মানসেৰে বিশ্ব-জিয়নিষ্ট আন্দোলনক গঢ় দিয়া হয়। ইয়াৰ ঘোষিত উদ্দেশ্য হল : ‘বিধিসঙ্গতভাৱে ইজৰাইল-ভূমিত ইহুদীসকলৰ বাবে নিজস্ব এখন ৰাষ্ট্ৰ স্থাপন কৰা।’ এই সন্মিলনৰ অন্তত হাৰ্‌লজে ডায়েৰীত লেখিছিল : ‘মানুহে হাঁহিব পাৰে, কিন্তু আজি নহলেও পঞ্চাশ বছৰৰ অন্তত হলেও ইহুদী-ৰাষ্ট্ৰ এখনৰ কেতিয়াও জন্ম নোহোৱাকৈ নেথাকে।’ বৰ আচৰিত - এইষাৰ কথা লিপিবদ্ধ কৰা ঠিক পঞ্চাশ বছৰৰ অন্তত ১৯৪৭ চনৰ নভেম্বৰ মাহৰ ২৯ তাৰিখে সন্মিলিত জাতিসঙ্ঘৰ প্ৰস্তাৱ অনুসৰি ইহুদীসকলৰ নিজস্ব ৰাষ্ট্ৰ ইজৰাইল স্থাপনৰ দাবীক আনুষ্ঠানিকভাৱে আন্তৰ্জাতিক স্বীকৃতি প্ৰদান কৰা হয়।

ইয়াৰ পূৰ্ব্বেও এনে স্বীকৃতি অৱশ্যে প্ৰদান কৰা হৈছিল। ১৯১৭ চনতেই ব্ৰিটিছ চৰকাৰে বেলফুৰ্ ঘোষণাৰ জৰিয়তে পেলেষ্টাইনত ইহুদীসকলৰ বাবে নিজস্ব এখন ৰাষ্ট্ৰৰ কথা স্বীকাৰ

কৰি লৈছিল। প্ৰথম মহাসমৰৰ অন্তত ১৯২৬ চনত পেলেষ্টাইন ইংলণ্ডৰ কৰ্তৃত্বাধীন ৰাষ্ট্ৰলৈ, মেনডেটেড্ টেৰিটৰীলৈ পৰিণত হয়। ইতিমধ্যে সকলো বাধা-নিষেধ আওকাণ কৰি পৃথিৱীৰ নানা দেশৰ পৰা প্ৰবাসী ইহুদীসকল নিগাজিকৈ বাস কৰাৰ উদ্দেশ্যেৰে ইয়ালৈ আহিবলৈ ধৰে। জাৰ্ম্মেনীৰপৰা অৱশ্যে জনস্ৰোতৰ উজান উঠিছিল - জাৰ্মেনী আছিল ইহুদীসকলৰ মৰিশালি। ১৯৪৭ চনত ইংলণ্ডই পেলেষ্টাইন শাসনৰ দায়িত্ব প্ৰত্যাখ্যান কৰে।.... ইজৰাইল ভ্ৰমণকালত ব্ৰিটিচ প্ৰধানমন্ত্ৰী বেলফুৰ্ আৰু ইংলণ্ডৰ শলাগ লোৱা মানুহ বহুত পাই আহিছোঁ। এনেদৰেই প্ৰায় ঊনৈশ শ বছৰ অনাই-বনাই ফুৰাৰ অন্তত গৃহহীন জাতি এটাই আন্তৰ্জাতিকভাৱে ৰাষ্ট্ৰীয় স্বীকৃতি পালে। স্বাভাৱিকতে এই স্বীকৃতিয়ে বিৰাট এক অনুপ্ৰেৰণাৰ সৃষ্টি কৰিলে। এই অনুপ্ৰেৰণা পেলেষ্টাইনৰ চাৰিসীমাৰ মাজতে কেৱল আবদ্ধ হৈ নেথাকিল - বাহিৰতো ই দেশে দেশে য’তেই ইহুদী আছিল, ত’তেই বিয়পি পৰিল। হিব্ৰুভাষাৰ শিক্ষা-অনুষ্ঠান কেউপিনে গঢ়ি উঠিবলৈ ধৰিলে। যুৱক-অনুষ্ঠান গঢ়ি উঠিল। খেতিৰ বাবে নতুনকৈ মাটি মুকলি হবলৈ ধৰিলে - মুঠতে য’তেই ইহুদী আছিল, ত’তেই প্ৰাণগঙ্গাৰ জোৱাৰ নামিবলৈ ধৰিলে। পৃথিৱীৰ নানা দেশৰপৰা অৰ্থৰ শকত বৰঙণি আহিল। বৰ্তমান ইজৰাইলৰ দুটা শক্তিশালী অনুষ্ঠানৰ ভিতৰৰ এটা, যুইচ্ এজেঞ্চি অধিক সক্ৰিয় হৈ উঠিল। ১৯৪৮ চনত ইজৰাইল ৰাষ্ট্ৰ যেতিয়া স্থাপন হয়, এনেবোৰ পূৰ্ব্বৱৰ্ত্তী ব্যৱস্থাই প্ৰশাসন-ব্যৱস্থা ভাগি নপৰাকৈ দেশখনক দাঙি ধৰিলে। সেই সময়তে এওঁলোকে হাগানাহ্ নামেৰে স্বকীয় এটা সামৰিক বাহিনী গঢ়ি তুলিছিল। ৰাষ্ট্ৰ স্থাপন হোৱাৰ পিছত এই বাহিনীটো ৰাষ্ট্ৰীয় সৈন্য বাহিনীলৈ ৰূপান্তৰিত হয়। এনেবোৰ আগতীয়া বিধি-ব্যৱস্থাই ইজৰাইলী নেতৃবৰ্গৰ অভূতপূৰ্ব ৰাজনৈতিক দূৰদৰ্শিতাৰ পৰিচয় দিয়ে।

১৯৪৮ চনত সুকীয়া ৰাষ্ট্ৰ স্বৰূপে স্থাপন হোৱাৰ পূৰ্বমুহূৰ্তত ইজৰাইল যে ভালেখিনি বিপদ-আপদৰ সম্মুখীন হব লগা হৈছিল,

সেইষাৰ কথাও সঁচা। স্বকীয় ইজৰাইলী ৰাষ্ট্ৰ স্থাপনৰ সপক্ষে গ্ৰহণ কৰা সম্মিলিত জাতিসঙ্ঘৰ প্ৰস্তাৱৰ প্ৰতি প্ৰত্যাহবান জনাই ওচৰ-চুবুৰীয়া আৰৱ ৰাষ্ট্ৰসমূহে ব্ৰিটিচে পেলেষ্টাইন পৰিত্যাগ কৰাৰ লগে লগেই ইজৰাইলৰ বিপক্ষে সশস্ত্ৰ আক্ৰমণৰ আশ্ৰয় লয়। এই ৰণত শ শ ইহুদী যুৱক-যুৱতীয়ে প্ৰাণ আহুতি দিয়ে। জেৰুজালেম চহৰত প্ৰৱেশ কৰাৰ পথত ৰণৰ স্মৃতিচিহ্ন স্বৰূপে এতিয়াও বহুত যুঁজাৰু গাড়ীৰ ভগ্নাৱশেষ আলিৰ দাঁতিত পৰি থকা দেখিবলৈ পোৱা যায়।

জেৰুজালেম পৰ্বতীয়া ঠাই। চহৰখন জুদিয়া নামৰ পৰ্বতটোৰ ওপৰত অৱস্থিত। পৰ্বতৰ মাজৰ নিৰ্জন পথেদি আমাৰ গাড়ী চলিবলৈ ধৰিলে। তেতিয়া 'আকাশৰ ছাইদানীত দিনান্তৰ ভগ্নাৱশেষ'। দুয়োকাষে আলিৰ দাঁতিত মামৰে ধৰা এই গাড়ীবোৰ পৰি আছে। অকস্মাৎ পৰ্বতৰ শোভাত নিবদ্ধ দৃষ্টি মোৰ বিচ্ছিন্ন হৈ এই গাড়ীবোৰৰ ওপৰত আবদ্ধ হল। চৰকাৰৰ ঘৰৰপৰা মোৰ যত্ন লবলৈ দিয়া বৈদেশিক বিভাগৰ কৰ্মচাৰীজনক সুধিলো এই গাড়ীবোৰৰ ইতিহাস। সকলোবোৰ কথা তেওঁ এফালৰপৰা নিয়াৰি কৈ গল। অৱশেষত কাহিনীৰ মোখনি মাৰি কলে : 'আমাৰ স্বাধীনতা দিৱসৰ দিনা সকলো দিশৰপৰা ইয়ালৈ মানুহ আহে, পুস্পাঞ্জলি অৰ্পণ কৰিবলৈ। ইজৰাইলত এনে এটা পৰিয়াল নাই, যাৰ কোনোবা নহয় কোনোবা এই ৰণত নিহত নোহোৱাকৈ আছে।' ইয়াৰ পিছত হুমুনিয়াহ এটা পেলাই মানুহজনে আকৌ কবলৈ ধৰিলে : 'মোৰ বাইদেউ এজনীও এই ৰণত নিহত হৈছে। তাই তেতিয়া ২২ বছৰীয়া গাভৰু। আই-বোপাইৰ হাক-বচন অৱজ্ঞা কৰি ৰণলৈ যাওঁ বুলি ওলাই গল। তাই আৰু ঘৰলৈ উলটি নাহিল।'

পৰ্বতীয়া বাট নেওচি জেৰুজালেম অভিমুখে, ঐতিহ্যশালী সেই চহৰখনৰ ফালে আমাৰ গাড়ী চলিবলৈ ধৰিলে। কাৰো মুখত মাত নাই, আনকি সৰবৰহী, কথা কৈ ভাল পোৱা গাড়ীৰ ড্ৰাইভাৰ য়াকোভো নিস্তব্ধ।

'আমাৰ স্তব্ধ হিয়াত কঙাল উলাহ, সৰীসৃপ চেঁচা!'.... আগতেই কৈ আহিছোঁ, ইজৰাইল এখন সৰু দেশ। তথাপি ইয়াৰ জলবায়ুৰ, প্ৰাকৃতিক পটভূমিৰ যি বৈচিত্ৰ্য, সেই বৈচিত্ৰ্যই হেজাৰ নিৰসজনৰো অন্তৰ স্পৰ্শ নকৰাকৈ নেথাকে। পৰ্বত আৰু উপত্যকা, ইয়াৰ ছাঁ-পোহৰেৰে দেশখন সমৃদ্ধ, পটভূমি সমুজ্জ্বল।

'কিমান সপোন সৰি গল,
তাৰ কোনে ৰাখে খতিয়ন।'



মন মাটি মানুহ

তেতিয়াও সাজ লগা নাই। এনে এটা নিৰ্জন মুহূৰ্তত ইজৰাইলৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত বিপুল পৰিৱৰ্তন সম্ভৱ কৰি তোলা কিবুৎজ্ যৌথ সংগঠনৰ গাঁও এখনত উপস্থিত হলোঁহি। পুৱাই তেল-এভিভ্ চহৰ এৰি পশ্চিমৰপৰা পূবলৈ আহিছিলোঁ। কিমানবোৰ চহৰ, গাঁও, মানুহ, সুমথিৰা টেঙাৰ বাগিচা যে এৰি থৈ আহিলোঁ। কিছুদূৰ সাগৰৰ পাৰে পাৰে আহিলোঁ, কিছুদূৰ খৰাং পৰ্বত বগালো, কিছুদূৰ সেউজীয়া উপত্যকা, তাৰপিছত আমাৰ শেষ লক্ষ্যত উপনীত হলোঁহি। ক'তা, ইমান ঘুৰিছোঁ ! তথাপিও দেখোন দেহাতো শ্ৰান্তিৰ আঁচোৰ নাই, মনতো নাই। মানুহৰ মনে সদায় নতুন পোহৰ বিচাৰে। সেই কাৰণেই সম্ভৱতঃ শ্ৰান্তিৰ অৱকাশ দেহ-মন ক'তো নাই।

কিবুৎজৰ 'মোটেল' অতিথিশালাত আমাৰ থকা-ঠাই চৰকাৰৰ পিনৰপৰা আগতীয়াকৈ ঠিক হৈ আছিল। পোনতে আমি গাঁৱৰ ৰেষ্টোৰাঁটোতে নামিলোঁহি। অতিথিশালাৰ সঁচাৰ-কাঠী ৰেষ্টোৰাঁৰ ৰচকী ছোৱালীজনীৰ হাতত। তাইক দেখিয়েই সহানুভূতিৰ সুৰত কলোঁ : "তুমি অকলেই মানুহৰ সোধ-পোছ কৰা, ৰেষ্টোৰাঁৰ হিচাপ-পত্ৰও ৰাখা। তোমালোক ইজৰাইলী ছোৱালীবোৰ কম নোহোৱা। তোমাৰ হাততেই আকৌ অতিথিশালাৰ সঁচাৰ-কাঠীও।" ইমান প্ৰশংসাৰ পিছত আন নাৰীৰ দৰেই তায়ো থিৰেৰে থাকিব নোৱাৰা হল। হাঁহিবোৰ তাইৰ লনি মুখখনেদি

উভৈনদীকৈ বৈ যাবলৈ ধৰিলে, অতি নীৰৱে, অতি সংগোপনে।
......

তায়ো কম নহয়। তাই যেন আমাৰ বহুত দিনৰ চিনাকি, আমাৰ কাৰণেই তাই যেন উৎকণ্ঠাৰে বাট চাই আছে, এনে এটা ভঙ্গিৰে আমাক বাৰে-বাৰে কবলৈ ধৰিলে। “বহক, বহক, আপোনালোকক থকা-ঠাইলৈ মই লৈ যাম। কি খাব, কওক। অলপ মদ, অলপ কফি, অলপ চাহ, যিহকে ইচ্ছা কৰে তাকেই দিম।” যলৈকে গৈছোঁ, ত’তেই চৰকাৰৰ ঘৰৰপৰা আগতীয়াকৈ জনাই থোৱা হৈছে, খাই উঠি ’বিল’খন চহী কৰি দিলেই হল। তাইৰ অনুৰোধ এৰাব নোৱাৰি আমি তিনিও - মই, মোৰ তত্বাৱধান লবলৈ লগত নিয়া ৰাজ-কৰ্মচাৰীজন আৰু আমাৰ গাড়ীৰ ড্ৰাইভাৰজন অলপ কফি আৰু কেক লৈ খাবলৈ বহিলোঁ। তাই কলে : “আজি নিশা কিবুৎজৰ সমূহীয়া ভোজনশালাত আপোনাসকলে মোৰ লগত আহাৰ কৰিব লাগিব। সন্ধ্যা ৬ ১/২ বজাত আমাৰ খোৱা হয়।”

মোৰ লগৰ ৰাজ-কৰ্মচাৰীজনৰ নাম য়াটিভ। কম বয়সীয়া ডেকা মানুহ। দেখিলেই মৰম লাগে। মানুহজনে কিমান যে যত্নই নললে, ভাবিলে স্তম্ভিত হৈ যাওঁ। মানুহৰ অন্তৰখন বুজিব নোৱাৰাকৈ গভীৰ ভৌগোলিক বা তেনে কোনো ধৰণৰ ব্যৱধানে এই গভীৰতাক স্পৰ্শ কৰিব নোৱাৰে। মই কলো : “য়াটিভ্ ৬ বজাতে জানো খাব পাৰি? নেখাওঁ দিয়া। এই আমাক যেনেকৈ লস্তিছে, খোৱাৰ পিছত এৰি নিদিব যেন পাইছো। নিশা ৮ বজাত এই ৰেষ্টোৰাঁতে খাই মাজনিশালৈকে গাড়ীৰে ঘূৰিম দিয়া।” কিয় কব নোৱাৰো, নিশা যিমানেই গহীন হৈ আহে, সিমানেই জীৱনটোলৈ মোৰ মৰম লাগি আহে-নহলে এই জীৱনটোলৈ মৰম লাগিব লগা একো কাৰণেই বিচাৰি নেপাওঁ। ড্ৰাইভাৰজনক কলো: “য়াকোভ্, তোমাৰ ভাগৰ লাগিছে নেকি? গোটেই দিনটো তুমি গাড়ী চলাইছা।” তেওঁ কলে : “নাই লগা। লাগিলেও কোনো

কথা নাই। নিশা আহাৰৰ সময়ত অপ মদ খাই লম, সকলে ঠিক হৈ যাব।”

এইবুলি কৈ দুষ্টালিৰ হাঁহি এটা মাৰি য়াকোভ্ গল মচি-কাচি গাড়ীখন ঠিক কৰিবলৈ - বিৰাট ‘কৰণেডো’ গাড়ী। য়াটিভ্ আৰু মই ওলাই গলোঁ গাঁওলৈ। খোজকাঢ়ি গাঁৱৰ নিৰ্জন বাটেদি ঘূৰিবলৈ ধৰিলোঁ। বাহিৰৰ চেঁচা বতাহজাকে অলপ আমনি দিছিল যদিও গাঁৱৰ নীৰৱ সৌন্দৰ্য্যই অন্তৰ এনেকৈ আগুৰিছিল যে জাৰ লগাৰ কথা ভাবিবলৈ আজৰিকে নেপালোঁ।

গাঁওখনৰ নাম কাফ্ৰা-ব্লাম, কিবুৎজ্ গাঁও। লৰাই-ছোৱালীয়ে সৰ্বমুঠ বাসিন্দাৰ সংখ্যা ৬৫জন। ঘূৰি-মেলি এওঁলোকৰ সমূহীয়া ভোজনশালাত সোমালোগৈ। ৰান্ধনীয়ে তেতিয়া এফালৰপৰা টেবুলত খোৱাবস্তু সজাইছে। বাহিৰৰ নোটিচ-বোৰ্ডত সেই নিশাৰ আহাৰৰ বাবে কি কি বস্তু আছে, তাৰ তালিকা এখন ওলোমাই থোৱা আছে। গাঁৱৰ মানুহ, পুৰুষ-মহিলা, দুজন-এজনকৈ খাবলৈ আহিছে। কিবুৎজ্ পদ্ধতিৰ গাঁৱত পৰিয়ালৰ নিজাকৈ একোটা থকা-ঘৰ আছে, কাৰো সেইবুলি সুকীয়াকৈ ৰান্ধনিশাল নাই। মুঠতে কাৰো ব্যক্তিগত সম্পত্তি নাই, সকলো সমূহীয়া। আনকি পৰিয়ালৰ থকা-ঘৰটো আৰু মাটিকণো অনুষ্ঠানৰ হে, কাৰো গাইগুটীয়া সম্পত্তি নহয়।

তাহানি আমেৰিকা ভ্ৰমণ-কালত কোনোবা পৰিয়ালে যেতিয়া খাবলৈ মাতিছিল, ৰান্ধনিঘৰত সোমাই সাধাৰণতে ৰান্ধনীৰ সৈতে ৰন্ধাৰ সময়ত কথা পাতিছিলোঁ। আমেৰিকাত ঘৰৰ মানুহজনে সেইদৰে ৰান্ধনিঘৰত আলহীক বহুৱাই দিয়ে, নাইবা ৰান্ধনীয়ে নিজেই আলহীক মাতি লৈ যায়। ঘৰৰ গৃহিণীয়েই ৰান্ধনী। আমাৰ ভদ্ৰ-সমাজত থকাৰ দৰে আমেৰিকাৰ পৰিয়ালত ‘বাপুটি’ নাই। খাই-বই উঠাৰ পিছত ৰান্ধনীয়ে যেতিয়া পাত্ৰবোৰ ধুবলৈ লয়, তেতিয়া আলহীয়ে ‘চাওঁ মোক দিয়ক, মই আপোনাক সহায় কৰি দিওঁ’ বুলি কোৱা নিয়ম। ইংলণ্ডৰ একালৰ প্ৰধানমন্ত্ৰী লৰ্ড এট্লীয়ে তাহানি আমেৰিকা ভ্ৰমণকালত এনেদৰে ৰান্ধনীক

কাঁহী-বাটি ধুই সহায় কৰি দিয়াৰ উদাহৰণ আছে। আমেৰিকা ভ্ৰমণ-কালত এই প্ৰস্তাৱটো প্ৰায়েই মই আগবঢ়াইছিলোঁ। কোনো গৰাকী গৃহিণীয়ে প্ৰস্তাৱটো গ্ৰহণ কৰিছিল, কোনোগৰাকীয়ে নকৰিছিল।

কাফ্ৰা-ব্লাম ৰান্ধনিঘৰত কাঁহী-বাটি ধুই দিয়াৰ প্ৰশ্ন উঠা নাছিল। কাৰণ তাত মই খোৱা নাছিলোঁ। তথাপি এওঁলোকৰ সমূহীয়া ৰান্ধনিঘৰটো সোমাই চালোঁ। এফালৰপৰা ৰান্ধনী কেইগৰাকীয়ে বস্তুবোৰ দেখুৱাই গল। ৰান্ধনিঘৰৰ সা-সৰঞ্জামবোৰ অতি আধুনিক। ৰন্ধা হয় গেচত। কাঁহী-বাটি ধোৱা হয় যান্ত্ৰিক ব্যৱস্থাৰে। আনকি আলুগুটিৰ বাকলিও যান্ত্ৰিক ব্যৱস্থাৰে হে গুচোৱা হয়। গাঁৱৰ ৰূপ এইটো হলে মানুহ চহৰ বিচাৰি যাবলৈ ওলাব কিয়? ভোজনশালা ইমান আহল-বহল আৰু আধুনিক ধৰণেৰে সজ্জিত যে নিশা প্ৰয়োজন হলে তাতে চিনেমা প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান আদিৰ ব্যৱস্থা কৰিব পৰা হয়। কিবুৎজৰ ৰান্ধনীকেইগৰাকী চিৰস্থায়ী - পাল পাতি ৰন্ধাৰ নিয়ম নাই। অৱশ্যে কাঁহী-বাটি ধোৱাৰেপৰা ৰান্ধনিঘৰৰ আন যাৱতীয় কাম গাঁৱৰ মানুহে পাল-পাতি কৰে। তাৰে ৰান্ধনী এগৰাকীক সুধিলোঁ : “তোমালোকৰ সলনি নহয় কিয়?” তাৰ উত্তৰত বঢ়িয়া কথা এষাৰ তাই কলে : “আমি সলনি হৈ থাকিলে যে খোৱাৰ ষ্টেণ্ডাৰ্ড পৰি যাব।” ইজৰাইলত যিমানবোৰ ৰেষ্টোৰাঁত কাম কৰা মহিলা নাইবা ৰান্ধনী দেখিলোঁ, আটাইবোৰেই গাভৰু ছোৱালী। ইজৰাইল যুৱক-যুৱতীৰ দেশ। য়াটিভক কলো: “আমাৰ দেশৰ দৰেই তোমালোকৰ দেশখনৰ ভৱিষ্যত যুৱক-যুৱতীৰ হাতত।” আমাৰ দেশত এইষাৰ কথাৰ উপলব্ধি হয় ট্ৰ'ম্বেৰ আণৱিক শক্তিৰ প্ৰতিষ্ঠানত যেতিয়া প্ৰৱেশ কৰা হয়, তেতিয়া। মাথোন পঞ্চাশ ফুট ওপৰৰপৰা পাকিস্তানৰ আক্ৰমণাত্মক টেঙ্কৰ ছবি লোৱা অসমীয়া পাইলট, উৎপল বৰবৰাও ডেকা লৰা হে। ইজৰাইলৰ দৰে আমাৰ দেশৰ চৌদিশে যেতিয়া চাওঁ, এইষাৰ কথাই বাৰে বাৰে মনত মোৰ প্ৰস্ফুটিত হৈ উঠে।

হিব্ৰু ভাষাত কিবুৎজৰ অৰ্থ হৈছে ‘সমষ্টি’, ‘গোট’। সমাজবাদী ইজৰাইল ৰাষ্ট্ৰৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ ই মেৰুদণ্ড। কিবুৎজ্ সংগঠনত কোনো বাধ্যবাধকতা নাই। স্ব-প্ৰণোদিতভাৱে সন্নিৱিষ্ট হোৱা কিবুৎজ্ হৈছে এবিধ সমূহীয়া সামাজিক-অৰ্থনৈতিক অনুষ্ঠান। এইবোৰক সমাজবাদী পুথিৰ ’কলেক্টিভ’ৰ লগত কিছু দূৰ ৰিজাব পাৰি। অৱশ্যে কমিউনিষ্ট আদৰ্শৰ ’কমিউন’ৰ লগত পাৰ্থক্য হৈছে এইখিনিতেই যে কিবুৎজ্ সংগঠনৰ বিধি-ব্যৱস্থা সকলোবোৰ সম্পূৰ্ণৰূপেই গণতান্ত্ৰিক।

বৰ্তমান ইজৰাইলত কিবুৎজ্ গাঁৱৰ সৰ্বমুঠ সংখ্যা হৈছে ২৩০ খন, মুঠ জনসংখ্যা ৮৫ হেজাৰ। ইজৰাইলত আৰু এবিধ গাঁও-সংগঠন আছে। সেইবোৰক মোচেভ্ বোলা হয়। এই দ্বিতীয়বিধ গাওঁ-সংগঠন সমবায় পদ্ধতিৰে পৰিচালিত হয়। এই দুটা সংগঠনৰ সঙ্ঘবদ্ধ শক্তিয়ে ইজৰাইলৰ কৃষি-ব্যৱস্থা টনকিয়াল কৰি তুলিছে। কিবুৎজ্ পদ্ধতিৰ বিষয়ে দীঘলীয়াকৈ কোৱাৰ আগতে চমুকৈ মোচেভ্ গাঁও-পদ্ধতিৰ বিষয়ে অলপ কব খুজিছোঁ।

কিৰিয়াৎ-গাট্ অঞ্চললৈ ভ্ৰমণ কৰিবলৈ গৈছিলোঁ। ইয়াৰ দাতি-কাষৰীয়া গাঁওবোৰ মোচেভ্ পদ্ধতিৰে পৰিচালিত গাঁও। দুপৰীয়া তাতে আহাৰ খাই ডান্ এভিটল্ নামৰ মানুহ এজনৰ সৈতে গাঁও অঞ্চললৈ গৈছিলোঁ। কেইবাখন দেশৰপৰা প্ৰত্যাৱৰ্তন কৰা মানুহ এইবোৰ গাঁৱত সিচৰতি হৈ আছে। ভাৰতৰপৰা প্ৰত্যাৱৰ্তন কৰা মানুহো আছে। ঘূৰি-পকি আমি গাঁৱৰ ভাৰতীয় ইহুদী এঘৰত সোমালোগৈ। বুঢ়া, বুঢ়াৰ একেটা মাথোন লৰা, এজনী বোৱাৰী আৰু এহাল নাতি-নাতিনী। লৰা-ছোৱালীহাল বৰ মৰম লগা - মুখকেইখন তেল-পিছলা চিকোণ, চকুকেইটা পদুম-ফুলীয়া। গাঁওখনৰ নাম শ্বাহাব। ঘৰবোৰ একে সঁচৰ পকী ধুনীয়া ঘৰ। বুঢ়াৰ লৰাৰ বয়স ২৬ বছৰ। সি ফুলৰ খেতি কৰে। সিহঁতৰ সৈতে বহুত কথা পাতিলো। লৰাটোৱে এই বছৰ ইটালীলৈ ফুল ৰপ্তানী কৰি ২৮ হেজাৰ টকা উপাৰ্জন কৰিছে। অহা বছৰলৈ গোলাপ ফুলৰ খেতি কৰিব বুলি সি কলে -

বিদেশত, বিশেষকৈ ইটালীত গোলাপ ফুলৰ সমাদৰ বৰ বেছি বুলিও কলে। ছমাহৰ কাৰণে ফুল খেতিৰ বিষয়ে প্ৰশিক্ষণ লোৱাৰ উদ্দেশ্যেৰে অলপতে সি ইংলণ্ডলৈকো যাব বুলি কলে।

মানুহে ব্যক্তিগতভাৱে জীৱন যাপন কৰে যদিও মোচেভ্ গাঁৱত ব্যৱহাৰিক জীৱন পৰিচালনা কৰা হয় সমবায় পদ্ধতিৰে। আদৰ্শৰ পিনৰপৰা কিবুৎজৰ দৰে মোচেভ্ গাঁওবোৰৰ গণতান্ত্ৰিক সমাজবাদী ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। সমূহ ইজৰাইলত বৰ্তমান মোচেভ্ পদ্ধতিৰ ৪০০খন গাঁও আছে। ৪৯ বছৰৰ কাৰণে কিবুৎজ্ গাঁৱে যেনেকৈ মাটি - আচলতে মাটি ৰাষ্ট্ৰীয় বা জাতীয় সম্পত্তি হে - লীজত পায়, সেইদৰে মোচেভ্ গাঁৱেও পায়। এই খিনিতে এটা পাৰ্থক্য আছে। ব্যৱহাৰিক ক্ষেত্ৰতো কিবুৎজ্ গাঁৱৰ মাটি কিবুৎজ্ অনুষ্ঠানৰ হে, ইয়াৰ ওপৰত ব্যক্তিৰ কোনো স্বত্ত্ব নাই। আনহাতে মোচেভ্ গাঁৱত মাটি ৰাইজৰ মাজত সম-স্বত্ত্বৰ ভেটিত সম-বিতৰণ কৰা হয়। ৪৯ বছৰৰ অন্তত লীজৰ কালছোৱা স্বতঃসিদ্ধভাৱে বৰ্ধিত কৰি দিয়াৰ নিয়ম।

পাৰস্পৰিক সহযোগ আৰু সাহায্যৰ জৰিয়তে সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ, বিশেষকৈ কৃষি-অৰ্থনীতিৰ উন্নতি সাধন, এয়ে হৈছে কিবুৎজৰ দৰে মোচেভ্ গাঁৱৰো সমাজবাদী আদৰ্শ। ৰোগগ্ৰস্ত হৈ নাইবা কিবা বিপদ-আপদৰ কাৰণে কোনোজন খেতিয়ক যদি মাটি চহাবলৈ অপাৰগ হয়, গঞা-ৰাইজে সমূহীয়াভাৱে মাটি চহাই সেইজনক সহায় কৰি দিয়ে। গাঁৱৰ লৰা-ছোৱালীৰ শিক্ষা-ব্যৱস্থাৰ দায়িত্বও মোচেভ্ অনুষ্ঠানৰ ওপৰত ন্যস্ত। বিদ্যা-বুদ্ধিৰ পৰিচয় দিব পৰা লৰাছ্োৱালীৰ উচ্চশিক্ষাৰ ব্যৱস্থাও মোচেভ্ অনুষ্ঠানে কৰে।

সহযোগৰ জৰিয়তে সমবায়, সমবায়ৰ জৰিয়তে সহযোগ - এয়ে হৈছে মোচেভ্ অনুষ্ঠানৰ আদৰ্শ। গাঁৱৰ কৃষি-ব্যৱস্থা, খেতিয়কক সকলো প্ৰকাৰৰ সাহায্য দান, পথাৰৰ উৎপাদিত বস্তু বজাৰলৈ প্ৰেৰণ ইত্যাদি সকলো দায়িত্ব মোচেভ্ অনুষ্ঠানৰ। সেই একেদৰে খেতিয়কৰ কাপোৰ-কানিৰপৰা আৰম্ভ কৰি প্ৰয়োজনীয়

যাৱতীয় বস্তুলৈকে সমবায় ভিত্তিত যোগান ধৰা হয়। ইয়াৰ উপৰিও মোচেভৰ বাবে প্ৰয়োজনীয় বস্তু-সম্ভাৰ সমূহীয়াভাৱে বেচা-কিনাৰ কাৰণে জাতীয় ভিত্তিত এবিধ কেন্দ্ৰীয় অনুষ্ঠান আছে। এই অনুষ্ঠান 'নূভা' বোলা হয়।

মোচেভৰ জানো সকলো মানুহ খেতিয়ক? আধুনিক সমাজত এনে এষাৰ কথা সম্ভৱপৰ হব নোৱাৰে। মোচেভৰ কোনোজন ডাক্তৰ, কোনোজন যান্ত্ৰিক, কোনোগৰাকী শুশ্ৰুষাকাৰিণী। ব্যক্তিগত ব্যৱহাৰৰ কাৰণে অলপ-অচৰপ মাটি পায় যদিও এওঁলোকৰ অৰ্থনৈতিক জীৱনৰ আচল ৰূপ হৈছে সুকীয়া। অৱশ্যে ইজৰাইলৰ মানুহৰ জীৱন সাঙোৰ খাই আছে মাটিৰ লগত। কৃষিজাত সামগ্ৰী ইজৰাইলী অৰ্থনীতিৰ ঘাই স্পন্দন।

মোচেভৰপৰা আকৌ কিবুৎজলৈ উলটি আহিব খুজিছোঁ। কিবুৎজত কাৰো ব্যক্তিগত সম্পত্তি নাই, সকলো সম্পত্তি সমাজৰ। উৎপাদন, বিতৰণ সকলো দায়িত্ব সমাজৰ। গাঁৱৰ প্ৰত্যেকেই নিজৰ শ্ৰমেৰে সমাজৰ সমূহীয়া পুঁজিলৈ বৰঙণি যোগায়। কোনেও ভেৰোণীয়া বনুৱা নিয়োগ কৰিব নোৱাৰে। কোনেও ব্যক্তিগত ব্যৱসায়ত লিপ্ত থাকিব নোৱাৰে। সমাজৰ সমূহীয়া শ্ৰমৰ যি লাভাংশ, সেই লাভাংশ সমাজৰ সমূহীয়া কল্যাণৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।

পোন প্ৰথমতে কিবুৎজৰ আদৰ্শ পূৰ্ব ইউৰোপৰ দেশসমূহত অঙ্কুৰিত হয়। ইয়াকে ইজৰাইলৰ বাসিন্দাই গণতান্ত্ৰিক সমাজবাদী আৰ্হিত নতুন বস্তুলৈ ৰূপান্তৰিত কৰিছে। কিবুৎজৰ এগৰাকী মহিলা কৰ্মীয়ে কলে : "পুঁজিবাদ ধ্বংস কৰিম বুলি ধ্বনি তুলিলেই সমাজবাদে ৰূপ নয়। পুঁজিবাদ ধ্বংস কৰাৰ, ঘাইকৈ গাঁও অঞ্চলত, উত্তম উপায় হৈছে ৰাইজৰ এনেবোৰ অনুষ্ঠান।" কথাষাৰে মোৰ অন্তৰ বৰকৈ স্পৰ্শ কৰিছিল। জেৰুজালেম বিশ্ববিদ্যালয়লৈ যেতিয়া যাওঁ, তাত এজন অৰ্থনীতিৰ পণ্ডিতৰ সৈতে কিবুৎজ্ সম্বন্ধে আলোচনা হৈছিল। পণ্ডিতগৰাকীয়ে কলে : "পুঁজি বিতৰণৰ কথা নহয়, আচল সমস্যা

হৈছে এখন সম্পূৰ্ণৰূপে নতুন সমাজ কেনেকৈ গঢ়িব পাৰি।.... এইখিনিতেই নৈতিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত ব্যক্তিৰ বৈপ্লৱিক পৰিৱৰ্তন সমাজবাদী অৰ্থনীতিৰ সূত্ৰসমূহৰ সৈতে সংযোজিত হব লাগিব।”

ইজৰাইলত দেখিলোঁ, এই স্বপ্নই ভালেখিনি সাৰ্থকতা লাভ কৰিছে। চহৰ আৰু গাঁৱৰ মাজত কোনো পাৰ্থক্যই নাই। এইজনী চহৰৰ ছোৱালী, এইজনী গাঁৱৰ ছোৱালী বুলি চিনিবকে নোৱাৰি। চহৰৰ ছোৱালীয়েও জীনচ্ পিন্ধে, গাঁৱৰ ছোৱালীয়েও পিন্ধে। মেখেলা জাতীয় চুটি স্কাৰ্ট প্ৰায় উঠিয়েই গৈছে বুলিব লাগে। চহৰৰ ছোৱালীয়েও ওঁঠত ৰং নহে, গাঁৱৰ ছোৱালীয়েও নহে। চহৰৰ ছোৱালীৰ মুখ যেনেকৈ আপেলৰ দৰে ৰঙা, গাঁৱৰ ছোৱালীৰো ৰঙা। চহৰৰ ছোৱালী যেনেকৈ নিঃসঙ্কোচ, গাঁৱৰ ছোৱালীও সেইদৰে নিঃসঙ্কোচ। গাঁও আৰু চহৰৰ ব্যৱধান খৰ্ব্ব কৰি নতুন এক সমাজ আদৰ্শ গঢ়ি তুলিব পৰাটো সম্ভৱপৰ হৈছে কাৰণেই সম্ভৱতঃ মানুহৰ চহৰৰ প্ৰতি ইয়াত মোহ নাই। কিবুৎজবোৰ নানা বৰণীয়া মানুহৰ একোখন ৰামধেনু। পৃথিৱীৰ নানা দেশৰপৰা অহা মানুহৰ এইবোৰ মিলন-ভূমি। যিবোৰ আদিৰেপৰা থকা ইয়াৰ চাবেক মানুহ, সেইবোৰক ‘চাব্ৰা’ বোলা হয়। আমাৰ সিজু গছৰ লেখীয়া ইয়াত এবিধ গছ আছে - এইবোৰক ‘চাব্ৰা’ বোলা হয়। ইজৰাইলত ইউকেলিপ্টাচ্ গছ অলেখ আছে, এইবোৰ বাহিৰৰপৰা আমদানি কৰি অনা গছ। চাব্ৰা স্থানীয় গছ, ইজৰাইলৰ মাটিৰ লগত ইয়াৰ সম্বন্ধ। গতিকেই চাবেক অৰ্থ বুজাবলৈ গছৰ ক্ষেত্ৰত যিটো শব্দ ব্যৱহাৰ কৰা হয়, সেইটো শব্দ মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

এইখিনিতে এটা প্ৰশ্ন হোৱাটো স্বাভাৱিক। কিবুৎজসমূহ পৰিচালনা কৰিবলৈ ৰাইজে মূলধন পায় ক’ৰ পৰা? এই মূলধন পোনপটীয়াভাৱে চৰকাৰৰ ঘৰৰপৰা নাইবা যুইচ্ এজেঞ্চি নামেৰে যিটো শক্তিশালী অনুষ্ঠান আছে, তাৰপৰা ঋণ স্বৰূপে লোৱা হয়। প্ৰয়োজন হলে এই অনুষ্ঠানটোৱে টেকনিকেল

পৰামৰ্শ আদিৰো যোগান ধৰে। চৰকাৰৰ কৃষি বিভাগেও এই পৰামৰ্শ আগবঢ়ায়। এইবোৰ বাহ্যিক বস্তু হে। কিবুৎজসমূহ শক্তিশালী কৰি জীয়াই ৰাখিছে জনসাধাৰণৰ সমাজ - সচেতনতাই। এইখিনিতে এটা কথা মন কৰিবলগীয়া - কোনোবাই যদি কিবুৎজৰ সদস্যপদ ত্যাগ কৰি আঁতৰি যাব খোজে, সেই গণতান্ত্রিক সুবিধাও আছে। ভ্রমণ-কালত এই বিষয়ে খৰচি মাৰি আলোচনা কৰি আহিছোঁ।

ৰাজহুৱা অনুষ্ঠানসমূহ আন ঠাইত সাধাৰণতে যেনেকৈ পৰিচালিত হয়, কিবুৎজসমূহো তেনেকৈয়ে পৰিচালিত হয়। এখন সাধাৰণ সভা, এখন কৰ্ম্ম-পৰিষদ, এজন সম্পাদক, এজন ধন-ভৰালী ইত্যাদি। কিবুৎজত কেইজনমান বিষয়ববীয়া সৰহকৈ থাকে। এজন কৃষি-সঞ্চালক, এজন কৰ্ম-সঞ্চালক আৰু এজন শিক্ষা-সঞ্চালক। ইয়াৰ উপৰিও এইসকলক বুদ্ধি-পৰামৰ্শেৰে সহায় কৰিবলৈ সৰু সমিতি একোখনো আছে। এইখিনিতে এটা বিশেষ কথা মন কৰিবলগীয়া হৈছে যে সৰহ দিনৰ কাৰণে একোজন ব্যক্তিৰ ওপৰত এনেবোৰ দায়িত্ব ন্যস্ত কৰা নহয়। ইয়াৰ ঘাই কাৰণ হৈছে, একেজন ব্যক্তিৰ ওপৰত এনেবোৰ দায়িত্ব সৰহ দিনৰ কাৰণে ন্যস্ত হলে, কালক্ৰমত একোটা ন্যস্ত-স্বাৰ্থজড়িত গোষ্ঠীৰ অভ্যুদয় হোৱাটো সম্ভৱ। দ্বিতীয়টো কাৰণ হৈছে, অনুষ্ঠান যেতিয়া সমূহীয়া, সমাজৰ প্ৰত্যেকজন ব্যক্তিয়েই অনুষ্ঠান পৰিচালনা কৰাৰ অধিকাৰ এবাৰ নহয় এবাৰ পোৱাটো উচিত।

কিবুৎজবোৰ গোট-খাই ঠায়ে ঠায়ে একোখন ফেডাৰেশ্যনো হৈছে। বৰ্তমান ইজৰাইলত এনে ধৰণৰ কিবুৎজ্ ফেডাৰেশন প্ৰধানতঃ তিনিখন আছে। বৰ আচৰিত - কিবুৎজ্ অনুষ্ঠানসমূহ দেখাত যদিও ৰাজনৈতিক চিন্তাধাৰাৰপৰা মুক্ত, এই তিনিওখন কিবুৎজ্ ফেডাৰেশ্যন তিনিটা ৰাজনৈতিক দলৰ লগত সংযোজিত। এখনৰ সম্বন্ধ বৰ্তমানৰ ঘাই ৰাজকীয় দল মাপাইৰ লগত। এই মাপাই দলটোক ইংলণ্ডৰ বনুৱা দলৰ লগত ৰিজাব

পাৰি। দ্বিতীয়খনৰ সম্বন্ধ হৈছে উগ্ৰ বামপন্থী দল আহদূত্ হাৰোডাৰ লগত। এই বামপন্থী দলটো বৰ্তমান মাপাইৰ দ্বাৰা পৰিচালিত মিলিত (কো-এলিশ্যন) চৰকাৰৰ সহযোগী। তৃতীয়খন কিবুৎজ্ ফেডাৰেশ্যন সংযোজিত মাৰ্ক্সবাদী মাপাম পাৰ্টিৰ লগত। ইজৰাইলী সংসদৰ বৰ্ত্তমান বিৰোধী দলসমূহৰ ভিতৰত এই দলটো মুখ্য। ইয়াৰ উপৰিও সৰু-সুৰা আৰু কেইবাটাও কিবুৎজ্ গোষ্ঠী আছে। এইবোৰো সেইদৰে এটা নহয় এটা ৰাজনৈতিক দলৰ লগত সংযোজিত।

ইজৰাইলৰ সৰ্ববৃহৎ বনুৱা অনুষ্ঠানটোৰ নাম হৈছে হিষ্টাদ্ৰুত। কিবা নহয় কিবা প্ৰকাৰে প্ৰত্যেকখন কিবুৎজ্ এই অনুষ্ঠানটোৰ লগত সাঙোৰ খাই আছে। হিষ্টাদ্ৰুত এক বিৰাট অনুষ্ঠান। তেল-এভিভ্ চহৰত থকা অনুষ্ঠানটোৰ মুখ্য কাৰ্যালয়ৰ কৰ্ম্ম-কৰ্ত্তাসকলৰ সৈতে বনুৱা আন্দোলনৰপৰা আৰম্ভ কৰি আন্তৰ্জাতিক ৰাজনীতিলৈকে দীঘলীয়া আলোচনা কৰিছিলোঁ। অনুষ্ঠানটোৰ ৰাজনৈতিক বিভাগৰ সভানেত্ৰী মিচেচ্ ইহুদিৎ চিম্হনী পৃথিৱীৰ এগৰাকী আগৰণুৱা মহিলা। আগতেই ডিপ্লোমেট্ য়াটিভে বাৰে বাৰে মোক কৈছিল : ‘মহিলাগৰাকীৰ লগত আলোচনা কৰি আপুনি বৰ আনন্দ পাব।’ সঁচাই পাইছিলোঁও - কথা জনা বুদ্ধিমতী মহিলা। সভাত আনুষ্ঠানিক কথা আলোচনা কৰাৰ উপৰিও তেল-এভিভ্ চহৰৰ ‘ফঁন্টেব্লু’ ৰেষ্টোৰাঁত বহি প্ৰায় মাজনিশালৈকে এদিন মহিলাগৰাকীৰ সৈতে নানান কথা আলোচনা কৰিছিলোঁ। সেইদিনা ভাৰতীয় ৰাজনীতি আৰু অৰ্থনীতিৰ কথাই আমাৰ আলোচনাত অধিক প্ৰাধান্য লাভ কৰিছিল। এই ৰেষ্টোৰাঁটোতে আমি নিশাৰ আহাৰ খাইছিলোঁ, ফৰাচী দেশীয় আহাৰ। পৃথিৱীৰ সকলে দেশৰ আহাৰ খাইছোঁ। মোৰ ধাৰণা, ফৰাচী দেশীয় আহাৰতকৈ জুতি লগা আহাৰ আৰু নাই।

ক্ষমা কৰিব, আহাৰৰ কথাই মোক আঁতৰাই আনিছে। হিষ্টাদ্ৰুত অনুষ্ঠানৰ দ্বাৰা বেঙ্ক, ইঞ্চিৱৰেন্স আদি প্ৰতিষ্ঠানো

পৰিচালিত হয়। এইবোৰৰ সৈতেও কিবুৎজ্ সংগঠনৰ সূক্ষ্ম সম্বন্ধ। আলোচনা প্ৰসঙ্গত মিচেচ্ চিম্‌হনীক মই সুধিছিলোঁ: “বৰ্তমান চৰকাৰক আপোনাসকলে সহযোগী স্বৰূপে পাইছে, গতিকে কোনো অসুবিধা নাই। অসহযোগী এটা চৰকাৰ যদি শাসনত অধিষ্ঠিত হয়, তেতিয়া কৰিব কি?” এইটো প্ৰশ্নৰ কাৰণে সম্ভৱতঃ অনুষ্ঠানৰ কৰ্ম্ম-কৰ্তাসকল প্ৰস্তুত নাছিল। তেওঁলোকক বিব্ৰত হোৱা যেন লাগিল। অৱশ্যে মানুহৰ উদ্যম, আদৰ্শ, কৰ্ম্ম-ক্ষমতা, লগতে হিষ্টাদ্ৰুত অনুষ্ঠানৰ জাতীয় জীৱনৰ ওপৰত প্ৰভাৱ দেখি আচৰিত নোহোৱাকৈ নাছিলোঁ। হিষ্টাদ্ৰুত অনুষ্ঠানে কিবুৎজসমূহক কেৱল যে আৰ্থিক আৰু টেকনিকেল সাহায্যই দিয়ে এনে নহয়, চৰকাৰৰ ঘৰত এইবোৰৰ স্বাৰ্থ ৰক্ষা কৰে। মুঠতে হিষ্টাদ্ৰুত এটা প্ৰভাৱশালী জাতীয় অনুষ্ঠান। কিবুৎজ্ ফেডাৰেশ্যনসমূহৰো সেইদৰে কাম অপাৰ, শিক্ষা-সংগঠনৰপৰা আৰম্ভ কৰি সাংস্কৃতিক বিনিময়, সাহিত্য প্ৰকাশ আদিলৈকে। দেশ-বিদেশৰ চ’চিয়েলিষ্ট সাহিত্য হিব্ৰু ভাষালৈ অনুবাদ কৰি এই অনুষ্ঠানসমূহে প্ৰচাৰ কৰা নিজে দেখি আহিছোঁ।

কাফ্ৰা-ব্লাম ভ্ৰমণ-কালত এজনে কলে : “শ্ৰমৰ মৰ্যাদা কিবুৎজৰ দৰ্শন আৰু কৰ্ম্ম-নীতি।” কাথাষাৰ শুনি বৰ ভাল লাগিল। মই ভাবোঁ, শ্ৰমৰ মৰ্য্যাদা যি নুবুজে, সি একোৰে মৰ্যাদা নুবুজে। ভাৰতৰ বিষয়ে তাহানি লুই ফিচাৰে লেখা কথা এষাৰ মনত পৰি মোৰ হাঁহি উঠিছিল। লুই ফিচাৰে এবাৰ দিল্লীৰ উদ্যোগপতি এগৰাকীৰ ঘৰত বহি কথা পাতি আছিল। বাহিৰৰ ৰ’দটো - জাৰৰ দিনৰ ৰ’দ - বৰ আকৰ্ষণীয় হৈ উঠিছিল। তেওঁ প্ৰস্তাৱ কৰিলে : “বাহিৰৰ ৰ’দত বহি কথা পাতিলে কেনে হয়?” বৰমানুহজনে তৎক্ষণাৎ ফিচাৰৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই ঘৰৰ বন-কৰা লৰা এটাক টেটুফালি চিঞৰিবলৈ ধৰিলে। চকীখন দাঙি লৈ ফিচাৰ বাহিৰলৈ যাবলৈ ওলাল। বৰ-মানুহজনে কলে : “ৰব, আপুনি চকী বাহিৰলৈ উলিয়াই নিব লাগিছে কেলৈ?

মোৰ চাকৰে নিব। তাক মই মাতিছো নহয়।” এই মানুহজনৰ শ্ৰমৰ মৰ্যাদাজ্ঞান এধানমানো থকা হলে নিজেই দুয়োখন চকী বাহিৰলৈ উলিয়াই নি বহিলগৈহেঁতেন। এইখন দেশত হে অলপ শিক্ষা, অলপ ধন হলেই আমি আত্মবিস্মৃত হওঁ। মনতে মোৰ প্ৰশ্ন হয়। এইদৰে আমাৰ সমাজ আৰু কিমান দিন চলিব ? পৰিশ্ৰমত যে এক মহান তৃপ্তি আছে, এইষাৰ কথা আমাৰ উপলব্ধি হব কেতিয়াকৈ? ইজৰাইলত আনকি কিবুৎজৰ সদস্য ৰাষ্ট্ৰীয় মন্ত্ৰীকে আন সদস্যৰ দৰেই যাৱতীয় কাম কৰা দেখি আহিছো।....

ইজৰাইলৰ বনুৱা বিভাগৰ মন্ত্ৰী ইগ’ল এ’লনে তেওঁৰ কিবুৎজৰ ৰেষ্টোৰাঁত এদিন খাবলৈ নিমন্ত্ৰণ জানালে। এওঁৰ গাঁওখন টাইবেৰাচ্ হ্ৰদৰ পাৰত অৱস্থিত। সাগৰৰ জলপৃষ্ঠৰ ৰিজনিত টাইবেৰাচ্ প্ৰায় ৭২৬ ফুট নিম্নত অৱস্থিত। ই দীঘলে প্ৰায় ৩৪ মাইল। ইয়াৰ সৰ্ববৃহৎ অঞ্চলভোখৰ হৈছে প্ৰায় ২১ মাইল। গড়ীৰে যেতিয়া ইয়ালৈ আহোঁ, ওপৰৰপৰা পৃথিৱীৰ গৰ্ভথলীলৈ নামি অহা যেন লাগিছিল। বৰ চমৎকাৰ ঠাই। সেইদিনা বতৰটোও বৰ মৰম লগা আছিল।

মন্ত্ৰীয়ে আগবঢ়াই লৈ গল। কিবুৎজৰ ৰেষ্টোৰাঁত খাবলৈ গলো। পদুমৰ পাহিৰ লেখীয়া লাহি ছোৱালীকেইজনীমানে আছুতীয়াকৈ আমালৈ থোৱা টেবুলখনলৈ গোটেইকেইজনকে আগবঢ়াই লৈ গল। বাহিৰত সাগৰসদৃশ হ্ৰদটোৰ বতাহে গুজৰি আছে। মন্ত্ৰীগৰাকী ইংলণ্ডৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল। আমাৰ ৰাষ্ট্ৰপতি ডক্টৰ ৰাধাকৃষ্ণণ এওঁৰ শিক্ষাগুৰু আছিল। খোৱা-পাতত মানুহজনে গুৰুৰ কুশল-বাৰ্তা লানি নিছিগাকৈ সুধিলে। সদায়েই মই ভাবি আহিছোঁ, গুৰু আৰু শিষ্যৰ, শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ এক আপুৰুগীয়া বস্তু। সুদূৰ ইজৰাইলত এইষাৰ কথাৰ বাস্তৱ সমৰ্থন পাই মনটো মোৰ ভৰি পৰিছিল। এতিয়া মই বুঢ়া হৈছোঁ; এতিয়াও যেতিয়া মোৰ একালৰ শিক্ষাগুৰু, বৰ্তমানৰ মন্ত্ৰীজনাই কয় : “তুমি মোৰ ছাত্ৰ

আছিল, তোমাক মই টান কথা কমেই।” অন্তৰখন মোৰ স্বাভাৱিকতে আনন্দত নাচি উঠে। এই কথাষাৰৰ অন্তৰালত সাত সাগৰৰ মৰম লুকাই আছে। মই ভাবোঁ, শিক্ষক আৰু জননী, একে পৰ্যায়ৰ বস্তু।...

বহুত দূৰ আঁতৰি আহিলোঁ নহয়। মন্ত্ৰীজনক দেখি মই আচৰিত হৈ গলোঁ। মন্ত্ৰীয়েই নে খেতিয়কেই ধৰিবকে নোৱাৰি, কঠোৰ পৰিশ্ৰমৰ সাঁচ মানুহজনৰ প্ৰতি অঙ্গতে বিৰাজমান। টাইবেৰাচৰ পানী সচৰাচৰ হ্ৰদৰ পানীৰ দৰে লুণীয়া নহয়। ইয়াৰ মাছ খাবলৈ বৰ সোৱাদ। মন্ত্ৰীয়ে কলে : “কিমান মাছ খায়, খাওক। এনে সোৱাদ মাছ ইজৰাইলৰ আৰু ক’তো নাই।” পূৰ্বজন্মত মই সম্ভৱতঃ মেকুৰী আছিলোঁ; মেকুৰীৰ তৎপৰতাৰে মাছ খাবলৈ ধৰিলোঁ।... সেই হ্ৰদটো আৰু ঠাইডোখৰৰ নাম টাইবেৰাচ কেনেকৈ হল মন্ত্ৰীক সুধিলোঁ। তেওঁ কলে : “সম্ভৱতঃ ৰোমান সম্ৰাট টাইবেৰাচৰ পৰা নামটোৰ উৎপত্তি হৈছে। আমি ইহুদীসকলে হিব্ৰু শব্দ ‘টাবৰ’ৰ পৰা এই শব্দটো উৎপত্তি হৈছে বুলি ভাবোঁ। ’টাবৰ’ শব্দৰ অৰ্থ হৈছে ’নাভিকেন্দ্ৰ। এই অঞ্চলটো ইহুদী সংস্কৃতিৰ নাভিকেন্দ্ৰ। গতিকেই ঠাইডোখৰক টাইবেৰাচ বোলা হয়।” মন্ত্ৰীক আৰু সুধিছিলোঁ: “চহৰৰ যি সহজাত আকৰ্ষণ, সেই আকৰ্ষণৰ বাবে কিবুৎজ্ এৰি লৰা-ছোৱালীহঁত চহৰলৈ যাব নোখোজে নে ?” এইষাৰ কথাই মনত মোৰ তোল-পাৰ লগাই আছিল। আমাৰ দেশত এইটোৱেই হৈছে বৰ্তমান এটা ডাঙৰ সমস্যা। চহৰৰ আকৰ্ষণ বাঢ়িছে; গাঁৱৰ আকৰ্ষণ টুটিছে। এইষাৰ কথা এবাৰ ’ইলাষ্ট্ৰেটেড্ উইক্লী’ৰ প্ৰৱন্ধ এটাত উল্লেখ কৰিছিলোঁ। ইজৰাইলত ইয়াৰ বিপৰীতমুখী অৱস্থা দেখি আচৰিত হৈছিলোঁ; সেই কাৰণেই মন্ত্ৰীক এইষাৰ কথা সুধিছিলো। প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কলে : “কিবুৎজত জন্মগ্ৰহণ কৰা লৰা-ছোৱালীৰ শতকৰা ৮০জন এতিয়াও কিবুৎজতে আছে। স্বাভাৱিকতে চহৰৰ আকৰ্ষণ তীব্ৰ যদিও তেওঁলোকে কিবুৎজ্ এৰা নাই। এইটো এটা ডাঙৰ কথা নহয় জানো?” কিবুৎজ্ এৰি

চহৰত যিসকলে বসবাস কৰিছে, তেনে মানুহক, ৰাজ-কৰ্মচাৰীৰপৰা আৰম্ভ কৰি সাধাৰণজনলৈকে দেখিছোঁ, নিজৰ কিবুৎজৰ কথা কৈ গৰ্ব কৰা। কোনোজনে এনেকৈয়ে সুধিছে : "আমাৰ কিবুৎজলৈ গৈছিল নে ?" বিদেশৰপৰা কিবুৎজ্ পদ্ধতিৰ বিষয়ে শিক্ষা লবলৈ অহা ডেকা-গাভৰুকে লগ পাইছোঁ। এদিন চিগাৰেট কিনো বুলি বাটৰ কাষৰ দোকান এখনলৈ গাড়ীখন ৰাখি নামি গলোঁ। তাত কেইবাযোৰা ডেকা-গাভৰুক লগ পালোঁ। তেওঁলোক আমেৰিকাৰপৰা আহিছে কিবুৎজ্ পদ্ধতি সম্বন্ধে শিক্ষা লাভ কৰিবলৈ। আকৌ ৰেষ্টোৰাঁটোলৈ উলটি আহিব খুজিছোঁ। বহুত মানুহে নিজৰ নিজৰ টেবুলত খাই আছে। ক'তা কোনোৱেতো মন্ত্ৰীক দেখি অবাক হৈ মূৰ তুলি নেচালে। মানুহক সন্মান কৰা, শ্ৰদ্ধা কৰা কথাষাৰ বুজোঁ, সেইবুলি ক্ষমতাপন্নজনৰ সমুখত ধেকুৰাৰ ব্যৱহাৰ বুজি নেপাওঁ। খাই থাকোঁতে দুই-এজনে মন্ত্ৰীক অৱশ্যে মাত লগাই থৈ গলহি। সেই আপাহতে সেইসকলৰ লগত মোৰ চিনাকি হল। খোৱাৰ অন্তত আমাৰ ড্ৰাইভাৰ য়াকোভে জেপৰপৰা চিগাৰেটৰ পেকেট এটা উলিয়ালে। আমাৰ প্ৰত্যেকজনকে তেওঁ একোটাকৈ চিগাৰেট দিলে। মন্ত্ৰীকো দিলে। কিছুসময় ঘূৰি-পকি কিবুৎজখন চোৱাৰ পিছত মন্ত্ৰীৰপৰা বিদায় লোৱাৰ সময় হল। গাড়ীৰ ওচৰত থিয় হৈ এইবাৰ সকলোকে মই একোটাকৈ চিগাৰেট দিলোঁ। সেই থিয় হৈ থকা অৱস্থাতে মন্ত্ৰীৰ সৈতে কিছু সয় কথা পাতিলো - আমাৰ ড্ৰাইভাৰ য়াকোভে চিগাৰেটটো জ্বলাই লৈ গাড়ীৰ বনেটত আউজি আমাৰ কথা শুনিবলৈ ধৰিলে।

কিবুৎজৰ শিক্ষা-পদ্ধতিৰ নিজস্ব এক বৈশিষ্ট্য আছে। কৃষিবিদ্যা হৈছে এই পদ্ধতিৰ ঘাই স্তম্ভ। সৰুৰেপৰা লৰা-ছোৱালীক একেলগে একেটা সমূহীয়া শয়ন-গৃহত ৰখা হয়। লৰা-ছোৱালীৰ বয়স অনুপাতে শয়ন-গৃহৰ ভাগ নিৰ্ণয় কৰা হয়। এনে ব্যৱস্থাৰ জৰিয়তে দুটা উদ্দেশ্য সাধন হয় বুলি এওঁলোকৰ ধাৰণা : (১) একেলগে থাকিলে লৰা-ছোৱালীৰ সমাজ-চেতনা সৰুতেই

উদয় হোৱাটো সম্ভৱ। সমাজ-চেতনাই হৈছে কিবুৎজৰ মুখ্য অনুপ্ৰেৰণা। (২) লৰা-ছোৱালীৰ তত্ত্বাৱধান-দায়িত্বৰপৰা মুক্ত পিতৃ-মাতৃয়ে কিবুৎজৰ কামত অধিক দক্ষতাৰে আত্মনিয়োগ কৰাটো সম্ভৱ। সেইবুলি দিনৰ কোনোবা এটা ক্ষণত বা কামৰপৰা অহাৰ পিছত যে লৰা-ছোৱালীৰ সৈতে পিতৃ-মাতৃৰ আদান-প্ৰদান নোহোৱাকৈ থাকে, সেইষাৰ কথাও নহয়।.... দুই-এখন কিবুৎজত এই ব্যৱস্থাৰ বৰ্তমান পৰিৱৰ্তন হোৱাও দেখি আহিছোঁ - এইবোৰত লৰাছোৱালীক পিতৃ-মাতৃৰ লগত একেলগে থাকিবলৈ দিয়া হয়। এনেবোৰ কিবুৎজত নতুন এক চিন্তা-দৰ্শনৰ উদয় হৈছে। পোনপটীয়াকৈ পিতৃ-মাতৃৰ স্নেহ আৰু আশ্ৰয় পালে লৰা-ছোৱালীৰ মনস্তত্ত্বই সুন্দৰকৈ গঢ় লয়। এই তথ্য দুটাক কেন্দ্ৰ কৰি দেশজুৰি বিতৰ্কৰ সূচনা নোহোৱাকৈ থকা নাই। জেৰুজালেমত বিশ্ববিদ্যালয়ৰ অধ্যাপক এজনে মোক সুধিছিল : "এই দুটা তথ্যৰ মাজত আপুনি কোনটো সমৰ্থন কৰে?" উত্তৰত কলোঁ: "দ্বিতীয়টো।" এনেকৈ কোৱাৰ এটা কাৰণ আছে। ক'ৰবাত পঢ়া মনত আছে : ঘৰৰ সুশৃঙ্খল পৰিৱেশত ডাঙৰ-দীঘল হোৱা লৰা-ছোৱালীৰ মনস্তত্ত্ব স্বাভাৱিকতে ভাৰসাম্যযুক্ত হয়।

কিবুৎজৰ দ্বাৰা পৰিচালিত স্কুলীয়া শিক্ষাৰ অন্তত প্ৰত্যেক লৰা-ছোৱালীয়ে আঢ়ৈ বছৰ-কাল সামৰিক শিক্ষা লব লাগে। ইয়াৰ পিছত অন্ততঃ এবছৰ-কাল যুৱক আন্দোলনৰ সংগঠন-শিক্ষা লব লাগে। এনেদৰেই প্ৰত্যেক কিবুৎজৰ লৰা-ছোৱালী তিনি বছৰৰো অধিক কাল পিতৃ-মাতৃৰপৰা আঁতৰি থাকিব লগা হয়। এনেদৰেই সামাজিক আদান-প্ৰদানৰ জৰিয়তে আনুভূতিক ঐক্য সাধনৰ ক্ষেত্ৰত লাভ হয় যথেষ্ট। এল্‌মাগৰ বোলা ইজৰাইল-চিৰিয়া সীমান্তত অৱস্থিত যুৱক-যুৱতীৰ সামৰিক শিবিৰ এটা পৰিদৰ্শন কৰিবলৈ গৈছিলোঁ। লৰা-ছোৱালীহঁতে একেবাৰে সীমান্তলৈ, য'ত দুয়োখন ৰাষ্ট্ৰৰ মাজত প্ৰায়েই গুলীয়া-গুলী হয়, তালৈ মোক লৈ গৈছিল। পৰ্বতৰ টিলাৰ ওপৰৰ

সেউজীয়া ঘাঁহনিত বহি আমি সীমান্ত ৰক্ষাৰ বিষয়ে কথা পাতিছিলোঁ। পৰ্বতীয়া বতাহে আমাৰ চুলিবোৰ উৰুৱাই খেলিমেলিৰ সৃষ্টি কৰিছিল। য'ত সকলো সময়তে মৃত্যুৰ সঙ্কেত-ধ্বনি, সেই ঠাইত বহি জীৱনৰ যে কিবা এটা বুজিব নোৱাৰা অৰ্থ আছে, সেইষাৰ কথা উপলব্ধি হৈছিল। পৰিৱেশ অনুসৰি মানুহৰ মনস্তত্ত্বয়ো গঢ় লয়। পৰ্বতৰ টিলাৰ ওপৰৰপৰা লক্ষ্য কৰিলোঁ, চিৰিয়া আৰু ইজৰাইলৰ মাজৰ সীমান্তত মাথোন এচমকা পথাৰ। এই পথাৰ খনেই হৈছে দুয়োখন দেশৰ মাজৰ 'অসামৰিক অঞ্চল(demilitarized zone)। এই শিবিৰটোত বৰ্তমান শিক্ষাৰত ৩১টা লৰা আৰু ৪জনী ছোৱালী। শিক্ষা-প্ৰাপ্তিৰ কালছোৱাত সীমান্ত ৰক্ষাৰ দায়িত্ব এই লৰা-ছোৱালীহঁতৰ ওপৰতেই ন্যস্ত। শিবিৰৰ ক্লাবঘৰত আবেলি চাহ খাওঁতে বেৰত ওলমি থকা দুখন ছবি দেখিলোঁ - তেনেই কম বয়সৰ দুজন ডেকাৰ ছবি। শিক্ষা-প্ৰাপ্ত অৱস্থাতে সীমান্তৰ গুলীয়া-গুলীত তেওঁলোকৰ মৃত্যু হৈছে। একেৰাহে ছবিখনলৈ চাই থাকোতে কোহিমাত থকা মৃত সৈনিক স্মৃতিস্তম্ভৰ কৱিতা-পংক্তিটোলৈ বাৰে বাৰে মোৰ মনত পৰিছিল। কৱিতাফাকি মনৰপৰাই দিছোঁ :

'When you go home,
Tell them of us and say,
For your to-morrow
We gave our to-day,'

ইজৰাইলৰ ভৱিষ্যতৰ কাৰণে নিজৰ বৰ্তমান এওঁলোকে গুলীৰ আগত জলাঞ্জলি দিলে। মনতে ভাবিবলৈ ধৰিলোঁ, আমি কৰিছোঁ কি? আমি জাতিটো ক্ৰমাৎ কোমল হৈ গৈছোঁ। নিজৰ হলেই সকলো হল, দেশৰ কাৰণে ভাবিবলৈ আমাৰ অৱসৰ নাই। .... ইয়াৰ পিছত লৰা-ছোৱালীহঁতৰপৰা বিদায় লৈ গেলিলীৰ উত্তৰাঞ্চললৈ আমি যাত্ৰা কৰিলোঁ।

ইজৰাইলত দেখিছো, মাৰ্ক্সীয় অৰ্থনৈতিক ৰীতি-পদ্ধতি ধাৰ্মিক ঐতিহ্যৰ ওপৰত প্ৰতিষ্ঠিত কৰাৰ প্ৰতি এক প্ৰবল চেষ্টা চলিছে।

একোখন কিবুৎজৰ প্ৰত্যেকজন সদস্যই লৰা-ছোৱালীৰ কাৰণে একেধৰণৰ শিক্ষা পাইছে, সকলোৱেই একেধৰণৰ আহাৰ পাইছে, পিন্ধিবলৈ একে দামৰ সাজ-পোছাক পাইছে, থাকিবলৈ একেধৰণৰ ঘৰ পাইছে, একে সাজ-সৰঞ্জাম, একে চিকিৎসাৰ সুবিধা, একে অৰ্থনৈতিক নিৰাপত্তা, একে বাক্-স্বতন্ত্ৰ। বয়সস্থজনৰ কাৰণে ব্যৱস্থা সুকীয়া, সেইদৰে নিশকতীয়াসকলৰ কাৰণেও।

মোৰ মনতে ভাব হৈছিল, তাহানি ৰুচেই সম্ভৱতঃ এনে এখন সমাজৰ কথাকে কল্পনা কৰিছিল। থ'ৰই (Thoreau) অৰণ্যলৈ প্ৰত্যাৱৰ্তন কৰাৰ দৰ্শন আগবঢ়াই এনে এখন সমাজৰ স্বপ্নকে সম্ভৱতঃ দেখিছিল। থ'ৰৰ দৰ্শনৰ মূলতেই আছিল আধুনিক যন্ত্ৰ যুগৰ বিপক্ষে বৈপ্লৱিক চেতনা। কিবুৎজৰ জৰিয়তে এনে তৰহৰ আৰণ্যক জীৱন প্ৰৱৰ্তন হৈছে, সেইবুলি যান্ত্ৰিক যুগৰ সা-সুবিধাবোৰ অস্বীকৃত হোৱা নাই। মূল অৰ্থনৈতিক ভিত্তি কৃষি যদিও বৰ্তমান কিবুৎজ্ অনুষ্ঠানৰ কৰ্ম্মপৰিসৰ বাঢ়ি গৈছে। প্লাইউড্ ফেক্টৰী, বয়নশিল্পৰ কাৰখানা, প্লাষ্টিকৰ কাৰখানা, ছপাশাল, যন্ত্ৰচালিত মাছমৰীয়া নাও সজা ব্যৱসায়, হোটেল, ৰেষ্টোৰাঁ আদি পৰিচালনা কৰা ব্যৱসায় ইত্যাদি কৰ্ম্ম-সংগঠনো বৰ্তমান কিবুৎজ্ অনুষ্ঠানৰ অন্তৰ্ভুক্ত হৈছে। থুলমূলকৈ কবলৈ গলে কিবুৎজ্ এক সুন্দৰ সমন্বয়।

এইখিনিতে আমাৰ গাড়ীৰ ড্ৰাইভাৰ য়াকোভৰ বিষয়ে এষাৰমান কথা কব খুজিছোঁ। ধুনীয়া ডেকা লৰা। কাপোৰ-কানিবোৰ বাছি বাছি পিন্ধে। টেৰেলীন্ চাৰ্ট, সেইদৰে চিক্চিকাই থকা জোতা আৰু ধুনীয়া চুট্। শেষৰ দুদিনৰ বাহিৰে ইজৰাইল ভ্ৰমণৰ সমূহ কালছোৱা য়াকোভ্ মোৰ সহচৰ আছিল। নিশা কাফ্ৰা-ব্লাম কিবুৎজৰ অতিথিশালাৰপৰা দেখিলোঁ, দূৰৈৰ পৰ্বত এটাৰ ওপৰত চহৰ এখন বিজুলী-বন্তিৰ পোহৰত জলমলাই আছে। পৰ্বতৰ ডিঙিত যেন এধাৰি সাতসৰী হে। কাফ্ৰা-ব্লাম কিবুৎজ্ গাঁৱত ইমানবোৰ গছ-গছনি, ওচৰতে জৰ্ডন নৈখন,

সমূহ পৰিৱেশটো ঋষিৰ আশ্ৰম যেন লাগে। মনটো কিবা এক প্ৰশান্তিত ভৰি পৰে। নিশা খাই-বই উঠি ড্ৰাইভাৰ য়াকোভক কলো: “তোমাৰ ভাগৰ লগা নাই যদি বলা, সৌ চহৰখনলৈ যাওঁ। আমাৰ বিৰাট ‘কৰণেডো’খন চলিবলৈ ধৰিলে। বাহিৰত ঘন কুঁৱলী। গাড়ীৰ আগৰ আইনাখন কুঁৱলীয়ে ছানি ধৰিছিল; ভিতৰৰপৰা বাট-পথ একোকে মনিব নোৱাৰা হৈছিল। কিয় জানো কব নোৱাৰে, বাৰে বাৰে য়াকোভৰ বাট ভুল হবলৈ ধৰিলে। খোৱাৰ পৰিমাণ অলপ বেছি হল নেকি?

’মদৰ নিচাত দেখা পোৱা
মাথোঁ ৰঙা নিগনিৰ জাক।’

ইফাল-সিফালকৈ ঘূৰি-পকি অৱশেষত চহৰখন পালোঁগৈ। চহৰখনৰ নাম কিৰিয়াৎমনি। ইজৰাইলৰ আনবোৰ চহৰৰ দৰেই এইখন চহৰৰ অতি নিকা, অতি সুন্দৰ। চহৰৰ প্ৰাণকেন্দ্ৰত গাড়ীখন থৈ আমি খোজকাঢ়ি ঘূৰিবলৈ ধৰিলোঁ। ইজৰাইলৰ কোনো এখন চহৰতেই মানুহৰ অতিপাত হেঁচা নাই। তেল-এভিভ্ চহৰৰ কথা অৱশ্যে সুকীয়া। ইজৰাইলৰ আনবোৰ চহৰৰ ৰিজনিত ইয়াত মানুহৰ হেঁচা অধিক যদিও মই চিনি পোৱা পৃথিৱীৰ আনবোৰ চহৰৰ দৰে অতিৰিক্ত নহয়। কিৰিয়াৎমানি চহৰৰ চিনেমা হলৰ সমুখত তিনিজন ভাৰতীয় ইহুদী লগ পালোঁ। ভাৰত এৰি ইজৰাইললৈ অহা এওঁলোকৰ বাৰ বছৰকাল হৈছে। তাৰে বয়সস্থজনে ইংৰাজী, মাৰাঠী আৰু হিন্দুস্থানী ভাষা জানে। বাকী দুটা সৰু লৰা। হিব্ৰু ভাষাৰ বাহিৰে সিহঁতে আন একো ভাষাকে নেজানে।

নিশা ভালেমান হল। য়াকোভক কলো : “বলা, এতিয়া ঘৰলৈ যাওঁ।” তেওঁ কলে : “আপোনাৰ টোপনি ধৰা নাই যদি ব’লক এডোখৰ ভাল ঠাইলৈ লৈ যাওঁ।” নিশা এনেয়ে সোনকালে পাটীত নপৰোঁ, দূৰ দেশলৈ এতিয়া নিশা দুই বজাৰ আগতে শুবলৈ মই অহা নাই। আমাৰ গাড়ী নিৰ্জন পথেদি দুনাই চলিবলৈ ধৰিলে,

আয়ালেৎ-হেলা নামেৰে এখন বহুত দূৰত অৱস্থিত কিবুৎজলৈ। কেউপিনে ইউকেলিপ্টাচ্ গছেৰে আগুৰি থকা নীৰৱ গাঁৱৰ পথ। নিশাৰ নিস্তব্ধতা ভেদি আমাৰ গাড়ী দ্রুত গতিত চলিবলৈ ধৰিলে। এইবাৰ য়াকোভৰ বাট ভুল নহল। চহৰৰ ব্যস্ততাৰ মাজৰপৰা গাঁৱৰ নিৰ্জনতা, মনে মোক ৰিঙিয়াই কলে : "বহু দূৰ ঘূৰি ঘূৰি আহি পালোঁ প্ৰান্তৰৰ নিৰ্জন প্ৰদেশ।"

আমাৰ গাড়ী ঠিক কিবুৎজৰ সাংস্কৃতিক ভৱনৰ সমুখতে ৰলহি। বাহিৰৰপৰাই সঙ্গীতৰ উত্ৰাৱল মূৰ্চ্ছনা শুনিবলৈ পালোঁ। ভিতৰ সোমাই গলোঁ। কেউপিনে যৌৱনৰ পয়োভৰ। কেউপিনে মদ, সঙ্গীত, পুৰুষ-মহিলাৰ যুৱীয়া নাচ, ডেকা-গাভৰুৰ পাৰস্পৰিক মৰমৰ অলপ অত্যাচাৰ ইত্যাদিৰে গোটেই পৰিৱেশটো উপচি পৰিছে। য়াকোভক এই ঠাইত বৰ জনপ্ৰিয় যেন লাগিল। নিশা ভালেমান হল। সঙ্গীত আৰু নৃত্যৰ সমাৰোহ শেষ হল। তাৰপিছত চিনেমা আৰম্ভ হল। কিছুসময় আমি ছবি চালোঁ। আমেৰিকান ছবি - বৰ ভাল নেলাগিল। সেই ঠাইত গোট খোৱা মানুহবোৰৰপৰা জানিলো। প্ৰত্যেক শুকুৰবাৰে এইখন গাঁৱত নিশা এনেকৈ সঙ্গীত আৰু নৃত্যৰ আমোদ-প্ৰমোদৰ আয়োজন হয়। আমাৰ যেনেকৈ দেওবাৰ, এওঁলোকৰ তেনেকৈ শনিবাৰটো হে ছুটীৰ দিন।

সঙ্গীত, নৃত্য আদিৰ কথা কোৱাৰ লগতে কিবুৎজৰ সাংস্কৃতিক জীৱনৰ বিষয়েও দুআষাৰ কোৱাটো উচিত হব। আনবোৰ দেশৰ দৰে ইজৰাইলৰ চহৰ অঞ্চলৰ সাংস্কৃতিক জীৱনৰ পৰিসৰ বহল। কিবুৎজ্ পৰিচালিত গাঁৱলীয়া অঞ্চলৰ সাংস্কৃতিক পৰিসৰ সীমাৱদ্ধ। গতিকেই নিজৰ উদ্ভাৱিকা শক্তি আৰু গণ-সম্পদৰ ওপৰত যথেষ্ট ভাৱে নিৰ্ভৰশীল নহলে, এওঁলোকৰ উপায় নাই। লোক-গীত, লোক-নৃত্য, লোক-অভিনয়, এইবোৰেই হৈছে কিবুৎজ্ গাঁৱৰ সাংস্কৃতিক জীৱনৰ ঘাই সম্পদ। সেইবুলি দূৰৰ শিল্পী, মঞ্চ-দল আদিক নিমন্ত্ৰণ কৰি আনি এওঁলোকে সাংস্কৃতিক অনুষ্ঠানৰ যোগান নধৰাও নহয়। সেইদৰে

কিবুৎজে কিবুৎজে খেল-ধেমালিৰো যোগাৰ আছে - বাচ্‌কেট্‌ বল, ভলী বল, সাঁতোৰা ইত্যাদি। কাফ্ৰা-ব্লাম কিবুজৰ এমূৰে নিশা বিজুলী-চাকিৰ পোহৰত ডেকা-গাভৰুক ভলী বল খেলাত মগ্ন থকা দেখি আহিছোঁ। দিনত কাম, ৰাতি খেল।

ইজৰাইলৰ লোক-সংস্কৃতিৰ ঘাই অনুপ্ৰেৰণা হৈছে প্ৰাচীন ইহুদী বুৰঞ্জী আৰু ঐতিহ্য। সকলোবোৰ বস্তু এওঁলোকে নতুনকৈ সজাব লগা হৈছে। জেৰুজালেম বিশ্ববিদ্যালয়ৰ অধ্যাপক এজনক আহাৰৰ টেবুলত এইষাৰ কথাকে কৈছিলোঁ। "আহাৰৰ ক্ষেত্ৰত আপোনাসকলৰ যেনেকৈ বিভিন্ন ধাৰাৰ প্ৰভাৱ প্ৰচুৰ, তেনেকৈয়ে নিশ্চয় সঙ্গীত-সংস্কৃতিৰ ক্ষেত্ৰটো প্ৰচুৰ।" কোনো আহিছে পোলেণ্ডৰপৰা, কোনো আহিছে স্পেইনৰপৰা, কোনো হাঙ্গেৰীৰপৰা, কোনো ইংলণ্ডৰপৰা, কোনো পূৰ্ব আফ্ৰিকাৰপৰা - এনেদৰে পৃথিৱীৰ নানা দেশৰ মানুহ ইয়াত সন্মিলিত হৈছেহি। প্ৰত্যেকেই নিজৰ নিজৰ সাংস্কৃতিক ধাৰা লগত লৈ আহিছে। প্ৰত্যেকেই সেইদৰে সামগ্ৰিক ইহুদী ঐতিহ্যলৈ বৰঙণি যোগাইছে, আধুনিক ইজৰাইলৰ সংস্কৃতি এনেদৰেই ঠন ধৰি উঠিছে। সাগৰৰ পাৰত অৱস্থিত চিজেৰেণা চহৰত দুপৰীয়া আহাৰৰ সৈতে আমাক এবিধ আচাৰ খাবলৈ দিছিল। এইবিধ ইণ্ডোনেচীয় আচাৰ। বিশ্ববিদ্যালয়ৰ অধ্যাপকজনে বিনা প্ৰতিবাদে ব্যাখ্যাটোৰ প্ৰতি সমৰ্থন জনালে।

কাফ্ৰা-ব্লাম কিবুৎজৰ পৰা বিদায় লোৱাৰ পূৰ্বে গাঁওখন চাবলৈ আকৌ এবাৰ ওলাই গলোঁ। এফালৰপৰা বস্তুবোৰ তন্নতন্নকৈ চালোঁ। এওঁলোকৰ স্কুলটোও চালো। শেষত কিবুৎজৰ কাষেদি বৈ যোৱা জৰ্ডন নৈখনৰ কাষত থিয় হলোহি - এই জৰ্ডন নৈৰ পানীকে লৈ বৰ্তমান আন্তৰ্জাতিক বিবাদৰ সৃষ্টি হৈছে। নৈখন তেনেই ঠেক। নৈৰ সিটো পাৰে ওখ পৰ্বতমালা। এই পৰ্বতমালাই ইজৰাইল আৰু চিৰিয়াৰ মাজৰ সীমান্ত। পৰ্বতৰ টিঙত বৰফ জলমলাই আছিল। পৰিৱেশটো তেনেই শান্ত। লগৰ বন্ধু এজনে কলে : "আপুনি ঠিকেই কৈছে, পৰিৱেশটো শান্ত।

এই পৰিৱেশ সময়ে সময়ে যেতিয়া বন্দুক-বাৰুদৰ শব্দত অশান্ত হৈ উঠে, সেই অৱস্থাটোৰ কথা এবাৰ কল্পনা কৰি চাইছে নে?”...

নিশা কিৰিয়াৎমানি চহৰলৈ যাওঁতেই কেৱল নহয়, য়াকোভ্ ড্ৰাইভাৰৰ বাট আৰু এবাৰ সাংঘাতিকভাৱে ভুল হৈছিল। আমি যাব লাগে যেনিবা ৰহালৈ, তেওঁ গাড়ী চলালে সম্পূৰ্ণ বিপৰীত মুখে, বকোলৈ। টাইবেৰাচ হ্ৰদৰ মনোৰম পাৰে পাৰে আগবাঢ়ি গৈ চহৰখন অতিক্ৰম কৰিলোঁ। হ্ৰদৰ মিহি পাতল বতাহ, মন-প্ৰাণ জুৰ পৰি যায়। আলিৰ দুয়োকাষে সেউজীয়া পাতেৰে ভৰপূৰ গছবোৰ, সমুখৰ নিমজ দীঘলীয়া আলিটো। এইদৰে গন্তব্যস্থানৰ বিপৰীত মূখে আমি গৈ আছোঁ। এনেতে অকস্মাৎ আমাৰ চকুত পৰিল, আলিৰ দাঁতিত এজনী ছোৱালী ৰৈ আছে। হাতত এথোপা ফুল। বাটত গাড়ী পালে গন্তব্যস্থানলৈ উঠি যাব, এই উদ্দেশ্যেৰে তাই ৰৈ আছিল।

ছোৱালীজনী বৰ ধুনীয়া। মুখখন মৰম লগা, এপাহ যেন ৰজনীগন্ধা ফুল। ক’ত পঢ়িছিলো মনত নাই-বাক্যৰ কিন্তু মনত আছে : ‘There is nothing more beautiful than a beautiful woman’, অৰ্থাৎ ধুনীয়া মানুহ এজনীতকৈ আন একো বস্তুৱেই অধিক ধুনীয়া হব নোৱাৰে। নিৰ্জন পথত অকলে এজনী ছোৱালী এনেকৈ ৰৈ থকা দেখি আমাৰ বেয়া লাগিল। য়াকোভে গাড়ীখন ৰাখিলে। তাই আহি গাড়ীত উঠিল। উঠিয়েই কথা আৰম্ভ কৰি দিলে - তাই হেনো বহুত পৰ সেই ঠাইত গাড়ীৰ বাবে বাট চাই আছিল। ‘দূবৰি-বনত জোনাকীৰ মণি,
চুলিৰ মেঘত লাহি আঙুলিৰ বহুতো জোন।’

সেই একে বতাহ আৰু প্ৰকৃতিৰ সেউজীয়া শোভা। হ্ৰদৰ নীলা পানী আৰু আমাৰ গাড়ীত এজনী ছোৱালী। বতাহত শুকান চুলিকোছা তাইৰ নাচিছিল। চুলিৰ ফাকে ফাকে প্ৰায়েই তাইৰ সাগৰ নীলা চকুহালে হাঁহে। আমাৰ গাড়ী চলিছে আৰু চলিছে। ভালেমান দূৰ যোৱাৰ পিছত অকস্মাৎ য়াকোভে গাড়ীখন ৰখাই দিলে। ছোৱালীজনীৰ পৰা জানিলো, আমাৰ বাট ভুল হৈছে।

গন্তব্যস্থানৰ সম্পূৰ্ণৰূপে বিপৰীতমুখে আমি আগবাঢ়িছোঁ। বেয়া লাগিছিল যদিও ছোৱালীজনীক সেই ঠাইতে নমাই থৈ আমি আকৌ গাড়ী ঘূৰালোঁ। ছোৱালীজনীয়ে কলে : “ধন্যবাদ, মোক গন্তব্যস্থানৰ বহুত ওচৰ চপাই দিলে।”

য়াকোভ্ ড্ৰাইভাৰে লগ পোৱাৰ দিনাৰেপৰা মোক ভাল পাই পেলাইছিল। তেওঁ মোক একোকে কৰিবলৈ নিদিয়ে। আনকি মোৰ নিজৰ বাকচটো দাঙি ধৰিলেও হাততে তেওঁ থাপ মাৰি ধৰে। নধৰিলেও হয়, তথাপি ধৰে। বাটত গাড়ীৰে গৈ থাকোতে দৰকাৰ নহলেও গাড়ী ৰাখি দোকানৰপৰা আপেল কিনি আনে। “এয়া খাওক, বৰ ভাল আপেল,” এইবুলি কয়। সেইদৰে মোৰ লগৰ ডেকা ডিপ্লোমেট য়াটিভেও। তেৰো কিমান যত্নই যে নললে। এই মানুহ দুজনক পাহৰাটো অসম্ভৱ। যিদিনা মোৰপৰা বিদায় লয়, সেইদিনা বেজাৰত য়াকোভৰ মুখখন মলিন হৈ পৰা দেখিছিলোঁ। য়াকোভক শিৱমূৰ্তি এটা উপহাৰ দিম। তেওঁ শিৱমূৰ্তি এটা বিচাৰিছে। ... ইতিমধ্যে মূৰ্তিটো দিয়া হল।

য়াকোভৰ পিছত যিজন ড্ৰাইভাৰ পালোঁ, সেইজনো সুন্দৰ মানুহ। তেওঁৰ নাম ইজ্‌কল্। মানুহজন যদিও সুন্দৰ; তথাপি বাৰে বাৰে মোৰ মনে য়াকোভক বিচাৰিছিল। ইজ্‌কল্‌ৰ মাথোন একেটা গৰ্ব। গাঁও বা চহৰ য'লৈকে তেওঁৰ লগত গৈছোঁ, মাথোন একেটা কথা : “মই ইয়াৰ আটাইবোৰ ছোৱালীকে চিনি পাওঁ।” এইবুলি ছোৱালী দেখিলেই হল, ইজ্‌কলে মাত এষাৰ নলগোৱাকৈ নেথাকে। সম্ভৱতঃ মোক ইমপ্ৰেচ্ কৰাৰ উদ্দেশ্যেৰে। ইজ্‌কল্ ড্ৰাইভাৰক বৰ সঙ্গীতপ্ৰিয় যেন লাগিল। ৰৈ থাকিলেও, চলি থাকিলেও, সকলো সময়তে তেওঁ গাড়ীৰ ৰেডিঅ'টো পুৰা ভলিউমত দি থয়। ৰেডিঅ'ত গান আহিলেই লগে লগে গাই যায়। ইজ্‌কলে আনকি এবাৰ মোক আমাৰ শ্ৰী৪২০ বোলা ছবিখনৰ ‘ইচক্ ডানা, বিচক্ ডানা’ গানটোও গাই শুনালে। নাৰ্গিচ, ৰাজকাপুৰ কেৱল ইজ্‌কলৰেই নহয়, প্ৰায়বোৰ চহৰবাসী ইজৰাইলীৰে প্ৰিয়।

গাড়ী চলন্ত অৱস্থাত ড্ৰাইভাৰ সঙ্গীতমুখৰ হলে, অলপ ভয় আছে। ইজ্‌কলে কেৱল মুখেৰেই গানৰ সুৰ নধৰে, মাজে মাজে উষ্মা উঠিলে বাঁও-হাতখনৰ আঙুলিকেইটাৰে গাড়ীৰ ষ্টিয়েৰিঙত টুকুৰিয়ায়ো গানৰ তাল ধৰে। তেতিয়া ভয় লাগে যদিও ইজৰাইলৰ আলি-পদূলিবোৰ ইমান আহল-বহল, নিৰ্জন আৰু নিমজ যে ক'তো আমাৰ একো বিপদ নহল। আনকি গাড়ীয়ে বাটত ক'তো জোকাৰ এটা মাৰিছিল বুলিও কব নোৱাৰো।

'গানে মোৰ নোছোৱে আকাশ,
ছোৱে জানো হৃদয় তোমাৰ ?'

মাটি বেদখল চৰাই

আমাৰ মৰুভূবোৰ যদি সাগৰ হলহেঁতেন!
মাণিক-মুকুতা পোত খাই থকা নীলসাগৰ!

মৰুভূমিয়েও যে কৌশলী হাতৰ স্পৰ্শ পাই হাঁহিব পাৰে, সেইষাৰ কথা ইজৰাইলৰ নেগেভ্ অঞ্চল ভ্ৰমণ কৰাৰ আগতে বুজিব পৰা নাছিলোঁ। যাবৰ দিনা পালাম এয়াৰ-পোৰ্টত বাটত প্লেনত পঢ়িবলৈ পাৰ্কীন্‌চনৰ 'ইন্ লজ এণ্ড আউট্ লজ' বোলা কিতাপখন উপহাৰ দি দিল্লীৰ বাতৰি প্ৰতিষ্ঠানৰ সাংবাদিক এজনে বাৰে বাৰে কৈছিল : "বৰুৱা, ইজৰাইলত মৰুভূমিয়ে কেনেকৈ হাঁহিছে, তাৰ বাতৰি লৈ আহিব। এইটো ভালকৈ অধ্যয়ন কৰিবলগীয়া বিষয়। সেই কাৰণেই আপোনাক ইমানকৈ অনুৰোধ কৰিছোঁ।"

নেগেভ্ মৰুভূমিৰ বিষয়ে কবলৈ লোৱাৰ পূৰ্বে ইজৰাইলৰ ভৌগোলিক মানচিত্ৰৰ বিষয়ে যৎসামান্য কব খুজিছোঁ। ইজৰাইলৰ ভূমিখণ্ড চাৰি ভাগত ভগাব পাৰি : (১) সমুদ্ৰতীৰস্থ সমতল ভূমি। লেবানন সীমান্তৰপৰা আৰম্ভ কৰি চীনাই সীমান্ত পৰ্যন্ত ভূমধ্য সাগৰৰ পাৰে পাৰে এই অঞ্চল অৱস্থিত। (২) পৰ্বতীয়া অঞ্চল। পৰ্বতীয়া অঞ্চলৰ ভিতৰত বিশেষকৈ গেলিলী, চামাৰিয়া আৰু জুডিয়া ভূমিখণ্ড অন্তভুক্ত কৰিব পাৰি। (৩) জৰ্ডন ভূমিখণ্ড আৰু ইয়াৰ অন্তৰ্ভুক্ত উপত্যকাসমূহ। (৪) নেগেভ্। ইয়াৰ সৰহভাগেই মৰুভূমি। ইজৰাইলৰ দক্ষিণভাগত নেগেভ্ অঞ্চল অৱস্থিত।

পূবৰপৰা পশ্চিমলৈ অৱস্থিত সমুদ্ৰতীৰস্থ ভূমিখণ্ড কোনো কোনো ক্ষেত্ৰত দুমাইল বা তিনি মাইলতকৈ অধিক বিস্তৃত নহয়। সমুদ্ৰৰ নিকটৱৰ্ত্তী বালিময় অঞ্চলত একোৱেই নগজে। ইয়াত এবিধ পকা সুমথিৰা টেঙাটোৰ বৰণৰ বালি আছে, যাক ‘হামৰা’ বালি বোলা হয়। জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে ইজৰাইলবাসীয়ে এই অঞ্চলত বৰ বৰ সুমথিৰা টেঙাৰ বাগিচা পাতিছে। সুমথিৰা টেঙা বাহিৰলৈ ৰপ্তানী কৰি এওঁলোকে যথেষ্ট বিদেশী-মুদ্ৰা উপাৰ্জন কৰে। হাইফা চহৰৰ বন্দৰত একেলগে তিনিখন সমুদ্ৰবাহী জাহাজ সুমথিৰ টেঙাৰে বোজাই কৰা দেখি আহিছোঁ। ... সমুদ্ৰতীৰস্থ পূব অঞ্চলৰ মাটি কৃষ্ণ-বৰণৰ। এনেবোৰ মাটি কলখেতিৰ বাবে ভাল। এইবোৰত চকুৰে মনিব নোৱাৰা কলৰ বাগিচা আছে। গছবোৰ আমাৰ জাহাজী কলৰ দৰে চুটি-চাপৰ; কলবোৰ একেবাৰেই আমাৰ চেনিচম্পা কলটোৰ দৰে।

পৰ্বতীয়া অঞ্চলৰ মাটিত নানাবিধ ফল, জলফাই, আঙুৰ ইত্যাদিৰ উপৰিও ধঁপাত আৰু বিবিধ ধৰণৰ শস্য বঢ়িয়াকৈ হয়। ধঁপাত হলে কি হব, দিল্লীৰপৰা লৈ যোৱা মোৰ তামোলৰ টোপোলাটো দুদিনতে শেষ। ইজৰাইলত তামোল পাবলৈ নাই। য়াটিভে বাৰে বাৰে এইষাৰ কথাকে কৈছিল: “আপুনি যিহকে বিচাৰে, তাকে দিবলৈ আমি প্ৰস্তুত। কেৱল তামোল হে দিব নোৱাৰিম।” কোনো কথা নাই; ইজৰাইলত যেনে আদৰ-অভ্যৰ্থনা পাইছিলো, তামোলৰ অভাৱ অনুভৱ কৰিছিলোঁ যদিও এই অভাৱে তেনেকৈ পীড়া দিব পৰা নাছিল। ইজৰাইলৰ মাটি-কালিৰ আধাভাগতকৈও অধিক নেগেভ্ মৰুভূমি অঞ্চলে আগুৰি আছে। এই মৰুভূমি খণ্ডৰ পৰিসীমা হৈছে ৪,৭১৬ বৰ্গমাইল। ইয়াত পৰ্বত যেনেকৈ আছে, পৰ্বতৰ মাজে মাজে তেনেকৈয়ে উপত্যকাও আছে; উপত্যকাবোৰৰ মাজে মাজে আমি যাত্ৰা কৰিছিলোঁ। পৰ্বতবোৰ খৰাং, বতাহ তপত। বুৰঞ্জীবিদসকলৰ মতে নেগেভ্ অঞ্চলৰ ৰাজধানী বীৰশ্বেৱা চহৰ একালত এই মৰুভূমি অঞ্চলৰ একমাত্ৰ ৱেচিচ্ আছিল। বীৰশ্বেৱা চহৰত

এনিশা বৰ সুন্দৰকৈ অতিবাহিত কৰি আহিছোঁ। মৰুভূমি অঞ্চল যদিও বৈজ্ঞানিক উপায় অৱলম্বন কৰি মৰুভূমিৰ আক্ৰমণৰপৰা বীৰশ্বেৱাক ৰক্ষা কৰাৰ সুন্দৰ ব্যৱস্থা কৰা হৈছে। নানা-ধৰণৰ উদ্ভিদ আদি ইয়াত ৰোপণ কৰা হৈছে। চহৰখনৰ চৌদিশে প্ৰণালীৱদ্ধভাৱে এক সেউজীয়া বেহুৰ সৃষ্টি কৰা হৈছে। চহৰৰ আলিৰ মাজে মাজে শাৰী শাৰীকৈ গোলাপ ফুল ৰুই দিয়া হৈছে। নিশা বীৰশ্বেৱাৰ যিটো হোটেলত কটাইছিলোঁ, সেই হোটেলটোৰ নাম হৈছে 'ডেজাৰ্ট ইন্'। ইয়াৰ ল'নত দলিচা পৰাৰ দৰে ফুলি থকা এবিধ ফুল দেখিছিলোঁ - 'মৰ্নিং গ্ল'ৰি' বোলা ফুলবিধ বিৰাট এখন চোতালত ৰুই দিলে যিটো শোভা হব, সেইটে। শোভা খবৰ লৈ জানিলোঁ, সমূহ বীৰশ্বেৱা চহৰখনত নকৈ ৰোৱা ত্ৰিশ হেজাৰ গছ আছে। চহৰৰ চাৰিসীমাৰ সেউজীয়া বেহুৰ বাবে ইতিমধ্যে দুই লাখ গছপুলি ৰোৱা হৈছে, বিৰাট এক বনমহোৎসৱ। নিশা খাই-বই উঠি চহৰৰ প্ৰাণকেন্দ্ৰলৈ ওলাই গৈছিলোঁ; বিদেশৰ অপৰিচিত পৰিৱেশত নিশাটোৰ এভাগ ৰেষ্টোৰাঁত বহি আড্ডা দিবলৈ বৰ ভাল। বেছ ৰোমাঞ্চ আছে। নিশাতকৈ মাদকতাপূৰ্ণ বস্তু একোৱেই হব নোৱাৰে।

বীৰশ্বেৱা চহৰত মৰুভূমিক কেনেকৈ সাৰুৱা অঞ্চললৈ ৰূপান্তৰিত কৰিব পাৰি, সেই বিষয়ে গৱেষণা কৰিবলৈ 'এৰিড্ জোন ৰিচাৰ্চ ইনষ্টিটিউট' নামেৰে এটা অনুষ্ঠান আছে। এই অনুষ্ঠানটো চাবলৈ গৈছিলোঁ। আমাৰ ট্ৰম্বেৰ আণৱিক শক্তি অনুষ্ঠানত গৱেষণা যেনেদৰে চলিছে, ইয়াতে তেনেদৰে মৰুভূমিত জলসিঞ্চন ব্যৱস্থা কেনেদৰে গ্ৰহণ কৰিব পৰা হয়, সেই বিষয়ে গৱেষণা চলিছে। গৱেষণাগাৰটোত গৱেষণাৰত কেইবাজনো ভাৰতীয় ইহুদীক লগ পাইছিলো। তাহানি এদিন সংসদৰ মজিয়াত প্ৰধানমন্ত্ৰী নেহৰুৱে কৈছিল : "ভাৰতৰ ভৱিষ্যৎ আমাৰ ডেকা-গাভৰুৰ হাতত।" সৃষ্টিধৰ্মী যি বিভাগলৈকে চকু নিদিওঁ লাগিলে, সকলোতে আমাৰ ডেকা-গাভৰু কৰ্মৰত। এইষাৰ কথা আমাৰ দেশতকৈ ইজৰাইলৰ ক্ষেত্ৰত বিশেষভাৱে

সঁচা।.... যিগৰাকী গৱেষণাৰত গাভৰুৱে এফালৰপৰা আমাক অনুষ্ঠানটো দেখুৱাইছিল, তেওঁ কলে : “যথেষ্ট ব্যয়বহুল যদিও একমাত্ৰ বৈজ্ঞানিক উপায় হৈছে সাগৰৰ লুণীয়া পানীক অলুণীয়া (desalination) কৰি মৰুভূমি অঞ্চলত যোগান ধৰা।” অনুষ্ঠানটোত দেখিলো বহুত গছপুলি লৈ গৱেষণা চলিছে। উদ্দেশ্য ও বৈজ্ঞানিক পদ্ধতিৰে সেইবোৰক প্ৰস্তুত কৰি মৰুভূমি অঞ্চলৰ বাবে উপযুক্ত কৰা।

নেগেভ্ মৰুভূমিৰ সবাতোকৈ ডাঙৰ সমস্যা হৈছে পানীৰ। অতি কষ্টেৰে পানী পালেও সেই পানী ব্যৱহাৰ কৰিব নোৱাৰি, অতিপাত লুণীয়। এই সমস্যা কম আয়াসেৰে সমাধান কৰাৰ একমাত্ৰ উপায় হৈছে বৈজ্ঞানিক পদ্ধতিৰে উত্তৰ-অঞ্চলৰ নৈৰ পানী দক্ষিণ-অঞ্চলৰ মৰুভূমিলৈ নমাই অনা। নতুন ইজৰাইলে তাকেই কৰিছে। ব্ৰহ্মদেশৰ ৰাজধানী ৰেঙ্গুন চহৰৰ দাতিয়েদি বৈ যোৱা য়াংগো নৈখনৰ দৰে তেল-এভিভ্ ('তেল'ৰ অৰ্থ পৰ্বত, 'এভিভ'ৰ অৰ্থ বসন্ত) চহৰৰ কাষেদি বৈ যোৱা য়াৰ্কন্ নামেৰে এখন নৈ আছে। য়াৰ্কন্ নৈখনৰ সৈতে সংযোগ কৰি এওঁলোকে য়াৰ্কন্-নেগেভ, নামৰ এক বিৰাট জলসিঞ্চন প্ৰজেক্ট কাৰ্যকৰী কৰিছে। ইয়াৰ জৰিয়তে ৬৬ ইঞ্চি পাইপেৰে শুকান নেগেভ্ অঞ্চললৈ পানী কঢ়িয়াই অনাৰ ব্যৱস্থা কৰিছে। দহ বছৰৰ ভিতৰত সৰ্বমুঠ ৮৮০ মাইল পাইপ-লাইন বহুৱাইছে। সজ পানীৰ এই পাইপলাইনৰ কাম আৰম্ভ কৰা হয় ১৯৪৮ চনত আৰু সম্পূৰ্ণ কৰা হয় ১৯৫৫ চনত। বৰ্তমান এই ব্যৱস্থাৰে নেগেভ্ অঞ্চলক বছৰি ৪৫ নিযুত কিউবিক মিটাৰ পানী যোগান ধৰা হৈছে। নেগেভ্ মৰুভূমিৰ বাবে এই পানী যথেষ্ট নহয়। গতিকেই জৰ্ডন নৈৰপৰা কঢ়িয়াই আনি নেগেভ্ অঞ্চলক আৰু ৩২০ নিযুত কিউবিক মিটাৰ পানী যোগান ধৰাৰ ব্যৱস্থা চলিছে। ওচৰ-চুবুৰীয়া আৰৱ ৰাষ্ট্ৰকেইখনমানৰ আপত্তিৰ বাবে জৰ্ডন নৈক কেন্দ্ৰ কৰি বৰ্তমান আন্তৰ্জাতিক খৰিয়ালৰ সৃষ্টি হৈছে।...

ই যিয়েই নহওক লাগিলে, নেগেভ্ অঞ্চলৰ পানীৰ সমস্যা এই দুখন নৈৰপৰা কঢ়িয়াই অনা পানীয়েও সহজে সমাধান কৰিব নোৱাৰে। গতিকে গৱেষণাগাৰৰ সেই গাভৰুগৰাকীয়ে কোৱাৰ দৰে সাগৰৰ লুণীয়া পানীক অলুণীয়া কৰি ব্যৱহাৰ নকৰিলে সমস্যাৰ যথোচিত সমাধান হোৱাটো অসম্ভৱ। এই কাৰ্যসূচী বাস্তৱত পৰিণত কৰোঁতে যিমান ধন ব্যয় হোৱাৰ সম্ভাৱনা, সেই অনুপাতে খেতিৰ উৎপাদন হব নে নহয়, সেইটো হে বিতংকৈ ভাবি চাবলগীয়া কথা। গতিকে কিমান কম খৰচত সাগৰৰ লুণীয়া পানীক অলুণীয়া কৰিব পাৰি, সেই বিষয়ে হে গৱেষণাগাৰত গৱেষণা চলিছে, এইবুলি সেই গাভৰুগৰাকীয়ে কলে।

এই সকলোবোৰ অতিক্ৰম কৰি মৰুভূমিৰ সুদূৰ প্ৰান্তৰত অৱস্থিত 'ডেড্-চি' বোলা হ্ৰদৰ দাঁতিকাষৰীয়া অঞ্চললৈ এদিন যাত্ৰা কৰিলোঁ। ডেড্-চি অঞ্চলত নতুন ইজৰাইলৰ জীৱন ঠন ধৰি উঠিছে - এই অঞ্চলটোত একেলগে যিমান খনিজ পদাৰ্থ সম্ভাৱনা থুপ খাই আছে, তেনে সম্ভাৱনা ইজৰাইলৰ আন কোন অঞ্চলতেই নাই।

বিশাল ডেড্-চি হ্ৰদটো পৃথিৱীৰ সমুদ্ৰপৃষ্ঠৰ ৰিজনিত ১,২৮২ ফুট ভূগৰ্ভত লীন। তিব্বত অঞ্চলক পৃথিৱীৰ মূধ বোলা হয় - সেই একে দৃষ্টিৰে চালে, ডেড্-চি অঞ্চলক পৃথিৱীৰ তলি বুলিব পাৰি। সমুদ্ৰপৃষ্ঠৰ ৰিজনিত পৃথিৱীৰ কোনো অঞ্চল ইয়াতোকৈ অধিক গভীৰ নহয়। সাগৰৰ পানীত সচৰাচৰ যিমান লোণ থাকে, তাতোকৈ আঠগুণ অধিক লোণ এই হ্ৰদটোৰ পানীত আছে। ইয়াৰ এক লিটাৰ পানীৰ লোণৰ পৰিমাণ হৈছে দুশ সত্তৰ গ্ৰাম। এই লুণীয়া পানীত ঘাইকৈ এইকেইবিধ পদাৰ্থ আছে - প'টাচ, মেগনেচিয়াম্, ব্ৰোমাইন্, ক্লোৰাইড্ ইত্যাদি। ডেড্-চি অঞ্চলত পানীৰপৰা বুটলি লোণ তৈয়াৰ কৰাৰ কাৰখানা এটাই যে কেৱল আছে এনে নহয়। ইয়াৰ উপৰিও আৰু দুটা প্লান্ট আছে। তাৰে এটাত ব্ৰোমাইন আৰু আনটোত ডিব্ৰোমাইড্ তৈয়াৰ কৰা হয়।

আমাৰ গাড়ীৰ ড্ৰাইভাৰ ইজ্‌কলে ইয়াতেই মোক লোণ এচকল উপহাৰ দিছিল; বস্তুটো সযতনে সঁচি থৈছোঁ।

হ্ৰদটোৰ পানী ইমান লোণযুক্ত আৰু গধুৰ যে আত্মহত্যা কৰো বুলি ইয়াত কোনোবাই জাপ দিলেও ওপৰতে ওপঙি থাকিব, তলি নাপায়গৈ। মনতে ভাবিছিলো। এই হ্ৰদটোক কিয় ‘ডেড্’, ‘মৃত’ সমুদ্ৰ বোলা হৈছে। এইখনতো জীৱন্ত সাগৰ। কেউপিনে ভয়ঙ্কৰ থিয় পৰ্বতৰ শাৰী, শুকান, নিষ্প্ৰাণ এক পৰিৱেশ-প্ৰকৃতিৰ কি ৰুদ্ৰ মূৰ্তি। এনে এক খাওঁ খাওঁ কৰা পৰিৱেশত মৃত্যুৰ বাহিৰে আন একো ভাব মনলৈ আহিব নোৱাৰে। সম্ভৱতঃ এনে এক মৃত্যুমুখী পৰিৱেশত অৱস্থিত কাৰণেই এই হ্ৰদটোক ডেড্-চি বোলা হৈছে।... আনহাতে এই মৃত্যুৰ পটভূমিৰ অন্তৰালত লুকাই আছে জীৱনৰ এক সৌষ্ঠৱশালী ইঙ্গিত। সেই ইঙ্গিত বাস্তৱলৈ ৰূপান্তৰিত কৰা কাৰ্যত বৰ্তমান যৌৱন-উদ্দীপ্ত ইজৰাইল ব্যস্ত। হ্ৰদটোৰ কোনো কোনো অঞ্চল ইমূৰৰপৰা সিমূৰলৈ বান্ধি পেলোৱা হৈছে। লোণ বুটলিবৰ কাৰণে হ্ৰদটোৰ পানীৰ বুকুত বিৰাটকায় যান্ত্ৰিক কাৰখানা এটা স্থাপন কৰা হৈছে। খবৰ লৈ জানিলোঁ - এই কল-কাৰখানাত সৰ্বমুঠ পাঁচ শ বনুৱাই কাম কৰে। বনুৱা সকল ডেড্-চি অঞ্চলত নেথাকে, দূৰৈত থাকে। কামৰ কাৰণে নিতৌ এওঁলোকক ইয়ালৈ গাড়ীৰে অনা হয়।

ঠিক ডেড-চি হ্ৰদটোৰ পাৰতে এটা ৰেষ্টোৰাঁ আছে, নাম ল’টচ্-ৱাইফচ্-ইন্। নামটো বাইবেলৰপৰা লোৱা। ইজৰাইলত দেখিছোঁ, মানুহৰ নামৰপৰা আৰম্ভ কৰি দোকান-পোহাৰৰ নামলৈকে বাইবেলৰপৰা সংগ্ৰহ কৰাৰ প্ৰতি এক তীব্ৰ আগ্ৰহ বৰ্তমান। সেইদৰে বাটত আহোঁতেও আলিৰ দাঁতিৰ এটা ৰেষ্টোৰাঁত সোমাইছিলোঁ - সেই ৰেষ্টোৰাঁটোৰ নাম “চল’মনচ্-ইন্”। এইটো নামো বাইবেলৰপৰা লোৱা। ডেড্-চি তীৰস্থ যিডোখৰ ঠাইলৈ আমি গৈছিলো, সেই ঠাইডোখৰৰ নাম চ’ডম্ । এই নামটোও বাইবেলৰপৰা লোৱা। এইবোৰ দেখি-শুনি মনতে

ভাবিছিলোঁ, আগলৈ নিবনুৱা হলে পাণবজাৰত চাহৰ দোকান এখন যদি দিব লগা হয়, সেই দোকানৰ নাম মই গুৰুজনাৰ কীৰ্ত্তনৰ পৰা দিম। 'অজামিল' নাম দিলে কেনে হয় বাৰু?

ডেড্-চি তেতিয়াও পোৱা নাই। ইয়াৰ কিছুদূৰ আগতে মৰুভূমিৰ মাজত এখন চহৰ পাইছিলো। নতুনকৈ গঢ়ি উঠা চহৰ, নাম আৰাদ্। মৰুভূমিৰ তপত ধূলি আৰু বতাহ, উগ্র প্রকৃতিক অস্বীকাৰ কৰি এমুঠি সাহসী মানুহে এনেদৰে নতুন এখন চহৰ উদ্যমেৰে গঢ়ি তোলা দৃশ্য দেখি স্তম্ভিত হৈছিলোঁ। নকৈ গঢ়ি উঠা এই চহৰখন ৰাজ-বিষয়া এজনে আদিৰপৰা অন্তলৈকে তন্নতন্নকৈ দেখুৱালে। কিছুমান ন আৰ্হিৰে সজা পকী দালানো দেখুৱালে, মৰুভূমি অঞ্চলৰ বায়ুমণ্ডলৰ লগত খাপ খাব পৰাকৈ এই ঘৰবোৰ বিশেষ বৈজ্ঞানিক কৌশলেৰে সজা হৈছে। ইজৰাইলীৰ বাবে মৰুভূমি সমস্যা হৈ থকা নাই। আৰাদ্ চহৰৰ পৰিৱেশ আৰু পৰিকল্পনাই আমাৰ ড্রাইভাৰ ইজ্কলক এনেদৰে আকৰ্ষণ কৰিছিল যে তেওঁ বাৰে বাৰে একেষাৰ কথাকে কৈছিল : "জেৰুজালেম এৰি সপৰিয়ালে মই ইয়ালৈ গুচি আহিম। জেৰুজালেমৰ নিচিনা বৃহৎ চহৰ মোৰ সমূলি ভাল নেলাগে। আকৌ ইজৰাইললৈ আহিলে আপুনি মোৰ আলহী হব লাগিব। হবতো?" ইজকলৰ আৰাদ্ চহৰখন ইমান ভাল লগাৰ গুৰিতে আৰু এটা কাৰণ আছিল; স্পষ্টকৈ কোৱা নাছিল যদিও বুজিবলৈ মোৰ বাকী নাছিল। বাঘে মুখ মেলিলে, গৰ্ভলৈকে দেখা পাওঁ।

কেউপিনে আহল-বহল আলি, পানী আৰু বিজুলী-শক্তি। ইয়াৰ সমন্বয়ত ইজৰাইলৰ মৰুভূমি অঞ্চল আকৰ্ষণীয় হৈ পৰিছে। দিল্লীৰ এয়াৰ-পোৰ্টত সাংবাদিক বন্ধুজনে কোৱা কথাকেইষাৰ আখৰে আখৰে সঁচা। মৰুভূমিৰ বুকুৰপৰা এনেকৈ উদ্ধাৰ কৰা মাটিত যৱধান, বাৰ্লি আৰু নানাবিধ শাক-পাচলি উৎপাদন কৰা হয়। ইয়াৰ উপৰিও নেগেভ্ অঞ্চত আলুগুটি আৰু বিলাহী বেঙেনাৰ খেতিও উভৈনদীকৈ হয়। বিদেশৰ বজাৰলৈ এইবোৰ জাহাজ ভৰাই ৰপ্তানী কৰা হয়। কিছুমান শস্য ৰ'দৰ

উত্তাপ বেছিকৈ পালে উৰলি যায় - ছাঁ নেপালে এনেবোৰ শস্য বাঢ়িব নোৱাৰে। সেইবোৰক প্লাষ্টিকৰ চোলাৰে ছাঁ দিয়া হয়। এনেকৈ বগা প্লাষ্টিকৰ চোলা পিন্ধা লানি পাতি থকা গছবোৰ দূৰৈৰপৰা দেখিলে পথাৰত বানপানীয়ে ঢউ খেলি থকা যেন লাগে।... আলিবাটবোৰ আহল-বহল বুলি কৈছোঁ। এনে আলি আমেৰিকাৰ যুক্তৰাষ্ট্ৰত হে মই দেখিছো। ইজৰাইলৰ সকলোবোৰ আলিয়েই সুন্দৰ, অপূৰ্ব। উদাহৰণ স্বৰূপে কব পাৰি, যিটো আলিয়ে মৰুভূমিৰ চহৰ বীৰশ্বেৰা আৰু ডেড্-চিৰ উপকূলস্থ চ'ডম্ অঞ্চল সংযোজিত কৰিছে, সেই ৰাজআলিটো আধুনিক ইঞ্জিনিয়াৰিং কৌশলৰ নিদৰ্শন। আগতে জানিছিলোঁ পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ আলি-বান্ধোতা হৈছে ইটালীয়ানসকল। এতিয়া দেখিছোঁ ইজৰাইলীসকলৰ কৌশলো প্ৰায় সমপৰ্য্যায়ৰ।

নেগেভ্ মৰুভূমি অঞ্চলত পোন্ধৰ হেজাৰ বেদুইন আছে। কোনো কোনোৱে স্বাভাৱিক অঘৰী জীৱন পৰিত্যাগ কৰি ট্ৰেক্টৰৰ সহায়েৰে আজিকালি খেতি-বাতি কৰিবলৈকো লৈছে। সমবায় স্থাপন কৰিবলৈকো লৈছে। এওঁলোকৰ এখন সমবায়ৰ নাম 'এল্ শ্বেল'ম'। শ্বেল'মৰ অৰ্থ হৈছে শান্তি। বেদুইনৰ প্ৰতিনিধি ইজৰাইলী সংসদ সদস্য স্বৰূপেও আছে। জেৰুজালেমত অৱস্থিত সংসদ-ভৱনলৈ যাওঁতে লগ পাই আহিছোঁ। তথাপি মোৰ মনটোৱে বাৰে বাৰে কৈছিল, এয়াতো আচল বেদুইন নহয়। আচল বেদুইন লগ পাবই লাগিব। আচল বেদুইন লগ নোপোৱাকৈ ইজৰাইল এৰিব নোৱাৰোঁ। টাইবেৰাচলৈ যোৱাৰ পথত অফেলিয়া বোলা চহৰখন অতিক্ৰম কৰি যেতিয়া আগবাঢ়ি যাওঁ, ক্ৰমাৎ অনুভৱ কৰিছিলোঁ, কেউপিনে শুকান, কেউপিনে খৰাং। চকুৰ আগত কেউপিনে মাথোন উদং পৰ্বত। এই পৰ্বতমালাৰ গাত ওলমি থকা দেখিছিলো আৰবৰ কিছুমান খণ্ড গাঁও। এইদৰে গাঁও পাতি বাস কৰা আৰবে খেতি কৰে, জন্তু পোহ-পালনেৰে জীৱন ধাৰণ কৰে। সকলোবোৰ আৰবেই যে মুচলিমপন্থী এনে নহয়। এওঁলোকৰ মাজত খৃষ্টানো আছে। আন

দেশতো সেইদৰে আৰবৰ মাজত খৃষ্টান আছে। এজন সাংবাদিক বন্ধুৱে কলে, ইজিপ্টৰ অধিবাসী আৰবৰ শতকৰা দহজন খৃষ্টান। সকলোবোৰ আৰবেই যে বেদুইন, এইষাৰ কথাও নহয়। বেদুইন এটা বিশিষ্ট জীৱন-পদ্ধতি। 'অথিৰ ধন জন' এইটোৱেই যেন বেদুইনৰ দৰ্শন - এনে এটা ধাৰণা মনত মোৰ উদ্ভাসিত নোহোৱাকৈ নেথাকিল।

মনৰ দিগন্তত মোৰ বেদুইন এক স্বপ্ন হৈ দেখা দিছিল। এনে কিছুমান মানুহ, যি সদায়েই ভ্ৰাম্যমান; এনে কিছুমান মানুহ যি সদায়েই অঘৰী-যাৰ কোনো স্থায়ী ঘৰ নাই, যি সদায় মৰুভূমিৰ মাজে মাজে বনাই ফুৰিছে। এনে এক ৰোমান্টিক জীৱন যাপন কৰোঁতা এই মানুহবোৰক জানিবলৈ, এই মানুহবোৰৰ সৈতে চা-চিনাকি হবলৈ মনত মোৰ প্ৰৱল আগ্ৰহ হৈছিল।.... নেজেৰেথ চহৰখন সমুদ্ৰজলপৃষ্ঠৰ ৰিজনিত ১২৪৮ ফুট ওখ। ইয়াৰ আশে-পাশে এশখন আৰব গাঁও আছে। আচলতে নেজেৰেথ খৃষ্টানসকলৰ পুণ্যভূমি। ই আৰবসকলৰো ঘাই বাসস্থান। সমূহ ইজৰাইলৰ বাবে কৰ্ম্ম-বিৰতিৰ দিন হৈছে শনিবাৰ, আমাৰ যেনেকৈ দেওবাৰ। কিন্তু নেজেৰেথৰ কাৰণে হৈছে শুকুৰবাৰ হে, শনিবাৰ নহয়। নেজেৰেথ চহৰ সোমায়েই পোন - প্ৰথমবাৰৰ কাৰণে ওচৰৰপৰা আৰব দেখিছিলোঁ। যিমানেই আগবাঢ়ি গৈছিলো, সিমানেই দুই-চাৰিজনকৈ ঘোঁৰাৰ পিঠিত বা উটৰ পিঠিত আৰব দেখিছিলোঁ। এইসকলেই হৈছে বেদুইন। এইদৰে ভ্ৰাম্যমান বেদুইনবোৰ দেখি মনত পৰিছিল।

'আমাৰ ঘৰ নাই
আমাক ঘৰ নেলাগে।

....

আমাৰ সম্বন্ধ ৰচিত হৈ গৈছে
উদাৰ আকাশৰ লগত।'

নেজেৰেথ চহৰৰ ৰাজআলিত দুই-চাৰিজন লগ পোৱাৰ বাহিৰে, তম্বুৰ তলত বহি বেদুইনৰ সৈতে দুই-চাৰিষাৰ কথা পতাৰ সুবিধা তেতিয়াও পোৱা নাছিলোঁ। জেৰুজালেমৰপৰা মৰুভূমিৰ ৰাজধানী বীৰশ্বেৱালৈ যোৱাৰ পথত গাড়ীৰ ড্ৰাইভাৰ ইজ্‌কলক স্পষ্ট ভাষাতে কৈছিলো - বাটত য'তেই বেদুইনৰ তম্বু দেখা, ত'তেই গাড়ী ৰাখিবা। বেদুইন লগ নোপোৱাকৈ ইজৰাইল নেৰোঁ, বুজিছা ? নিৰ্জন মৰুভূমিৰ পথেদি গাড়ী আমাৰ চলিছে আৰু চলিছে। বিদেশত এনেকৈ ওৰেদিনটো গাড়ীৰে ঘূৰি ফুৰাতো এটা ৰোমাঞ্চ আছে - কেউপিনে অচিনাকি সেই পৰিৱেশৰ মাজত একোজনী পদুম-নয়নী ছোৱালীয়ে মাথোন ভূমুকি মাৰি যায়হি। মই সদায়েই ভাবোঁ, যি দেশৰেই নহওক লাগিলে ছোৱালী সদায়েই চিনাকি। কোনোবা ইংৰাজ কবি এজনে কৈছিল : 'গছতকৈ সুন্দৰ কৱিতা নাই।' এইষাৰ কথা নাৰীৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব নোৱাৰি নে? আমাৰ গাড়ী দ্ৰুতবেগে ধাবমান। নিৰ্জন আহল-বহল আলিটোৰ দুয়োকাষে ঘন ইউকেলিপ্টাচ্ গছ। দূৰৈত দিগন্তৰ সৈতে মিহলি হৈ নিশ্চিহ্ন হৈ যোৱা বহল পথাৰ। ক্ৰমাৎ বতাহ তপত হৈ আহিছে। কেউপিনে পথাৰ আৰু পথাৰ; উদং বুকু। আৰু একো নাই।

ইজ্‌কলে অকস্মাৎ গাড়ীখনৰ ব্ৰেক্ টানিলে। দূৰৈত পথাৰৰ মাজত বেদুইনৰ তম্বু এটা ৰিণিকি ৰিণিকি আমাৰ চকুত পৰিল। আলিৰ দাঁতিত গাড়ী থৈ বেদুইনৰ তম্বুটোৰ ফালে পথাৰে-পথাৰে আমি আগবাঢ়ি গলোঁ। গাড়ীৰপৰা নামিয়েই মোৰ মনত পৰিল, আব্দুল মালিকে বেদুইন সম্বন্ধে কৱিতা এটা লেখিছিল। তাহানি পঢ়া মনত আছে। কি লেখিছিল বাৰু? সুঁৱৰিবলৈ যত্ন কৰিলোঁ।

'শ্ৰান্ত বেদুইন বন্ধু
শ্ৰান্ত বেদুইনৰ সহচৰ শ্ৰান্ত বন্ধু উট -
উঠা।'

এই মানুহবোৰে স্বইচ্ছাৰে অঘৰী জীৱন এটা বাছি লৈছে। সেইবুলি এওঁলোক সংসাৰৰ প্ৰতি বিতৰাগ নহয়। তাহানি সৰুতে বেলগছ এজোপাৰ তলত দেখা ধূনি জ্বলাই বহি থকা সংসাৰ-ত্যাগী বাবাজী এজনৰ কথা মোৰ মনত পৰিছিল - তেওঁক দেখিলেই ভয়ত আমাৰ প্ৰাণ কঁপিছিল। ইজৰাইলত বেদুইন দেখি মনতে ভাবিছিলোঁ, ফকিৰ হোৱাতকৈ বেদুইন হোৱা ভাল। কেৱলীয়া ভকত হোৱাতকৈ বেদুইন হোৱা আৰু ভাল। জীৱনৰ প্ৰতি এওঁলোকৰ মৰম আছে, মোহ নাই, আনুগত্য আছে, আসক্তি নাই।

বেদুইন মৰুভূমি অঞ্চলত থাকে। সম্পত্তিৰ ভিতৰত হৈছে এটা তম্বু, কেইটামান উট, কেইটামান ঘোঁৰা, কেইটামান ভেড়া-ছাগলী আৰু হয়তো এজাক কুকুৰ। বিশাল মৰুভূমিৰ মাজে মাজে এওঁলোক বনাই ফুৰে। এটা উটৰ পিঠিত তম্বু, এটা উটৰ পিঠিত ঘৰৰ মানুহজনী, এটা ঘোঁৰাৰ পিঠিত লৰা-ছোৱালীকেইটা, এটাৰ পিঠিত হয়তো ৰন্ধা-বঢ়াৰ সজুলিবোৰ, লগতে বেদুইনটো - আগে আগে ভেড়াজাক আৰু পাছে পাছে কুকুৰজাক, এইদৰেই মৰুভূমিৰ মাজত একোটা বেদুইন পৰিয়ালৰ যাত্ৰা আৰম্ভ হয়। য'তেই মন যায়, ত'তেই শুকান পথাৰৰ বুকুত তম্বু তৰি কেইটামান দিনৰ কাৰণে এওঁলোকে জিৰণি লয়। একেবাৰে ওমৰ খায়ামী জীৱন। এইখন পৃথিৱী দুদিনৰ আলহী-ঘৰ। আজিটো হে মাথোন সঁচা। আগন্তুক দিনবোৰ আন্ধাৰ ভৱিষ্যতৰ গৰ্ভত অনিশ্চিতভাৱে নিমগ্ন।

'আজিয়েই দিয়া কালিলৈ কিয় ?
কোনে জানে মোৰ কালি কি হব?
হাজাৰ হাজাৰ বছৰ বিয়পা।
হয়তো অতীতে সামৰি থব।'

পথাৰে পথাৰে খোজকাঢ়ি আগবাঢ়ি আমি গৈ আছো - ক্ৰমাৎ আমাৰ চকুত দূৰৈৰ তম্বুটো ডাঙৰ হৈ আহিছে। মনটো মোৰ

উত্রাৱল হৈ উঠিছিল। এয়া এতিয়া বেদুইন লগ পাম। কোনোবা প্ৰিয়জন আহিব বুলি নিৰ্ধাৰিত সময়তকৈ বহুত পলমকৈ অহা ৰেলগাড়ীলৈ বাট চাই চাই অকস্মাৎ দূৰণিত ৰেল অহাৰ সঙ্কেত শুনিলে মনটো যেনেকৈ উত্রাৱল হৈ পৰে, তেনেকৈয়ে বেদুইন লগ পোৱাৰ আশাত মোৰ মনটোও উত্রাৱল হৈ পৰিছিল। গৈ আছোঁ, - এনেতে অকস্মাৎ তিনিটা দিশৰপৰা এজাক কুকুৰে ৰৌ-ৰৌকৈ ভুকি আমাক খেদি আহিবলৈ ধৰিলে। আচলতে কুকুৰ জন্মগত ভাৱে সাহসী নহয় - ই সাহসৰ প্ৰদৰ্শন কৰিহে ভাল পায়। তাহানি কেথেৰিন্ মেঞ্চফিল্ডৰ ‘ডি কেট’ নামৰ ৰচনা এখন পঢ়া মনত আছে। এই প্ৰৱন্ধটোত কুকুৰৰ সাহস আৰু মেকুৰীৰ সাহস - ইয়াৰ এক চমৎকাৰ তুলনামূলক ব্যাখ্যা আছে।.... পথাৰৰ চপৰা বুটলি লৈ কুকুৰৰ গালৈ আমি দলিয়াবলৈ ধৰিলোঁ। উপায় নাই, ইফালে দলিয়াওঁ, সিফালৰপৰা খেদি আহে, সিফালে দলিয়াওঁ, ইফালৰপৰা খেদি আহে। এনেদৰেই আত্মৰক্ষামূলক ব্যৱস্থাৰ আশ্ৰয় লৈ ক্ৰমাৎ আগবাঢ়িবলৈ ধৰিলোঁ।....

অলেখ দুৰ্বলতাৰ ভিতৰত দুটা দুৰ্বলতা মোৰ প্ৰধান। প্ৰথমটো হৈছে, সুবিধা পালেই বক্তৃতা দিওঁ। দ্বিতীয়টো হৈছে, কুকুৰে যেনেকৈ সাহসৰ প্ৰদৰ্শন কৰি ভাল পায়, ময়ো তেনেকৈ কিমান কিতাপ পঢ়িছোঁ, সেইষাৰ কথাৰ প্ৰদৰ্শন কৰি ভাল পাওঁ। এইদৰে বাট বুলি যাওঁতে য়াটিভ্ আৰু ইজ্কল্ৰ আগত কুকুৰ সম্বন্ধে বক্তৃতা এটা জুৰি দিলোঁ। অৱশ্যে কথাষাৰ মোৰ নিজৰ নহয় - তাহানি আন্দ্ৰেঁ ম’ৰেৰ কিতাপত পঢ়া কথাহে। কাথাষাৰ হৈছে : কুকুৰৰ ঘ্ৰাণ শক্তি বেছি। এইষাৰ কথা সকলোৱেই জানে। সকলোৱে নজনা কথাষাৰ এতিয়া কব খুজিছোঁ। ঋতুমতী অৱস্থাত মাইকী কুকুৰৰ গাৰপৰা কিবা এক তীব্ৰ গোন্ধ ওলায়। এই গোন্ধেই মতা-কুকুৰক মাইকী-কুকুৰৰ ওচৰলৈ আকৰ্ষণ কৰি আনে। এই গোন্ধ ইমান প্ৰখৰ যে সঙ্গমৰত মতা-কুকুৰটোৰ গালৈকো ই অতি তীব্ৰ ভাৱে বিয়পি পৰে। এই গোন্ধৰ বাবেই কেতিয়াবা সেই মতা কুকুৰটোকে মাইকী-কুকুৰ বুলি ভাবি আন

মতা-কুকুৰে প্ৰণয় নিবেদন কৰিবলৈকো আগবাঢ়ি অহাৰ উদাহৰণ আছে। ক্ষমা কৰিব, এয়া মোৰ নিজৰ কথা নহয়। আন্দ্ৰেঁ ম'ৰেৰ কিতাপত থকা কথা হে। ঋতুমতী কুকুৰৰ গাৰপৰা যেনেকৈ গোন্ধ ওলায়, তেনেকৈয়ে ভয় খালে মানুহৰ গাৰপৰাও কিবা এক গোন্ধ ওলায়। ভয়ৰ পৰিমাণ যিমানেই অধিক হয়, এই গোন্ধ সিমানেই তীব্ৰ হয়। লগৰ আন মানুহে এই গোন্ধৰ উমান নেপায়। কুকুৰে কিন্তু পায়। এই গোন্ধ যিমানেই তীব্ৰ হয়, কুকুৰৰ আক্ৰমণাত্মক স্পৃহাও সিমানেই প্ৰখৰ হয়।এইখিনিতে আগৰ নিৰ্বাচনৰ সময়ৰ ব্যক্তিগত অভিজ্ঞতা এটাৰ কথা উল্লেখ কৰিব খুজিছোঁ। সেইবাৰ নিৰ্বাচনৰ সময়ত গুৱাহাটী চহৰৰ অঞ্চল এটাত ভোট বিচাৰি ঘৰে ঘৰে ফুৰিছোঁ। এনেতে এঘৰ মানুহৰ গেটৰ মুখৰপৰাই দেখিলো, ঘৰৰ বাৰাণ্ডাত বিৰাট এক এল্‌চেচিয়ান কুকুৰ শুই আছে। বাহিৰত কোনো মানুহ নাই। গেটখন খুলি সোমাই গলোঁ। কুকুৰটোৱে চোঁচা মাৰি খেদি আহিল। তাক মৰম কৰাৰ ভঙ্গিৰে হাতখন মেলি দিলোঁ। একেবাৰে সি লেতুসেতু হৈ মোৰ ভৰি-হাত চেলেকিবলৈ ধৰিলে। তাৰ লগত একেলগে গৈ ঘৰৰ বাৰাণ্ডাত উঠিলোঁগৈ। ঘৰৰ গৃহস্থজন ওলাই আহিল। কোনো কথা নাই, আহিয়েই কৈ পেলালে : 'আপুনি ভোট বিচাৰি আহিছে। আপোনাক ভোট দিম। মোৰ কুকুৰটোৱে আপোনাক গ্ৰহণ কৰিছে যেতিয়া ময়ো কৰিছোঁ।' কুকুৰটোৱে মোক গ্ৰহণ কৰিলে কিয়? আন্দ্ৰেঁ ম'ৰেৰ ঔষধপালিয়ে কাম দিলে। কিতাপ পঢ়াতকৈ ভাল কাম একো নাই। অধ্যয়নে মানুহক সাহস দিয়ে।

বেদুইনৰ তম্বুৰ সমুখত আমি উপনীত হলোঁহি। কুকুৰ কেইটায়ো ভুকিবলৈ এৰিলে। তম্বুটো তেনেই চাপৰ। কঁকাল বেঁকা কৰি চাপৰি ভিতৰলৈ সোমাই গলোঁ। ভিতৰখন প্ৰায় উদং। সম্পত্তিৰ ভিতৰত এচুকত এটা ৰেডিঅ'। ৰেডিঅ'টোত তেতিয়া আৰবী গান বাজি আছিল। আধুনিক আৰবী গান কিছুমানত আমাৰ হিন্দী ফিল্মৰ গানৰ সুৰ সোমাইছে - ভালকৈ কাণ পাতি

নুশুনিলে ধৰিবকে নোৱাৰি। কোঠাটোৰ মাজমজিয়াতে এখন জুহাল; ওচৰতে কেঁচা ঘাঁহেৰে ওফন্দি থকা কেইটামান থৈলা। ভাগৰি গৈছিলোঁ, গতিকে ভিতৰ সোমায়েই কেঁচা ঘাঁহৰ থৈলা এটাৰ ওপৰত বহি পৰিলোঁ। জুহালৰ কাষত বেদুইন এজন বহি আছিল, ওচৰতে তেনেই কোমল বয়সীয়া এহাল লৰা-ছোৱালী। চকুকেইটা তিৰবিৰাই থকা উজ্জ্বল, মুখকেইখন একোপাহ পদুম ফুল হে যেন। বেদুইনৰ সন্তান ইমান ধুনীয়া। আচৰিত হৈ গলো। লৰা-ছোৱালীহালৰ্লৈ হাতত কিবা এটা লৈ নোযোৱাৰ বাবে অনুশোচনা হবলৈ ধৰিলে।...

আমাৰ গাড়ীৰ ড্ৰাইভাৰ ইজ্‌কলে আৰবী ভাষা বঢ়িয়াকৈ জানে। লগৰ ডিপ্লোমেট য়াটিভে একেবাৰেই নেজানে। হিন্দৰ মানুহ বুলি ইজ্‌কলে মোক বেদুইনৰ লগত চিনাকি কৰি দিলে, লগতে মই যে ভাৰতীয় সংসদ সদস্য সেইষাৰ কথাও কলে। বহাৰপৰা উঠি হাত দুখন মেলি বেদুইনে আঁকোৱালি ধৰিলে। ইয়াৰ পিছত একোপিয়লা কফি আগবঢ়াই কলে : ‘এয়া কফি খাওক। নেখালে বেয়া পাম। বিশিষ্ট আলহীক আমি এনেকৈয়ে আদৰণি জনাওঁ।’ মনতে ভাবিলোঁ - নেখাম কিয়? খোৱাৰ ক্ষেত্ৰত মোৰ কোনো বাছ-বিচাৰ নাই, বিশেষকৈ বিদেশত। কফিত চেনিও নাছিল, গাখীৰো নাছিল। এওঁলোকে কফি এনেকৈয়ে খায়। জিভাৰ আগত অলপ তিতা তিতা যেন লাগিছিল যদিও সেয়া যে মৰম-মিহলি কফি।

তাৰপিছত ইটো-সিটো কথা আৰম্ভ হল। দোভাষী ইজ্‌কলে দুয়োজনৰ কাৰণে কথাবোৰ ভাঙি গল - ইজ্‌কলে আৰবী ভাষা যেনেকৈ জানে ইংৰাজী ভাষাও তেনেকৈয়ে জানে। এনেতে তম্বুৰ আনটো কোঠাত কি আছে চাওঁ বুলি মই সাউতকৈ উঠি গলো। সেই কোঠাটোতে একেদৰে এখন জুহাল। সম্ভৱতঃ এইখন জুহালত আহাৰ সিজোৱা হয়। জুহালৰ কাষতে কেঁচুৱা এটা শুৱাই থৈছে। বগা নোদোকা এটা কেঁচুৱা। হাত-ভৰি জোকাৰি সি কিৰীলিয়াই আছিল। তাৰ তৃপ্তিদীপ্ত ৰাগ-জাল নোহোৱা মুখখন

দেখিয়েই বুজিছিলো - অলপ আগতে সি নিশ্চয় মাকৰ গাখীৰ খাই উঠিছে। এটা দৃশ্য মোৰ বৰ ভাল লাগে : গাখীৰ খাই তৃপ্ত হৈ মাকৰ কোলাত যেতিয়া কেঁচুৱাই হাঁহে, সেই হাঁহিৰ মাজেদি যেতিয়া অলপ আগতে খোৱা গাখীৰ এসোঁতা কোৱাৰিৰ এচুকেদি বৈ আহে, তাৰ তৃপ্তি-আপ্লুত চকুকেইটাই যেতিয়া তৃপ্তিৰ সঁহাৰি দিয়ে, সেই দৃশ্যটো। দুধদানীৰ গাখীৰ নহৈ ভৰপূৰ বুকুৰ মাকৰ গাখীৰ যেতিয়া হয়, সেই গাখীৰ খাই তৃপ্ত হৈ মুখখন আঁজুৰি আনি মাকৰ চকুলৈ চাই কেঁচুৱাই যেতিয়া হাঁহে, হাঁহোতে মুখেদি যেতিয়া এসোঁতা গাখীৰ বৈ যায়, সেই দৃশ্যটো মোৰ আৰু ভাল লাগে। জুহালৰ কাষত দুজনী বেদুইন গাভৰু, গাৰ ৰং তেজীৰঙা, লাহী, ওখ। ওঁঠকেইটা হৰিণা পহুৰ তেজৰ নিচিনা ৰঙা। চকুৰ চাৱনি আৰু মুখৰ হাঁহিৰেই সিহঁতে আমাৰ সৈতে কথা পাতিলে। ইজ্‌কল্‌ৰ সৈতে আৰবী ভাষাতে অশ্যে কথা নপতাকৈ নেথাকিল। সেইবোৰ মই হে একো নুবুজিলোঁ।

'আমি চিনি পাওঁ হিয়াত সাৰ পাই থকা
জাগ্ৰত যৌৱনৰ নিৰুদ্ধ কৰাঘাত,
আমি চিনি পাওঁ অগোপন কামনা-বাসনাৰ আদিম চেতনা।'

ইয়াৰ পিছত তম্বুৰ ভিতৰত নহলেও এৰাধৰাকৈ অ'ত ত'ত দুই-এজন বেদুইন লগ পাইছিলোঁ। মৰুভূমিৰ মাজত অৱস্থিত আৰাদ চহৰত বেদুইন ডেকা-লৰা এটা লগ পাইছিলোঁ। তাৰ লাজুক দৃষ্টি আৰু কথা কোৱাৰ ভঙ্গি আজিও মোৰ মনত ছবি হৈ আছে। সি হেনো নেজেৰেথলৈ পঢ়িবলৈ গৈছিল, কিছুদূৰ পঢ়িছিলও। এনেতে তাৰ পিতাক ঢুকাল। পঢ়া এৰি আকৌ তম্বুৰ জীৱনলৈ ঘূৰি আহিবলৈ বাধ্য হল।... সি হিন্দৰ কথা জানে। গান্ধী, নেহৰুৰ নামো শুনিছে। হাতখনত ধৰি তাৰপৰা বিদায় লব খুজিছো, এনেতে সি কলে: 'এটা চুৰট খাওক।' চুৰটটো জ্বলাই লৈ সেই ঠাইৰপৰা আঁতৰি আহিলোঁ। বেদুইন মোৰ কাৰণে স্বপ্ন হৈ ৰল।

গেলিলী অঞ্চলত এনিশা কটাই নেজেৰেথ চহৰলৈ আকৌ উলটি আহিলো। সপ্তাহত এদিনকৈ ইয়াত বেদুইনৰ এখন বজাৰ বহে; মই অহাৰ দিনটো আছিল শুকুৰবাৰ। সেইটো বজাৰ বহা দিন নহয়। বজাৰখন হেনো চাব লগা বস্তু। বস্তু বেচা-কিনা কৰিবলৈ বহু দূৰ অঞ্চলৰপৰা ইয়ালৈ বেদুইনসকল আহে - ঘোঁৰা, ভেড়া-ছাগলী, উট, এনেবোৰ বস্তুৱেই বজাৰত ঘাইকৈ বেচা-কিনা হয়। এইখিনিতেই মোৰ ভুল হৈ গল। আগদিনাই আহিব লাগিছিল - বজাৰখন তেতিয়া পালোহেঁতেন। প্ৰাচীন এই চহৰখনত অভূতপূৰ্ব এক ৰোমাঞ্চ আছে। বহু যুগ-যুগান্তৰৰ বুৰঞ্জীয়ে মানুহৰ কাণে কাণে ইয়াত কথা কয়। নেজেৰেথ খৃষ্টান-ধৰ্মীসকলৰ পুণ্যভূমি। বেথেল্‌হামত জন্ম গ্ৰহণ কৰিছিল যদিও যিশুখৃষ্টই তিনি বছৰ বয়সৰপৰা ত্ৰিশ বছৰ বয়স লৈকে ইয়াতেই শৈশৱ আৰু যৌৱনৰ সাতাইশটা বছৰ অতিবাহিত কৰিছিল। ইয়াত চেন্ট্‌ ফ্ৰেঞ্চিচ্‌কান গিৰ্জা অনুষ্ঠানে এনান্‌চিয়েশ্যন্‌ নামেৰ কুমাৰী মেৰীৰ গ্ৰটোৰ (লেটিন অৰ্থ : গহ্বৰ) ওপৰত বিৰাট এক গিৰ্জা সাজিছে। যিশু, কুমাৰী মেৰী, এইসকলে মাটিৰ গৰ্ভত গুহা সাজি বাস কৰিছিল। এনান্‌চিয়েশ্যন্‌ গিৰ্জাটোৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। নেজেৰেথবাসীসকলৰ মতে, সম্পূৰ্ণ হলে মধ্যপ্ৰাচ্যত সৰ্ববৃহৎ আৰু সৰ্বাঙ্গসুন্দৰ গিৰ্জা বুলি ই জনাজাত হব। অসম্পূৰ্ণ হৈ আছে যদিও এতিয়াই সেইষাৰ কথা অনুমান কৰিব পাৰি। গিৰ্জাটো এফালৰপৰা তন্নতন্নকৈ চাই আহিছোঁ।

এই নৱ-নিৰ্মিত গিৰ্জাটোৰ তেনেই গাতে লগা হৈছে চেন্ট জোচেফ্‌ গিৰ্জা। গিৰ্জাটোৰ ভূগৰ্ভলৈ নামি গলে যিশুখৃষ্টই যিটো গহ্বৰত জীৱনৰ সাতাইশ বছৰকাল অতিবাহিত কৰিছিল, সেই ঠাইডোখৰ পায়। সেই মাটিৰ তলৰ গুহাটোলৈ উজ্জ্বল বন্তিৰ পোহৰৰ সহায়ত নামি গৈছিলোঁ - অলপ সাৱধানে যাব লাগে, নহলে পিছলি পৰা বা খুন্দা খোৱাৰ ভয়। মাটিৰ তলি পাই দেখিলোঁ আহল-বহল এটা গুহা। দেৱালবোৰ শিলৰ দৰে টান। সেইবোৰৰ গাত কিছুমান সৰু সৰু খোৰোং। এই খোৰোবোৰত

হেনো যিশুৱে দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্তু-সম্ভাৰ থৈছিল। নেজেৰেথৰ এই অঞ্চলবিশেষৰ ধূলিকণাও পৱিত্ৰ বুলি খৃষ্টানধৰ্মীসকলৰ মাজত এক বিশ্বাস আছে। চেন্ট জোচেফ্ গিৰ্জাটোত এখন মনোৰম, বিশাল আয়তনৰ, তৈল-চিত্ৰ দেখিছিলোঁ। ইয়াত চিত্ৰিত হৈছে অনুপ্ৰেৰণাদায়ক এক দৃশ্য - দেৱদূত কেইজনমান আকাশৰপৰা উৰি আহি কুমাৰী মেৰীৰ কাণে কাণে গৰ্ভত তেওঁৰ ঈশ্বৰৰ অংশই থিত লৈছেহি বুলি ঘোষণা কৰিছে। আৰু এখন চিত্ৰ দেখিছিলোঁ - সেইখনত শিশু যিশুখৃষ্টক প্ৰদৰ্শন কৰা হৈছে। নেজেৰেথৰ এই ঠাইডোখৰ আৰু এটা কথাৰ কাৰণে পৱিত্ৰ। প্ৰৱাদ আছে, ইয়াতেই বাইবেলৰ নিউ টেষ্টামেন্ট পুথি ৰচনা কৰা হৈছিল।

নেজেৰেথৰপৰা ক্ৰুছবিদ্ধ যিশুৰ আত্ম-উচৰ্গাৰ মূৰ্ত্তি এটা কিনিলোঁ।

‘মৰুভূৰ সেই ক্ৰুছৰ দানেৰে
সকলো দেশত
সকলো কালক
সকলো বাণীৰ
সকলো হিয়াক
নৰজন্মৰ আকুল আকাঙ্ক্ষা দিয়া।’

মানৱ-প্ৰেমৰ বেদীত যিশুৰ আত্ম-উচৰ্গা। মূৰ্তিৰ বান্ধোনতেই হওক বা ছবিৰ বান্ধোনতেই হওক, এই দৃশ্যটোৱে সদায়েই মোক অভূতপূৰ্বভাৱে অনুপ্ৰেৰণা যোগাই আহিছে। চমুকৈ কবলৈ গলে, মানৱ-বুৰঞ্জীৰ তিনিখন ছবি মোৰ বৰ ভাল লাগে - মেডোনাৰ মাতৃমূৰ্তি, যিশুৰ আত্মাহুতি আৰু বুদ্ধৰ সৌম্যমূৰ্তি।

প্ৰৱাদ আছে, নেজেৰেথৰপৰা যিশু গেলিলী অঞ্চললৈ যায়। ইয়াতেই মাছমৰীয়াসকলক তেওঁ খৃষ্ট-ধৰ্ম্মত দীক্ষিত কৰি ‘মিৰেকোল’ প্ৰদৰ্শায়। গেলিলী হ্ৰদৰ উত্তৰ অঞ্চলত এটা গিৰ্জা ঘৰ আছে, নাম ‘মাল্‌টিপ্লিকেশ্যন অব ল’ভচ্ এণ্ড ফিচেচ’ গিৰ্জা।

গির্জাটো যি ঠাইত অৱস্থিত, সেইডোখৰ ঠাইৰ নাম হৈছে টেৰগৰ্। গির্জাটোৰ ভিতৰত এখন বেদী আছে। বেদীৰ কেউকাষে বেৰি বেৰি মানুহে সশ্ৰদ্ধাৰে সকলোবোৰ বস্তু নিৰীক্ষণ কৰিছে। ময়ে সোমাই গলোঁ। এতিয়াও যেন ইয়াৰ সকলোবোৰ বস্তুতে 'ক্ৰুছৰ বন্ধু'ৰ আঙুলিৰ পৰশ লাগি আছে। ইয়াৰে কিছুদূৰ আঁতৰত কপাৰনাম্ বোলা এডোখৰ ঠাই আছে; সেই ঠাইত প্ৰাচীন গির্জা এটাৰ ভগ্নাৱশেষ আছে। তালৈকো গৈছিলোঁ। আমাৰ বামুণী পাহাৰত পেলাই থোৱাৰ দৰে ভগ্নাৱশেষবোৰ ইয়াত অ'ত তত পেলাই থোৱা হোৱা নাই। বস্তুবোৰ নিয়াৰিকৈ সজাই থোৱা হৈছে। বর্তমানৰ পোপগৰাকী ভেটিকানৰপৰা এই ঠাইলৈ আহিছিল। তেওঁ পদাৰ্পণ কৰা ঠাইডোখৰ বেদী সজোৱাদি সজাই থৈছে। ধৰ্মৰ আনুষ্ঠানিক প্ৰকাশত মোৰ বিশ্বাস নাই, তথাপি এট ভগ্নাৱশেষসমূহৰ মাজত যে এক সমৃদ্ধিশালী বুৰঞ্জী সুপ্ত হৈ আছে, এইষাৰ কথাই মোক আপ্লুত নকৰাকৈ নাছিল।

মৰুভূমিৰ বিষয়ে বহুত কথাই কোৱা হল। এতিয়া পিটনি অঞ্চললৈ অহাৰ আগতে মাথোন একেষাৰ কথা কব খুজিছোঁ : ডেড্-চিৰ দক্ষিণ অঞ্চলৰ মাটি লুণীয়া। সম্ভৱতঃ ডেড্-চিৰ পানীৰ প্ৰভাৱ। এই লুণীয়া অঞ্চলত খেজুৰ আৰু ডালিম গছ উভৈনদীকৈ হয়। খেজুৰ খাই মই ভাল পাওঁ। ডালিম দেখিবকে নোৱাৰোঁ। অৱশ্যে কৱিৰ ভাষাতে ছোৱালীৰ 'দুয়ো পাৰি দাঁত ডালিমগুটি' হলে ভাল পাওঁ। সেইদৰে ডালিম-ফলটো ভাল নেপালেও, ডালিম-ফুলটো হলে ভাল পাওঁ।

'তোমাৰ ৰিহাৰ আঁচল
ডালিম-ফুলৰ দৰে ৰঙা।'

কৱিগুৰু ৰবীন্দ্ৰনাথেও জানো ডালিম-ফুলৰ কথা কোৱা নাই ?

'আগে ওকে বাৰ বাৰ দেখেছি
লাল ৰঙৰ শাৰীতে

ডালিম-ফুলের মতো ৰাঙা।’

ইজৰাইলৰ কোনো কোনো অঞ্চলত দুর্জয় পিটনি। সেইবুলি মানুহৰ কৌশলী মগজুৱে প্ৰকৃতিৰ আক্ৰমণৰ সমুখত পৰাজয় জানো স্বীকাৰ কৰিছে। অপৰাজেয় নহলেও পৰাজয় বৰণ নকৰাৰ প্ৰতি যি দুর্জয় মনোভাৱ, সিয়েই মানুহক মহৎ কৰিছে। অন্ধ কবি মিল্টনৰ ভাষাতে ই এনে এক সাহস, যি সাহসে কেতিয়াও পৰাজয় বৰণ কৰিবলৈ নিশিকায়।

‘Never to submit or yield
What though the field be lost.’

কাফ্ৰা-ব্লাম অঞ্চলৰপৰা প্ৰত্যাগমন কৰাৰ পথত টেকনলজী প্ৰয়োগ কৰি সাৰুৱা খেতিৰ মাটিলৈ ৰূপান্তৰিত কৰা হুলা পিটনি অঞ্চললৈ গৈছিলোঁ। হুলা উপত্যকাৰ পিটনিৰ স্বৰূপ জৰ্ডন ভূমিখণ্ডৰ সৈতে প্ৰায়ে একে। এসময়ত এই সমগ্ৰ অঞ্চলটো পিটনিৰে ভৰপূৰ আছিল। হুলা উপত্যকাৰ ৱাটাৰ প্ৰজেক্ট কাম হোৱা ঠাইডোখৰ তেনেই নিৰ্জন। কিছুমান বিৰাটকায় গছেৰে আগুৰি থকা হাবিৰ বাহিৰে এই ঠাইডোখৰত একো নাই। ইয়াৰ কিছু দূৰত এখন মোচেভ্ গাঁও আছে।

হুলাৰ ৱাটাৰ প্ৰজেক্টৰ কাম ১৯৫৮ চনত শেষ হয়। মাটিৰ তলেদি খাল খান্দি পিটনিৰ পানী ইয়াত নাশ কৰা হৈছে। ইজৰাইলৰ দুটা ডাঙৰ সমস্যা - পিটনি আৰু মৰুভূমি - দুয়োটাকে টেক্‌ন’লজীৰ সহায়েৰে প্ৰায় সমাধা কৰা হৈছে। নতুন জীৱনে এনেকৈয়ে পোখা মেলি উঠিছে। খবৰ লৈ জানিলোঁ, হুলা অঞ্চলত পিটনি নিৰ্মূল কৰি এতিয়ালৈকে ৭,৫০০ একৰ মাটি খেতিৰ উপযোগী কৰি তোলা হৈছে। ৭৫০ একৰৰ ইয়াত এখন ৰিজাৰ্ভ আছে। সেই ৰিজাৰ্ভত বৃহৎ এখন জলাশয় আছে। জলাশয়খনো মানুহৰ হাতৰ সৃষ্টি।

হুলা ৰিজাৰ্ভ আমাৰ কাজিৰঙা ৰিজাৰ্ভৰ দৰে নহয়। ই নানা বৰণীয়া চৰাইৰ হে ৰিজাৰ্ভ। নট্ৰিয়া নামৰ এবিধ শহাপহু জাতীয় জন্তুৰ বাহিৰে, সৰুৱেই হওক বা ডাঙৰেই হওক, তেনে কোনো লেখত লবলগীয়া জন্তু ইয়াত নাই। নট্ৰিয়া জন্তুটো ইয়ালৈ আহিবলৈ পালে কেনেকৈ, সেই বিষয়েও ৰহস্যজনক এটা কাহিনী আছে। তাহানি আৰ্জেনটিনাৰপৰা অহা ইহুদী ব্যৱসায়ী এজনে এইবিধ জন্তু ইয়াত পুহিছিল। এই জন্তুটোৰ বংশবৃদ্ধি অতি খৰ গতিত হয়। অলপ দিনৰ ভিতৰতেই গোটেই অঞ্চলটো নট্ৰিয়া জন্তুটোৰে ভৰি পৰিল। তাহানি ক'ৰবাত পঢ়া মনত আছে ? অষ্ট্ৰেলিয়াৰপৰা কেনেডালৈ এজন ভ্ৰমণকাৰী গৈছিল । লগত এহাল 'ৰেবিট্' তেওঁ লৈ গৈছিল। কেনেডাৰপৰা প্ৰত্যাৱৰ্ত্তন কৰাৰ সময়ত ৰেবিট্‌কেইটামান তাত তেওঁ এৰি থৈ আহিছিল। ইহঁতৰ বংশবৃদ্ধি ইমান খৰ গতিত হয় যে জাহাজত গৈ থাকোঁতেই এবাহ পোৱালি হল। ইয়াৰপৰাই গোটেই কেনেডাখন ৰেবিটেৰে উপচি পৰিল। ৰেবিটৰ জীৱন-কাহিনীৰ সৈতে এই নট্ৰিয়া জন্তুটোৰ জীৱন-কাহিনী হুবহু মিলে।

এই জন্তুটোৰপৰা খেতি-পথাৰৰ কেনেকৈ অভূতপূৰ্ব ক্ষতি হৈছে, সেই বিষয়ে ৰিজাৰ্ভৰ কৰ্মচাৰীজনে আমাক বিৱৰি কলে। ৰিজাৰ্ভৰ জলাশয়খনৰ কথা আগতে উল্লেখ কৰি আহিছোঁ। কেউকাষে আমাৰ খাগৰি-বিৰিণা জাতীয় ঘন হাবি। কোনো কোনো ঠাইত এই খাগৰি-বিৰিণাবোৰ পানীৰ ওপৰত আত্মহত্যা কৰাৰ ভঙ্গিৰে পৰি আছে। কলৰ নাও এখন লৈ আমি কেইজনমান জলাশয় ভ্ৰমণৰ কাৰণে ওলাই গলো। আমাৰ লগৰ যাত্ৰীকেইজনৰ মাজত উল্লেখযোগ্য হল দুযোৰা ডেকা-গাভৰু। বয়স বৰ বেছি নহয়। ছোৱালী দুজনী পোন্ধৰ-ষোল বছৰীয়া হব, লৰাহালৰ বয়স কুৰিৰ অধিক নহয়। আমাৰ কল-নাও ধীৰ-মন্থৰ গতিত চলিবলৈ ধৰিলে, এফালে জলাশয়ৰ শীতল বতাহ, আনফালে পুৱাৰ বেলিৰ কোমল পোহৰ। লৰা-ছোৱালীকেইটাই পানীৰ চৰাইলৈ নেচাই মৰমৰ অত্যাচাৰ আৰম্ভ কৰি দিলে।

এহালক দেখিলোঁ - ছোৱালীজনীয়ে চকুকেইটা মুদি লৰাটোৰ বুকুত মূৰটো সুমুৱাই দিছে, কিবা এক 'আমেজ আমেজ' ভাবত দেহাটো তাই এৰি দিছে। লৰাটোও বুৰ্বকৰ দৰে বহি থকাবিধৰ নহয়, তাতে যৌৱনৰ উন্মাদনা আছে। সিহালৰ কথা নকওঁ। সেইহালেও প্ৰণয় জোৱাৰত কব নোৱাৰা হৈ আছে।....

নাৱৰপৰা জলাশয়ত চৰি ফুৰা নানা তৰহৰ বনৰীয়া চৰাই দেখিলো। এবিধ চৰাই দেখিলো, আকৃতিৰ পিনৰপৰা হুবহু আমাৰ পাতি-হাঁহটোৰ লেখীয়া। অৱশ্যে গাৰ ৰংটো পানী কাউৰীটোৰ দৰে কিচ্‌কিচীয়া ক'লা, ঠোঁটটো সম্পূৰ্ণৰূপে হালধীয়া, আগৰ ফাললৈ সামান্য মাত্ৰ জোঙা যদিও আমাৰ হাঁহৰ ঠোঁটটোৰ দৰেই চেপেটা। এই জলাশয়তে আৰু এবিধ চৰাই দেখিলোঁ, আকৃতিৰ ফালৰপৰা আমাৰ তেলীয়া-সাৰেঙটোৰ লেখীয়া। কিন্তু পাৰ্থক্য হৈছে ঠোঁটটো একেবাৰে চকমাটিৰ দৰে বগা। নাৱৰীয়াজনে কলে, মাছ-চিকাৰী হিচাপে এইবিধ চৰাই হেনো বৰ পাকৈত। এই জাতীয় চৰাই জাপানতো আছে। সিহঁতো মাছ ধৰাত বৰ পাকৈত। টেঙৰ জাপানী মাছমৰীয়াই এইবিধ চৰাইক বিশেষ ভাৱে ট্ৰেইনিং দি মাছ ধৰা কাৰ্যত নিয়োগ কৰিছে, এইবোৰ আমাৰ নাৱৰ নাৱৰীয়াজনৰ কথা। মনতে মই ভাবিলোঁ : জলাশয়ত দেখা এইবিধ কৰম'ৰান্ট চৰাই নহয়তো? ক'ৰমৰান্ট চৰাইৰ সহায়েৰে মাছ ধৰা পদ্ধতি জাপানৰ এক পুৰণি ৰীতি - এই পদ্ধতিক জাপানী ভাষাত 'উকাই' বোলা হয়। বিশেষভাৱে শিক্ষাপ্ৰাপ্ত এই চৰাইবোৰক নাৱত তুলি জলাশয়লৈ লৈ যোৱা হয়। ডিঙিত বাৰ ফুটমান দীঘল ডোল এডাল বান্ধি পানীত এৰি দিয়া হয়। মাছটো ধৰাৰ লগে লগেই ডোলডাল আঁজুৰি দিয়া হয় - চৰাইটোৱে যাতে মাছটো গিলি থব নোৱাৰে, সেই উদ্দেশ্যেৰে। এনেকৈ এনিশাৰ ভিতৰত এশতকৈ অধিক ট্ৰাউট্ মাছ ধৰা হয়। ভালকৈ শিক্ষাপ্ৰাপ্ত কৰম'ৰান্ট চৰাইৰ মাছ-চিকাৰ চাব লগা বস্তু। পানীত সাঁতুৰি, বুৰ মাৰি হলেও ই মাছ ধৰে। মাছ ধৰি আনি নিজে নিজেই গৰাকীক

দিয়েহি। সুদক্ষ জাপানী মাছমৰীয়াই এই পদ্ধতি অতীজৰেপৰা আজিকোপতি নিয়াৰিকৈ প্ৰয়োগ কৰি আহিছে। মাছ-খকুৰা বুলি কৰম’ৰান্ট চৰাইৰ খ্যাতি আছে। হুলাৰ ৰিজাৰ্ভৰ এই চৰাইজাকো জানো কম মাছ-খকুৰা? নহলে সিহঁতে এনেদৰে পানীৰ মাজত জোপ লৈ বহি থাকিব কিয় ?

জলাশয়ৰ কিছু ভিতৰভাগলৈ এডোখৰ ঠাই আছে। সেইডোখৰ চৰাইৰ আড্ডাৰ ঠাই। তালৈ আমি নাও নিনিলো, অলপ দূৰৈত নাও ৰাখি, তাৰপৰাই চৰাইৰ আলেখ-লেখ চাবলৈ ধৰিলে। সেই লৰা-ছোৱালী দুয়োৰাই চৰাইৰ ফালে এবাৰো নেচালে। চৰাই কেইটামান আমাৰ মূৰৰ ওপৰেদি চিঞৰি উৰি গল। সঁতুৰি ফুৰা কেইটামানে ধপ্‌ধপাই পাখি কোবাই সাঁতোৰাৰ দৰে কিছুদূৰ গৈ আকাশলৈ উৰা মাৰিলে। চৰাইৰ ৰাজ্যৰ ইমানবোৰ ঘটনা হৈ গল তথাপিও লৰা-ছোৱালীকেইটা স্বপ্নৰত। চৰায়ে নোৱাৰিলে যেতিয়া ইহঁতক দেখিছোঁ আন একোৱেই নোৱাৰে। সৰগৰ প্ৰেম ধূলি হৈ মৰ্তলৈ নামি আহিছে বুলি কোন কোনোৱে কোৱা শুনিছোঁ। সঁচা হব পায়।

জলাশয়ৰ মাজত সভা পাতি বহি থকা চৰাইজাক তেনেকৈয়ে থাকিল। সিহঁতৰ ওচৰলৈ আমি নাও নিয়া নাছিলো। গতিকে চঁক খাই উৰা মৰাৰ কোনো কাৰণ নাছিল। দূৰৈৰপৰা সিহঁতক আমি নিৰীক্ষণ হে কৰিছিলোঁ। নাৱৰীয়াজনে কলে : বছৰি ইউৰোপৰ ফালৰপৰা নানা তৰহৰ ভ্ৰাম্যমান চৰাই ইয়ালৈ আহে। কিছুদিন জিৰণি লোৱাৰ পিছত আকৌ জাক পাতি পূব-আফ্ৰিকা ফাললৈ ভ্ৰমণ কৰিবলৈ যায়। সিহঁত ইয়াত থকা দিনকেইটাত যাতে একো অশান্তি নহয়, সেই বিষয়ে আমি বিশেষভাৱে যত্নপৰ। ভ্ৰাম্যমান চৰাইৰ বিষয়ে বম্বেৰ নেচুৰেল হিষ্ট্ৰি-চোচাইটিৰ ডক্টৰ চেলিম আলিয়ে বিশেষভাৱে চৰ্চা কৰিছে আৰু বিৱৰি লিখিছেও। চেলিম আলি আন্তৰ্জাতিক খ্যাতিসম্পন্ন মানুহ। ভ্ৰাম্যমান চৰাইৰ ইতিহাস জানিবৰ কাৰণে এওঁ এটা কাম কৰে। জাপানী ‘মিষ্ট নেট্’বুলি এবিধ কুঁৱলীতকৈও পাতল জাল আছে, ’ছাঁতে শুকুৱা,

মুঠিতে লুকুৱা’। বম্বেৰ সাগৰ উপকণ্ঠৰ দ্বীপত এই জালবোৰ পাতি থোৱা হয়। দূৰ-দূৰণিৰপৰা উৰি অহা ভ্ৰাম্যমান চৰাই এই জালত ধৰা পৰে। তেনেদৰে ধৰা পৰা চৰাইৰ ঠেঙত আঙুঠি এটা পিন্ধাই আকৌ এৰি দিয়া হয়। সেই আঙুঠিত লেখা থাকে : ‘চৰাইটো ধৰিব পাৰিলে বম্বেৰ নেচুৰেল্ হিষ্ট্ৰি চোচাইটিলৈ খবৰ দিব’। এনেদৰে বেঙ্কক্, পিকিং, টকিঅ’ ইত্যাদি ঠাইত ধৰা পৰা চৰাইৰ বিষয়ে বিশেষ সংবাদ আহে। ইয়াৰপৰাই একোটা চৰাই কিমান দূৰলৈ উৰি যায়, তাৰ প্ৰমাণ পোৱা যায়। এই বিষয়ে তাহানি চেলিম আলিৰ প্ৰবন্ধত পঢ়িছিলো। জাৰৰ দিনত আমাৰ লুইতৰ বালিত ফুৰিবলৈকে পশ্চিমৰপৰা অলেখ চৰাই আহে, গ্ৰীষ্মৰ লগে লগে চৰাইবোৰ আকৌ নিজৰ নিজৰ দেশলৈ উভতি যায়। এই বিষয়ে বহুত কথা লেখিব পাৰি।

জলাশয়ত ঘূৰি-পকি চৰাইৰ আলেখ-লেখ চাই আকৌ পাৰত উঠিলোহি। লৰা-ছোৱালী দুযোৰাও পাৰত উঠিলহি। এযোৰা পানীযুঁৰলিৰ সেউজীয়া ঘাঁহনিত ওপৰলৈ মুখ কৰি ওচৰা-উচৰিকৈ শুই পৰিল। শুই শুই সিহঁতে কথা পাতিবলৈ ধৰিলে। সিহাল সাবটা-সাবটিকৈ হাবিৰ মাজৰ লুংলুঙীয়া বাট এটাৰে নিৰুদ্দেশ হল। অলপ সময়ৰ কাৰণে সেইখিনিতে থিয় হৈ আমি গাড়ীত উঠিলো। গাড়ীত উঠিয়েই ভাব হল : তামোল এখন পোৱা হলে। পৰ্বতত জানো কাছ-কণী পায়?

বুজিব পৰা নাছিলোঁ, ইজৰাইলৰ পিটনি অঞ্চলত ইমানবোৰ ইউকেলিপ্টাচ গছ কিয় ? বেৰণ এডমাণ্ড ডি ৰথচাইল্ডে তাহানি ফৰাচী দেশৰপৰা কিছুমান বিশেষজ্ঞ পঠাই এই পিটনি অঞ্চলৰ মাটি পৰীক্ষা কৰাইছিল। তেতিয়া ইজৰাইল ৰাষ্ট্ৰৰ জন্ম হোৱা নাছিল - পেলেষ্টাইন বিভক্ত কৰি হে ১৯৪৮ চনত ইজৰাইলৰ জন্ম হয়। ১৯১৮ চনৰপৰা ১৯৪৮ চনলৈ ব্ৰিটিচৰ শাসনাধীন হৈ পেলেষ্টাইন ত্ৰিশ বছৰকাল আছিল। ৰথচাইল্ডে পঠোৱা ফৰাচী বিশেষজ্ঞসকলে পিটনি অঞ্চলত ইউকেলিপ্টাচ গছ ৰোৱাৰ পৰামৰ্শ দিছিল। অন্তৰলীন পানী শোহাটোৱেই হৈছে পিটনিৰ

ঘাই সমস্যা - ইউকেলিপ্টাচ গছে ভাবিব নোৱাৰাকৈ পানী শোহে। প্ৰথমতে যিটো বস্তুক ব্যৱহাৰিক কাৰণত ব্যৱহাৰ কৰা হৈছিল, সেইটো বস্তুকে বৰ্তমান সমগ্ৰ ইজৰাইলত শোভাবৰ্ধনৰ কাৰণে ব্যৱহাৰ কৰা হৈছে। অৱশ্যে পিটনি অঞ্চলত ইয়াৰ ব্যৱহাৰ যেনেকৈ ঘন, আন অঞ্চলত তেনেকৈ ঘন নহয়। তেনেই পাতলীয়া। ইউকেলিপ্টাচ গছে যিমান দূৰ পাৰিলে, সিমান দূৰ পানী শুহিলে। যিখিনি নোৱাৰিলে, সেইখিনি মাটিৰ তলেদি খাল খান্দি নিৰ্ম্মূল কৰা হল।

এইবোৰ কামৰ সৰহভাগকেই যুইচ্ নেশ্যনেল ফাণ্ডৰ অৰ্থসাহায্যৰ জৰিয়তে সমাধা কৰা হৈছে। ইহুদীৰ সাহায্যৰ অৰ্থে অনুষ্ঠিত ই এক বিৰাট পুঁজি। এই পুঁজিৰ সহায়েৰে ইজৰাইলৰ পৰ্বত অঞ্চলত ভালেমান গছ ৰোৱা কাম, জলসিঞ্চন ব্যৱস্থা গ্ৰহণ কৰা কাম, ইত্যাদি বহুতো গঠনমূলক কাম হাতত লোৱা হৈছে। পিটনিৰ গৰ্ভৰপৰা পুনৰ উদ্ধাৰ কৰা হুলা ভূমি-খণ্ডত এতিয়া কপাহ, যৱ ধান, নানাবিধ শস্য, ফুল, ইত্যাদি প্ৰচুৰ পৰিমাণে হয়।

পিটনি অঞ্চলত ইউকেলিপ্টাচ গছ থকাৰ দৰে, নেগেভ্ মৰুভূমি অঞ্চলত আকাচিয়া বোলা এবিধ গছ প্ৰচুৰ পৰিমাণে আছে। অলপ যত্ন ললেই এই দুয়োবিধ গছ অতি সোনকালে হয়। সৰুতে দেখা মনত আছে, যোৰহাটৰ চৌক-বজাৰৰ চাৰিআলিত এজোপা ধুনীয়া ইউকেলিপ্টাচ গছ আছিল। গছজোপা দেখিলেই ইজৰাইল - ভাল লাগি যায়। দেশ স্বাধীন হোৱাৰ পিছত কৰ্তৃপক্ষৰ আদেশত গছজোপা কাটি পেলোৱা হল। কৰ্তৃপক্ষৰ নগ্ন কল্পনাহীনতাৰ বিষয়ে কিছুদিনৰ আগতে পোলেণ্ডৰ মনোৰম গল্প এটা পঢ়া মনত আছে। যি গল্পই মানুহৰ স্মৃতিত চিৰকলীয়া সাঁচ বহুৱায়, সিয়েই হৈছে শ্ৰেষ্ঠ গল্প। পোলেণ্ডৰ গল্পটো এইখিনিত নতুনকৈ কৈ কিতাপৰ আকাৰ বঢ়াব খোজা নাই। যোৰহাটৰ ইউকেলিপ্টাচ গছজোপাক লৈ গল্প এটা লেখিব নোৱাৰি নে?

জেৰুজালেম চহৰত ইউকেলিপ্টাচ গছৰ উপৰিও আমাৰ চিলঙৰ লেখীয়া এবিধ পাইন গছ আছে। চহৰখনৰ শোভাবৰ্ধন কৰা কাৰ্য্যত এই গছবোৰে সহায় কৰিছে। শোভাবৰ্ধন কৰা কাৰ্য্যৰ উপৰিও গছৰ আন প্ৰয়োজনীয়তা নাই জানো? মাটিৰ সংৰক্ষণৰ ক্ষেত্ৰত গছৰ বৰঙণি প্ৰচুৰ। সম্ভৱতঃ গছ আছে কাৰণেই অসমৰ পৰ্বতবোৰ খহি নপৰাকৈ ৰৈ আছে। গছে পৰ্বতক বান্ধি ৰাখে।

‘বৃক্ষ ৰোপত অধিক ধৰ্ম।
মঠ মণ্ডপ শোভন কৰ্ম্ম।।’

ভাষাসাহিত্য ৰঙিয়াল ঘৰ

বিশ্ববিদ্যালয়ৰপৰা আৰম্ভ কৰি নিশাৰ ভোজসভা, য'তেই যাকেই লগ পাইছিলোঁ, মাথোন একেটা কথা। একেটা প্ৰশ্ন। সেইটো হৈছে আমাৰ দেশৰ ভাষা-সমস্যা, ভাষাক কেন্দ্ৰ কৰি ভাৰতৰ দক্ষিণ অঞ্চলত হোৱা বিবাদৰ কথা। আমাৰ ভাষা-বিবাদৰ গুৰিতে মনস্তাত্ত্বিক আৰু অৰ্থনৈতিক দুয়োটা কাৰণেই যে আছে, সেই বিষয়ে বিবৰি কৈছিলোঁ। আমাৰ ভাষা-সমস্যাৰ বিষয়ে এনে সৰ্বব্যাপী কৌতূহল দেখি তেওঁলোকৰ ভাষাৰ বিষয়ে জানিবলৈ মন গৈছিল। একেষাৰ কথা ভালকৈয়ে জানো-প্ৰত্যেক মানুহে নিজৰ জননীক ভাল পোৱাৰ দৰে নিজৰ ভাষাকো ভাল পায়। আমাৰ অথৰ্ব্ববেদত এনেদৰে আছে :

যো মে অন্নম্ যো মে বসমু
বাকম্ শ্ৰেষ্ঠম্ জিঘাংসতি
ইন্দ্ৰ তস্ম অগ্নিশ্চ
অস্ত্ৰ হিংকাৰমস্যতাম্।

অৰ্থাৎ যি মোৰ অন্ন, মোৰ পিয়াহৰ পানী আৰু সকলোতকৈ শ্ৰেষ্ঠ মুখৰ ভাষা ধ্বংস কৰিব খোজে, তাক বিজুলী, বজ্ৰপাত, অগ্নিয়ে আঘাত কৰক।

হিব্ৰু ভাষা পৃথিৱীৰ তিনিটা অতি প্ৰাচীন ভাষাৰ ভিতৰত এটা; বাকী দুটা হৈছে সংস্কৃত আৰু লেটিন ভাষা। হিব্ৰু ভাষাৰ ইতিহাস ৩,৩০০ বছৰৰ পুৰণি। এইটো ভাষাতেই বাইবেল

শাস্ত্ৰকে ধৰি প্ৰাচীন ভালেমান ধৰ্মগ্ৰন্থ ৰচনা হৈছিল। বৰ্তমানৰ ইজৰাইলবাসী ইহুদীৰ গৌৰৱৰ কথা হৈছে এইটোৱেই যে লুপ্তপ্ৰায় ভাষা এটাক সঞ্জীৱিত কৰি এওঁলোকে কেৱল ৰাষ্ট্ৰীয় ভাষাৰ মৰ্য্যাদাকে প্ৰদান কৰা নাই, ইয়াক জনসাধাৰণৰ কথিত ভাষালৈকে ৰূপান্তৰিত কৰিছে। মই সদায়েই ভাবোঁ, কোনো এটা ভাষা বৃদ্ধি পাবলৈ হলে, ই কেৱল এমুঠি বুদ্ধিজীৱীৰ ভাষা হৈ থাকিলে নহব। কোনো এক ভাষাগোষ্ঠীৰ মানুহ যিমানেই ব্যৱসায়-বাণিজ্যত ৰত হয়, সিমানেই সেই ভাষাটোৱে প্ৰচাৰ লাভ কৰে। ভাষা বাঢ়িবলৈকো এখন বজাৰ লাগে। যেতিয়াই বজাৰৰপৰা আঁতৰি পুথিৰ পাতত সীমাবদ্ধ হল, তেতিয়াই সংস্কৃত ভাষাৰ মৃত্যু ঘটিল। সেইবুলি ভাষাৰ সৌষ্ঠৱ-সাধনৰ ক্ষেত্ৰত সাহিত্যৰ প্ৰয়োজন নাই বুলি কব খোজা নাই। যথেষ্ট আছে। এই দুয়ো দিশৰপৰা ভাষা সজাই তোলাৰ প্ৰতি বৰ্তমান ইজৰাইলত প্ৰচেষ্টা চলিছে। হিব্ৰু ভাষাক সঞ্জীৱিত কৰি তোলাৰ ক্ষেত্ৰত এওঁলোক যথেষ্ট কৃতকাৰ্যও হৈছে। প্ৰায় চৈধ্য শ বছৰকাল ইহুদীসকলৰ মাতৃভাষা স্বৰূপে অতীজত ব্যৱহৃত হোৱাৰ অন্তত, হিব্ৰু ভাষা ক্ৰমাৎ অনাদৃত হৈ আহিবলৈ ধৰিলে। পেলেষ্টাইনৰ বাহিৰত থকা ইহুদীৰ কথা এৰিছোৱেই-একালত পেলেষ্টাইনৰ ভিতৰত থকা ইহুদীয়েও হিব্ৰু ভাষা বৰ্জন কৰি আৰবী নাইবা গ্ৰীক ভাষা ব্যৱহাৰ কৰিবলৈ লৈছিল। যিবোৰ দেশত মধ্যযুগত ইছলামীয় সংস্কৃতিৰ প্ৰাদুৰ্ভাৱ বাঢ়িছিল, সেইবোৰ দেশত বসবাস কৰা ইহুদীসকলেও হিব্ৰু ভাষা বৰ্জন কৰি আৰবী ভাষা হে ব্যৱহাৰ কৰিবলৈ লৈছিল। ইউৰোপত প্ৰাচীন হিব্ৰু ভাষাৰ পৰিৱৰ্তে দুটা নতুন ইহুদী ভাষা ঠন ধৰি উঠিছিল। এটা হৈছে ইডিচ, আনটো হৈছে লেডীনো। আমাৰ দেশত উৰ্দু ভাষা গঢ়ি উঠাৰ দৰে, প্ৰথমটো মধ্যযুগীয় জাৰ্মান আৰু দ্বিতীয়টো মধ্যযুগীয় স্পেনিচ ভাষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল।

সেইবুলি হিব্ৰু ভাষা যে ইহুদীসমাজৰপৰা একেবাৰে নিশ্চিহ্ন হৈ গৈছিল, সেইষাৰ কথা নহয়। (১) ই জীয়াই আছিল বিদেশত বসবাস কৰা এখন দেশৰ ইহুদীৰ সৈতে আন এখন দেশৰ ইহুদীৰ সংযোগ-ভাষা স্বৰূপে। (২) ই জীয়াই আছিল ধৰ্ম-কাৰ্য্যত ব্যৱহৃত ভাষা স্বৰূপে, আমাৰ যেনেকৈ সংস্কৃত। ইয়াৰ উপৰিও কোনো কোনো দেশত ই জীয়াই আছিল ইহুদীসমাজৰ কাব্য-সাহিত্যৰ ভাষা স্বৰূপে। আনহাতে এইসকলেই আকৌ দৰ্শনচৰ্চাৰ ক্ষেত্ৰত আৰবী ভাষা হে ব্যৱহাৰ কৰিছিল। মোৰ ধাৰণা, কাব্য-সাহিত্যই যেনেকৈ ভাষা এটাক সৌষ্ঠৱ দিয়ে, গদ্যত ৰচিত দৰ্শন শাস্ত্ৰই তেনেকৈ দিব নোৱাৰে। এই কাৰণেই সম্ভৱতঃ আমাৰ দৰ্শন শাস্ত্ৰ সৰহভাগেই শ্লোক-ছন্দত ৰচিত।....

দশম শতিকাৰপৰা চতুৰ্দশ শতিকা পৰ্যন্ত জাৰ্ম্মেনী আৰু ফৰাচী দেশত বসবাস কৰা ইহুদীসমাজে কথিত ভাষা স্বৰূপে নহলেও লিখিত ভাষা স্বৰূপে হিব্ৰু ভাষা হে ব্যৱহাৰ কৰিছিল। পূৰ্ব ইউৰোপত বাস কৰা ইহুদীসকলৰ মাজত শিক্ষিত শ্ৰেণীৰ ভাষা স্বৰূপে ই জীয়াই আছিল। ১৮শ শতিকাত “হাস্ক’লাহ” নামেৰে ইহুদীসকলৰ এক আন্দোলন আৰম্ভ হয়। “হাস্ক’লাহ” - এই শব্দটোৰ অৰ্থ হৈছে ‘পোহৰ’। এই আন্দোলনটোৰ উদ্দেশ্য আছিল বাইবেল শাস্ত্ৰত ব্যৱহৃত হিব্ৰু ভাষাক আৰ্হি স্বৰূপে লৈ ভাষাটোক পুনৰ সঞ্জীৱিত কৰা। এই উদ্দেশ্য সাধনৰ অৰ্থে এক সৃষ্টিধৰ্মী দৃষ্টি চকুৰ আগত ৰাখি ইহুদীসকল হাতে-কামে লাগি গৈছিল। ১৮৫৬ চনত প্ৰথম হিব্ৰু সাপ্তাহিক বাতৰিকাকত ‘হা-মাগিড’ৰ জন্ম হয়। এনে অভিযানৰ জৰিয়তে আন ভাষাৰপৰা শ শ কিতাপ হিব্ৰু ভাষালৈ অনূদিত হবলৈ ধৰিলে। দুখৰ কথা, ঊনবিংশ শতিকাৰ শেষভাগলৈ হিব্ৰু ভাষাৰ জনপ্ৰিয়তা দুনাই টুটিবলৈ ধৰিলে। এই হতাশাক ১৮৭৫ চনত লেখা কৱিতা এটাৰ জৰিয়তে হিব্ৰু-কৱি জে. এল. গৰডনে এনেদৰে প্ৰকাশ কৰিছে :

ভৱিষ্যতৰ কথা কোনে জানে ?
কোনে কব পাৰে ?

জিয়নৰ ময়েই হয়তো শেষ কবি,
হিব্ৰু পঢ়া তুমিয়েই হয়তো শেষ পাঠক।’

হতাশাৰ এই ডাৱৰ সৰহ দিন নেথাকিল। হিব্ৰু ভাষাক সাহিত্যিক মৰ্যাদা দি জীৱন্ত কৰি তোলাৰ অৰ্থে ১৮৮০ আৰু ১৯১৪ চনৰ ভিতৰত প্ৰৱল এক মূৰ্চ্ছনা সংগঠিত হয়। এই কালছোৱাৰ ভিতৰতেই আহাড্ হাম, বিয়ালিক্, টেকাৰ’নিকোৱস্কী - এইসকলৰ লেখীয়া প্ৰতিভাসম্পন্ন ইহুদী কৱি-সাহিত্যিকৰ উদ্ভৱ হয়। এই কালছোৱাক ইহুদী সাহিত্যৰ ক্লাচিকেল যুগ বুলিব পাৰি। এই কালছোৱাতেই হিব্ৰু ভাষাত দৈনিক বাতৰিকাকতৰ আবিৰ্ভাৱ হয়। আলোচনী, বাতৰিকাকত ইত্যাদিৰ জৰিয়তে হিব্ৰু ভাষা আমেৰিকাৰ যুক্তৰাষ্ট্ৰত বসবাস কৰা ইহুদীসমাজৰ মাজতে শিপাবলৈ ধৰে। ইয়াৰ প্ৰভাৱ ক্ৰমাৎ দূৰ বিদেশতো বিয়পি পৰে।

হিব্ৰু ভাষা যে একালত সকলো ইহুদীৰ জিভাৰ আগলৈ ৰূপান্তৰিত হব, এই স্বপ্ন ইলিজাৰ-বেন্-ইহুদা (১৮৫৮-১৯২১) বোলা সাহিত্যিক এজনে অতি স্পষ্টভাৱে দেখিছিল। কৱি-সাহিত্যিক ‘পৃথিৱীৰ অস্বীকৃত বিধান-সাধক’। বেন্-ইহুদাৰ প্ৰৱন্ধ এটাত এনেদৰে আছে। ‘আজি আমি বিদেশী ভাষা কৈছোঁ, কাইলৈ হিব্ৰু ভাষা কম।’ এনেকৈয়ে বহু আন্দোলন আৰু সংগ্ৰামৰ জৰিয়তে হিব্ৰু ভাষাই ক্ৰমাৎ ইহুদীসমাজত জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে। ১৯১৬-১৮ চনৰ ভিতৰত জেৰুজালেম চহৰ বাদ দি পেলেষ্টাইনৰ ইহুদী বাসিন্দাসকলৰ মাজত এক ভাষা-গণনা অনুষ্ঠিত হৈছিল। এই গণনা অনুসাৰে স্পষ্ট হৈ পৰিল যে পেলেষ্টাইনৰ অধিবাসীসকলৰ ভিতৰত শতকৰা ৪০জনে হিব্ৰু ভাষা জানে। লৰাছোৱালীৰ মাজত শতকৰা ৫৪ জনে এই ভাষা জানে। এই গণনাৰ জৰিয়তে আবিষ্কৃত হল-তেল-এভিভ চহৰৰ গাঁও অঞ্চলৰ শতকৰা ৭৭জনে হিব্ৰু ভাষা বুজে আৰু কব পাৰে।

এনেকৈয়ে এমুঠি দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টাত ব্ৰিটিচ অনুশাসিত পেলেষ্টাইন অঞ্চলত যি তিনিটা ভাষাই ৰাষ্ট্ৰীয় ভাষাৰ স্বীকৃতি

পালে, তাৰ ভিতৰত হিব্ৰু ভাষাও এটা। বাকী দুটা ভাষা হৈছে ইংৰাজী আৰু আৰবী। মই ভাবোঁ - যেতিয়ালৈকে জনসাধাৰণৰ, ঘাইকৈ শিক্ষিত সম্প্ৰদায়ৰ মাজত নিজা ভাষাটোৰ প্ৰতি অনুৰাগ জাগৃত নহয়, তেতিয়ালৈকে হেজাৰেই ৰাষ্ট্ৰীয় মৰ্যাদা নিদিয়ক লাগিলে, কোনো ভাষাই কেতিয়াও গা কৰি উঠিব নোৱাৰে।

এইখিনিতে অসমীয়া ভাষাৰ বিষয়ে একেষাৰ কথা কব খুজিছোঁ। অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ মৰ্যাদা দিব লাগে, এইটো যুক্তিসঙ্গত দাবী। কিন্তু যেতিয়া দেখো, আমাৰ শিক্ষিত সমাজৰ মাজত বিয়াৰ নিমন্ত্ৰণ চিঠি, আনকি শ্ৰাদ্ধৰ চিঠিও ইংৰাজীতে ছপোৱা হয় আৰু সেই চিঠি এজন অসমীয়াই আন এজন অসমীয়ালৈ প্ৰেৰণ কৰে, মই স্তম্ভিত হৈ যাওঁ। ৰাজ্যভাষাৰ মৰ্য্যাদা পালেও এনে অৱহেলাৰে অসমীয়া ভাষা জীয়াই থাকিব নে? আনকি বিহু সন্মিলন নাইবা শঙ্কৰদেৱৰ তিথি-উৎসৱলৈ সভাপতি বা মুখ্য অতিথি হবলৈ নিমন্ত্ৰণ জনাই দিয়া যিবোৰ চিঠি পাওঁ সেইবোৰ চিঠিও প্ৰায়েই ইংৰাজীতে লেখা। এইবোৰ দেখি-শুনি মোৰ কবৰ মন যায় : ’ডাঙৰীয়াসকল, আপোনাসকলৰ ইংৰাজী জ্ঞান ইমানেই যদি গভীৰ, তেন্তে এটা কাম নকৰে কিয় ? বাহিৰৰ কাকত, আলোচনীত অসমৰ বিভিন্ন দিশৰ বিষয়ে ইংৰাজীতে প্ৰৱন্ধ নেলেখে কিয়? কিতাপ লেখিবলৈ আপোনাসকলৰ সময় নাই জানো, প্ৰৱন্ধতো লেখিব পাৰে? ভাষাৰ ক্ষেত্ৰত কিয়, আমাৰ নিচিনা জাতীয়-চেতনাহীন জাতি এটা কোনো ক্ষেত্ৰতে আগবাঢ়িব নোৱাৰে।

এইষাৰ কথা ইহুদী শিক্ষিত সম্প্ৰদায়ে হাড়ে-হিমজুৱে উপলব্ধি কৰিছে। হিব্ৰু ভাষাত এওঁলোকে খনে খনে দৈনিক আৰু সাপ্তাহিক বাতৰিকাকত উলিয়াবলৈ ধৰিছে। সেইদৰে হিব্ৰু ভাষাক শিক্ষাৰ মাধ্যম স্বৰূপে লৈ বিদ্যালয়সমূহ গঢ়ি তুলিবলৈ লৈছে। এই সকলোবোৰতকৈ ডাঙৰ কথা হল, হিব্ৰু ভাষাত প্ৰৱল এক সাহিত্য অভিযান গঢ়ি উঠিছে। এনে সুসংগঠিত সৃষ্টিধৰ্মী আন্দোলনৰ পৰিণতি স্বৰূপে ১৯২৫ চনত বৰ্তমান

জেৰুজালেম চহৰত অৱস্থিত হিব্ৰু বিশ্ববিদ্যালয়ৰ জন্ম সম্ভৱপৰ হয়।

ভাষা একোটাক প্ৰাণ দিয়ে সাহিত্যই, ইজৰাইলীসকলে এইষাৰ কথা জানে। নিজৰ ভাষা-সাহিত্যৰ প্ৰতি যাৰ মৰম নাই, তাৰ একোৱে প্ৰতি - অৱশ্যে ধন আৰু নিজৰ ঔৰসজাত লৰাছোৱালীৰ বাহিৰে - মৰম থাকিব নোৱাৰে। কথা এটা এইখিনিতে মনত পৰিছে। কওঁ, বেয়া নেপাব। আমাৰ দিল্লীৰ ঘৰলৈ এদিন এজন অসমীয়া ৰাজনৈতিক নেতা আহিছিল। মই তেতিয়া ঘৰত নাছিলো। শ্বেলফ্‌ত অসমীয়া কিতাপবোৰ দেখি আমাৰ ঘৰৰ মানুহগৰাকীক তেওঁ কৈছিল : 'হেৰা, এই অচমীয়া কিতাপবোৰত কিবা পঢ়িব লগা আছে জানো? মই অচমীয়া কিতাপ কেতিয়াও নপঢ়োঁ। ইংৰাজী হে পঢ়োঁ।' সন্ধিয়া ঘৰলৈ উলটি অহাৰ পিছত ঘৰৰ মানুহগৰাকীয়ে কথাষাৰ মোক বিবৰি কৈছিল। তাৰ উত্তৰত মই মাথোন কৈছিলো : 'এইবোৰ মানুহৰ কথা মোক নকবা। যি অসমীয়া হৈ অসমীয়া কিতাপ নপঢ়োঁ বুলি কয়, সি একো কিতাপকে নপঢ়ে। সেই মানুহজনে ইংৰাজী কিতাপ পঢ়ে বুলি তুমি ভাবিছা কিয় ? ইংৰাজী কিতাপ নপঢ়ে, একো কিতাপকে নপঢ়ে। পঢ়িলেও বুজে বুলি ভাবিছা নেকি কেতিয়াও নুবুজে।'

কথাকেইষাৰ কোৱাৰ ভঙ্গিটো কিছু কঠুৱা হৈছিল, সেই কাৰণে আজিও মোৰ অনুশোচনা হয়। দেশৰ স্বাৰ্থৰক্ষাৰ ক্ষেত্ৰত কাৰো লগত কেতিয়াও কোনো সন্ধি কৰিবলৈ মই প্ৰস্তুত নহওঁ।

ইজৰাইলৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰিলোঁ, কত মানুহ লগ পালো, নিজৰ ভাষাটোৰ প্ৰতি কেনে অপৰিসীম মৰম আৰু আগ্ৰহ। 'মই হিব্ৰু ভাষাৰ কিতাপ নপঢ়োঁ, ইংৰাজী, ফৰাচী, জাৰ্মান এনেবোৰ ভাষাৰ হে কিতাপ পঢ়োঁ' - এনে ধৰণেৰে কোৱা মানুহতো এজনো লগ নাপালোঁ। নতুন ইজৰাইলী ৰাষ্ট্ৰ ১৯৪৮ চনত স্থাপিত হয়, সেই বছৰত ৰাষ্ট্ৰজুৰি এক ভাষা গণনা হয়। ইয়াৰদ্বাৰা প্ৰতিপন্ন হয়, ইজৰাইলৰ শতকৰা ৮০জন

বাসিন্দাই হিব্ৰু ভাষা কব পাৰে বা বুজে। আনহাতে সমগ্ৰ ৰাইজৰ শতকৰা ৫৪ জনৰ একমাত্ৰ ভাব-প্ৰকাশৰ মাধ্যম হৈছে হিব্ৰু ভাষা। প্ৰায় এহেজাৰ ন শ আঠাৰন বছৰৰ আগতে যিটো ভাষা স্থানচ্যুত হৈছিল, সেইটো ভাষাই ১৯৪৮ চনত নতুন ৰাষ্ট্ৰ স্থাপন হোৱাৰ লগে লগেই ৰাজকীয় ভাষাৰ মৰ্য্যাদাপ্ৰাপ্ত হল। ইয়াৰ অন্তৰালত জাগ্ৰত হৈ থকা নীৰৱ ভাষা-কৰ্মীসকলৰ বৰঙণি কম নহয়।

ইজৰাইলত আৰবী ভাষাক আৰব সম্প্ৰদায়ৰ ভাষা স্বৰূপে স্বীকৃতি প্ৰদান কৰা হৈছে। কিছু দূৰ মুদ্ৰা, ডাক-টিকট এইবোৰতো আৰবী ভাষা ব্যৱহাৰ কৰা হয়। এইকেইবছৰৰ ভিতৰতে বহু সংখ্যক আৰবেও বঢ়িয়াকৈ হিব্ৰু ভাষা আয়ত্ত কৰি পেলাইছে। ঘৰত আৰবী ভাষা ব্যৱহাৰ কৰে যদিও বাহিৰত আনসকলৰ সৈতে আদান-প্ৰদানৰ অৰ্থে এইসকলে হিব্ৰু ভাষা হে ব্যৱহাৰ কৰে। ১৯৫৪ চনত আবিষ্কৃত হল, ইহুদীসকলৰ শতকৰা ৬০জনে হিব্ৰু ভাষাক একমাত্ৰ ভাষা স্বৰূপে ব্যৱহাৰ কৰিবলৈ লৈছে। ১৯৫৭ চনৰ গণনাৰ মতে আবিষ্কৃত হল, ইহুদীসকলৰ শতকৰা ৯৫জনে সম্পূৰ্ণৰূপে হিব্ৰু ভাষা ব্যৱহাৰ কৰিব পৰা হৈছে। ভালেমান আলোচনীৰ উপৰিও, হিব্ৰু ভাষাত বৰ্তমান ১১খন বাতৰিকাকত আছে। বছৰি অন্ততঃ এহেজাৰকৈ হিব্ৰু ভাষাত নতুন কিতাপ ওলায়। ২৫ লাখ মানুহৰ দেশ এখনৰ কাৰণে এয়া যথেষ্ট নহয় জানো?

ধৰ্ম্ম-কাৰ্য্যৰ বাহন স্বৰূপে প্ৰাচীন যুগত ব্যৱহৃত ভাষা এটাক কেনেকৈ দৈনন্দিন জীৱনৰ আৰু টেক্‌ন'লজীৰ মাধ্যমলৈ ৰূপান্তৰিত কৰিব পাৰি, সেইটোৱেই হৈছে এওঁলোকৰ ডাঙৰ সমস্যা। প্ৰথমটো সমস্যাৰ মীমাংসাৰ অৰ্থে প্ৰচেষ্টা চলোৱা হৈছে উপন্যাস-সাহিত্যৰ জৰিয়তে। উপন্যাস-সাহিত্যত ব্যৱহৃত বৰ্ণনা আৰু কথোপকথনৰ ভাষাই জনসাধাৰণৰ কথিত ভাষাক ৰূপ দিয়ে। দ্বিতীয়টো সমস্যাৰ মীমাংসাৰ অৰ্থে প্ৰচেষ্টা চলোৱা হৈছে শব্দৰ পুৰণি ভঁৰাল জাৰি-জোকাৰি শব্দ বুটলি আনি নতুন অৰ্থ

আৰু নতুন ৰূপত সেইবোৰক ব্যৱহাৰ কৰা প্ৰচেষ্টাৰ জৰিয়তে। ‘হেমকোষ’ ৰচনা কৰি যি কাম আমাৰ ভাষাত হেমচন্দ্ৰ বৰুৱাই কৰি গল, সেই কাম আধুনিক হিব্ৰু ভাষাত বেন্-ইহুদাই কৰিছে। এইজনাৰ অসীম চেষ্টাৰ ফলতেই ৬৭ খণ্ডৰ আশী হেজাৰ শব্দৰ এখন হিব্ৰু অভিধান প্ৰকাশ হৈছে। এই অভিধানখনৰ নাম থিচেউৰাচ। ইয়াৰ পিছত আৰু দুখন বৃহৎ হিব্ৰু অভিধান প্ৰকাশ হৈছে।

১৯০৪ চনতে প্ৰতিষ্ঠিত ৱাড্-লা-লাশ্যনয়ে (ভাষা কাউন্সিল) শব্দৰ বানান আৰু ব্যাকৰণ সংগঠনৰ দায়িত্ব গ্ৰহণ কৰি ভাষাটোক এক স্বকীয় ৰূপ দিছে। ইতিমধ্যে এই অনুষ্ঠানটোৱে কেইবাখনো অভিধান প্ৰকাশ কৰিছে। এখন সঙ্গীত শব্দাৱলীৰ অভিধান। এখন মটৰ গাড়ীৰ অংশবিশেষৰ অভিধান। এখন টেলিফোন ইঞ্জিনীয়াৰিঙৰ শব্দৰ বিষয়ে। ১৯৫৪ চনত অনুষ্ঠানটোৱে বৈধানিক স্বীকৃতি পায়। তেতিয়াৰপৰা ই ‘একাডেমী অৱ্ দি হিব্ৰু লেংগোৱেজ’ নামেৰে জনাজাত হৈছে। ইয়াৰ সদস্যসকল হৈছে কৱি, শিল্পী, সাহিত্যিক, পণ্ডিতবৰ্গ। এই অনুষ্ঠানটোৰ ভাষা সম্বন্ধীয় সিদ্ধান্তসমূহ সকলোৱেই, আনকি ৰাষ্ট্ৰ-চৰকাৰেও বাধ্যবাধক সিদ্ধান্ত স্বৰূপে গ্ৰহণ কৰাটো নিয়ম।

ব্যৱহাৰিক জীৱনৰ কাৰণে নতুন শব্দ কেনেকৈ সুজন কৰা হয়, সেইষাৰ কথা জানি আচৰিত হৈছিলোঁ। উদাহৰণ স্বৰূপে ধৰা যাওক, জুইশলা। হিব্ৰু ভাষাত জুইশলাৰ অৰ্থবাচক প্ৰতিশব্দ পোনতে সাতোটা সৃষ্টি হৈছিল। ইয়াৰে এটা হে অৱশেষত ব্যৱহাৰত ৰলগৈ। শব্দটো হৈছে ‘গাফ্ৰুৰ’। হিব্ৰু শব্দ ‘গ’ফ্ৰিট্’ অৰ্থাৎ ‘খাৰ’ - ইয়াৰপৰাই শব্দটো তৈয়াৰ কৰা হৈছে। বৰ্তমান নকৈ ব্যৱহৃত শব্দসমূহ প্ৰকৃততে পুৰণি শব্দই। লুপ্ত শব্দ-ঐতিহ্যৰ বুকুৰপৰা বুটলি আনি এই শব্দসমূহক নতুন ব্যক্তিত্ব প্ৰদান কৰা হৈছে। উদাহৰণ স্বৰূপে, ‘গেৰেজ’ৰ হিব্ৰু শব্দ হৈছে ’মুচাক্’। এই শব্দটো চ’লমনৰ যুগতেই বাইবেলত ব্যৱহৃত হৈছিল। এই কেইবছৰৰ ভিতৰতেই হিব্ৰু ভাষাৰ শব্দ-ভঁৰাল

কেনেকৈ চহকী হৈছে, সেই বিষয়ে একেষাৰ কথা কব খুজিছোঁ। উদাহৰণ স্বৰূপে, বাইবেল শাস্ত্ৰত সৰ্বমুঠ ৪,৭০৭টা বিভিন্ন হিব্ৰু শব্দ আছে। বৰ্তমান ইজৰাইলবাসীৰ শেহতীয়া অভিধান ’ইভেন্-শ্বোশ্বান’ত সৰ্বমুঠ ২৮,১৮৫টা হিব্ৰু শব্দ আছে। বৰ আচৰিত, ইয়াৰে ৮,৪৫৮টা শব্দ নতুনকৈ সৃষ্টি কৰা।

জেৰুজালেম বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ টি. গেলবুমৰ লগত ভাষা সম্বন্ধে দীৰ্ঘলীয়া আলোচনা কৰিছিলোঁ। কেইবছৰমানৰ আগতে এই অধ্যাপকজন আমাৰ শান্তিনিকেতনত আছিল। কিছুদিন বিনোৱা ভাবেৰ লগতো আছিল। ভাবেজীৰ কথা মানুহজনে বাৰে বাৰে সুধিছিল। দিল্লীত অনুষ্ঠিত হোৱা বিশ্ব-প্ৰাচ্যবিদ্-সমাজৰ আন্তৰ্জাতিক সন্মিলনলৈকো এইজনা পণ্ডিত ব্যক্তি প্ৰতিনিধি স্বৰূপে আহিছিল। আমাৰ অসমীয়া ভাষাৰ বিষয়েও এওঁ কিছু কথা জানে। সেইদৰে বৈদেশিক মন্ত্ৰণালয়ৰ ডিৰেক্টৰ মিঃ কিড্ৰনৰ সৈতেও অসমৰ অধিবাসীসকলৰ বিষয়ে দীঘলীয়া আলোচনা হৈছিল। কথা শুনি স্তম্ভিত হৈ গৈছিলোঁ - আমাৰ বিষয়ে ইমানবোৰ কথা মানুহজনে জানিলে কেনেকৈ ?

বৰ্তমান বৈদেশিক মন্ত্ৰণালয়ৰ দায়িত্ব গ্ৰহণ কৰাৰ পূৰ্বে মানুহজন কেম্বোডিয়াত ইজৰাইলৰ ৰাষ্ট্ৰদূত হৈ আছিল। তেতিয়াই হেনো ওচৰ-চুবুৰীয়া অঞ্চলসমূহৰ মানৱ-ইতিহাসৰ বিষয়ে অধ্যয়ন কৰিছিল। জৰ্ডন নৈৰ আন্তৰ্জাতিক জল-বিবাদৰপৰা আৰম্ভ কৰি ইজৰাইলৰ ভাষাৰ আঁতি-গুৰি পৰ্য্যন্ত, মানুহজনৰ লগত বহুত কথা আলোচনা হৈছিল। তেতিয়া আমি ইটালীয়ান খাদ্যৰ ৰেষ্টোৰাঁ এটাত বহি দুপৰীয়াৰ আহাৰ কৰিছিলোঁ। তেওঁ কলে : “আপোনাক এটা চীনা ৰেষ্টোৰাঁলৈ নিব খুজিছিলোঁ।” মই কলো: “নিনি ভালেই কৰিলে।” কি কাৰণৰ বশৱৰ্তী হৈ এইদৰে কলোঁ, সেই বিষয়ে কবলৈ নহল। চীনাই হওক বা ইটালীয়ানেই হওক, খাদ্য-বস্তুৰ প্ৰায়বোৰৰে এওঁলোকে হিব্ৰু নাম দি লৈছে। এই শব্দসমূহৰ সৰহভাগেই সম্ভৱতঃ নতুন পদ্ধতিৰে তৈয়াৰ কৰা। তেল-এভিভ্ চহৰৰ ফৰাচী আহাৰৰ ৰেষ্টোৰাঁত হে

দেখিছিলোঁ, নামবোৰ ফৰাচী হৈয়েই আছে। ফৰাচী খাদ্য যেনেকৈ সুস্বাদু, নামবোৰো তেনেকৈ সুন্দৰ।

ডিপ্লোমেট য়াটিভক সুধিছিলো : “ইজৰাইলৰ জনসাধাৰণে ইমান সহজেই কিয় হিব্ৰু ভাষা গ্ৰহণ কৰিছে ?” ইয়াৰ উত্তৰত য়াটিভৰ মাথোন একেটা যুক্তি : “ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ হলে, হিব্ৰু ভাষা সকলোৱে শিকিবই লাগিব।” এইষাৰ মই উপৰুৱা যুক্তি বুলি হে ভাবোঁ। ভাষা শিকাৰ আগ্ৰহৰ অন্তৰালত আছে মানুহৰ স্বদেশ-প্ৰীতি। বিদেশী ভাষা, উদাহৰণ স্বৰূপে ইংৰাজী ভাষা, গ্ৰহণ কৰি জাতিৰ নৱজাগৰণ বা স্ফুৰণ সম্ভৱপৰ কৰি তুলিব নোৱাৰি। নতুন ইহুদী সংস্কৃতিৰ উপাসক ইজৰাইলবাসীৰ অন্তৰৰ আঁহে আঁহে এইষাৰ উপলব্ধি হোৱা কথা। সেইবুলি বিদেশী ভাষা বুলি জ্ঞান কৰি ইংৰাজী ভাষাক ইজৰাইলবাসীয়ে যে সম্পূৰ্ণৰূপে প্ৰত্যাখ্যান কৰিছে, সেইষাৰ কথা সঁচা নহয়। নিজে দেখি আহিছোঁ, দোকান-পোহাৰ আনকি আলিবাটৰ নিৰ্দেশচিহ্নও তল-ওপৰকৈ হিব্ৰু আৰু ইংৰাজী ভাষাত একেলগে লেখা আছে। এওঁলোকৰ নিজৰ মতেই ’ইংৰাজী হৈছে ইজৰাইলৰ দ্বিতীয় সাংস্কৃতিক ভাষা। বৰ্তমান ফৰাচী, জাৰ্মান ইত্যাদি ভাষাৰ প্ৰতিও মানুহৰ আগ্ৰহ বাঢ়িছে। এইবোৰ ভাষাৰ বিশদভাৱে চৰ্চাও চলিছে। মই ভাবো–একোজন মানুহে যিমানেই নতুন ভাষা আয়ত্ত কৰিব পাৰে, সিমানেই ভাল। গান্ধীজীয়ে কোৱা কথা এষাৰ মনত পৰিছে— তিনি মাহতে মনপুতি শিকিলে একোজন মানুহে একোটা ভাষাৰ সহজ জ্ঞান আয়ত্ত কৰিব পাৰে। বহুত নতুন নতুন শব্দ সংযোজিত হৈছে যদিও তিনি হেজাৰ বছৰৰ পূৰ্বে বাইবেলত ব্যৱহৃত প্ৰাচীন হিব্ৰু ভাষাৰ ৰিজনিত আধুনিক হিব্ৰু ভাষাৰ যে ভালেখিনি পাৰ্থক্য হৈছে, সেইষাৰ কথা নহয়। দুয়োটাৰ ভিতৰত ব্যৱধান যদিও মাথোন ৫৫০ বছৰৰ হে, তথাপি চ’চাৰৰ যুগৰ ইংৰাজী ভাষা আৰু আজিৰ যুগৰ ইংৰাজী ভাষা, এই দুটা ভাষা-স্ৰোতৰ ব্যৱধান জুখিব নোৱাৰা। এই ফালৰপৰা আধুনিক হিব্ৰু ভাষাৰ বুৰঞ্জী

ফঁহিয়াই চালে আচৰিত নহে উপায় নাই। তথাপি মোৰ ধাৰণা, যিমানেই বৃদ্ধি পাই আহিব, সিমানেই ই পুৰণি ভিত্তিৰপৰা আঁতৰি আহিবলৈ বাধ্য হব। এইটোৱেই হৈছে সকলো গতিশীল জীৱন্ত ভাষাৰ লক্ষণ আৰু ইতিহাস। নেহৰুৱে ঠিকেই কৈছিল ? ’চলমান বিশ্বত কোনেও অচল হৈ থাকিব নোৱাৰে ।

বহিৰাগতসকল পোনতে ইজৰাইললৈ অহা অৱস্থাত, উল্পাম্ বোলা অনুষ্ঠান এটাই তেওঁলোকক ভাষা-শিক্ষা প্ৰদান কৰে। এই অনুষ্ঠানটোৱে প্ৰত্যেক বছৰে প্ৰায় ১২০০ জন নৱাগতক ভাষা-জ্ঞান দিয়াৰ দায়িত্ব লয়। পাঁচ মাহৰ কাৰণে নেৰানেপেৰাকৈ ভাষাজ্ঞান প্ৰদান কৰি নাগৰিক একোজনক দেশৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে পাকৈত কৰি তোলা হয়। ইয়াৰ উপৰিও সমাজকৰ্মী কিছুমান আছে। ঘৰে ঘৰে গৈ এইসকলে পৰিয়াল একোটাক ভাষা-জ্ঞান দিয়ে। এনে প্ৰণালীৱদ্ধ ব্যৱস্থাৰ জৰিয়তে এতিয়ালৈকে অন্ততঃ পঞ্চাশ হেজাৰ মানুহে হিব্ৰু ভাষা-জ্ঞান আহৰণ কৰিছে। এই উদ্দেশ্য কাৰ্যত পৰিণত কৰাৰ মানসেৰে এহেজাৰ শব্দৰ ভিতৰতে ভাষা-জ্ঞান আয়ত্ত কৰিব পৰাকৈ ’উজু হিব্ৰু’ৰ কিছুমান কিতাপো এওঁলোকে প্ৰকাশ কৰিছে। উজু হিব্ৰুৰ সাপ্তাহিক এখন বাতৰিকাকতো আছে। ৰেডিঅ’তো উজু হিব্ৰুৰ দৈনিক বাতৰিৰ বুলেটিন এখন প্ৰচাৰ কৰা হয়। মুঠতে জাতি এটা বৃদ্ধিপ্ৰাপ্ত হবলৈ যি গতি-চঞ্চলতাৰ প্ৰয়োজন, যি উৎসাহউদ্দীপনা আৰু সমাজ-মনৰ প্ৰয়োজন, অৰ্থাৎ জাতি এটা জীয়াই থকাৰ যিবোৰ লক্ষণ, এই সকলোবোৰ নতুন ইজৰাইলৰ প্ৰাণ স্পন্দন।

হিব্ৰু সাহিত্যৰ বিষয়ে আলোচনাৰ পাতনি মেলাৰ আগতে একেষাৰ কথা কৈ থব খুজিছোঁ। আধুনিক হিব্ৰু ভাষাক সাহিত্যয়েই যে কেৱল টনকিয়াল কৰিছে, সেইষাৰ কথা নহয়। এই ক্ষেত্ৰত ৰঙ্গমঞ্চৰ বৰঙণিও কম নহয়। ৰঙ্গমঞ্চই ভাষাক জীৱন্ত ৰূপ দিয়ে। চালুকীয়া যদিও হিব্ৰু ফিল্ম-শিল্পয়ো এই ক্ষেত্ৰত কম বৰঙণি যোগোৱা নাই। সমসাময়িক হিব্ৰু সাহিত্য,

বহুত দূৰ সমসাময়িক ইউৰোপীয় আৰু মাৰ্কিনদেশীয় সাহিত্যৰ আৰ্হিত গঢ়ি উঠিছে, উপন্যাসৰপৰা আৰম্ভ কৰি কৱিতালৈকে। সেইবুলি ইহুদী জীৱন-ধাৰা নাইবা ঐতিহ্যৰপৰা যে উঘাল খাই পৰিছে, সেইষাৰ কথাও নহয়। এওঁলোকৰ ভালেমান লোকগীত শুনি আহিছোঁ, - এইবোৰেও হিব্রু-ঐতিহ্যৰ কথাকে কয়। বৰ আচৰিত, এই গীতবোৰৰ বহুভাগকেই প্ৰাচ্যসুৰীয়া বুলিব পাৰি।

স্বাভাৱিকতে হিব্রু সাহিত্যৰ বুৰঞ্জী ধাৰাবাহিক ঐতিহ্যৰ বুৰঞ্জী নহয়। হিব্রু সাহিত্যৰ প্ৰাচীন বুৰঞ্জী ধৰ্মাশ্ৰিত। একাদশ আৰু দ্বাদশ শতিকাত এই সাহিত্যই, বিশেষকৈ স্পেইন আৰু ইটালীত বস্তুবাদী ৰূপ লৈছিল। ই যিয়েই নহওক লাগিলে, ৰচনা-কৌশল আৰু ভাষা-ৰীতিৰ ঐতিহ্যৰ পিনৰপৰা প্ৰাচীন সাহিত্যই যে আধুনিক হিব্রু সাহিত্যক যথেষ্ট অনুপ্ৰেৰণা যোগাইছে, সেই বিষয়ে সন্দেহৰ থল নাই। হিব্রুৰ লেখীয়া ধৰ্ম্মাশ্ৰিত ভাষা এটা যে বৰ্তমান যুগৰ জীৱন-সম্পদ প্ৰকাশ কৰিবলৈ অপাৰগ, সেইষাৰ কথা পুনৰ দোহাৰিবৰ প্ৰয়োজন নাই। এইখিনিতেই এটা প্ৰশ্নৰ উদয় নোহোৱাকৈ নেথাকে - আধুনিক সাহিত্য সৃষ্টিৰ জৰিয়তে হিব্রু ভাষাক মানৱীয় ৰূপ দিয়া হয় কেনেকৈ ? এই কাৰণেই সাহিত্যৰ সম্ভৱতঃ আশ্ৰয় লব লগা হল। বৰ্তমান ইজৰাইলী লেখকসমাজে এই কাম মনপুতি কৰিছে। সাহিত্য সৃষ্টিৰ বাবে ইউৰোপীয় প্ৰভাৱ গ্ৰহণ কৰা হৈছে যদিও স্বকীয় সাহিত্য সৃষ্টিৰ আদৰ্শ আৰু আৰ্হি স্বৰূপে হে কৰা হৈছে। বৰ্তমান পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ বিশ্বজোৰা - ইয়াক অস্বীকাৰ কৰি কোনো সাহিত্য সৰহ দূৰ আগবাঢ়িব নোৱাৰে। সেইবুলি বান্দৰধৰ্মী অনুকৰণেৰেও কোনো সাহিত্যক জীপ দি মহিমামণ্ডিত কৰি তুলিব নোৱাৰি। এইষাৰ কথা ইজৰাইলৰ লেখকসমাজে উপলব্ধি নকৰাকৈ থকা নাই। কৰিছে কাৰণেই বিপুল উদ্দীপনা সহকাৰে সাহিত্য সৃষ্টিকাৰ্যত এওঁলোক ব্ৰতী হৈছে।

বৰ্তমানৰ জীৱন ইতিহাস সম্যকভাৱে উপলব্ধি কৰিবলৈ হলে প্ৰাচীন ঐতিহ্যৰ কথা জানিব লাগিব। প্ৰাচীন ঐতিহ্যৰ সাংস্কৃতিক

জ্ঞানে অভিজ্ঞতা সম্যক দৃষ্টি আৰু বিশ্বজনীনতা দিয়ে। এই কথাষাৰ আধুনিক ইহুদী সাহিত্যৰ প্ৰথম স্তৰৰ জাকত-জিলিকা কৱি - সাহিত্যিক এগনন্ আৰু হাজাজে হাড়ে-হিমজুৱে উপলব্ধি কৰিছিল - এওঁলোক দুজনক বৰ্তমানৰ অভিজ্ঞতা আৰু প্ৰাচীনৰ ঐতিহ্যৰ যোগসূত্ৰ বুলিলে ভুল কৰা নহব। এইখিনিতে গল্প-লেখক এজনৰ আৰু কৱি এজনৰ নাম উল্লেখ কৰিব খুজিছোঁ। গল্প লেখক এম. এম. চেফাৰীমে গল্প-সাহিত্যৰ জৰিয়তে আৰু কৱি বিয়ালিকে কাব্য-সাহিত্যৰ জৰিয়তে ঐতিহ্যৰ এই যোগসূত্ৰ স্থাপন কাম কৰিছে। বিয়ালিক্ ইজৰাইলৰ জাতীয় কৱি। কাব্য-সাহিত্যৰ জৰিয়তে আধুনিক ইজৰাইলৰ জনগণৰ আশা-আকাঙ্ক্ষাক মূৰ্তিমন্ত কৰি তুলি সেইবোৰক নতুন আধ্যাত্মিক আলোকেৰে এওঁ জ্যোতিষ্মান কৰিছে।

ইউৰোপৰ সংস্কৃতিক গ্ৰহণ কৰি নতুন তথ্যবস্তুলৈ ৰূপান্তৰিত কৰাসকলৰ ভিতৰত দুজন কৱি-শিল্পীৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। সেই দুজন হৈছে : চ'ল্ টেকাৰ'নিক'ভস্কী আৰু জালমান্ শ্বেনুৰ। বিস্তৃত পটভূমিত এওঁলোকৰ কাব্য-সাহিত্যৰ লক্ষণসমূহ সমসাময়িক আন কৱি-সাহিত্যিকসকলৰ ৰচনাত প্ৰকাশ পোৱা দেখা যায়। এওঁলোকৰ যিসকলে ইহুদী জীৱনৰ কথা কয়, সেইসকলেও এক সাৰ্বজনীন পটভূমিৰ আশ্ৰয় লৈহে কয়। সাহিত্যৰ এজন অধ্যাপকে কলে : 'ইহুদী জীৱনে যাতে বিশ্ব-জীৱনক অস্বীকাৰ নকৰে, বিশ্ব-জীৱনক স্বীকাৰ কৰি লৈ ইহুদী জীৱন যাতে মহিমামণ্ডিত হয় - এয়ে হৈছে আমাৰ আধুনিক কৱি-সাহিত্যিক সমাজৰ লক্ষ্য আৰু আদৰ্শ।'

ইয়াৰ উপৰিও, কিবুৎজ্-সংগঠনসমূহক কেন্দ্ৰ কৰি বিশিষ্ট এক সাহিত্য গঢ়ি উঠিছে। এনেবোৰ সাহিত্যৰ আদৰ্শাত্মক প্ৰচাৰ স্পষ্ট। সেইবুলি এইবোৰৰ আদৰ্শাত্মক প্ৰচাৰ কমিউনিষ্ট আদৰ্শৰ প্ৰচাৰৰ দৰে নগ্ন বা উৎকট নহয়। তাহানি স্কাইলাৰ্ক বোলা গল্প এটা পঢ়া মনত আছে। পথাৰত এফালৰপৰা এজনী গাভৰু ট্ৰেক্টৰ চলাই আহিছে; আনফালৰপৰা ডেকা এটা ট্ৰেক্টৰ চলাই

আহিছে। পথাৰৰ মাজতে দুয়োখন ট্ৰেক্টৰ মুখামুখি হল। ডেকা-গাভৰুহালৰ মাজত কোনে কিমান খেতি কৰিছে, সেই বিষয়ে আলোচনা হল। ডেকাৰ কমিউনিষ্ট আদৰ্শ ই গাভৰুক ওচৰ চপাই আনিলে। ফলত দুয়োৰে মাজত গভীৰ প্ৰেমৰ উদয় হল। এই প্ৰেমেই শেহত বিয়াত পৰিণত হল। গল্পৰ শেহত ঘোষিত হল : কমিউনিষ্ট আদৰ্শ এনেকৈয়ে জয়ী হয়। এই গল্পটো মনত পৰিলে এতিয়াও মোৰ হাঁহি উঠে। যিমানেই আদৰ্শৰ ৰং নেসানক লাগিলে, ডেকা-গাভৰুৰ প্ৰণয়ৰ অন্তৰালত সদায়েই দেহা দুটা আছে। সঁচা কথা অস্বীকাৰ কৰি কিবা লাভ জানো আছে ?.... কিবুৎজ্ সাহিত্যিকসকলৰ মাজত এচ. ৰেইকেন্ষ্টেইন্ আৰু ডি. মালেটজ্ এই দুজনাৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। এই শ্ৰেণীৰ সাহিত্যিক-শিল্পীৰ উদ্দেশ্য হৈছে কিবুৎজৰ সমূহীয়া জীৱনৰ আদৰ্শ আৰু ব্যক্তিত্বক আনুভূতিক ঐক্য প্ৰদান কৰা। বৰ্তমান কিবুৎজ্ সাহিত্যিকসকলৰ মাজত এই লক্ষ্য আৰু আদৰ্শৰ কিছুদূৰ পৰিৱৰ্তন অৱশ্যে নোহোৱাকৈ থকা নাই। উদাহৰণস্বৰূপে, বৰ্তমানৰ কিবুৎজ্ সাহিত্যিক এচ্ ইজ্হাৰ্, এইচ্ বাৰটোভ্ আৰু এন্ শ্বাহাম্, এইসকলৰ গল্প-ৰচনাত কিবুৎজৰ পৃষ্ঠভূমিয়ে গল্পৰ পটভূমি হে যোগায়। এনে পটভূমিত ব্যক্তি-প্ৰাণৰ আশা-আকাঙ্ক্ষা সঞ্জীৱিত হৈ উঠে।

আদিতে জন্ম গ্ৰহণ কৰা দেশৰপৰা বিচ্ছিন্ন হৈ পৰিব লগা হোৱা, সেই সংস্কৃতি আৰু জীৱন-পৰিৱেশৰপৰা আঁতৰি আহিব লগা হোৱা, নতুন এখন দেশৰ উৰ্বৰ ভূমিত নকৈ থিতাপি লাগিব লগা হোৱা, ইত্যাদি কাৰণে নতুন ইহুদীৰ মনলৈ অকলশৰীয়া অকলশৰীয়া এটা ভাব অহাটো তেনেই স্বাভাৱিক কথা। সেইবুলি এনে অনুভূতিৰ হাতত কেতিয়াও পৰাজয় বৰণ কৰিব নোৱাৰি, ইয়াক নিৰ্ম্মূল কৰি নিৰ্ভীকভাৱে জীৱনৰ সম্মুখীন হব লাগিব, এনে এক নিৰ্ভীক মনোভাৱে ব্যক্তিক সমাজৰ বুকুলৈ হেঁচুকি দিয়ে; এইখিনিতে কিবুৎজ্-অনুষ্ঠানৰ দৰেই কিবুৎজ্-সাহিত্যৰে সাৰ্থকতা। কিবুৎজ্-সাহিত্যিকৰ সৃষ্টিতেই কেৱল নহয়, আন

সাহিত্যিক-শিল্পীৰ সৃষ্টতো এনেদৰে সমাজ-মন প্ৰকট। এইখিনিতে হিব্ৰু মহিলা-কবি ৰাকেল্ ব্লাভষ্টেইনৰ (জন্ম, ৰুচিয়া : ১৮৯০; মৃত্যু, ইজৰাইল : ১৯৩১) গীতি-কৱিতাৰ কথা উল্লেখ কৰিব পাৰি। ইজৰাইলৰ পটভূমিত নতুন ইহুদীৰ আত্মিক আৰু মনস্তাত্ত্বিক নিৰ্জনতাৰ কথা এওঁৰ কাব্য-সাহিত্যত বঢ়িয়াকৈ ফুটি উঠিছে। এওঁৰ কাব্য-কৌশল ৰুচিয়াৰ গীতি-কৱিতাৰ আৰ্হিৰ। এনে ধৰণৰ ব্যক্তি-নিৰ্জনতাৰ কথা আন এগৰাকী মহিলা-কৱি লীহ্ গল্ডবাৰ্গৰ কাব্য-সাহিত্যতো প্ৰকাশ পোৱা দেখা যায়। এইগৰাকী কৱি-শিল্পীৰ জন্ম হৈছিল লুথিয়ানাত। এওঁৰ কাব্য সৃষ্টিত কেৱল ৰুচীয় সাহিত্যৰ প্ৰাণস্পন্দনেই নহয়, জাৰ্মান সাহিত্যৰ প্ৰাণ-স্পন্দনো ধ্বনিত হোৱা শুনা যায়।

ইজ্হাৰ্ (জন্ম ১৯১৬) আদিৰ লেখীয়া সাহিত্যিক-শিল্পীৰ গল্প-উপন্যাসত স্বপ্নাতুৰ কৰ্ম্মবিমুখ নায়ক-নায়িকাৰ উল্লেখ আছে। এনেবোৰ নায়ক-নায়িকাৰ বাস্তৱৰ সৈতে সম্বন্ধ কম। সমসাময়িক সাহিত্যত এনে বিলাসী আদৰ্শৰ বৰ্তমান ওৰ পৰিছে।

ম'চে শ্বামীৰ (জন্ম ১৯২১) লেখীয়া সমসাময়িক লেখকৰ গল্প-উপন্যাসৰ নায়ক বাস্তৱ কৰ্ম্মপ্ৰাণ মানৱ। কৰ্ম্মবিমুখতা নায়কৰ ধৰ্ম হব নোৱাৰে। এইটো যুগতেই ব্যঙ্গ সমালোচনামূলক দৃষ্টিভঙ্গি সৃষ্টিধৰ্মী সাহিত্যৰৰ উদ্ভৱ হৈছে। এই ক্ষেত্ৰত দুজন লেখকৰ নাম উল্লেখ কৰিব পাৰি, এজন হৈছে হানক্ বাৰটভ্ (জন্ম ১৯২৬) আৰু আনজন হৈছে আহাৰন্ মেগেভ্ (জন্ম ১৯২০)। সমসাময়িক বিশ্বসাহিত্যত ব্যঙ্গ সৃষ্টিৰ প্ৰচলন বৰ্তমান কমি আহিছে। অলড্ইচ্ হাক্সলীয়ে এইষাৰ কথালৈ আঙুলিয়াই লেখা ৰচনা এখন পঢ়া মনত আছে - ৰচনাখন আক্ষেপৰ সুৰত লেখিছে।

সমসাময়িক সমস্যাৰ আলোচনা ইজৰাইলী সাহিত্যত সাধাৰণতে বুৰঞ্জীৰ পটভূমিত হে কৰা হয়। শ্বামীৰৰ 'ডি কিং অব ফ্লেচ্ এণ্ড ব্লাড্' এনে এখন বুৰঞ্জীমূলক উপন্যাস। সমসাময়িক হিব্ৰু সাহিত্যত এইখনৰ বাহিৰে লেখত লবলগীয়া বুৰঞ্জীমূলক উপন্যাস নায়েই বুলিব লাগে। বুৰঞ্জীৰ আশ্ৰয় লোৱাৰ

কাৰণ কি? সমসাময়িক হিব্ৰু সাহিত্যৰ উদ্দেশ্য হৈছে অতীতক স্মৰণ কৰি ভৱিষ্যতৰ বাবে বৰ্তমানক নিয়াৰিকৈ সংগঠন কৰা।

আলোচনাৰ জৰিয়তে বুজিলোঁ, আধুনিক হিব্ৰু শিল্পী-সাহিত্যিকৰ উদ্দেশ্য হৈছে : (১) সাহিত্য-শিল্পৰ বাবে নতুন ঐতিহ্য ৰচনা কৰা, (২) নতুন জাতীয় সংস্কৃতিৰ ঐতিহ্যৰ অভ্যুত্থান সাধন কৰা, আৰু (৩) ধৰ্ম্মাশ্রিত সাহিত্যৰ আদর্শ বৰ্জন কৰি সাহিত্যক অধিক বাস্তৱমুখী কৰি তোলা। এইকেইটাই মুখ্য লক্ষ্য যদিও সকলো সাহিত্যিকেই যে এই কাৰ্য্য সাধনত আশাশুধীয়াভাৱে ব্ৰতী হৈছে, সেইষাৰ কথা নহয়। মাজনিশালৈকে হোটেলৰ নিৰ্জন কোঠাত বহি সমসাময়িক হিব্ৰু সাহিত্যৰ ইংৰাজীলৈ ভাঙনি কিছু গল্প আৰু কৱিতা পঢ়িছিলো। এইবোৰৰপৰা কোনো কোনো শিল্পী সাহিত্যিকে ব্যক্তিগত নাইবা বিশ্বজনীন সাহিত্য-সম্পদৰ ওপৰত হে অধিক গুৰুত্ব প্ৰদান কৰা যেন অনুমান হল। ঊনবিংশ শতাব্দী আদিছোৱাৰপৰা বিস্তৃত হোৱা ইউৰোপীয় সাহিত্য-আদৰ্শৰ প্ৰভাৱো সমসাময়িক হিব্ৰু সাহিত্যৰ ওপৰত যথোচিতভাৱে পৰিছে। বিশেষ ভাৱে এইষাৰ কথা গীতি-কৱিতাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

গ্ৰীচ আৰু পৃথিৱীৰ আন আন ঠাইত ধৰ্ম্মক কেন্দ্ৰ কৰি নাট্য-সাহিত্য আৰু ৰঙ্গমঞ্চৰ উদ্ভৱ সাধন হৈছিল। এনে এটা অৱস্থা ইহুদী জীৱনত সম্ভৱপৰ হোৱা নাছিল। ৰঙ্গমঞ্চ বা ৰঙিয়াল ঘৰক ইহুদী ধৰ্মই অনুমোদন জনোৱ দূৰৰ কথা, সক্ৰিয়ভাৱে ইয়াৰ বিৰোধিতা হে কৰিছিল। প্ৰাচীন গ্ৰীচৰ ৰঙ্গমঞ্চৰ বিষয়ে সমালোচক জী. কে. গাৰ্চনিয়ে কৰা মন্তব্য এষাৰ এইখিনিতে উদ্ধৃত কৰিব খুজিছোঁ : ‘The beauty of Greek art, theatre and drama was the child of idolatry, the offspring of orgies in primordial Hellas.’ গ্ৰীক্ ট্ৰেজেডিৰ যিবোৰ বিষয়বস্তু, সেইবোৰ ইহুদীয়ে কল্পনাকে কৰিব নোৱাৰে বুলি এজনে কলে। উদাৰমনা কোনো কোনো ইহুদীয়ে যেতিয়া ৰঙ্গমঞ্চৰ কথা পোনতে কয়, সেই সময়ৰ প্ৰাচীনপন্থীসকলে তাৰ তীব্ৰ প্ৰতিবাদ জনাইছিল।

'ইহুদীৰ আঙুৰ বাগিচাত বিহগুটিৰ খেতি' বুলি ইয়াক প্ৰত্যাখ্যান কৰিবলৈ আহ্বান জনাইছিল। এতিয়াও ইজৰাইলত দেখি আহিছোঁ, প্ৰাচীনপন্থী ইহুদীসকলে ধৰ্ম্মযাজকৰ দৰে দীঘল ডাড়ি ৰাখে আৰু মূৰত এবিধ তেনেই সৰু টুপী পিন্ধে। আধুনিক সমাজত এনেধৰণৰ ডাড়ি আৰু টুপীৰ প্ৰাদুৰ্ভাৱ অৱশ্যে ক্ৰমাৎ টুটি আহিছে। জেৰুজালেমৰ ছহিদ্-ভৱনত মৃতাত্মাসকলৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ যাওঁতে ময়ো এনে ধৰণৰ টুপী এটা পিন্ধিছিলোঁ। সেই ঠাইত এনে টুপী পিন্ধাটো নিয়ম।

প্ৰাচীন পেলেষ্টাইনত ৰোমানসকলৰ প্ৰভাৱ যথেষ্ট পৰিছিল। সেইসকলৰ প্ৰভাৱৰ ফলস্বৰূপেই জেৰুজালেম আৰু চিজেৰীণা বোলা চহৰখনত ৰোমান নাট্যমঞ্চ গঢ়ি উঠিছিল। খবৰ কৰি জানিব পাৰিলোঁ - ৰোমান সম্ৰাট হেৰ'ডৰ অনুপ্ৰেৰণাত এই দুয়োডোখৰ ঠাইত দুটা ৰঙ্গমঞ্চ গঢ়ি উঠিছিল। সাগৰৰ তেনেই দাঁতি-কাষৰতে অৱস্থিত চিজেৰীণাৰ মঞ্চটো তন্নতন্নকৈ চাই আহিছোঁ। মঞ্চটো আৰু যিখন চহৰত এই মঞ্চটো অৱস্থিত, এই দুয়োটা বস্তুকে ভূগৰ্ভৰপৰা খনন কাৰ্য্যৰদ্বাৰা উদ্ধাৰ কৰা হৈছে যদিও বস্তুকেইটা সুন্দৰকৈ বুৰঞ্জীৰ সম্পদ স্বৰূপে সংৰক্ষিত কৰা হৈছে। কিছুদিনৰ আগতে পাৰ্লামেন্ট লাইব্ৰেৰীত স্থাপত্য-বস্তুৰ বিষয়ে পঢ়োঁতে এটা কথা পাইছিলো - সংৰক্ষণৰ নামত প্ৰাচীন স্থাপত্য-বস্তু আগ-গুৰি নোহোৱাকৈ মেৰামত নকৰাটো ভাল। প্ৰাচীন মঠ-মন্দিৰৰ গাত এতিয়াৰ বিলাতী মাটিৰ লেপন দেখিছে নহয় ? কেনে বিসদৃশ, atrocious। সংৰক্ষণৰ বাবে সকলো ধৰণৰ যত্ন লৈছে যদিও ইহুদীসকলৰ প্ৰাচীন স্থাপত্য-বস্তুৰ গাত এনে ধৰণৰ অত্যাচাৰৰ চিন নেদেখিলো। সকলোবোৰ বস্তু স্বাভাৱিক ৰূপত সংৰক্ষণ কৰা হৈছে। চিজেৰীণাৰ প্ৰাচীন ৰঙ্গমঞ্চটো বিৰাট এক বস্তু। ৰোমান সম্ৰাটসকল অতীজত যিখন আসনত বহি মঞ্চস্থ হোৱা অভিনয় চাইছিল, সেইখন আসনত বহি সমুদ্ৰৰ শোভা চাই আহিছোঁ। বহি চাইছোঁ - আকাশেদি এনেতে কেইটামান চৰাই উৰি যোৱা দেখিলোঁ। সিহঁতে মোক

যেন সিঁয়াৰিছে! মই যে সাধাৰণ মানুহ, ইজৰাইলী এই চৰাইজাকে বাৰু জানিলে কেনেকৈ ?.... এইখিনিতে সুন্দৰ ঘটনা এটা মনত পৰিছে : তাহানি সাংবাদিক-গ্ৰন্থকাৰ জন্ গান্থাৰে ব্ৰিটিচ-ভাৰতীয় নৃপতি এজনক সাক্ষাৎ কৰিছিল। নিজৰ জীৱন-বৃত্তান্তৰ উল্লেখ কৰি নৃপতিজনে কৈছিল : ‘মোৰ বয়স এতিয়াও ৩৪ বছৰ হোৱা নাই। ইতিমধ্যে ১৩২টা বাধ চিকাৰ কৰিছোঁ আৰু জানে ? কেম্ব্ৰীজত পঢ়োঁতে জৱাহৰলাল নেহৰু যিখন বেঞ্চৰ যিডোখৰ ঠাইত বহিছিল, ঠিক সেইডোখৰ ঠাইতে ময়ো বহিছিলোঁ।’ ঘটনাৰ বৰ্ণনা দি দুষ্টালিৰ সুৰত গান্থাৰে মোখনি মাৰিছে এনেদৰে : ‘He only sat.’ মোৰো সেই একে অৱস্থাই : ‘I only sat.’

এইখিনিতে বিশেষ এক সমস্যাৰ উদ্ভৱ নোহোৱাকৈ নাছিল। ঐতিহ্যৰ পিনৰপৰা আগবঢ়া হলেও এথেঞ্চত এসময়ত ৰঙ্গমঞ্চতেই হওক বা ‘মিষ্ট্ৰি’ নাইবা ‘মিৰাকোল্’ অভিনয়তেই হওক, অভিনয়ৰ বাবে অভিনেত্ৰী পোৱাটো অসম্ভৱ আছিল। শ্বেক্সপীয়েৰৰ যুগতো আনকি এই সমস্যাই দেখা নিদিয়াকৈ নাছিল। শ্বেক্সপীয়েৰে নিজেই ‘Some squeaking cleopatra boy’ ৰ কথা উল্লেখ কৰি যোৱা নাই জানো? ইংলণ্ডই হওক বা এথেঞ্চেই হওক, এইবোৰ ঠাইত এনে সমস্যা সমাধান কৰা হৈছিল পুৰুষে নাৰীৰ সাজ পিন্ধি চৰিত্ৰ অভিব্যক্ত কৰাৰ জৰিয়তে। প্ৰাচীনপন্থী ইহুদীৰ কাৰণে এইটো সমস্যা সমাধানৰ উপায় হব নোৱাৰে। ইহুদী শাস্ত্ৰত আছে : ’পুৰুষে কেতিয়াও নাৰীৰ সাজ নিপিন্ধিব।’

পোন্ধৰ-ষোল্ল শতিকাত ইউৰোপত, ঘাইকৈ ইটালী আৰু জাৰ্ম্মেনীৰ ’ঘেটো’সমূহত ইহুদী ৰঙ্গমঞ্চই প্ৰথম পোহৰ দেখে। সাধাৰণতে নাট্যমঞ্চৰ বিষয়-বস্তুসমূহ বাইবেলৰপৰা আহৰণ কৰা হৈছিল। প্ৰকৃতপক্ষে গল্ডফেডেন্ (১৮৪০-১৯০৮) বোলা মঞ্চ শিল্পী এজনক হে ইহুদী মঞ্চৰ জন্মদাতা বুলিব পাৰি। ইটালীত পোনতে এওঁৱেই ইহুদী মঞ্চৰ অভ্যুদয় সাধন কৰে। ইহুদীৰ মঞ্চ সংগঠনৰ আদি প্ৰচেষ্টা চলিছিল বিদেশত। তেল-এভিভ্ চহৰৰ

দাঁতিকাষৰীয়া জাফা অঞ্চলত প্ৰথমবাৰৰ কাৰণে মঞ্চ-অভিনয় হয় ১৮৯৪ চনত। এই অনুপ্ৰেৰণাৰদ্বাৰা অনুপ্ৰাণিত হৈ জাফা অঞ্চলত ১৯০৫ চনত সাহিত্যিক, শিক্ষক আৰু মঞ্চ-শিল্পীসকলৰ সহযোগত এখন সম্মিলিত নাট্য-সমিতি গঢ়ি উঠে। দেশৰ আভ্যন্তৰীণ ক্ষেত্ৰত এইসকলৰ প্ৰচেষ্টাত মঞ্চ-সংগঠন ক্ৰমাৎ টনকিয়াল হবলৈ ধৰে। এইদৰে জেৰুজালেম চহৰতত মঞ্চ-সংগঠনে গা কৰি উঠিল। সক্ৰিয়ভাৱে পৃথিৱীৰ য'তেই মঞ্চ-আন্দোলন গঢ়ি উঠিছে, তাতেই সেই আন্দোলনৰ অন্তৰালত কিবা এক উদ্দেশ্য নিহিত হৈ আছে। এইষাৰ কথা সম্যকভাৱে ইহুদী ৰঙ্গমঞ্চৰ বিষয়েও কব পাৰি মঞ্চ আন্দোলনৰ জৰিয়তে জাতীয় আদৰ্শৰ শিক্ষা দিয়াটোৱেই হৈছে এই আন্দোলনৰ গুৰিকথা।

১৯১ চনত মঞ্চ-শিল্পী ডেভিড ডেভিডোৰ, প্ৰচেষ্টাত হিব্ৰু থিয়েটাৰ (Teatrou Ivri) নামেৰে প্ৰফেশ্যনেল্ নাট্যশালা প্ৰথমে দেশত গঢ়ি উঠে। অতদিনে যি প্ৰচেষ্টাই বিদেশত জীপ লৈছিল, সেই প্ৰচেষ্টা দেশৰ মাটিত ক্ৰমাৎ সঞ্জীৱিত হবলৈ ধৰিলে। এই প্ৰফেশ্যনেল মঞ্চটোৱে বিদেশী নাট্য-শিল্পী ইবচেন্, ষ্টিণ্ডবাৰ্গ, চেক'ভ, গ'গল ইত্যাদিৰ নাটক চালি-জাৰি লৈ মঞ্চস্থ কৰিছিল। মঞ্চ-অভিনয়ৰ প্ৰতি এনেদৰেই ক্ৰমাৎ জনসাধাৰণৰ আগ্ৰহ আৰু আকৰ্ষণ বৃদ্ধি পাবলৈ ধৰিলে। পৃথিৱীখন যেতিয়া আগবাঢ়ি যায়, ধৰ্মৰ বান্ধোনে সৰহ দিনৰ কাৰণে সেই অগ্ৰগতিক ৰুধিব নোৱাৰে। প্ৰাচীনপন্থী সকলো সমাজৰ ক্ষেত্ৰত এইষাৰ কথা যেনেদৰে সঁচা, ইহুদীসমাজৰ ক্ষেত্ৰত তেনেদৰেই সঁচা। ইজৰাইলী মঞ্চ-আন্দোলনত বৰ্তমান সৰ্বতোপ্ৰকাৰে বৰঙণি যোগাইছে হাবিমা বোলা অনুষ্ঠান এটাই। য'তেই নহওক, মঞ্চ আন্দোলন শক্তিশালীভাৱে গঢ়ি উঠিবলৈ হলে স্থায়ী জাতীয় মঞ্চৰ প্ৰয়োজন। এইষাৰ কথা সদায় উপলব্ধি কৰি আহিছোঁ বাবেই ১৯৬১ চনত 'ইলাষ্ট্ৰেটেড্ উইক্‌লী'ৰ প্ৰৱন্ধ এটাত এনেদৰে লেখিছিলোঁ : 'No play is complete, Robert Speaight rightly remarks, until it is performed. In this context, the need of a National Theatre for Assam cannot be over-emphasised, and

that too with the State potentially so rich in folk-arts, with its colourful hill people as also its people of river plateaux. A permanent theatre alone can help to create among them a permanent set of artists.' স্থায়ী মঞ্চৰ প্ৰয়োজনীয়তাৰ কথা হাড়ে-হিমজুৰে উপলব্ধি কৰাৰ বাবেই ইজৰাইলত হাবিমা মঞ্চ-অনুষ্ঠানৰ অভ্যুদয় সম্ভৱপৰ হৈছে। ইজৰাইলী জাতীয়তাবাদী আদৰ্শক প্ৰাণ দিয়াৰ উপৰিও অনুষ্ঠানটোৰ আন এটা উদ্দেশ্য হৈছে হিব্ৰু ভাষাত অভিনয়-শিল্পৰ কলাসুলভ প্ৰকাশ দিয়া। সাহিত্যৰ আন বিভাগত বিদেশী ভাষা কৃতকাৰ্যতাৰে ব্যৱহাৰ কৰিব পাৰিলেও নাটক অভিনয়ৰ ক্ষেত্ৰত ই প্ৰায় অসম্ভৱ। এইখিনিতে জাঁ-পল চাঁত্ৰেৰ চোকা মন্তব্য এফাকি তুলি দিব খুজিছোঁ। 'You talk in your own language, but you write in a foreign one. From this, I conclude that we are all the same in our calling ; all convicts, all branded.' নাটকৰ সম্বন্ধ হৈছে জীৱনৰ সৈতে। ভাষাৰ পিনৰপৰাই হওক বা প্ৰকাশ কৌশলৰ পিনৰপৰাই হওক, জীৱনক অস্বীকাৰ কৰি কোনো নাট্যকলা কেতিয়াও সঞ্জীৱিত হব নোৱাৰে। হাবিমাৰ উদ্যোক্তাসকলে জানিছিল, স্থায়ী ৰিপাৰ্‌ট'ৰীৰ ৰূপ দিব নোৱাৰিলে কোনো মঞ্চ-আন্দোলন কেতিয়াও সাৰ্থক হব নোৱাৰে। কেৱল ইহুদী প্ৰাচীন বুৰঞ্জী আৰু ঐতিহ্যৰপৰাই নহয়, ইহুদী গণ-জীৱনৰপৰাও স্থায়ীভাৱে এওঁলোকে নাটকীয় বস্তু-সম্ভাৰ সংগ্ৰহ কৰিবলৈ ধৰিলে। আদিছোৱাত যিটো অনুষ্ঠান কেৱল ইউৰোপীয় আহিলা-বস্তুৰ আশ্ৰয় লৈ জীয়াই আছিল, সেই হাবিমা অনুষ্ঠান নিজস্ব দেশজ বস্তুৰ ওপৰত ক্ৰমাৎ নিৰ্ভৰশীল হবলৈ ধৰিলে। বিদেশী নাটক, যেনে চমাৰচেট ম'মৰ 'ডি চেক্ৰেড্ ফ্লেম্' ইবচেনৰ 'পিলাৰচ্ অব্ চ'চাইটি', বাৰ্ণাৰ্ড শ্ব'ৰ 'ডি ডেভিলচ্ ডিচাইপোল' ইত্যাদি সম্পূৰ্ণৰূপে বৰ্জন কৰা নহল যদিও ইহুদী জীৱনৰ প্ৰকাশ অনুপ্ৰেৰণাৰ ঘাই বস্তু হবলৈ ধৰিলে।

প্ৰায় চল্লিশ বছৰকাল নিজস্ব অনুপ্ৰেৰণা অনুসৰি মঞ্চ-আদৰ্শৰ সেৱা-কাৰ্যত ব্ৰতী হোৱাৰ পিছত হাবিমা অনুষ্ঠান চৰকাৰৰ ঘৰত

অৱশেষত বিধিসম্মতভাৱে ‘জাতীয় মঞ্চ’ স্বৰূপে স্বীকৃত হয়। ৰাষ্ট্ৰীয় স্বীকৃতি আৰু সা-সুবিধা প্ৰাপ্ত হোৱাৰ পিছত হাবিমা অনুষ্ঠানৰ পৰিসৰ স্বাভাৱিকতে বাঢ়িবলৈ ধৰে। স্থানীয় শিল্পী, প্ৰযোজক, এইসকলৰ সহযোগত মঞ্চ-অনুষ্ঠানটোৱে জীপ পাইছে। এইখিনিতেই ক্ষান্ত নেথাকি বিদেশৰপৰা, ঘাইকৈ লণ্ডনৰপৰা জুলিয়াচ্ গেল্নাৰৰ লেখীয়া মঞ্চ-শিল্পীক আমন্ত্ৰণ কৰি আনি নতুন উদ্দীপনাৰো ই সৃষ্টি কৰিছে। হাবিমাৰ উপৰিও অ'থেল' থিয়েটাৰ, হাটিয়েট্ৰন্, হাকামেৰী, হাইফা মিউনিচিপেল থিয়েটাৰ, এনে ধৰণৰ নানা মঞ্চ-সংগঠনৰ জৰিয়তে নতুন ইজৰাইলৰ নাট্য-অভিযানে দ্ৰুতগতিত আগবাঢ়িবলৈ লৈছে।

সকলো প্ৰকাৰৰ সৃষ্টিধৰ্মী কাৰ্যৰ বাবে চৰকাৰৰ সাহায্য আৰু উদগনি লাগে। যেহেতু গণতন্ত্ৰত চৰকাৰ পৰিচালিত হয় এমুঠি ৰাজনৈতিক ব্যক্তিৰদ্বাৰা, সেই কাৰণেই প্ৰত্যেক ৰাজনৈতিক পুৰুষৰ চকুত সামগ্ৰিক এক স্বপ্ন উদ্ভাসিত হৈ থকা উচিত। খেল পথাৰৰপৰা আৰম্ভ কৰি সাহিত্য-সংস্কৃতিলৈকে দেশৰ কোনে কি বৰঙণি যোগাইছে, সেই বিষয়ে আপুনি যদি নেজানে, তেন্তে দেশখন গঢ়িবলৈ ওলাইছে কোনটো সাহসেৰে। আমাৰ কোনোবা ৰাজনৈতিক পুৰুষে যদি মোক সোধে : ‘এই আনন্দিৰাম দাস কোন হে? আৰু এই অনিমেষ গাঙ্গুলী কোন? ক্ষমা কৰিব, তেতিয়া মোৰ কবৰ মন যাব : আপুনি ৰাজনীতি কৰিছে কিয় ? সন্ন্যাসী হওক।’ ৰাজনৈতিক ব্যক্তিৰ চকুত সামগ্ৰিকভাৱে দেশখনৰ ছবি স্পষ্ট হৈ থাকিব লাগিব। সেয়ে নহলে দেশখন গঢ়িব কেনেকৈ ? কাইলৈ যদি ৰাইজে ক্ষমতা দিয়ে, তেতিয়া আপুনি কৰিব কি ? কৃতকাৰ্য হৈছিল বুলি কব নোৱাৰোঁ, তথাপি মই কম আমাৰ দেশত খেলপথাৰৰপৰা আৰম্ভ কৰি সঙ্গীত, সাহিত্য, বিজ্ঞানলৈকে এজন ৰাজনৈতিক পুৰুষৰ চকুত হে দেশৰ সামগ্ৰিক ছবি এখন চিৰউদ্ভাসিত হৈ আছিল। সেইজন হৈছে জৱাহৰলাল নেহৰু।

সকলো সৃষ্টিধৰ্মী কামত চৰকাৰৰ সাহায্য লাগে - সেইবুলি ব্যক্তিগত কৰ্ম-প্ৰচেষ্টাৰ কথা মই অস্বীকাৰ কৰিব খোজা নাই। ৰাজনীতিয়েই হওক বা কলা-সৃষ্টিয়েই হওক, যেতিয়ালৈকে আদৰ্শ বুকুত সাবটি মানুহ একোজন উন্মাদ হব নোৱাৰে, তেতিয়ালৈকে কোনো মহৎ কামেই সাৰ্থক হব নোৱাৰে। দুখ-কষ্ট, ত্যাগ নকৰাকৈ, মুঠতে উন্মাদ নোহোৱাকৈ, পৃথিৱীৰ ইতিহাসত কোনো ব্যক্তিয়েই কেতিয়াও মহৎ হব পৰা নাই । সেইপিনৰপৰা চাবলৈ গলে বুদ্ধ আছিল পাগল, গান্ধী আছিল পাগল, নেতাজী সুভাষ বসুও কম পাগল নাছিল।.... কৃষ্ণবজাৰৰ আশ্ৰয় লৈ একে নিশাৰ ভিতৰতে ৰাজ-অট্টালিকা সাজিব পাৰি-সাহিত্য বা কলা সৃষ্টিৰ ক্ষেত্ৰত এই একেটা পথকে অনুসৰণ কৰিবলৈ গলে ব্যৰ্থ বা হতাশ হোৱাৰ বাহিৰে আন কোনো গত্যন্তৰ নাই। বিৰোধী ৰাজনীতিৰ দৰেই সাহিত্য আৰু কলা সৃষ্টিৰ পথ অতি দুৰ্গম, কাঁইটীয়া। এনে পথ অনুসৰণ কাৰ্যত দুখ আছে, কষ্ট আছে। দুখ-কষ্টক প্ৰতিৰোধ কৰিবলৈ এপাতেই মাথোন পাশুপাত অস্ত্ৰ আছে - সেয়া হৈছে ধৈৰ্য্য। মহৎ কামত সিদ্ধিলাভ কৰিবলৈ হলে, এফালে নহয় এফালে ত্যাগ কৰিবই লাগিব। নহলে উপায় নাই। ইজৰাইল ভ্ৰমণৰ কালছোৱাত এই মৌলিক ধাৰণাটো মোৰ চকুৰ আগত বাস্তৱলৈ ৰূপান্তৰিত হোৱা দেখিবলৈ পাই বৰ সুখ পাইছিলোঁ। এমুঠি মঞ্চ-শিল্পীয়ে দুখ-কষ্ট, অভাৱ-অনাটনৰ সন্মুখীন হৈ আন্দোলন এটা গঢ়ি তুলিলে। সেই আন্দোলনৰ পৰিণতি স্বৰূপে আজি ইজৰাইলী মঞ্চ-অভিনয়ে কেৱল দেশতেই নহয়, বিদেশতো খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ই জানো কম আনন্দ আৰু গৌৰৱৰ কথা?

যিষাৰ কথা ইজৰাইলী জীৱনৰ ক্ষেত্ৰত বিস্তৃতভাৱে প্ৰয়োগ কৰিব পাৰি, সেইষাৰ কথা ইজৰাইলী সঙ্গীতৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি। এওঁলোকৰ সুৰ-মূৰ্চ্ছনা নানা দেশীয় সঙ্গীত-সম্ভাৰৰ আঁচুফুল। কেৱল সঙ্গীতৰ ক্ষেত্ৰতেই নহয়, নৃত্যৰ ক্ষেত্ৰতো এইষাৰ কথা প্ৰায় সমানভাৱেই সঁচা। এফালে তুৰ্কী, মৰক্কো,

খুৰ্দিস্থান, ইজিপ্ট, এই অঞ্চলসমূহৰ সুৰ-স্পন্দন, আনফালে ইউৰোপীয় নানা দেশপুঞ্জৰ সুৰ-সঞ্চালন - এই বিভিন্ন ধাৰাৰ সমষ্টিয়েই হৈছে বৰ্তমান ইজৰাইলী সঙ্গীতৰ বুৰঞ্জী। দেখাত কথাষাৰ সঁচা যদিও বাস্তৱত এইষাৰ কথাই কেনেদৰে ৰূপ লৈছে, সেই বিষয়ে মোৰ সন্দেহ। এদিন নিশা জেৰুজালেম চহৰৰ কিং-ডেভিড্ হোটেলটোত মহিলা এগৰাকীৰ সৈতে খাবলৈ সোমাইছোঁ। বাহিৰত বৰষুণ। ডাইনিং-হলত আমি সোমোৱাৰ লগে লগেই পৰিচিত সঙ্গীতৰ সুৰ এটা বাজি উঠিল, ‘কেইছেৰা কেইছেৰা’। এনেদৰে য’লৈকে গৈছিলোঁ, ত’তেই পশ্চিমীয়া সুৰ-মূৰ্চ্ছনা হে শুনি আহিছোঁ। ১৯৩৬ চনত স্থাপিত ফিলহাৰ্মনিক্ অৰ্কেষ্ট্ৰাৰ জৰিয়তে পশ্চিমীয়া সুৰ-আদৰ্শৰ প্ৰাদুৰ্ভাৱ ক্ৰমাৎ বাঢ়িছে বুলি মহিলাগৰাকীয়ে কলে। আনকি কিবুৎজ্ গাঁও-অঞ্চলৰ সঙ্গীততো পশ্চিমীয়া প্ৰভাৱ যথেষ্ট পৰিছে যেন মোৰ অনুমান হল। তেল-এভিভ্ চহৰত অৱস্থিত মেন্ অডিটৰিয়ামটো ফিল্হাৰ্মনিক্ অৰ্কেষ্ট্ৰাৰ প্ৰাণকেন্দ্ৰ। এই অনুষ্ঠানটোৱে আন দেশৰ যশস্বী শিল্পীসকলকো নিমন্ত্ৰণ কৰি আনি মৌ-মেলৰ যোগান ধৰে। ভাৰতীয় যশস্বী শিল্পী জুবিন্ মেহতাকো এই অনুষ্ঠানটোৰ জৰিয়তে নিমন্ত্ৰণ কৰি অনা হৈছিল। এওঁৰ নাম এতিয়াও মানুহৰ মুখে মুখে। তেল-এভিভ্ চহৰত থকা কালছোৱাত বিশ্বখ্যাতিসম্পন্ন জাৰ্মান পিয়ানোবাদক ৰুড’লফ্ চাৰ্কীনৰ চ’ল’ বাদনৰ যোগাৰ হৈছিল। সেই অনুষ্ঠানত উপস্থিত আছিলোঁ : দৰ্শকেৰে অডিটৰিয়ামটো ঠাহ খাই পৰিছিল। এই অডিটৰিয়ামটোত তিনি হেজাৰ মানুহৰ কাৰণে আসন আছে। এটা কথা দেখি ভাল লাগিল - যোগাৰ-যন্ত্ৰসমূহ একেবাৰেই পশ্চিমীয়া যদিও অডিট’ৰিয়ামটোত কিবা ‘পূব পূব’ গোন্ধ এটা আছে।

ইহুদী মেনুহীনকো এওঁলোকে নিমন্ত্ৰণ কৰি আনিছিল। পৃথিৱীৰ আন ঠাইৰ দৰে ইজৰাইলতো এই শিল্পীজনা অসম্ভৱভাৱে জনপ্ৰিয়। তাহানি এদিন মেনুহীনৰ ভায়োলীন বাদন

শুনিছিলোঁ। বেহেলাৰ সুৰ-স্পন্দনে যে মানুহৰ অন্তৰ-আত্মা অশান্ত কৰিব পাৰে, সেইদিন জীৱনত প্ৰথম উপলব্ধি কৰিছিলোঁ। মেনুহীনে ন বছৰ বয়সৰপৰাই ভায়োলীন বজাবলৈ লয় আৰু তেতিয়াৰপৰাই খ্যাতিও আৰ্জে। ক'ৰবাত পঢ়া মনত আছে, নিউয়ৰ্কৰ কাৰনেগী-হলত এই ন বছৰীয়া লৰাজনে এনিশা ভায়োলীন বজাইছিল। শ্ৰোতাসমাজৰ মাজত বিশ্ববিখ্যাত বিজ্ঞানী আইষ্টাইনো আছিল; আইনৃষ্টাইন নিজে এজন সুদক্ষ ভায়োলীনবাদক। মেহীনৰ ভায়োলীনৰ সুৰ-স্পন্দন শেষ হৈছে হে মাথোন, আইনষ্টাইন একেজাপেই মঞ্চত উঠিল, এই সৰু লৰাজনক সাবটি ধৰি কলে : 'ভগৱান যে আছে, আজি তুমি মোক উপলব্ধি কৰিবলৈ সুযোগ দিলা।' ইহুদী মেনুহীন আমাৰ দেশলৈকো কেইবাবাৰো আহিছে। নেহৰুৰ সৈতে এওঁৰ বিশেষ বন্ধুত্ব আছিল। ইন্দিৰা গান্ধীৰ সৈতেও আছে। ইজৰাইলী ৰেডিঅ' অনুষ্ঠানটোৰ নাম হৈছে 'কল্ ইজৰাইল' (Kol Israel)। সঙ্গীতৰ প্ৰচাৰ আৰু সংগঠনৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৱে ইতিমধ্যে যথেষ্ট অৰিহনা যোগাইছে।

সেইদৰে ফ'ক্লোৰ সংগঠনে প্ৰাচীন য়ামেনাইট্ ইহুদী নৃত্যৰ পুনৰ উদ্ধাৰ কৰি জনসাধাৰণৰ মাজত ইয়াক জনপ্ৰিয় কৰি তুলিছে। ইয়াৰ উপৰিও, ইজৰাইলীসকলৰ ডালিয়া নামেৰে এক গণ-উৎসৱ আছে। এই উৎসৱটোক কেন্দ্ৰ কৰিও লোকনৃত্য আৰু লোক সঙ্গীতে জীপ লৈছে। আন্তৰ্জাতিক সঙ্গীত-সমাৰোহসমূহত যোগ দিবলৈ যোৱা লোক-সঙ্গীতৰ অনুষ্ঠানবোক বনুৱা সন্থা হিষ্টাদ্ৰুত আৰু জেৰুজালেম হিব্ৰু বিশ্ববিদ্যালয়ে পুঁজিৰে সহায় কৰে। ইতিমধ্যে হিব্ৰু লোক-গীতমালাৰ কেইবাটাও সংস্কৰণ ওলাইছে।

মুঠতে দেখি ভাল লাগে, কেউপিনে জীৱন্ত জাতি এটাৰ উদ্দীপনাময় প্ৰকাশ। একোটা জাতিক জীয়াই ৰাখে আচলতে সৃষ্টিমূলক প্ৰচেষ্টা-সম্ভাৰে হে; কেৱল ৰাজনীতিৰে কোনো জাতি কেতিয়াও সৰহ দূৰ আগবাঢ়িব নোৱাৰে। নতুন ইজৰাইলত দেখি

আহিছোঁ নৱজাগৰণৰ বিপুল এক উদ্দীপনা, এক প্ৰৱল আৱেগ, এক কঠোৰ সঙ্কল্প।

‘ই যে শত আঘাতৰ ৰক্ত ধুউৱা শ্ৰাৱণৰ মহাবান।
ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে’ বলিদান।’

ৰাষ্ট্ৰ সংসদ নাৰী

নতুন ৰাষ্ট্ৰ যদিও ইজৰাইলৰ বুকুত চাৰি হেজাৰ বছৰৰ ইহুদী ইতিহাস সুপ্ত হৈ আছে। এসময়ত এই অঞ্চল বিশেষক কেনান্ বোলা হৈছিল। অৱশেষত পেলেষ্টাইন। ইতিহাসৰ স্তৰে স্তৰে বহু সাম্ৰাজ্যই দেশখনক সাবটি লৈছিল - এচিৰিয়ান, পাৰ্চিয়ান, বেবিলনিয়ান, গ্ৰীক্ ইত্যাদি। ইতিহাসৰ বিশেষ এটা স্তৰত ই ৰোম সাম্ৰাজ্যৰ অন্তৰ্ভুক্তও নোহোৱাকৈ নাছিল। ৰোমানসকলে ইয়াক চিৰিয়া-পেলেষ্টাইন নামেৰে অভিহিত কৰিছিল। চিজেৰীণা বোলা ঠাই এডোখৰত ৰোমানসকলে ৰাজধানী পাতিছিল। ভূগৰ্ভৰপৰা উদ্ধাৰ কৰা প্ৰাচীন ৰোমান নগৰীৰ ভগ্নাৱশেষ এই ঠাইত দেখি আহিছোঁ। লগতে দেখি আহিছোঁ প্ৰাচীন দুৰ্গৰ ওচৰৰ আন এটা প্ৰান্তৰত অৱস্থিত এম্ফিথিয়েটাৰটো। দাঁতিত সাগৰে গুজৰি আছে - এই সাগৰতে পাৰি দি ৰোমানসকল আহিছিল উপনিৱেশৰ অন্বেষণত। ৰোমান দুৰ্গটো খৰচি মাৰি চাইছিলোঁ। সাগৰতীৰস্থ আন এখন চহৰ, নাম এস্কেলন্। তালৈকো গৈছিলোঁ। এই ঠাইত গ্ৰীক্ আৰু ৰোমান উভয় সাম্ৰাজ্যৰে ভগ্নাৱশেষ এতিয়াও বিদ্যমান। সাম্ৰাজ্য বিস্তাৰৰ পৰিচয় নহয় যদিও এইখিনিতে কৈ থোৱাটো উচিত হব, বীৰশ্বেৱা চহৰত প্ৰাক্ঐতিহাসিক ভগ্নাৱশেষ আছে।

ইয়াৰ পিছত আৰব, চেলজুক্, মামেলুক, অ'টমান তুৰ্কী - এইসকলৰ অধীনলৈকো পেলেষ্টাইন এবাৰ নহয় এবাৰ আহিছিল। ইতিহাসৰ এই গ্লানিময় কালছোৱাতেই নিজৰ জন্মস্থান

পৰিত্যাগ কৰি বহুত ইহুদী বিদেশত আশ্ৰয় লবলৈ বাধ্য হৈছিল। তথাপি য'তেই নেথাকক লাগিলে, নিজৰ জন্মভূমিৰ প্ৰতি ইহুদীসকলৰ আগ্ৰহ আৰু আকৰ্ষণ লেশমানো মোলান পৰা নাছিল। বহু প্ৰবাসী ইহুদীয়ে ঊনবিংশ শতাব্দীৰ শেষভাগত আৰু বিংশ শতাব্দীৰ আগভাগত নিজৰ জন্মভূমিলৈ প্ৰত্যাৱৰ্ত্তন কৰে। এই কালছোৱাত জিয়নিষ্ট আন্দোলন বিশেষভাৱে শক্তিশালী আৰু সক্ৰিয় হৈ উঠে। জেৰুজালেম চহৰত অৱস্থিত মাউন্ট-জিয়ন জাতীয় নবোন্যাসৰ প্ৰতীক স্বৰূপে পৰিগণিত হল। ১৯১৭ চনৰ ২ নৱেম্বৰ তাৰিখে ইংলণ্ডৰ প্ৰধান মন্ত্ৰী বেল্‌ফুৰে পেলেষ্টাইনত ইহুদীসকলৰ বাবে উত্থাপিত হোৱা নিজস্ব গৃহভূমিৰ দাবীৰ প্ৰতি সমৰ্থন জনালে। সেই ঘোষণাত এনেদৰে আছে : 'His Majesty's Government view with favour the establishment in Palestine of a national home for the Jewish people.'

১৯৪৭ চনৰ নৱেম্বৰ মাহৰ ২৯ তাৰিখে সম্মিলিত জাতিসঙ্ঘই এই মৰ্মে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। ছখন আৰব ৰাষ্ট্ৰই সক্ৰিয় ভাৱে বিৰোধিতা কৰিছিল যদিও জাতিসঙ্ঘ দুই-তৃতীয়াংশ সদস্যৰ দ্বাৰা এই প্ৰস্তাৱ হেলাৰঙে গৃহীত হয়। প্ৰস্তাৱ অনুসৰি পেলেষ্টাইনত ব্ৰিটিচৰ কৰ্তৃত্বাধীন শাসন ১৯৪৮ চনৰ পহিলা আগষ্টৰ পূৰ্ব্বে ওৰ পেলোৱাটো সিদ্ধান্ত কৰা হয়। ইয়াৰ পিছত বহু বাধা-বিঘিনি অতিক্ৰম কৰি ১৯৪৮ চনৰ মে মাহৰ ১৪ তাৰিখে সৰ্বমুঠ ৬২ লাখ জনসংখ্যাৰ ইহুদী-ৰাষ্ট্ৰ ইজৰাইলৰ জন্ম হয়। সেইদিনাৰ স্বাধীনতাৰ ঘোষণাপত্ৰত এনেদৰে আছে : 'প্ৰাচীন ধৰ্ম্ম-গুৰুসকলে ব্যাখ্যা কৰা অনুসৰি ইজৰাইল ৰাষ্ট্ৰ স্বাধীনতা, ন্যায় আৰু শান্তিৰ ভেটিত প্ৰতিষ্ঠিত হব। বৰ্ণ, লিঙ্গ নিৰ্বিশেষে সকলো দেশবাসীৰ সামাজিক আৰু ৰাজনৈতিক স্বত্ব সম্পূৰ্ণৰূপে সংৰক্ষিত কৰা হব। শিক্ষা, সংস্কৃতি, ভাষা, ধৰ্ম, চিন্তা-সকলো ক্ষেত্ৰতে স্বতন্ত্ৰতা স্বীকাৰ কৰি লোৱা হব। সকলো ধৰ্ম্ম-সম্প্ৰদায়ৰে ধৰ্ম্মানুষ্ঠানসমূহ সংৰক্ষণ কৰা হব। সন্মিলিত জাতিসঙ্ঘৰ নীতিৰ প্ৰতি ই অনুগত থাকিব।'

বহিৰ্শক্তিৰ আক্ৰমণ প্ৰতিৰোধ কৰাৰ হকে আৰু স্বাধীনতা অৰ্জনৰ উদ্দেশ্যে ইহুদীয়ে কৰা তেজোদ্দীপ্ত ত্যাগ-কষ্টৰ বুৰঞ্জীয়ে ইজৰাইলবাসীক জাতি হিচাপে জীয়াই থকাৰ প্ৰতি উদ্দীপ্ত মনোবল আৰু শক্তি যোগাইছে। এওঁলোকৰ জাতীয় সঙ্গীতত এই দৃষ্টি, লক্ষ্য আৰু আদৰ্শ বলিষ্ঠভাৱে প্ৰকাশ পাইছে। ইজৰাইলৰ জাতীয় সঙ্গীতটো বিশ্লেষণ কৰি চাইছিলোঁ। আদৰ্শৰ বলিষ্ঠ কণ্ঠধ্বনি গীতটোত শক্তিশালীভাৱেই প্ৰৱৰ্তমান। দেশ-প্ৰেমতকৈ কিবা আৰু ডাঙৰ বস্তু জানো আছে?

‘যেতিয়ালৈকে আমাৰ তীখাসদৃশ ধমনীত
ইহুদী-অন্তৰ সত্য হৈ কঁপিব,
যেতিয়ালৈকে তীখাৰ চকুৰে পূবলৈ
জিয়নৰ ফালে ইহুদীয়ে দৃষ্টি ৰাখিব,
যেতিয়ালৈকে আশা আমাৰ হেৰাই নেযায়,
আজি ছহেজাৰ বছৰে অন্তৰত সঁচি থোৱা,
জিয়ন আৰু জেৰুজালেম ভূমিত
আমি স্বাধীন হৈ থাকিম।’

ইজৰাইলৰ ৰাজনৈতিক জীৱন সংসদী গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত। ছকুৰিজনীয়া সদস্যেৰে সংগঠিত এওঁলোকৰ এখন সংসদ আছে। হিব্ৰু ভাষাত সংসদ ‘নেচেট’ বোলা হয়। দেশৰ ৰাজধানী জেৰুজালেমত সংসদ-ভৱন অৱস্থিত, একেবাৰে বজাৰ অঞ্চলত। ৰাষ্ট্ৰ হিচাপে জন্ম হোৱা মুহূৰ্তত এওঁলোকৰ সংসদৰ প্ৰথম অধিৱেশন তেল-এভিভ্ চহৰৰ থিয়েটাৰ-হল এটাত বহিছিল। বৰ্তমান সংসদৰ বাবে ভৱন এটা জেৰুজালেম চহৰৰ হিব্ৰু বিশ্ববিদ্যালয়ৰ ওচৰতে সৰু টিলা এটাৰ ওপৰত ধুনীয়াকৈ সজা - এতিয়াও সংসদ অৱশ্যে তালৈ স্থানান্তৰিত হোৱা নাই। সংসদী সদস্য এগৰাকীয়ে কলে : ‘আমি যেতিয়া নতুন ভৱনলৈ যাম, আপুনি আকৌ এবাৰ আহিব।’.... সাধাৰণতে ইজৰাইলী সংসদ অধিৱেশন আবেলি চাৰি বজাৰপৰা বহে। এদিন সংসদ

বহি থকা অৱস্থাত তালৈ গৈছিলোঁ। সদস্যসকলৰ বহুতকে লগ পাইছিলোঁ। সেইসকলৰ লগত নানা সমস্যা লৈ দীঘলীয়া আলোচনা হৈছিল, ঘাইকৈ বৈদেশিক আৰু নিৰাপত্তা বিষয়ক সংসদীয় সমিতিৰ সভাপতি মিঃ হাকোহানৰ লগত। মানুহজনক প্ৰথমতে হাইফা চহৰত লগ পাইছিলোঁ। নিশা তেওঁৰ ঘৰলৈকো গৈছিলোঁ। মাজনিশালৈকে ৰাজনীতি বিষয়ক তৰহে তৰহে কথাৰ আলোচনাও হৈছিল।

ইজৰাইলী সংসদৰ জীৱনকাল চাৰি বছৰ ; অৰ্থাৎ চাৰি বছৰৰ মূৰে মূৰে ইয়াত সাধাৰণ নিৰ্বাচন হয়। অৱশ্যে চলিত সংসদে ইচ্ছা কৰিলে নিৰ্ধাৰিত সময় পূৰ্ণ হোৱাৰ পূৰ্ব্বে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰে। সদস্যসকলে কলে : '১৯৬১ চনত এনে এটা পৰিস্থিতিৰ উদ্ভৱ হৈছিল।' বৰ্ণ নিৰ্বিশেষে ওঠৰ বছৰ বয়সৰ যেই কোনো নাগৰিকে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব পাৰে। ভোটৰ দায়িত্বপ্ৰাপ্ত নাগৰিকৰ এখন তালিকা প্ৰস্তুত কৰা হয়। ইয়াৰ কপি দহ দিনৰ আগতে ডাক-ঘৰ আৰু তেনে ধৰণৰ ৰাজহুৱা ঠাই বিশেষত ৰখা হয়, নাগৰিকে পৰীক্ষা কৰি চাই কিবা ভুল থাকিলে সংশোধনৰ বাবে আঙুলিয়াই দিয়াৰ উদ্দেশ্যেৰে। ৰাজহুৱাভাৱে পৰীক্ষা কৰিবলৈ দিয়া তালিকাত কাৰোবাৰ নাম ভুক্ত নহলে বা ভুলকৈ ভুক্ত হলে সেই বছৰৰ মাৰ্চ মাহৰ ৬ তাৰিখৰ পূৰ্বে আভ্যন্তৰীণ বিভাগৰ মন্ত্ৰীক জনোৱা নিয়ম। মন্ত্ৰীয়ে আৱেদন পৰীক্ষা কৰি চাই সেই মাহৰ ভিতৰতে সিদ্ধান্ত দিব লাগিব। মন্ত্ৰীৰ সিদ্ধান্ত মনঃপুত নহলে নাগৰিকৰ স্থানীয় আদালতৰ আশ্ৰয় লোৱাৰ অধিকাৰ আছে; আদালতেও সেই বছৰৰ এপ্ৰিল মাহৰ ২৩ তাৰিখৰ ভিতৰতে সিদ্ধান্ত দাখিল কৰিব লাগিব। সদস্য এজনে কলে : 'এনে পৰিস্থিতি খুব কমেই হে উদ্ভৱ হৈছে।'

ভোট-দাতাসকলৰ নিৰ্ধাৰিত বয়স থকাৰ দৰে নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰো বয়স নিৰ্ধাৰিত কৰি দিয়া হৈছে। ন্যায়াধীশ-সমাজ, ধৰ্মযাজক শ্ৰেণী, সামৰিক আৰু অসামৰিক ৰাজ-কৰ্মচাৰী -

এইসকলৰ কোনো নিৰ্বাচনৰ প্ৰাৰ্থী হব নোৱাৰে। ৰাজনৈতিক গৰাহৰপৰা এইসকলক ৰক্ষা কৰাটোৱেই হৈছে এনে ব্যৱস্থা গ্ৰহণৰ ঘাই উদ্দেশ্য। সামৰিকেই হওক বা অসামৰিকেই হওক, কোনোবা ৰাজ-কৰ্মচাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছা কৰিলে এশ দিনৰ পূৰ্ব্বে পদত্যাগ কৰি নিৰ্বাচনৰ বাবে মুক্ত হব লাগিব।

এটা কথা বৰ আচৰিত যেন লাগিল। আমাৰ দেশত যেনেকৈ প্ৰত্যেকজন প্ৰাৰ্থীৰে একোটাকৈ নিৰ্ধাৰিত সমষ্টি আছে, তেনেকৈ ইজৰাইলত নাই। গোটেই দেশখনেই সংগঠিত এটা সমষ্টি। ভোটৰ পদ্ধতি হৈছে সামগ্ৰিক। এই পদ্ধতিটো কেনেকৈ কাৰ্যত পৰিণত কৰা হয়, সেই বিষয়ে জানিবলৈ স্বাভাৱিকতে মন গৈছিল। খবৰ লৈ জানিলোঁ : নিৰ্বাচনত অংশ গ্ৰহণ কৰিব খোজা প্ৰত্যেকটো ৰাজনৈতিক দলে দলীয় ভিত্তিত একোখন তালিকা আগবঢ়ায়। ডাঙৰ পাৰ্টিসমূহে সংসদৰ সংখ্যা অনুপাতে ১২০ জনৰ তালিকা দাখিল কৰে। সৰু দলসমূহে নিজৰ শক্তি আৰু সামৰ্থ্য অনুসৰি তাতোকৈ কম সংখ্যক প্ৰাৰ্থী তালিকা দাখিল কৰে। প্ৰত্যেকখন তালিকাতে প্ৰাৰ্থীসমূহৰ নাম প্ৰথম, দ্বিতীয়, তৃতীয়, এনেদৰে লানি লগাই উল্লেখ কৰা হয়। এনেকৈ তালিকা প্ৰস্তুত কৰাৰ দায়িত্ব ৰাজনৈতিক দলসমূহৰ ওপৰত ন্যস্ত। নিজৰ ভিতৰত আলোচনা কৰি প্ৰত্যেক পাৰ্টিয়ে প্ৰাৰ্থী তালিকা কেনেকৈ প্ৰস্তুত কৰা উচিত, সেই বিষয়ে ঠিৰাং কৰে।

এতিয়া প্ৰশ্ন হৈছে - এনে ধৰণৰ নিৰ্বাচনত কোনজন প্ৰাৰ্থী পৰাজিত হল আৰু কোনজন জয়ী হল, সেইষাৰ কথা নিৰ্ধাৰণ কৰা হয় কেনেকৈ? ভোট-দাতাই একোটা পাৰ্টিক হে ভোট দিয়ে, একোজন প্ৰাৰ্থীক নহয়। ধৰি লওক, কোনো এটা পাৰ্টিয়ে সৰ্বমুঠ ভোটৰ শতকৰা ৫০টা পাইছে। সেই পাৰ্টিয়ে সংসদৰ ১২০খন আসনৰ ভিতৰত অৰ্ধেক অৰ্থাৎ ৬০ খন আসন পাব। নিৰ্বাচন অফিচত সেইটো পাৰ্টিয়ে আগতে দাখিল কৰা তালিকাৰ প্ৰথম ষাঠিজনক সংসদলৈ নিৰ্বাচিত হৈছে বুলি ঘোষণা কৰা হয়। এই বিধান অনুসৰি সৰ্বমুঠ ভোটৰ শতকৰা এক ভোট পোৱা

পাৰ্টিয়েও সংসদত আসন লাভ কৰাটো একো আচৰিত কথা নহয়।

এনে নিৰ্বাচন ব্যৱস্থাৰপৰা বিশেষ এটা লাভ হৈছে, উপনিৰ্বাচনৰ কোনো প্ৰয়োজন নোহোৱা হৈছে। কোনো সদস্যৰ মৃত্যু বা পদত্যাগৰ বাবে আসন উদং হলেও ইজৰাইলত উপ-নিৰ্বাচন নহয়। প্ৰশ্ন হৈছে - তেন্তে সেই আসন পূৰণ কৰা নহয় নেকি? যদি হয়, কেনেকৈ ? যিটো পাৰ্টিৰ সদস্যজনৰ মৃত্যু বা পদত্যাগৰ কাৰণে আসন উদং হল, আগতে সেইটো পাৰ্টিৰ নিৰ্বাচন অফিচত দাখিল কৰি থোৱা তালিকাৰ যিটো ঠিক পিছৰ নাম, সেই নামৰ ব্যক্তিজনক সংসদলৈ নিৰ্বাচিত হৈছে বুলি ঘোষণা কৰা হয়। ধৰি লওক, এটা পাৰ্টিয়ে নিৰ্বাচনৰ সময়ত সৰ্বমুঠ সত্তৰজনৰ নাম দাখিল কৰিছিল, সেই সত্তৰজনৰে পঞ্চাশজন নিৰ্বাচিত হল। এই পঞ্চাশজনৰে এখন আসন উদং হল। তেতিয়া সেই তালিকাত থকা একাৱন নম্বৰৰ জনক সংসদলৈ পোনে পোনে নিৰ্বাচিত হৈছে বুলি ঘোষণা কৰা হয়। এনে ব্যৱস্থাত উপ-নিৰ্বাচনৰ কোনো প্ৰয়োজন নোহোৱা হৈছে। সংখ্যাগৰিষ্ঠ ইহুদী ভোটদাতাসকলৰ বাহিৰেও ইজৰাইলত সংখ্যালঘু সম্প্ৰদায়ৰ ১,৭২,০০০ মুছলিম্ ভোটাৰ, ৫২,০০০ খ্ৰীষ্টান ভোট-দাতা আৰু ২৪,০০০ দ্ৰুজ্ সম্প্ৰদায়ৰ ভোট-দাতা আছে। দ্ৰুজ্ সম্প্ৰদায়টোৰ বিষয়ে জানিবলৈ ইচ্ছা হৈছিল। ইজৰাইলী সংসদৰ আৰব সদস্য এগৰাকীয়ে কলে : 'একাদশ শতাব্দীত মুছলিম ধৰ্ম্ম-বান্ধোনৰপৰা আঁতৰি অহা সকল হৈছে এটা সম্প্ৰদায় বিশেষ। এতিয়াও এওঁলোকৰ আচাৰ-বিচাৰ, নীতি-নিয়ম মুছলিম সম্প্ৰদায়ৰ সৈতে ভালেখিনি মিলে।' খবৰ লৈ জানিলো : ১৯৬১ চনৰ ১৫ আগষ্টৰ দিনা অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত সৰ্বমুঠ শতকৰা ৮১.৩৫ হাৰে ভোট দান কৰা হয়। বৰ্তমান সংসদখন হৈছে ইজৰাইলৰ ৰাজনৈতিক বুৰঞ্জীৰ পঞ্চম সংসদ। বৰ্তমান সংসদ এশ কুৰিজনীয়া সদস্য-সংখ্যাৰ ভিতৰত

সাতজন আৰব আৰু দহগৰাকী মহিলা সদস্যা আছে। এইসকলৰ কেইবাগৰাকীকো লগ পাই আহিছে।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰাটো ভাল হব। ভোট লোৱাৰ সময় হৈছে পুৱা ৭ বজাৰপৰা নিশা ১১ বজালৈ। ভোট গ্রহণ শেষ হোৱাৰ লগে লগেই, সেই নিশাই ঠায়ে ঠায়ে ভোট গণনা হৈ যায়। এনে এটা কথা সম্ভৱপৰ হয় কেনেকৈ, সেই বিষয়ে জানিবলৈকো আগ্রহ নোহোৱাকৈ নাছিল। ভোটৰ কেন্দ্রবোৰ সৰু, একোটা কেন্দ্রত আঠ শ ৰপৰা এহেজাৰ, ইয়াতকৈ অধিক ভোটদাতা নেথাকে। সেই কাৰণেই নিশাৰ ভিতৰতে ঠায়ে ঠায়ে ভোট গণনা কাৰ্য্য হৈ যোৱাটো সম্ভৱ। ভোট গণনাৰ ফলাফল নিশাই বিজুলী বাতৰিৰে ৰাজধানী জেৰুজালেম চহৰলৈ প্রেৰণ কৰা হয়।

বৰ্তমান সংসদত সৰু-বৰ এঘাৰটা ৰাজনৈতিক দলৰ প্রতিনিধি আছে। (১) মাপাই (১৯৩০); ইয়াক ইজৰাইলৰ বনুৱা দল বুলিব পাৰি। এই দলটোৰ উদ্দেশ্য গণতান্ত্রিক সমাজবাদ প্রতিষ্ঠা। (২) হেৰুট্ মুভ্মেন্ট (১৯৪৮); এইটো এটা বিৰোধী দল। অর্থনৈতিক ক্ষেত্রত এই দলটোৱে ব্যক্তিখণ্ডত বিশ্বাস কৰে। (৩) লিবাৰেল পাৰ্টি (১৯৬১); ইংলণ্ড আদি দেশৰ লিবাৰেল পাটিৰ সৈতে ইয়াৰ আদৰ্শ সমজাতীয়। (৪) মিজ্ৰাহী হাপয়েল্-হামিজ্ৰাহী (১৯৫৬); এইটো এক ধৰ্ম্ম-সম্প্রদায়কেন্দ্রী ৰাজনৈতিক দল। (৫) মাপাম (১৯৪৮); এইটো এটা বনুৱা দল। ইয়াৰ আদৰ্শ সমাজবাদী সমাজ স্থাপন। (৬) আগ্দূত হা-এভোদা-পাওলেই জিয়ন (১৯৫৪); এইটো দলে চৰকাৰৰ সৈতে সকলো ক্ষেত্রতে সহযোগ বিচাৰে। (৭) কমিউনিষ্ট পাৰ্টি (১৯৪৮); ই মাৰ্ক্সীজ-লেনিনিজমত বিশ্বাসী দল। (৮) আগোদান্ ইজৰাইল (১৯১২); ই ইহুদী ধৰ্মশাস্ত্রৰ নির্দেশ অনুসৰি ৰাষ্ট্র পৰিচালনা কৰিবলৈ বিচাৰে। (৯) পালাই আগোদৎ ইজৰাইল (১৯২৪); ই এটা ধৰ্ম্মকেন্দ্রী বনুৱা দল। এই ইহুদী দলসমূহৰ বাহিৰেও আৰবসকলৰ দুটা আঞ্চলিক ৰাজনৈতিক দল আছে। (১০) এটাই

কাৰমেন্ পশ্চিম গেলিলী আৰু মধ্য অঞ্চলৰ মুছলিম আৰু দ্ৰুজ্ সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰে। (১১) আনটোৱে মধ্য গেলিলীৰ অধিবাসী মুছলিম আৰু দ্ৰুজ্ সম্প্ৰদায়ৰ প্ৰতিনিধিত্ব কৰে। প্ৰথমটো দলৰ নাম কো-অপাৰেশ্যন এণ্ড ফ্ৰেটাৰনিটি; আনটোৰ নাম প্ৰ'গ্ৰেচ এণ্ড ডেভলপমেন্ট। এইবোৰৰ বিষয়ে সংসদৰ লবিত দীঘলীয়াকৈ আলোচনা হৈছিল। আলোচনাৰ জৰিয়তে ইজৰাইলৰ ৰাজনৈতিক মানচিত্ৰ মোৰ চকুত ক্ৰমাৎ স্পষ্ট হৈ পৰিছিল। নিশা যিমানেই গভীৰ হল, সিমানেই কেউপিনৰ মানুহবোৰ বেছি ভাল লগা হৈ আহিল।

ইজৰাইলৰ ৰাজনৈতিক জীৱনৰ কথা শেষ হোৱা নাই, আৰু আছে। উদাহৰণস্বৰূপে আমাৰ বা ইংলণ্ডৰ বা আমেৰিকাৰ সদনৰ যেনেকৈ দুটা ভাগ আছে, তেনেকৈ ইজৰাইলী সদনৰ নাই। ই Unicameral, এক বিভাগ-যুক্ত। মুঠ পাঁচ বছৰৰ কাৰণে সদনে ৰাষ্ট্ৰৰ প্ৰেচিডেণ্টজনক নিৰ্বাচিত কৰে। সদনৰ অধ্যক্ষজনকে নিৰ্বাচিত কৰা হয়, বৰ্তমানৰ অধ্যক্ষগৰাকীৰ নাম হৈছে কাডিচ্ লুজ্। এওঁৰ উপৰিও সদনৰ সাতজন উপাধ্যক্ষ আছে। সদনত প্ৰতিনিধিত্ব কৰা মুখ্য ৰাজনৈতিক দল একোটাৰ এওঁলোক প্ৰতিনিধি। এই সাতজন উপাধ্যক্ষৰ ভিতৰত দুগৰাকী মহিলা আছে। মহিলা কেইগৰাকীক বুদ্ধিমতী যেন লাগিল।

সদনৰ বিতৰ্ক হিব্ৰু ভাষাত হয়। আৰব সদস্যসকলৰ কাৰণে আৰবী ভাষা ব্যৱহাৰ কৰাৰ সুবিধা আছে। হিব্ৰু ভাষাৰপৰা আৰবী ভাষালৈ আৰু আৰবী ভাষাৰপৰা হিব্ৰু ভাষালৈ, লগে লগে ভাঙনি কৰাৰ সুবিধাও আছে। 'সদন' অৰ্থ বুজোৱা 'নেচেট্' শব্দটোৰ বিষয়ে একেষাৰ এইখিনিতে কব খুজিছোঁ। শব্দটো অতি প্ৰাচীন। দুহেজাৰ বছৰৰ পূৰ্ব্বে ইজৰাইলৰ কেন্দ্ৰীয় বিধানসভাক বুজাবলৈ এই শব্দটো ব্যৱহাৰ কৰা হৈছিল; আচল শব্দকেইটা হৈছে, 'নেচেট্ গেদ'লা', ইংৰাজীত যাক 'Great Synod', এনেদৰে অনুবাদ কৰিব পাৰি।

পোন্ধৰজন সদস্যেৰে বৰ্তমান ইজৰাইলী মন্ত্ৰীসভা গঠিত। ৰাষ্ট্ৰৰ প্ৰেচিডেন্টে মন্ত্ৰীসভা নিযুক্ত কৰাৰ পিছত, সদস্যসকলৰ নাম সদনৰ মজিয়াত উত্থাপন কৰা হয়। সদনে প্ৰত্যেকজনকে আনুষ্ঠানিকভাৱে সমৰ্থন জনোৱাৰ অন্তত হে সেইসকলক মন্ত্ৰীপদৰ শপত গ্ৰহণ কৰিবলৈ দিয়া হয়। বৰ্তমান সদনত কোনো ৰাজনৈতিক দলৰেই একক সংখ্যাগৰিষ্ঠতা নাই, সৰ্ববৃহৎ পাৰ্টি, মাপাই দলৰো একক সংখ্যাগৰিষ্ঠতা নাই। বৰ্তমান মাপাই দলৰ নেতৃত্বত কোৱালিশ্যন্ চৰকাৰ হে প্ৰৱৰ্ত্তমান। মন্ত্ৰীসভা গঠন কাৰ্য্যত মাপাইৰ লগত আন দুটা ৰাজনৈতিক দলে সহযোগিতা কৰিছে : আগদূত-হা-এভোদা-পাওলেই জিয়ন আৰু মিজ্ৰাহী-হাপয়েল্-হামিজ্ৰাহী। মন্ত্ৰীসভাত প্ৰথমটো দলৰ দুজন আৰু দ্বিতীয়টোৰ এজন সদস্য আছে। কোৱালিশ্যন্ চৰকাৰৰ ওপৰত মোৰ আস্থা নাই। ফৰাচী দেশৰ ৰাজনৈতিক ভাৰসাম্যহীনতাৰ ঘাই কাৰণ হৈছে কোৱালিশ্যন্ চৰকাৰ। তথাপি কব লাগিব - ইজৰাইল ব্যতিক্ৰম। কোনো অবাঞ্ছিত ৰাজনৈতিক সমস্যা ইয়াত দেখা দিয়া নাই, আনহাতে ৰাষ্ট্ৰৰ সকলো কাম নিয়াৰিকৈ চলাৰ উদাহৰণ হে দেখি আহিছোঁ। মন্ত্ৰী ইগ্‌ল এ'লনৰ সৈতে এনে সমস্যাৰ সম্ভাৱনাৰ বিষয়ে আলোচনা নকৰাকৈ নাছিলোঁ। তেওঁ ভাল খবৰ এটা দিলে - আলোচনা চলিছে, তেওঁৰ পাৰ্টি সোনকালেই মাপাই পাৰ্টিৰ লগত সন্মিলিত হব। বৰ্তমান তেওঁৰ পাৰ্টি কোৱালিশ্যন্ চৰকাৰৰ সহযোগী - নিজৰ স্বকীয় অস্তিত্ব অৱশ্যে বজাই ৰাখি সৰু সৰু দলব সংখ্যা যিমানেই বাঢ়ে, সিমানেই গণতন্ত্ৰৰ শক্তি টুটে। গণতন্ত্ৰ প্ৰকৃততে কাৰ্যকৰী কৰিবলৈ হলে দলৰ সংখ্যা সীমাবদ্ধ হোৱা উচিত। এইষাৰ কথাকে উপলব্ধি কৰি আমেৰিকাৰ যুক্তৰাষ্ট্ৰ ভ্ৰমণ-কালত 'ৰোষ্টন পোষ্ট' বাতৰিকাকতৰ এটা সাক্ষাৎ প্ৰসঙ্গত এনেকৈ কৈছিলোঁ : 'In a democracy, it is always better to have a few strong arms than to have a multitude of feeble fingers.' অৰ্থাৎ গণতন্ত্ৰত নিশকতীয়া এবাহ আঙুলি হোৱাতকৈ কেইটামান সবল বাহু

হোৱাটো অধিক মঙ্গলজনক। নিশকতীয়া ভালেমান ৰাজনৈতিক দল হোৱাতকৈ কেইটামান দল হোৱাটো ভাল।

দেশ এখনৰ প্ৰকৃততে ঐতিহ্য বুজিবলৈ হলে সেই দেশৰ নাৰী সমাজৰ বিষয়ে জানিব লাগিব। এগৰাকী ফৰাচী লেখকৰ মতে একোটা জাতিৰ বা একোখন দেশৰ নিজস্ব ব্যক্তিত্ব নাৰী-সমাজৰ জৰিয়তে যেনেকৈ প্ৰকাশ পায় বা ৰক্ষা পৰে, তেনেকৈ পুৰুষৰ জৰিয়তে নপৰে। বিজতৰীয়া হবলৈ পুৰুষক সৰহ সময় নেলাগে। নাৰী সহজে বিজতৰীয়া নহয়। সেই কাৰণেই ইজৰাইলৰ বিষয়ে জনাৰ উদ্দেশ্যেৰে ইয়াৰ নাৰী-সমাজক জানিবলৈ যত্ন কৰিছিলোঁ। চমুকৈ কবলৈ হলে পশ্চিমীয়া নাৰী আৰু ইজৰাইলৰ নাৰী - এই দুয়োটাৰ মাজত কোনো পাৰ্থক্যই নেদেখিলোঁ। পিন্ধন-উৰণৰ কথা কব খোজা নাই। অন্তৰৰ বস্তু-সম্ভাৰ সজাই তুলিব নোৱাৰিলে কেৱল পিন্ধন-উৰণে মানুহক মহত্ত্ব বা অসাধাৰণ ব্যক্তিত্ব প্ৰদান কৰিব নোৱাৰে। পশ্চিমীয়া নাৰীৰ দৰে ইজৰাইলৰ নাৰীও মুকলিমূৰীয়া, আগবঢ়া। সেইসকলৰ দৰেই এওঁলোকেও 'till the stars grow dim', আকাশৰ তৰা নিষ্প্ৰভ নোহোৱালৈকে ওৰেটো নিশা যুৰীয়া নাচ নাচিব পাৰে। ফৰাচী দেশত নাৰী সম্বন্ধে এনে ধৰণৰ এটা ব্যাখ্যা আছে : 'Tota mulier in utero' অৰ্থাৎ 'গৰ্ভকোষেই হৈছে নাৰী'। এই ব্যাখ্যাটো কেনে সীমাবদ্ধ, পশ্চিমীয়া নাৰীৰ দৰে ইজৰাইলী নাৰী-সমাজেও তাৰ প্ৰমাণ নিদিয়াকৈ থকা নাই।

জীৱনৰ আন বিভাগত দেখা দিয়াৰ দৰে ইজৰাইলৰ নাৰীসমাজতো সেই একেটা সমস্যাই দেখা নিদিয়াকৈ থকা নাই। পৃথিৱীৰ নানা ঠাইৰপৰা দেশখনলৈ মানুহ আহিছে। ইয়াৰে কোনো নাৰী লাজকুৰীয়া-দুৱাৰডলিত থিয় হৈ পৰ্দাৰ আঁৰৰপৰা বাটৰ মানুহ চোৱাবিধৰ। আনহাতে কোনোগৰাকী হৈছে পশ্চিমীয়া নাৰীৰ দৰে 'তাৰিখ' ৰখাবিধৰ। সমূহ নাৰীৰ ক্ষেত্ৰত ইতিমধ্যে এক বিৰাট পৰিৱৰ্ত্তনে দেখা নিদিয়াকৈ থকা নাই। লৰাৰ লগত ছোৱালীয়ে অবাধে ফুৰা-চকা কৰিছে, একেলগে যুৰীয়া নাচ

নাচিছে, সমৰ শিক্ষা-শিবিৰত একেলগে আছে। পশ্চিমীয়া আদৰ্শ সংস্পৰ্শত প্ৰাচ্যৰ অবাঞ্ছনীয় ঐতিহ্যৰ চকুত লগাকৈ পৰিৱৰ্ত্তন হৈছে। পথাৰত নাৰী আৰু পুৰুষে একেলগে কাম কৰিছে, অফিচত কৰিছে, ৰাষ্ট্ৰ আৰু সমাজৰ দায়িত্ব বহন কৰিছে, সাগৰত সঁতুৰিছে, এৰেপ্লেন চলাইছে, হাতত বন্দুক লৈ একেলগে সীমান্ত ৰখিছে। লেনিনে ঠিকেই কৈছিল : "সমাজৰ অৰ্ধেক ভাগক ৰান্ধনিশালত বন্দী কৰি থৈ কোনো দেশ কেতিয়াও আগবাঢ়িব নোৱাৰে।'

দিল্লীৰ পাৰ্লামেন্ট লাইব্ৰেৰীত বৰ্তমান নাৰী জাতিৰ যৌন জীৱনৰ বিষয়ে এখন কিতাপ পঢ়ি আছোঁ। কিতাপখনৰ নাম হৈছে : 'ডি চেকেণ্ড চেক্স' - গ্ৰন্থকৰ্ত্ৰীৰ নাম হৈছে : চিমনী ডি. বীৱভ'য়েৰ্। নাৰীৰ মনস্তত্ত্বৰ বিষয়ে কিতাপখনত সুন্দৰ ব্যাখ্যা আছে। পুৰুষৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাটো হৈছে নাৰীৰ বাবে আত্মোল্লাসৰ বস্তু। পশ্চিমীয়া দেশৰ কলেজীয়া বা বিশ্ববিদ্যালয়ৰ ছোৱালী একোজনীয়ে কিমান পুৰুষৰ সৈতে 'তাৰিখ' ৰাখিলে তাৰ জৰিয়তে নিজৰ গৌৰৱ ঘোষণা কৰে। যিজনীয়ে আটাইতকৈ বেছি লৰাৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে, সেইজনী মহীয়সী। পৃথিৱীৰ সকলো দেশৰ নাৰীৰ মনস্তত্ত্ব সমজাতীয়। এই ক্ষেত্ৰত বিৱাহিত-অবিৱাহিতা, এনে তৰহৰ কোনো পাৰ্থক্য নাই। ইজৰাইলৰ নাৰী এই পৃথিৱীৰে মানুহ।

আমেৰিকা ভ্ৰমণ-কালত ৱাচিংটন চহৰৰ এগৰাকী মহিলাই মোক কৈছিল : 'আমাৰ দেশৰ নাৰীৰ ৰাজনীতিৰ প্ৰতি আগ্ৰহ নাই। আনবোৰ বিভাগত হে কাম কৰি আমি ভাল পাওঁ।' ইজৰাইলৰ নাৰীৰ ক্ষেত্ৰত এইষাৰ কথা প্ৰয়োগ কৰিব নোৱাৰি। ইজৰাইলী পাৰ্লামেন্টৰ মহিলা-সদস্যাৰ সংখ্যাৰপৰাই এইষাৰ কথা প্ৰমাণ কৰিব পাৰি। ইজৰাইলৰ বৈদেশিক দপ্তৰৰ মন্ত্ৰীগৰাকী মহিলা, নাম গল্ডামূইৰ। এইখিনিতে তথ্য এটা আগবঢ়াব খুজিছোঁ। অনুন্নত অৱস্থাৰপৰা উন্নত স্তৰলৈ গতি কৰিব খোজা প্ৰত্যেক দেশতে নাৰীৰ পুৰুষৰ সৈতে সমানে

প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰতি আগ্ৰহ থকাটো অস্বাভাৱিক কথা নহয়। কব নোৱাৰাকৈয়ে মনৰ কোনোবা এক গহন কোণত নীচাত্মিক শক্তিয়ে কাম কৰে। এই শক্তিয়ে যেতিয়া প্ৰকাশ বিচাৰে, তেতিয়াই বিপৰীতমুখী মনোভাবৰ সৃষ্টি হয়। মনস্তত্ত্বৰ ক্ষেত্ৰত সমাজ বা ব্যক্তি যিমানেই অনুন্নত হয়, সিমানেই নীচাত্মিক শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰাদুৰ্ভাৱ বাঢ়ে।

ওপৰত উল্লেখ কৰা এই তথ্যফাকি ইজৰাইলৰ নাৰীৰ ক্ষেত্ৰত কিমানদূৰ প্ৰয়োগ কৰিব পাৰি, সেই বিষয়ে সন্দেহ। একেষাৰ কথা কব লাগিব - ইজৰাইলৰ জাতীয় চৰিত্ৰ প্ৰশংসনীয়ভাৱে নিজস্ব জ্যোতিৰে জ্যোতিষ্মান। স্বাধীনতাৰ জৰিয়তে যৌৱনপ্ৰাপ্ত, চিৰকাল পৰ-পদানত জাতি এটাৰ উন্নতিৰ পথত আগবঢ়াৰ প্ৰতি যি আগ্ৰহ, 'এইখন মোৰ দেশ, এইখন দেশক মোৰ সকলো শ্ৰম আৰু কষ্টেৰে গঢ়িব লাগিব' - এনে যি এটা মনোভাব, ইয়েই হৈছে নতুন ইজৰাইলৰ প্ৰাণ-স্পন্দন। গতিকে দেশৰ কল্যাণৰ কাৰণে পুৰুষ যেনেকৈ আগবাঢ়ি আহিছে, নাৰীও আহিছে। বিজ্ঞান, ইঞ্জিনীয়াৰিং, চিকিৎসাবিদ্যা, আইন-আদালত, সকলে বিভাগতে নাৰীৰ প্ৰাদুৰ্ভাৱ দেখি আহিছোঁ। হাইফাৰ টেক্‌নীয়ন্ অনুষ্ঠানলৈ গৈছিলোঁ - নিৰ্মাণ গৱেষণা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপকগৰাকী হৈছে মহিলা। আণৱিক বিজ্ঞানৰ ক্ষেত্ৰতো সেইদৰে দেশৰ বাহিৰে-ভিতৰে ইজৰাইলী নাৰীয়ে বৰঙণি যোগাইছে। জাতীয় ৰঙ্গমঞ্চ আৰু সঙ্গীতৰ ক্ষেত্ৰত ইজৰাইলী নাৰীৰ বৰঙণি অতুলনীয়। এই একেদৰেই প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহৰ শিক্ষকৰ দুই-তৃতীয়াংশ হৈছে শিক্ষয়িত্ৰী। শিক্ষকতাৰ কাৰণে মহিলা ছাত্ৰৰ উচ্ছৃঙ্খল আচৰণ বন্ধ কৰাৰ এক উত্তম উপায়।

আগতে উল্লেখ কৰি আহিছোঁ, ইউৰোপীয় নাৰী-সমাজৰ দৰে ইজৰাইলী নাৰী-সমাজো মুক্ত। এইখন দেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ পূৰ্ব্বে ইউৰোপৰ দেশসমূহত নাৰী-মুক্তিৰ যি প্ৰৱাহ বলিছিল, সেই প্ৰভাৱে ইহুদী নাৰীক স্পৰ্শ নকৰাকৈ নাছিল। মানুহৰ

ব্যক্তিত্ব বিকাশৰ ওপৰত পৰিৱেশৰ প্ৰভাৱ পৰাটো তেনেই স্বাভাৱিক কথা। ইজৰাইলৰ নগৰ-চহৰ, গাঁও-ভূই, সকলো অঞ্চলৰে নাৰী স্বাধীনচিতীয়া, মুকলি-মূৰীয়া। নাৰী-জাতিৰ যেতিয়ালৈকে মুক্তি নহয়, কোনো দেশ বা জাতি কেতিয়াও আগবাঢ়িব নোৱাৰে। প্ৰাচ্য-দেশসমূহৰপৰা ইজৰাইললৈ অহা লাজকুৰীয়া নাৰীও পশ্চিমীয়া ইহুদী-সমাজৰ নাৰীৰ প্ৰভাৱত মুকলি-মূৰীয়া হৈছে। এনেধৰণৰ প্ৰাচ্যৰ নাৰী কেইগৰাকীমান হাইফা আৰু জেৰুজালেম চহৰত দেখি আহিছোঁ। বীৰশ্বেৱা চহৰত কেইগৰাকীমান শাৰী পিন্ধা মহিলা দেখিছিলোঁ। ইজৰাইলৰ আন নাৰীৰ সমানেই এইসকলো আগবঢ়া। মোৰ ধাৰণা-পুৰুষৰ ৰিজনিত নাৰীৰ গ্ৰহণ-শক্তি বেছি। কোনো কোনোৱে হয়তো কব, নাৰী স্বাভাৱিকতে তৰল। সেই কাৰণেই তেওঁলোকৰ গ্ৰহণ শক্তি বুলিলে ভুল হব - অনুকৰণ শক্তি অতি প্ৰখৰ। ই যিয়েই নহওক লাগিলে, ইতিমধ্যে যিসকল আৰবীয় নাৰী বাহিৰৰ জীৱনলৈ ওলাই আহিছে, সেইসকলেও ওৰণী আঁতৰাই থৈ হে ওলাই আহিছে। সমগ্ৰ ইজৰাইলত, বৈৱাহিক. ক্ষেত্ৰতেই হওক বা অৰ্থনৈতিক ক্ষেত্ৰতেই হওক, নাৰী-সমাজৰ জীৱনত বিপুল পৰিৱৰ্তন সংঘটিত হৈছে।

সংসদ সদস্যা নাইবা উপাধ্যক্ষ হোৱাৰ উপৰিও ইজৰাইলৰ নাৰীয়ে আন্তৰ্জাতিক অনুষ্ঠানত দেশৰ প্ৰতিনিধি স্বৰূপে অংশ গ্ৰহণ কৰিছে। এইখিনিতে আন কেইটামান প্ৰয়োজনীয় কথা কোৱাটো ভাল হব। ইজৰাইলৰ শ্ৰমিক নাৰীয়ে ১২ সপ্তাহৰ বাবেপ্ৰসূতিৰ ছুটী পায়। ইয়াৰে অৰ্ধেক সন্তান জন্মাৰ পিছত। এই কালছোৱাত দৰমহাৰ শতকৰা ৭৫ ভাগ দিয়া হয়। ইয়াৰ উপৰিও জাতীয় ইন্সিওৰেঞ্চৰ ব্যৱস্থা আছে। এই ইন্সিওৰেঞ্চ আঁচনি অনুসাৰে ৬৫ বছৰ বয়সপ্ৰাপ্ত প্ৰত্যেক পুৰুষেই, ৬০ বছৰ বয়সপ্ৰাপ্তা প্ৰত্যেক নাৰীয়েই, ৫ বছৰ বয়সপ্ৰাপ্তা প্ৰত্যেক বিধৱাই একোটাকৈ পেঞ্চন পায়। ইয়াৰ উপৰিও এওঁলোকে প্ৰসূতিৰ কালছোৱাত হস্পিটল আদিত হোৱা যাৱতীয় খৰচ ৰাষ্ট্ৰৰপৰা

পায়। আধুনিক ৰাষ্ট্ৰৰ সাৰ্থকতা নিৰ্ভৰ কৰে জনসাধাৰণৰ তত্ত্বাৱধান লোৱা কাৰ্য্যৰ ওপৰত। ৰাষ্ট্ৰ যেতিয়া সমাজবাদী হয়, এই দায়িত্ব বহুগুণে বৃদ্ধি পায়। আধুনিক পুঁজিবাদী ৰাষ্ট্ৰসমূহেও এনে ব্যৱস্থা গ্ৰহণ কৰিব লগা হৈছে। সেইবুলি আদৰ্শৰ পিনৰপৰা দুয়োটাৰে মাজত পাৰ্থক্য নথকা নহয়। পুঁজিবাদী ৰাষ্ট্ৰত শ্ৰেণীৰ সৃষ্টি হয়, সমাজবাদী ৰাষ্ট্ৰত নহয়।

এইখিনিতে কথা এষাৰ কোৱাটো উচিত বুলি ভাবোঁ। জীৱনৰ আন বিভাগৰ দৰে ইজৰাইলী নাৰীয়ে দেশ-ৰক্ষা বিভাগতো অভূতপূৰ্বভাৱে সহযোগ কৰিছে। খবৰ লৈ জানিলোঁ, এই ক্ষেত্ৰত ইজৰাইলী নাৰীৰ বুৰঞ্জীসমৰ্থিত ঐতিহ্য আছে। দ্বিতীয় মহাসমৰৰ সময়ত তিনি হেজাৰ পেলেষ্টাইনবাসী ইহুদী নাৰীয়ে ব্ৰিটিচ সৈন্যবাহিনীত যোগ দিছিল। ব্ৰিটিচ মেন্‌ডেট্ অন্ত পৰাৰ পিছত, ১৯৪৮ চনত ইজৰাইলবাসী ইহুদীয়ে যেতিয়া স্বাধীনতা ৰক্ষাৰ হকে ৰণ দিব লগা হৈছিল, সেই সময়ত এইখন দেশৰ নাৰীয়ে কেনেকৈ হাতত বন্দুক লৈ পুৰুষৰ সৈতে কান্ধত কান্ধ মিলাই যুঁজিছিল, সেই কাহিনী বুৰঞ্জীৰ অবিস্মৰণীয় ঘটনা। সমগ্ৰ ইজৰাইল জুৰি কেৱল স্মৃতিস্তম্ভসমূহৰ গাতেই নহয়, স্কুলঘৰৰ দেৱালৰ গাতো একেষাৰ কথা জিলিকি আছে : ‘যিসকলে জাতিটোক জীৱন প্ৰদান কৰাৰ উদ্দেশ্যেৰে প্ৰাণ উচৰ্গা কৰিলে, সেইসকলৰ স্মৃতিত।’

দেশপ্ৰেমৰ আদৰ্শই ইজৰাইলী যুৱকক যেনেদৰে অনুপ্ৰাণিত কৰিছে, তেনেকৈয়ে নাৰীকো কৰিছে। কেৱল পুৰুষৰ ক্ষেত্ৰতেই নহয়, নাৰীৰ ক্ষেত্ৰতো ৰাষ্ট্ৰই বিস্তৃতভাৱে শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এইখিনিতে এষাৰ কথা কব লাগিব - যুৱক-যুৱতী উভয়ৰে সামৰিক শিক্ষা যে সমজাতীয়, সেইষাৰ কথা নহয়। ছোৱালীক ৰণাঙ্গনৰ ফ্ৰন্টলাইনৰ শিক্ষা দিয়া নহয়। আত্মৰক্ষাৰ বাবে পাতল অস্ত্ৰ-শস্ত্ৰ কেনেকৈ ব্যৱহাৰ কৰিব লাগে, সেই বিষয়ে হে শিক্ষা দিয়া হয়। সামৰিক শিক্ষা হওঁতে সকলোৰে কাৰণে বাধ্যতামূলক। দুবছৰৰ কাৰণে ১৮ বছৰৰপৰা ২৬ বছৰ

বয়সৰ সকলো অবিৱাহিতা যুৱতীৰ বাবে সামৰিক শিক্ষা বাধ্যতামূলক। সন্তান জন্ম নোহোৱা বিৱাহিতা নাৰীৰ কাৰণে ৩৪ বছৰ বয়সলৈকে এই ব্যৱস্থা বাধ্যতামূলক। যিবোৰ ছোৱালী প্ৰাচীন নৈষ্ঠিক পৰিয়ালৰ, যাক ধৰ্মবিশ্বাসে বাধ্যতামূলক সামৰিক শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বাধা দিয়ে, তেওঁলোকক অব্যাহতি দিয়া হয়। এই ক্ষেত্ৰত আৰব মুছলিম সমাজৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। এইখিনিতে নাৰীৰ পিন্ধন-উৰণৰ বিষয়ে একেষাৰ কথা উল্লেখ কৰাটো ভাল হব। দেহাৰ গুৰুত্বপূৰ্ণ অংশবিশেষ আবৃত কৰাৰ উপৰিও পুৰুষৰ চকুত সৌন্দৰ্য্যশালিনী বুলি পৰিগণিত হোৱাৰ মানসেৰেও নাৰীয়ে দেহা সজায়। এই দ্বিতীয়বিধ মনস্তত্ত্বৰ গুৰিতে ঐতিহাসিক এটা কাৰণ আছে। এইচ. জি. ৱেলচ্‌ৰ কোনোবা এখন কিতাপত পঢ়া মনত আছে - অতীজতে চিকাৰজীৱী মানুহ চিকাৰৰ অন্বেষণত অৰণ্যলৈ গৈছিল। কেতিয়াবা অধিক দিনৰ বাবে সি ঘৰৰপৰা আঁতৰি থাকিব লগা হৈছিল - গুহাত তিৰোতাজনীক এৰি থৈ গৈছিল। এনেদৰে এৰি থৈ যোৱা মানুহজনীলৈ অৰণ্যত বিচাৰি পোৱা মনমোহনীয় বস্তু সি উপহাৰ স্বৰূপে লৈ আহিছিল। হয়তো নানাবুলীয়া চৰাইৰ পাখি, নাইবা জন্তুৰ চিক্‌চিকীয়া দাঁত, কোমল নোমাল ছাল ইত্যাদি। ইয়াৰ উপৰি কেতিয়াবা একোপাহ বনৰীয়া ফুলো হাতত লৈ আহিবলৈ সি পাহৰা নাছিল। এনেদৰে বস্তুৰ উপহাৰ পাই গুহাৰ মানুহজনীৰ চকুহাল তৃপ্তিত নিশ্চয় উজ্জ্বল হৈ পৰিছিল। যিটো মানুহে এনেবোৰ বস্তুৰ উপহাৰ দিছিল, সেইটো মানুহৰ চকুত এইবোৰেৰে দেহ সজাই দেখনিয়াৰ হৈ পৰাটো তাইৰ একমাত্ৰ আগ্ৰহ হৈ পৰিছিল। সমুখত এনেদৰে সুন্দৰী হৈ পৰা মানুহ এজনীৰ কমনীয় ছবি দেখি চিকাৰী মানুহটোও তৃপ্ত হৈ পৰিছিল। পুৰুষক তৃপ্তি প্ৰদান কৰি নাৰীয়ে তৃপ্তি পায়। পুৰুষৰ তৃপ্তি-বিধান নাৰীৰ ধৰ্ম্ম। পুৰুষক প্ৰদান কৰা তৃপ্তিয়ে তৃপ্তিদাত্ৰীকো বিপুল তৃপ্তি দিয়ে।

‘আজ কোনো কাজ নয়। সব ফেলে দিয়ে
ছন্দোবন্ধ গ্রন্থগীত, এসো তুমি প্রিয়ে,
আজন্ম সাধন ধন সুন্দৰী আমাৰ
কবিতা কল্পনালতা।’

পুৰুষৰ চকুক তৃপ্তি দিয়াৰ প্রতি নাৰীৰ যি সহজাত আগ্রহ আৰু আকাঙ্ক্ষা, আজিৰ যুগত সেই মনস্তত্ত্বই নতুন এক কৌশলী ৰূপ লৈছে - সম্ভৱতঃ topless ৰ প্রচলনৰ মূলত এইটো আকাঙ্ক্ষাই। বর্তমান সমাজত নাৰীৰ দেহসজ্জা আদর্শৰ দ্রুতগতিত পৰিৱর্তন হৈছে। বাট্রাণ্ড ৰাচেলৰ কিতাপত পঢ়া মনত আছে - ইংলণ্ডত ভিক্টোৰীয়া যুগৰ নাৰীয়ে আনকি ভৰিৰ সৰু গাঁঠিটোও অনাবৃত কৰি নেৰাখিছিল। সেইটোৱেই আছিল আদর্শ। কেৱল স্তন-দেশ আৰু কটিদেশ আবৃত কৰাৰ বাহিৰে নাৰীদেহৰ অন্য অঞ্চলবিশেষ অনাবৃত কৰি থলেও কোনো আহুকাল নোহোৱা স্তৰলৈ বর্তমান মানৱ-সমাজ অগ্রসৰ হৈছে। নাইবা দেহাত কাপোৰ পিন্ধিলেও এনে চাচ্‌পেঞ্চ ৰাখি পিন্ধা হয় যে নাৰীদেহৰ গুৰুত্বপূর্ণ অংশবিশেষৰ ইঙ্গিত সহজে অনুমান কৰিবলৈ কোনো অসুবিধা নহয়। মানুহৰ ৰুচি-অভিৰুচি চিৰ পৰিৱর্তনশীল। আক্ষেপ কৰিব লগা একো নাই। সাজ-পৰিচ্ছদে ধ্বংস নকৰি সৌন্দর্য্য সৃষ্টি কৰিব পাৰিলেই হল - সেয়ে আদি আৰু সেয়ে অন্ত।

সাধাৰণতে ইজৰাইলী ছোৱালীৰ সাজ হৈছে নীলা জীনচ্‌, কামিজ চোলা আৰু জাৰৰ দিনত এটা চুৱেটাৰ। প্রাচ্যৰ নাৰীয়ে সৰহ আভৰণ পিন্ধে। পশ্চিমৰ নাৰী এই পিনৰপৰ উদাৰ। সাজ-পোছাকৰ ফালৰপৰা আধুনিক ইজৰাইলী গাভৰুহঁত যথেষ্ট উদাৰ আৰু মুক্ত। এইখিনিতে মোৰ লীন্ উটাঙৰ একেষাৰ কথা মনত পৰিছে : “The philosophy behind Chinese and Western dress is that the latter tries to reveal the human form, while the former tries to conceal it. But as the human body is essentially like the monkey’s, usually the less of it revealed the better.’ পশ্চিমীয়া

কোনো কোনো সমাজত নাৰীয়ে মুখত ৰং ঘঁহা, মেক্-আপ্, কৰা ক্ৰমাৎ যেনেকৈ পতনমুখী সমাজৰ, অকৰ্মণ্য জীৱনৰ বস্তু বুলি পৰিগণিত হবলৈ ধৰিছে, সেইদৰে ইজৰাইলতো মানুহৰ মনত এনে এটা ভাবে ভূমুকি নমৰাকৈ থকা নাই। ইয়াত নাৰীৰ মেক্-আপৰ অত্যাচাৰ নাই। অযথা ৰং ঘহি লেটাৰ-বক্সটোৰ দৰে ওঁঠ ৰঙা কৰাতকৈ স্বাভাৱিক ৰঙা ওঁঠ বহুত গুণে আদৰণীয়। কিবুৎজ্ গাঁও-অঞ্চলত লিপষ্টিক দেখিবলৈ নাই। ব্ৰিটিচে ভাৰতবৰ্ষৰপৰা বহুত বস্তুৱেই লুণ্ঠন কৰি লৈ গল - কিন্তু ইয়াৰ পৰিৱৰ্তে দি গল এটা উপাদেয় বস্তু। সেইটো হৈছে স্বাধীন ভাৰতৰ নাৰীৰ বাবে লিপষ্টিক্। মই ভাবো - আচল স্বাস্থ্যই হৈছে সৌন্দৰ্য্য। ইজৰাইলত এজনীও অস্বাস্থ্যৱতী ছোৱালী নেদেখিলোঁ।....... কথা হৈছে, কৰ্ম্মী মানুহৰ কাৰণে অযথা দেহ-সজ্জাৰ বাবে সময় ক'ত? যাৰ সময় অপাৰ, তাৰ বাবে হে এনেবোৰ অলাগতিয়াল কাম কৰিবলৈ আজৰিৰ নাটনি নহয়। ৰুচ দেশৰ মহিলা-সমাজৰ দৰে ইজৰাইলৰ নাৰীও দেশ-নিৰ্মাণৰ কামত এনেভাৱে ব্যস্ত যে এনেবোৰ অপ্ৰাসঙ্গিক কথালৈ চকু দিবলৈ তেওঁলোকৰ সময় ক'ত? সেইবুলি ইজৰাইলৰ নাৰী জানো লেতেৰী-ফেদেলী ? এওঁলোকৰ সৌন্দৰ্যৰ গুৰিতে হৈছে স্বাস্থ্য। স্বাস্থ্যৰ বান্ধ হে আচল বান্ধ। সজালে-পৰালে বান্দৰীও সুন্দৰী হয় বুলি তাহানি আমাৰ বুঢ়ী আইতাই কোৱা শুনিছিলো। বুঢ়ী আইতা এতিয়া নাই। থকা হলে সুধিলোহেঁতেন : এইষাৰ কথা অস্বাস্থ্যৱতী ছোৱালীৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি নে নোৱাৰি ?

'কেলেই ঘঁহিছা কেঁতুৰি হালধি
আপুনি কেতেকীৰ পাহি ?'

ইজৰাইলৰপৰা প্ৰত্যাৱৰ্তন কৰাৰ পিছত দিল্লীৰ বন্ধু এজনে সুধিছিল ? তাত নৈশ-ক্লাব আছে নে নাই ? বন্ধুজনক কব লগাখিনি কৈছোঁ। পশ্চিমীয়া দেশসমূহত থকাৰ দৰে ইজৰাইলত তেনে তৰহৰ নৈশ-ক্লাব নাই। যুৱীয় নৃত্য অৱশ্যে আছে।

হোটেল, ৰেষ্টোৰাৰ নৃত্য-কক্ষত এইবোৰৰ সুন্দৰ ব্যৱস্থা আছে। এনিশা ঘূৰি-পকি আহি যুৱীয়া নৃত্য আৰু পশ্চিমীয় সঙ্গীত উপভোগ কৰোঁ বুলি হোটেলৰ নৃত্য-কক্ষত সোমালোঁহি। কেউপিনে 'পানীয় দ্রব্যৰ' অভ্যর্থনা। কেইযোৰমান পুৰুষ-মহিলাক দেখিলোঁ, কক্ষত যে আন মানুহো আছে, সেই বিষয়ে খবৰ নাই। মোৰ দাঁতিৰ চকী দুখনত দেখিলোঁ তেনে এযোৰা পুৰুষ-মহিলা। কক্ষৰ বিজুলী বন্তিবোৰ নুমাই থোৱা হৈছিল। তাৰ পৰিৱৰ্তে টেবুলে প্ৰতি সৰু একোডাল মমবাতি জ্বলাই থোৱা আছিল। অলপ পিছতেই মোৰ ওচৰৰ যোৰাই ফু মাৰি মমবাতিডাল নুমাই দিলে। মোৰ টেবুলৰডালো নুমাই দিলোঁ। ইয়াৰ পিছত ৰিণিকি ৰিণিকি পোহৰত কি দেখিলোঁ তাৰ বৰ্ণনা দিব লাগিব জানো? এযোৰাই দেখিলোঁ নাচিবলৈ লৈছে—মৰমৰ কি অত্যাচাৰ !

বৈদেশিক দপ্তৰৰ ডেপুটি ডাইৰেক্টৰ মিঃ কোহানে 'উইমেন্ অৱ্ ইজৰাইল' বোলা কিতাপ এখন উপহাৰ দিছিল। কিতাপখনৰ এঠাইত এনেদৰে আছে : 'And kissing in the street just never happens, atleast in daylight,' অৰ্থাৎ দিনৰ পোহৰত ৰাজআলিত চুম্বন-কাৰ্য কেতিয়াও নহয়। এইষাৰ কথা বৰ শুদ্ধ নহয়। ইয়াৰ ব্যতিক্ৰম হোৱা দেখি আহিছোঁ, ৰাতিও দেখিছো, দিনতো দেখিছোঁ। বেয়া নেপায় যদি দুই-এটা উদাহৰণ দিওঁ বুলিছোঁ। ফ'ন্টেব্লু ৰেষ্টোৰাঁত আহাৰ খাই বাটত নিশা টহল দিছোঁ। এনেতে দেখিলে। দুযোৰা লৰা-ছোৱালী ৰাজআলিত থিয় হৈ সিহঁত এনেকৈ চুম্বন-কাৰ্যত লিপ্ত যে দেখিলে নিজৰেই লাজ লাগি যায়। ছোৱালী দুজনীক লৰাহালে জালিতিয়হ চোবোৱাদি যেন চোবাই হে পেলাব - ইমান উষ্মা। অলপ দূৰৈৰ ছাঁ-পোহৰত আৰু এহালক দেখিলোঁ, সেই একে উত্তাপ।

'কাচি দলি মাৰি হাবিতে সোমালোঁ
ওঁঠতে বৰলে খালে।'

এয়া গল ৰাতিৰ কথা। এতিয়া দিনৰ কথালৈ আহোঁ। তেল-এভিভ্ চহৰৰ সমুদ্ৰতীৰস্থ্ বালিত এদিন ফুৰিবলৈ গৈছিলো। বহুত পুৰুষ-মহিলা সেই ঠাইত অৰ্ধ উলঙ্গ অৱস্থাত সূৰ্য্যস্নান কৰা কাৰ্যত ব্যস্ত। ইয়াৰে এযোৰাৰ কথা কব খুজিছোঁ। ডেকাজনৰ কটিদেশ আবৃত। দেহাটো সুঠাম, মাংসপেশীবোৰ সবল। গাভৰুজনীৰ স্তন-দেশ আৰু কটিদেশ আবৃত। দেহাটো লাহী, নিমজ, ধুনীয়া। হালেই আকাশৰ ফালে মুখ কৰি চকুকেইটা মুদি সূৰ্য্যান কৰাত নিমগ্ন । পৰে পৰে গাভৰুজনীয়ে চকুহাল মেলি দিয়ে। ডেকাটোৱে কেনেকৈ গম পায় কব নোৱাৰোঁ, সিয়ো ঠিক একেসময়তে চকুহাল মেলি দিয়ে। তাৰপিছত মুখৰপৰা আৰম্ভ কৰি গাভৰুজনীৰ সৰ্ব্বদেহৰ ওপৰেদি ডেকাটোৰ ওঁঠকেইটা বাগৰি যায়। আকৌ চকু মুদি সিহঁত শুই পৰে। আকৌ চকু মেলে। আকৌ...ডেকা-গাভৰুৰ মৰমৰ প্ৰদৰ্শন ৰাজহুৱাভাৱে অতিপাতকৈ নহয় যদিও একেবাৰে নহয় বুলি আপুনি কয় কেনেকৈ ? ইজৰাইলীসকলো মানুহ হে।.... আৰু এটা কথা এইখিনিতে কৈ থওঁ। দেশৰ ফিল্ম-শিল্প বিশেষভাৱে আগবঢ়া নহয় যদিও সংখ্যানুপাতে ইজৰাইলী মানুহে পৃথিৱীৰ সকলোতকৈ অধিক চিনেমা চায়। চিনেমা-ঘৰৰ সমুখত দিনতো মানুহৰ ভিৰ, ৰাতিও ভিৰ চিনেমা-দৰ্শকৰ ভিতৰত ডেকা-গাভৰুৰ সংখ্যাই বেছি। ইজৰাইলৰ ছবি-ঘৰত প্ৰদৰ্শিত প্ৰায়বোৰেই আমেৰিকান ছবি। হলৰপৰা মাজে মাজে ডেকা-গাভৰু যোৰ পাতি ওলাই দূৰৈৰ আন্ধাৰলৈ আঁতৰি যায়। এইবোৰ স্বাভাৱিক কথা - গতিকে কোনেও সন্দেহৰ চকুৰে নেচায়।

এইখিনিতে এষাৰ কথা কৈ থব খুজিছোঁ। এনে তৰহৰ মাজনিশাৰ উন্মাদনাৰে দেশ এখনৰ সমাজ জুখিবলৈ গলে ভুল কৰা হব। বৰ্তমান এইবোৰ সকলো দেশৰে, সকলো সমাজৰে ছবি। সেই কাৰণেই কব খুজিছোঁ, এনে জোখ-কাঠীৰে ইজৰাইলৰ সমাজ-জীৱন জুখিব নোৱাৰি, অন্ততঃ জুখিবলৈ গলে অযথা ভুল কৰা হব।.... এইখিনিতে প্ৰশ্ন হয় : আধুনিক আগবঢ়া

সমাজসমূহৰ সমস্যা কি দ্ৰুত এই পৰিৱৰ্তনশীল সমাজত পাৰিবাৰিক জীৱন আৰু বাহিৰৰ সামাজিক-অৰ্থনৈতিক জীৱনৰ মাজত সামঞ্জস্য ৰক্ষা কৰা হয় কেনেকৈ ? প্ৰাচীন ঐতিহ্যৰ মৃত্যু হৈছে, সঁচা কথা। এইখিনিতে কৈ থব খুজিছোঁ - ঐতিহ্যৰ আলোড়ন যে সদায়েই ভাল কথা, সেইষাৰ কথা সদায়েই সঁচা নহয়। ঐতিহ্যই সমাজক প্ৰাণ দিয়ে যেনেকৈ তেনেকৈয়ে কোনো কোনো মুহূৰ্তত সমাজক ৰসাতললৈ হেঁচুকি দিয়াৰ উদাহৰণো নথকা নহয়। ক'ৰবাত পঢ়া মনত আছে, পাৰিবাৰিক জীৱনৰ সকলোতকৈ ডাঙৰ কথা হৈছে স্বামী-স্ত্ৰীৰ মাজত সামঞ্জস্য ৰক্ষা, adjustment. নতুন পৰিৱৰ্তিত সমাজ ব্যৱস্থাত ইয়াৰ স্বৰূপ সলনি হৈছে। কেৱল ইজৰাইলতে নহয়, সমগ্ৰ পৃথিৱীতে।

বৰ্তমানৰ আমূল সামাজিক পৰিৱৰ্ত্তনে পৰিবাৰ-জীৱনৰ ওপৰত যে যথোচিত হেঁচা নিদিয়াকৈ আছে, সেইষাৰ কথা সঁচা নহয়। ওৰেটো দিন বাহিৰত পৰিশ্ৰম কৰি অহাৰ পিছত ঘৰ সোমায়েই পুৰুষে পত্নীৰ সান্নিধ্য বিচাৰে। কিন্তু ঘৰ সোমাই যেতিয়া পত্নী কৰ্ম্মথলীৰপৰা প্ৰত্যাৱৰ্তন কৰা মুহূৰ্তলৈ বাট চাব লগা হয়, তেতিয়া পুৰুষৰ মনস্তত্ত্বই কেনেদৰে প্ৰতিক্ৰিয়া কৰাটো সম্ভৱ ? মনস্তত্ত্বৰ যেনেকৈ পৰিৱেশৰ ওপৰত প্ৰভাৱ পৰাটো স্বাভাৱিক, তেনেকৈ পৰিৱেশেও মনস্তত্ত্বক কিঞ্চিতভাৱে হলেও গঢ় দিয়াটো স্বাভাবিক। বৰ্তমান অৰ্থনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ হেঁচাত মানুহৰ মনস্তত্ত্বয়ে খাপ খোৱাকৈ গঢ় নোলোৱাকৈ থকা নাই। মনস্তত্ত্বৰ পৰিৱৰ্ত্তন সাধনৰ জৰিয়তে পৰিবাৰ-জীৱনৰ সম্বন্ধ যাতে নিমজ হব পাৰে, তাৰ বাবে দুটা বস্তুৰ বিশেষকৈ প্ৰয়োজন : (১) পৰিবাৰ জীৱনত স্বামী-স্ত্ৰীৰ মনৰ সামঞ্জস্য, ভাৰসাম্য ৰক্ষা; (২) পৰিৱৰ্তনৰ জৰিয়তে পৰিবাৰ-জীৱনৰ শৃঙ্খলা যাতে হানি নহয়, তাৰ বাবে সমাজৰদ্বাৰা দায়িত্ব গ্ৰহণ। 'সমাজত নাৰীৰ স্থান' বুলি প্ৰচলিত একেষাৰ কথা আছে। বৰ্তমান সমাজত নাৰীৰ স্থান বৈপ্লৱিক পৰিৱৰ্তনৰ জৰিয়তে নিৰ্ধাৰিত হৈছে। এইখিনিতেই পৰিৱৰ্তিত পৰিৱেশত পৰিৱৰ্তিত

সমাজ-জীৱনৰ সাৰ্থকতা। মানুহৰ কৌশলী মনে যুগে যুগে পৰিৱৰ্তনৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। লগতে নিজকে সংশোধিত কৰি আহিছে। পৰিৱেশক স্বীকাৰ কৰি লৈ।

বৰ্তমান নাৰী-সমাজৰ দাবীসমূহ অৰ্থনৈতিক ভিত্তিত নিৰূপিত হবলৈ ধৰিছে। (১) সম-প্ৰকৃতিৰ কামৰ কাৰণে নাৰী-পুৰুৰ উভয়ে সমান বানচ পাব লাগিব - বানচৰ ক্ষেত্ৰত নাৰী-পুৰুষৰ মাজত কোনো পাৰ্থক্য বা ব্যৱধান থাকিব নোৱাৰে; (২) পৰিয়ালৰ সকলো সা-সম্পত্তি নাৰী আৰু পুৰুষৰ মাজত সমানে নামজাৰি (registration) হব লাগিব; (৩) বাৰ্ধক্যজনিত ইন্সিওৰেঞ্চৰ সুবিধা নাৰী-পুৰুষৰ মাজত সকলো পিনৰপৰা সমান হব লাগিব; (৪) উপাৰ্জন কৰোঁতা নাৰীয়ে উপাৰ্জনৰ ধন পৰিয়ালৰ কাৰণে যদি ব্যয় কৰিব লগা হয়, তেন্তে সেই ধনৰ ওপৰত ইন্‌কম্-টেক্স ধাৰ্য হব নোৱাৰে; (৫) স্বামী-স্ত্ৰীৰ পাৰিবাৰিক কন্দল মীমাংসা কৰাৰ কাৰণে বিশেষ আদালতৰ সুবিধা থাকিব লাগিব; (৬) স্বামী-স্ত্ৰীৰ মাজত বিৱাহ বিচ্ছেদ হলে, প্ৰত্যেকজনৰে ভৰণ-পোষণৰ দায়িত্ব ৰাষ্ট্ৰই লব লাগিব। ইয়াৰ বাবে চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।..... পৃথিৱীৰ কোনো ৰাষ্ট্ৰই সম্পূৰ্ণভাৱে স্বীকাৰ কৰি লোৱা নাই যদিও বৰ্তমান বিশ্ব-নাৰীসমাজৰ এইকেইটাই হৈছে মুখ্য দাবী। ইজৰাইলৰ নাৰীসমাজৰৰ এইকেইটাই হৈছে ঘাই দাবী। ১৯৫৯ চনত ইজৰাইলৰ সমূহ মহিলাসমাজে একগোট হৈ এই দাবীকেইটা চৰকাৰৰ আগত উত্থাপিত কৰে। ইয়াৰে কেইটামান হে চৰকাৰে স্বীকাৰ কৰি লৈছে - বাকীবোৰ এতিয়াও দাবী হৈয়েই আছে।

তেল-এভিভ্ চহৰত মোক থাকিবলৈ দিয়া হোটেলটোৰ নাম ‘ডান’, তেনেই সাগৰৰ পাৰতেই অৱস্থিত। সেইখিনি যেতিয়া গৈ পাওঁ, তেতিয়া নিশা প্ৰায় তিনি বাজিছিল। হোটেলটোৰ নিৰ্জন কোঠাত সোমাই পোনতে মনটো কিবা উকা উকা যেন লাগিছিল। পশ্চিমৰ ফালৰ দেৱালখন সম্পূৰ্ণ আইনাৰ। দুৱাৰখন মেলি দিলোঁ। বাহিৰৰ সাগৰৰ গোজৰণিয়ে নিৰ্জন নিস্তব্ধ কোঠাটো

কঁপাই তুলিলে। সাগৰৰ গোজৰণি শুনি শুনি নিদ্ৰাদেৱীৰ কোলাত অচেতন হৈ পৰিলোঁ। নিশা আনকি সপোন এটাও নেদেখিলোঁ। পুৱা সাৰ পাই দেখিলোঁ, বেলিটোৱে তেতিয়াও আকাশত ভূমুকি মৰা নাই। শোৱা-পাটীৰপৰাই সাগৰ দেখি। গোটেই নিশাটো গুজৰি গুমৰি শান্ত হৈ সাগৰখন যেন নিস্তব্ধ হৈ পৰিছে। অলপ পিছতেই কুন্তী-সাগৰখনক চুমাৰ পৰশেৰে ৰঙাই তুলি বেলিটো আকাশত জিলিকি উঠিল। পোহৰ পাই আকাশখনেও হাঁহিলে, এটা মৌন স্নিগ্ধ হাঁহি। মোৰ মনটোও কিবা এক অপূৰ্ব আভাৰে দীপ্ত হৈ উঠিল।

‘সুন্দৰেৰ দূৰত্বেৰ কখনো হয় না ক্ষয়,
কাছে পেয়ে না-পাওয়া দেয় অফুৰন্ত পৰিচয়।’

তেল-এভিভ্ চহৰত থকা দিনকেইটা কতবাৰ যে সাগৰৰ পাৰলৈ গৈছিলোঁ। কেতিয়াবা পুৱা। কেতিয়াবা সন্ধিয়া। বতাহৰ গতিময় স্ৰোতধাৰাত সাগৰৰ বুকু কঁপি উঠে; কেতিয়াবা প্ৰলয়ঙ্কৰী, কেতিয়াবা ‘প্ৰথম নিশাৰ অপৰিচিত পত্নীৰ’ বুকু কঁপাদি মৃদু। এক কোমল লহৰ। সাগৰৰ এই যে ‘বাধাহীন ঊৰ্মিমালা’, ইয়াৰ গতি অনন্ত। তেনেই ধলফাট নিয়াৰ লগে লগে সাগৰৰ পাৰলৈ মানুহ আহে, পুৰুষ-মহিলা উভয়েই। ইয়াৰে কোনোৱে পকী-আলিৰ ৰেলিঙত ধৰি সাগৰৰ শোভা দূৰৰেপৰা উপভোগ কৰে। কোনোৱে প্ৰায় অৰ্ধ-উলঙ্গ হৈ সাগৰৰ বুকুলৈ নামি যায় - সাগৰক উপলুঙা কৰাৰ মানসেৰে নহয়, সাগৰৰ সৈতে মিতিৰালি কৰি জীৱন মধুৰ কৰাৰ উদ্দেশ্যেৰে হে। সাগৰৰ পানী ইমান নিকা আৰু নীলা যে ওপঙি ফুৰা যুৱক-যুৱতীৰ দেহাবোৰ আইনাৰ পানীৰ পাত্ৰত ওপঙি ফুৰা সোণ-বৰণীয়া মাছ যেন লাগে। আকাশৰ সূৰ্যোদীপ্ত পোহৰে সেই দেহাবোৰ উজ্জল কৰি তুলিছিল।

পুৱাই শোৱা-পাটী এৰি কতবাৰ মেয়ো সাগৰৰ পাৰত থিয় হৈছিলোঁ। সাগৰখনক কেন্দ্ৰ কৰি মোৰ মনতো অলেখ প্ৰশ্নৰ ঢউ

খেলি গৈছিল। কোনোবা এগৰাকী মহিলা কবিয়ে কৈছিল, সাগৰৰ মুখখন চিৰানন্দময় শিশুৰ মুখৰ দৰে। ইয়াৰ গোজৰণি শিশুৰ কলধ্বনি। ডব্লিউ. ই. হেন্‌লীৰ 'ডি ফুল্ চি ৰ'লচ্' কৱিতাটোলৈ বাৰে বাৰে মনত পৰিছিল - মৃত্যুৰ পিছত কৱিয়ে জীৱন্ত সাগৰত মৰিশালিৰ কামনা কৰিছে, 'not in the senseless earth, but in the living sea.' সাগৰৰ পাৰত থিয় হৈ চকুৰে নমনা বিস্তৃতি নিৰীক্ষণ কৰা সেই মুহূৰ্তত মোৰ মনলৈ মৃত্যুৰ কামনা অহা নাছিল, জীৱনৰ বাসনা হে জাগ্ৰত হৈ উঠিছিল। 'পৰ্বত সমান ঢউ তুলি' সাগৰে যেতিয়া গুজৰি উঠে, আকাশখনক যেন আক্ৰমণ কৰিবলৈ হে ই উদ্যত হৈছে, মনত এনে এটা ভাবে লুকাভাকু খেলে। সন্ধ্যা সাগৰৰ বুকুত বেলি মাৰ যোৱা দৃশ্য চাব লগা ছবি। সাগৰৰ পাৰত তন্ময় হৈ এদিন বেলি মাৰ যোৱা দৃশ্য নিৰীক্ষণ কৰিছোঁ। চাই থাকোঁতেই চকুৰ নিমিষতে আকাশৰ বুকুত ৰঙা তেজ এসোঁতা বোৱাই থৈ সাগৰৰ গৰ্ভত বেলিটো লীন গল। সেই তেজৰ ছিটিকনি পৰি সাগৰৰ বুকুখনো ৰঙা হল। ইয়াৰ পিছত :

'আঁধাৰে মলিন হল, যেন খাপে ঢাকা
বাঁকা তলোৱাৰ।'

পিছদিনা পুৱা কাৰ্যসূচী মোৰ আৰম্ভ হল জাফা চহৰত। অতীজতে জাফা আৰু তেল-এভিভ্ দুখন স্বতন্ত্ৰবীয়া চহৰ আছিল যদিও এতিয় জাফাক তেল-এভিভ্ চহৰৰ উপকণ্ঠ হে বুলিব পাৰি। জাফাত এটা প্ৰাচীন সমুদ্ৰবন্দৰ আছে। বৰ্তমান ইজৰাইলীসকলে তেল-এভিভ্ সমুদ্ৰ অঞ্চলত আকৌ নতুনকৈ এটা ঘৰ সাজিছে। হাইফাত আগৰেপৰা এওঁলোকৰ এটা বন্দৰ আছে। য়াটিভে কলে: "আমাৰ এতিয়া তিনিটা ভাল বন্দৰ হল।".... জাফাত এটা ক্লাব দেখিছিলোঁ। নাম 'ওমৰ খায়াম ক্লাব', তেনেই সমুদ্ৰৰ তীৰত অৱস্থিত। মানুহৰ ঘৰ এটা দেখিছিলোঁ সেইটোৰ নামো 'ওমৰ খায়াম'। মনতে ভাবিছিলোঁ : কেতিয়াবাকৈ যদি নিজাকৈ ঘৰ এটা সাজিব পাৰে, সেই ঘৰটোৰ নাম দিম

‘বাঢ়েটোকা’। মই জানো কম কথা কওঁ?... ওমৰ খায়ামৰ জাফাত ইমান প্ৰাদুৰ্ভাৱ হল কেনেকৈ ভাবিবলৈ ধৰিলোঁ। একালত সম্ভৱতঃ এই অঞ্চলটোত আৰবসকলৰ সাংস্কৃতিক প্ৰভাৱ যথেষ্ট আছিল। জাফাত থকা যাদুঘৰৰ বস্তু-সম্ভাৰেও এইষাৰ কথাকে কয়। এবাৰ এটা প্ৰৱন্ধত লেখিছিলোঁ : ‘যাদুঘৰ সংস্কৃতিৰ জীৱন্ত-ৰূপ নহয়, মৰিশালি হে।’ এতিয়া ভাবি পাইছোঁ, ইয়াৰে এটা জীৱন্ত ৰূপ আছে। মৰিশালিৰ ঐতিহ্য নতুনৰ উদ্দীপনা - এইষাৰ কথা যাদুঘৰটো পৰিদৰ্শন কৰাৰ অন্তত বুজিবলৈ সৰহ সময় নেলাগিল।

জাফাৰ যাদুঘৰত সংৰক্ষিত বস্তু-সম্ভাৰসমূহ এফালৰপৰা চাই ফুৰোঁতে সেই ঠাইত আফ্ৰিকাৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দল এটা লগ পালোঁ, লগত এগৰাকী শ্বেতাঙ্গী অধ্যাপিকা। সেই দলটোৰ লগত আছিল এজনী শাৰী পিন্ধা ছোৱালী। বৰ লাজকুৰীয়া, ইমান লাজকুৰীয়া যে আন এজনীৰ কান্ধত হাতখন থৈ পিঠিৰ আঁৰৰপৰা হে তাই যাদুঘৰৰ বস্তুবোৰ চাইছিল। দেশৰপৰা ইমান দূৰত শাৰী পিন্ধা ছোৱালী এজনী দেখি মনটো চঞ্চল হৈ উঠিছিল। কাষ চাপি খবৰ লৈ জানিলোঁ, তাই ভাৰতৰ ছোৱালী নহয়, নেপালৰ হে ছোৱালী। তথাপি মনটো ভাল লাগিল, হেজাৰ হওক আমাৰ ওচৰ-চুবুৰীয়া। একালত গঙ্গা উপত্যকা আৰু নেপাল একেখন ৰাষ্ট্ৰ আছিল বুলি বুৰঞ্জীবিদ্ কে. এম. পানিকৰে দেখোন মত প্ৰকাশ কৰি থৈ গৈছে। নেপাল আৰু ভাৰতবৰ্ষ-আমি দুয়োখন বন্ধু-ৰাষ্ট্ৰ। জাফাত লগ পোৱা এই ছোৱালীজনী, তায়ো আপোন। ওচৰ-চুবুৰীয়া দেশৰ মানুহ এজন পাই, তায়ো জানো ভাল নোপোৱাকৈ আছিল? তাইৰ চকু দুটাৰ পোহৰেই তাৰ প্ৰমাণ।.... যাদুঘৰৰ ভগ্নপসমূহৰ মাজতে ছোৱালীজনীক এৰি বিদায় লৈ ওলাই আহিলোঁ। অলপ সময়ৰ কাৰণে শীতৰ দিনৰ পুৱাৰ বেলিটো ওফোন্দ পাতি ডাৱৰৰ আঁৰত লুকাই আছিল। এতিয়া আকৌ ওলাইছে। ৰ’দটো পিঠিত পেলাই লৈ সাগৰৰ পাৰে পাৰে ফুৰি বেয়া লগা নাছিল।

‘আজিৰপৰা পাঁচ-সাত-দহ বছৰৰ পিছত
এদিন কোনোবা প্ৰৱাল দ্বীপৰ
সমান্তৰাল সাঁকোত দেখা হ'ম
তোমাৰ স'তে।’

এদিন মাপাই ৰাজনৈতিক দলৰদ্বাৰা পৰিচালিত বেইট্‌বাৰ্ল বোলা কলেজটো চাবলৈ ওলালোঁ। তেল-এভিভ চহৰৰপৰা অনুষ্ঠানটো ভালেমান দূৰত, জ’ফিট্ বোলা ঠাই এডোখৰত অৱস্থিত। আমাৰ গাড়ী চলিল; আলিৰ দাঁতিয়ে দাঁতিয়ে কিছুমান ফাৰ্ণজাতীয় গছ, দূৰণিত মুকলি পথাৰ। বাটটো বৰ ভাল লাগিছিল। বতৰটোও সুন্দৰ। কলেজটোলৈ যোৱাৰ পূৰ্বে সেইদিনাই তেল-এভিভ্ চহৰত থকা মোৰ হোটেলটোৰ সমুখতে অৱস্থিত মাপাই পাৰ্টি অফিচলৈ গৈছিলোঁ। অফিচত পাৰ্টিৰ সাধাৰণ সম্পাদক মিঃ বাৰখাটৰ লগত সমাজবাদী আন্দোলন আৰু বিশ্ব-ৰাজনীতিৰ বিষয়ে দীঘলীয়া আলোচনা হৈছিল। এইবোৰ কথা আলোচনা কৰি থাকোঁতে মাপাই ৰাজনৈতিক দলৰদ্বাৰা পৰিচালিত কলেজটোৰ বিষয়ে খা-খবৰ লবলৈ পাহৰি গলোঁ।.... আমাক সেই ঠাইৰপৰা কলেজটোলৈ লৈ গৈছিল পাৰ্টি-অফিচত কাম কৰা এজনী ছোৱালীয়ে। বৰ ধুনীয়া ছোৱালী। তাইৰ গাৰ ৰঙটো গাখীৰত সেন্দুৰ মিহলি যেন, হেজাৰ কাঠচিতীয়াৰ অন্তৰো আঁচুৰি নোযোৱাকৈ নেথাকে।

কলেজটো পালোঁগৈ। অধ্যাপক এজনে আমাক আগবঢ়াই নিলেহি। তেওঁৰপৰাই অনুষ্ঠানটোৰ সম্বন্ধে যাৱতীয় খবৰ সংগ্ৰহ কৰিলোঁ। মোৰ লগৰ ছোৱালীজনী দেখিবলৈ হে ধুনীয়া, কলেজটোৰ আভ্যন্তৰীণ কথা তাই একোকে নেজানে। নজনাৰ কাৰণে আচৰিত হোৱা নাছিলোঁ। ভুল নুবুজিব, ধুনীয়া ছোৱালীবোৰ সাধাৰণতে মূৰ্খ হয়।..... কলেজটোত দেশ-বিদেশৰ নানান ছাত্ৰ-ছাত্ৰী আছে। শিক্ষাৰ কাল এবছৰ। অনুষ্ঠানটোত চ’চিয়লজী, ইতিহাস, অৰ্থনীতি, দৰ্শন, ইহুদী-সাহিত্য, ইজৰাইল আৰু আন্তৰ্জাতিক শ্ৰমিক আন্দোলনৰ সমস্যা, ভাষণ-অভ্যাস

(public speaking), বনুৱা সংগঠন ইত্যাদি নানা বিষয়ৰ শিক্ষা প্ৰদান কৰা হয়। অনুষ্ঠানৰ গোটেই পৰিৱেশটো আশ্ৰম যেন লাগিছিল। পুৱাৰ ৰ'দ পিঠিত লৈ এজুম ছাত্ৰ-ছাত্ৰীক গছৰ তলত ক্লাচ কৰি থকা দেখিছিলোঁ - একেবাৰে ৰাবীন্দ্ৰিক পৰিৱেশ। অধ্যাপিকা এগৰাকীয়ে খুব বক্তৃতা দিছে। আমি ওচৰতে থিয় হলোঁ। আমাক দেখি তেওঁৰ বক্তৃতাৰ কোব আৰু চৰিল। ছাত্ৰ-ছাত্ৰীবোৰৰ বয়স ওঠৰ-উনৈশ বছৰতকৈ অধিক নহয় যেন লাগিল।..... এনে এটা বৃহৎ অনুষ্ঠান পৰিচালনা কৰিবলৈ এওঁলোকে ধন পায় ক'ৰপৰা? এই বিষয়ে জানিবলৈ আগ্ৰহ হৈছিল। অনুসন্ধান কৰি জানিলোঁ, অনুষ্ঠানটোৰ নিজৰ ২৫০ একৰ মাটি আছে। ছাত্ৰ-ছাত্ৰীৰ শ্ৰমেৰে এই মাটিত এওঁলোকে সুমথিৰা টেঙাৰ খেতি কৰে। ইয়াৰপৰা যি ধন পায়, তাৰে খৰচৰ এভাগ হে হয়। বাকীভাগ মাপাই ৰাজনৈতিক দলে নিজৰ পুঁজিৰপৰা দিয়ে।

ছাত্ৰ-ছাত্ৰীসমূহক ভাল লগাৰ উপৰিও কলেজটোৰ লাইব্ৰেৰীটো মোৰ অসম্ভৱ ভাল লাগিছিল। লাইব্ৰেৰী চাই শিক্ষানুষ্ঠান এখনৰ স্বৰূপ বুজিবলৈ সৰহ সময় নেলাগে; ভাল লাইব্ৰেৰী নোহোৱা শিক্ষানুষ্ঠান বঠা নোহোৱা নাওৰ নিচিনা। লাইব্ৰেৰীৰ কিতাপবোৰ চালোঁ। নেহৰুৰ প্ৰায়বোৰ কিতাপেই ইয়াত আছে। ইয়াৰ পিছত লাইব্ৰেৰী ঘৰটোৰ পকী-চালত উঠি কেউপিনে চালোঁ কেউপিনে সেউজীয়া গছ-গছনি, পথাৰ। মন-প্ৰাণ সকলো প্ৰশান্ত হৈ যায়। পশ্চিমে সাগৰ, পূবে জৰ্ডন ৰাষ্ট্ৰ। এজন অধ্যাপকে কলে: "এইছোৱাত ইজৰাইল ৰাষ্ট্ৰ মাথোন ন মাইল হে বহল।" কলেজটো একেবাৰে সীমান্তত অৱস্থিত বুলি কলেও সৰহ কোৱা নহয়। সীমান্তৰ সিপাৰে জৰ্ডন ৰাষ্ট্ৰৰ এখন গাঁও। আমি থিয় হোৱা ঠাইডোখৰৰ পৰাই গাঁওখনৰ মচজিদৰ মিনাৰ-স্তম্ভ জিলিকি থকা দেখি। মচজিদত যেতিয়া আজান দিয়ে, আজানৰ কলধ্বনি এই পাৰৰ প্ৰাঙ্গনলৈকে বাগৰি আহে।...... দুপৰীয়াৰ আহাৰ সেইদিনা তাতেই ছাত্ৰ-ছাত্ৰীহঁতৰ লগত

একেলগে কৰিলো। মোৰ মনত পৰিল-লগৰকেইজনক নোকোৱাকৈও নেথাকিলোঁ তাহানি আমেৰিকাৰ ৱাচিংটন চহৰৰ স্কুল এখনত এনেদৰে দুপৰীয়া আহাৰ কৰিছিলোঁ। মনত আছে, এজন অধ্যাপকে কৈছিল : "আহক, আমি আগতে বহোঁ। নহলে ভোকাতুৰ লৰা-ছোৱালীহঁতে (hungry hordes) হেঁচা মাৰি ধৰিবহি।" ভোকাতুৰ লৰা-ছোৱালীহঁতক ইয়াতে দেখিছিলোঁ, খোৱাৰ পাতত উবুৰি খাই পৰিছেহি। এটা কথা দেখি ভাল লাগিল, লৰা-ছোৱালীহঁতে খোৱাৰ পিছত সামৰি-সুতৰি নিজৰ নিজৰ খোৱা-পাত্ৰবোৰ ৰান্ধনিঘৰত থোৱা অভ্যাসটো।

এইখিনিতে ইজৰাইলৰ শিক্ষা-ব্যৱস্থাৰ বিষয়ে দুআষাৰমান কোৱাটো সম্ভৱতঃ ভাল হব। ১৯৪৮ চনত ইজৰাইল ৰাষ্ট্ৰৰ অভ্যুদয় হোৱাৰ লগে লগে বহিৰাগত ইহুদীৰ স্ৰোত প্ৰচণ্ড গতিত বাঢ়িবলৈ ধৰে। বাহিৰৰপৰা অহা প্ৰায় দহ লাখ মানুহে লগত লৈ আহিল সৰ্বমুঠ সত্তৰটা ভাষা। গতিকে শিক্ষা-মাধ্যমৰ ক্ষেত্ৰত সমস্যাই দেখা দিলে। ইজৰাইল ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ভাষা হৈছে হিব্ৰু। লুপ্তপ্ৰায় ভাষা এটাক সৰবৰহী কৰি তোলাৰ দায়িত্ব স্বাভাৱিকতে শিক্ষা-সংগঠনৰ ওপৰত পৰিল। পঢ়াশালিত হিব্ৰু ভাষাৰ শিক্ষা আৰম্ভ হল। পঢ়াশালিত শিক্ষা পোৱা কণ কণ লৰা-ছোৱালীহঁতে স্কুলীয়া ভাষাটো লৈ আহিল পিতৃ-মাতৃৰ মাজলৈ। প্ৰাপ্তবয়স্কসকলকো হিব্ৰু ভাষাৰ শিক্ষা দিয়াৰ আনুষ্ঠানিক দিহা হল। আনকি সৈন্যবাহিনীৰ ক্ষেত্ৰতো ভাষাৰ অধ্যাপনা চলিবলৈ ধৰিলে।........ সঁচা কথা, বহিৰাগতসকলে নিজস্ব জীৱনধাৰা আৰু সংস্কৃতি লগত লৈ আহিল। সমস্যা হল, এই সকলোবোৰৰ মাজত কিবা এক সংহতি স্থাপন কৰি সমন্বয়জনিত এক সংস্কৃতি আৰু জীৱনধাৰা প্ৰৱৰ্তন কৰা হয় কেনেকৈ ? স্বাভাৱিকতে দেশৰ শিক্ষা-পদ্ধতিয়ে এই গুৰু-দায়িত্ব বহন কৰিব লগা হল। খবৰ লৈ জানিলোঁ যোৱা কেইবছৰে প্ৰাথমিক বিদ্যালয়সমূহে এই কাম দক্ষতাৰ সৈতে সমাধা কৰিছে। এতিয়াৰ চেমনীয়াহঁতক দেখিছোঁ তেওঁলোকৰ মাজত যে সাংস্কৃতিক কিবা অনৈক্য আছে, সেইষাৰ

কথা যত্ন কৰিও ধৰিব নোৱাৰি। সৃষ্টিধৰ্ম্মী আদৰ্শৰ সমুখত সকলো অনৈক্য ধ্বংস হৈ যোৱাটো স্বাভাৱিক কথা। ইজৰাইলত বৰ্তমান এইটোৱেই হৈছে।

নতুন ৰাষ্ট্ৰ জন্ম হোৱাৰ এবছৰৰ পিছত পাৰ্লামেণ্টৰ বিধিসম্মত নিৰ্দেশ অনুসৰি ১৯৪৯ চনৰপৰা দেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন কৰা হয়। পাঁচ বছৰৰপৰা ন বছৰ বয়সৰ ভিতৰত প্ৰত্যেক লৰা-ছোৱালী বাধ্যতামূলকভাৱে পঢ়াশালিলৈ যাবই লাগিব - এই কালছোৱাত চৰকাৰী বিদ্যালয়সমূহে বিনামূলীয়া শিক্ষা দিয়ে। উপৰোক্ত আইনৰ জৰিয়তে আৰু এটা সিদ্ধান্ত গ্ৰহণ কৰা হয়-বহিৰাগতসকলৰ চৈধ্য বছৰৰপৰা সোতৰ বছৰ বয়সৰ প্ৰত্যেক অনাখৰী লৰা-ছোৱালীৰ বাবে শিক্ষা বাধ্যতামূলক কৰা হয়। এইসকলৰ বাবে আছুতীয়াকৈ পঢ়াশালিৰ ব্যৱস্থা কৰা হৈছে। এই পঢ়াশালিবোৰ নৈশ অনুষ্ঠান - এইবোৰৰ শিক্ষাও বিনামূলীয়া।

মোৰ ধাৰণা, পঢ়াশালিৰ পৰিৱেশ সদায়েই অনুপ্ৰেৰণাদায়ক হব লাগে। মোৰ ভগা পঁজাক পুণ্যতীৰ্থ বুলি ভাবিবলৈ টান লাগে। এইটোৱেই যদি আদৰ্শ হয়, তেন্তে মানৱসমাজ আগবাঢ়িব কেনেকৈ ? পৰিৱেশ আকৰ্ষণীয় হলে স্বইচ্ছাৰে পঢ়াশালিলৈ যাবলৈ লৰা-ছোৱালীৰ আগ্ৰহ হয়। ইজৰাইলৰ যিমানকেইখন বিদ্যালয় দেখিলোঁ, প্ৰত্যেকখন এই আদৰ্শেৰে সজ্জিত। লৰা-ছোৱালীহঁতৰ কিয়, মোৰেই নাম লগাই আকৌ পঢ়িবলৈ ইচ্ছা হৈছিল। ইজৰাইলৰ শিক্ষা-বিষয়ক ঘোষিত লক্ষ্য হল এইকেইটা - সাংস্কৃতিক মূল্যবোধৰ শিক্ষা, বিজ্ঞান শিক্ষা, দেশ আৰু মানৱ-প্ৰেম শিক্ষা। ইয়াৰ উপৰিও কৰ্ম্ম-মৰ্য্যাদা আৰু কৃষি-বিদ্যা শিক্ষাৰ ওপৰতো যথেষ্ট গুৰুত্ব প্ৰদান কৰা হয়।

ইজৰাইলৰ শিক্ষাবিদসকলৰ মতে - প্ৰকৃততে শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ হলে, সেই অনুপাতে শিক্ষকৰ অৰ্হতাৰ মানদণ্ড উন্নত কৰিব লাগিব। সেই কাৰণেই শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাৰ ওপৰত এইখন দেশত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে ।

গ্ৰীষ্মৰ বাবে বিদ্যালয়সমূহ যেতিয়া দুমাহ বন্ধ থাকে, সেই কালছোৱাত এই শিক্ষা প্ৰদান কৰা হয়। মাধ্যমিক স্কুল শিক্ষকৰ ট্ৰেইনিঙৰ দায়িত্ব বিশ্ববিদ্যালয়ৰ ওপৰত ন্যস্ত। প্ৰাথমিক স্কুলৰ শিক্ষকৰ দায়িত্ব ট্ৰেইনিং কলেজৰ ওপৰত ন্যস্ত। ১৯৬৩-৬৪ চনৰ ভিতৰত সৰ্বমুঠ ৪,৫০০জনে এনেদৰে ট্ৰেইনিং কলেজত শিক্ষা পায়। ইয়াৰে শতকৰা ৮গৰাকী শিক্ষয়িত্ৰী!..... স্কুলত প্ৰৱেশ কৰাৰ ষষ্ঠ বছৰৰপৰা প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে ইংৰাজী, ফৰাচী, আৰবী - ইয়াৰে যেই সেই এটা ভাষা দ্বিতীয় ভাষা স্বৰূপে শিকোৱা হয়। ধৰ্ম-বিদ্যালয়সমূহত ঘাইকৈ হিব্ৰু শাস্ত্ৰৰ শিক্ষা দিয়াৰ ওপৰত প্ৰাধান্য দিয়া হয়।..... প্ৰাথমিক বিদ্যালয়ৰ চাৰি ভাগৰ তিনি ভাগ ছাত্ৰ-ছাত্ৰীয়ে দুপৰীয়াৰ সাজ স্কুলতে খায়। ৰন্ধা-বঢ়া কামত সহায় কৰি দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে টেবুল সজোৱা আদি কামতো লাগি-ভাগি দিয়ে।

উচ্চ-মাধ্যমিক স্কুলত বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা নাই। এনেবোৰ স্কুল তিনি প্ৰকাৰৰ আছে : (১) সাধাৰণ শিক্ষাৰ, (২) কাৰিকৰী শিক্ষাৰ আৰু (৩) কৃষি-বিদ্যা শিক্ষাৰ। ১৯৬৪ চনৰ পিয়লৰ মতে মাধ্যমিক স্কুলৰ এক লাখ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দুভাগ সাধাৰণ শিক্ষাৰ বিদ্যাৰ্থী। সৰ্বমুঠ কাৰিকৰী স্কুল এশখন আছে - এইবোৰ ৰাইজৰ অনুষ্ঠানে পৰিচালনা কৰে। ১৯৬২-৬৩ চনৰ পিয়লৰ মতে এনেবোৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ১২,৮০০। কৃষিবিদ্যাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ৭৫০০। ১৯৫৮ চনত গৃহীত পাৰ্লামেন্টৰ বিধান অনুসৰি উচ্চ শিক্ষাৰ বাবে এখন কাউন্সিল গঠন কৰা হয় - এই কাউন্সিলখনে উচ্চ শিক্ষাৰ মানদণ্ড নিৰূপণ কৰে। ইয়াৰ উপৰিও উল্‌পানিম্ নামেৰে এটা অনুষ্ঠান আছে। হিব্ৰু ভাষাৰ প্ৰচাৰেই এই অনুষ্ঠানটোৰ মুখ্য দায়িত্ব।..... ইজৰাইলত উচ্চতম শিক্ষাৰ অনুষ্ঠান হৈছে দুটা। এটা জেৰুজালেম চহৰত অৱস্থিত হিব্ৰু বিশ্ববিদ্যালয়, আনটো হাইফা চহৰত অৱস্থিত টেন’লজিৰ উচ্চ বিদ্যালয় টেক্‌নিয়ন্। দুয়োটা অনুষ্ঠানলৈকে গৈছিলোঁ। দ্বিতীয়টোৱে বাৰে বাৰে আমেৰিকাৰ

মাচাচুচেট্‌চ্ ইন্‌ষ্টিটিউট অব টেন'লজীৰ কথা মনত পেলাইছিল। প্ৰায় একে সংগঠন, একে পৰিৱেশ। ১৯৬২-৬৩ চনৰ সংখ্যা-গণনাৰ মতে হিব্ৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে আঠ হেজাৰ। বিশ্ববিদ্যালয়লৈ গৈছিলোঁ যদিও ছাত্ৰ-ছাত্ৰীৰ শেহতীয়া সংখ্যা কিমান, সেই বিষয়ে খবৰ লবলৈ পাহৰি গলোঁ। উপৰোক্ত সংখ্যাৰ উপৰিও বিশ্ববিদ্যালয়ত বৰ্তমান ৬০০ পুৰুষ-মহিলা গৱেষণা কাৰ্যত ৰত। বিশ্ববিদ্যালয়ৰ অধ্যাপক সংখ্যা হৈছে এহেজাৰ। টেক্‌নিয়ন্ অনুষ্ঠানত ইঞ্জিনীয়াৰিং, স্থাপত্য-বিদ্যা, মৌলিক আৰু ব্যৱহাৰিক বিজ্ঞান ইত্যাদি বিষয়বস্তুৰ শিক্ষাৰ যোগাৰ আছে। ইয়াৰ উপৰিও অনুষ্ঠানটোৱে চৰকাৰৰ কৃষি আৰু উদ্যোগ বিভাগ আৱশ্যকীয় টেক্‌নিকেল্ পৰামৰ্শ আদিৰেও সহায় কৰে। ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে তিনি হেজাৰ। টেক্‌নিয়ন্ আৰু হিব্ৰু বিশ্ববিদ্যালয়, উচ্চ শিক্ষাৰ এই দুয়োটা অনুষ্ঠানতে ইজৰাইলৰ বাহিৰে আন বিদেশৰ বহু ছাত্ৰ-ছাত্ৰী আছে। ভাৰতৰ হে নাই। ভাৰতৰ সৈতে এইখন দেশৰ কূটনৈতিক সম্বন্ধ নথকাৰ কাৰণেই সম্ভৱতঃ এনে হবলৈ পাইছে। মন্ত্ৰীৰপৰা আৰম্ভ কৰি ৰাজকৰ্মচাৰীলৈকে, যাৰেই সৈতে ৰাজনৈতিক আলোচনা কৰিছিলো, প্ৰত্যেকৰে মন এই সমস্যাটোৱে আচ্ছন্ন কৰি থকা যেন অনুমান হৈছিল? ভাৰতবৰ্ষখন এখন ডাঙৰ দেশ - এইখন দেশৰ সৈতে সম্বন্ধ স্থাপন কৰিব পাৰিলে সকলোৱে সন্তোষ পায়। পৃথিৱীৰ সৰু সৰু ৰাষ্ট্ৰসমূহে আমাৰ দেশখনক কেনে শ্ৰদ্ধাৰ চকুৰে চায়, বাহিৰলৈ গলে হে বুজিব পাৰি। উচ্চ মহলৰ বাবে ভাৰত এক উদ্দীপনা, সাধাৰণ-মহলৰ বাবে ই এক বিস্ময়।

এইখিনিতে এষাৰ কথা মনত পৰিছে। কৈ থওঁ। ইজৰাইলত ইহুদী যেনেকৈ আছে, সংখ্যাৰ পিনৰপৰা লঘু হলেও, মুচলিম আৰু খ্ৰীষ্টানো তেনেকৈ ভালেমান আছে। হিন্দু আছে নে নাই, এইষাৰ কথা জানিবলৈ মন গৈছিল। বিশ্ববিদ্যালয়ৰ অধ্যাপক এজনক সুধিলোঁ: "আপোনাসকলৰ এই সুন্দৰ দেশখনত ইহুদী আছে, মুচলিম্ আছে, খ্ৰীষ্টান আছে। হিন্দু আছে নে নাই ?"

উত্তৰত অধ্যাপকজনে কলে : “আছে। এজন আছে। আজি কেইবছৰ মানৰ আগতে আমাৰ বিশ্ববিদ্যালয়ত পঢ়িবলৈ হিন্দু ডেকা এজন আহিছিল। আমাৰ দেশখনক ডেকাজনে এনেকৈ ভাল পাই পেলালে যে শিক্ষাৰ কালছোৱা শেষ হোৱাৰ পিছত ইহুদী ছোৱালী এজনী বিয়া কৰাই তেওঁ ইয়াত থাকি গল।” কথাষাৰ শুনি মোৰ হাঁহি উঠিছিল। অধ্যাপকজনক আকৌ সুধিলোঁ: “কাৰ মৰমত তেওঁ থাকি গল? দেশখনৰ মৰমত নে ছোৱালীজনীৰ মৰমত ?” এইবাৰ কেউপিনে হাঁহিৰ ৰোল উঠিল। এই হিন্দুজন আমাৰ কোন প্ৰদেশৰ, নাম কি - এইবোৰ কথাও জানো। নুসুধিব। নকওঁ।

ৱেজ্‌মেন্ ইনষ্টিটিউট অব চায়েন্সৰ কথা আমাৰ প্ৰায়েই জানে। অনুষ্ঠানটোত বিজ্ঞানৰ স্নাতকোত্তৰসকলৰ বাবে গৱেষণাৰ সুবিধা আছে। হিব্ৰু বিশ্ববিদ্যালয়, টেক্‌নিয়ন্ আৰু এই ইষ্টিটিউটো - উচ্চ শিক্ষাৰ এই তিনিটা অনুষ্ঠানৰ বাহিৰে তেল-এভিভ্ চহৰত এটা আৰু ৰামাৎগান চহৰত এটা, এই দুটা সৰু বিশ্ববিদ্যালয়ো আছে। প্ৰথমটোৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হৈছে ১,৬৭০ আৰু দ্বিতীয়টোৰ ১,০০০। এইবোৰৰ উপৰিও তেল-এভিভ্ চহৰত এফ্ৰ’-এচিয়ান ইনষ্টিটিউট্ নামেৰে আন্তৰ্জাতিক অনুষ্ঠান এটা আছে। এই অনুষ্ঠানটোত ৰাজনীতি আৰু শিক্ষা, এই দুয়োটা বিষয়বস্তুৰ ওপৰত দীঘলীয়াকৈ আলোচনা কৰিছিলোঁ। অনুষ্ঠানটোত পৃথিৱীৰ প্ৰায় সকলো দেশৰে ছাত্ৰ-ছাত্ৰী আছে, ভাৰতৰ নাই। কেইবছৰমানৰ আগতে ইয়াত শিক্ষা লাভ কৰিবলৈ ভাৰতৰ ছাত্ৰ-ছাত্ৰীৰ দল এটা আহিছিল। এতিয়া নাই। ইনষ্টিটিউটৰ অধ্যক্ষগৰাকীৰ স্মৃতিশক্তিয়ে মোক স্তম্ভিত কৰিছিল - প্ৰত্যেক গৰাকী ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ নাম এফালৰপৰা তেওঁ উল্লেখ কৰি গল, লগতে প্ৰত্যেকজনৰ বিষয়ে মন্তব্যও কৰি গল। কেইমাহমানৰ আগতে মানুহজন ভাৰতলৈ আহিছিল - সেই বিষয়েও চালি-জাৰি দুই-এটা অভিজ্ঞতাৰ উল্লেখ কৰিলে।

অনুষ্ঠানটোলৈ যাওঁতে মোৰ কিতাপ দুখন ‘ডি ৰেড্ ৰিভাৰ্ এণ্ড ডি ব্লু হিল্’ আৰু ‘ফ’ক্ চঙচ্ অব্ ইণ্ডিয়া’ উপহাৰ দিওঁ বুলি লগত লৈ গৈছিলোঁ। দেশ-বিদেশৰ ছাত্ৰ-ছাত্ৰী ইয়ালৈ যেহেতু পঢ়িবলৈ আহে, কিতাপ দুখনৰপৰা তেওঁলোকে যৎসামান্য হলেও অসমৰ বিষয়ে আৰু ভাৰতীয় লোক-গীতৰ বিষয়ে কিছু জানিব পাৰিব, এই উদ্দেশ্যেৰে। আহিবৰ সময়ত কিতাপ দুখন হাতত লৈ অধ্যক্ষক কলোঁ : ‘এই সামান্য উপহাৰটো আপোনাসকলৰ লাইব্ৰেৰীলৈ আগবঢ়াব খুজিছোঁ।’ অধ্যক্ষই কলে: ‘আহক, লাইব্ৰেৰীলৈ আহক। লাইব্ৰেৰীৰ ছোৱালীজনী বৰ ভাল। নিজ হাতৰে কিতাপ দুখন আপুনি তাইক দিয়কহি। ভাল পাব।’ দিলোঁ। তাই ভালপোৱা যেন লাগিল। চকুৰ হাঁহি দেখি বুজিলোঁ। ইয়াৰ পিছত ছোৱালীজনীয়ে কিতাপৰ শ্বেল্ফৰ মাজলৈ মোক লৈ গল। বহুত কিতাপ। ভাৰত সম্বন্ধে কেইবাখনো কিতাপ আছে। নেহৰুৰ কিতাপ কেইখনমানো শ্বেল্ফত দেখিলোঁ। সেই কিতাপৰ দাঁতিতে ছোৱালীজনীয়ে মোৰ দুখনো থলে।.... ইয়াৰ উপৰিও মাপাই কলেজ আৰু হিব্ৰু বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰী কেইটাও তন্নতন্নকৈ চাইছিলোঁ। বিশ্ববিদ্যালয়ত কেৱল আলোচনীৰ কাৰণে সুকীয়া লাইব্ৰেৰী এটা আছে - ইয়াত পৃথিৱীৰ প্ৰায়বোৰ বাছকবনীয়া আলোচনী আছে। ইয়াৰে ভালেমান মোৰ চিনাকি। দিল্লীৰ পাৰ্লামেন্ট লাইব্ৰেৰীত এই প্ৰায়বোৰ আলোচনী আছে। .... হিব্ৰু বিশ্ববিদ্যালয়ত আকৰ্ষণীয়কৈ সজোৱা এখন কিতাপৰ দোকানো আছে। ইয়াতে এজনে কিতাপ এখন মোক উপহাৰ দিলে। নাম ‘ডি ল’টাচ্ এণ্ড ডি ৰ’বট্’। আৰ্থাৰ কইচলাৰৰ এই কিতাপখন মই অৱশ্যে আগতেই পঢ়িছোঁ - বৰ মনোম কিতাপ। কিতাপ পঢ়াৰ প্ৰতি ইজৰাইলৰ মানুহৰ গভীৰ আগ্ৰহ দেখি আহিছোঁ। এই আগ্ৰহ মস্কোতে তাহানি দেখি আহিছোঁ। ইয়াত টেক্সি ড্ৰাইভাৰেও কিতাপ পঢ়ে। জীয়াই থাকিবলৈ মানুহক কিবা এটা অৱলম্বন লাগে। নহলে মোঁপাচাই ঘৰ-চিৰিকা আৰু কয়দীৰ বিষয়ে এনে এটা মৰ্মস্পৰ্শী গল্প লেখিব পাৰিলেহেঁতেন জানো?

কিতাপ পঢ়া অভ্যাস অৱলম্বন কৰি লব পাৰিলে ভাল - যথেষ্ট শান্তি আছে। তেল্-এভিভ্ চহৰৰ মেন্ অডিটৰিয়ামত নিশা এদিন ৰুড'লফ্ চাৰ্কীনৰ পিয়ানোবাদন শুনিবলৈ গৈছিলোঁ। অডিটৰিয়ামটো দেখি মনতে নিউয়ৰ্কৰ কাৰনেগী হলৰ লগত ৰিজনিৰ অৱতাৰণা হৈছিল। তেল-এভিভৰ হলটো নিউয়ৰ্কৰটোৰ ৰিজনিত বহুত ভাল যেন লাগিল। মেন্ অডিটৰিয়ামটো এফালে যেনেকৈ বিশাল, আনফালে তেনেকৈ শিল্পী মনৰ এক সুন্দৰ পৰিচয়। ৰুড'লফ্ চাৰ্কীন (জন্ম : ১৯০৩) জাৰ্মান মানুহ। পিয়ানোবাদক স্বৰূপে এওঁৰ খ্যাতি আন্তৰ্জাতিক। প্ৰথমতে তেওঁ শ্বুবাৰ্ট আৰু বীটোফেনৰ একোটাকৈ চ'নেটা বজালে। তাৰপিছত ব্ৰাহমচ্। হলত প্ৰায় তিনি হাজাৰ শ্ৰোতা - ক'তো বেজী এটা পৰাৰো শব্দ নাই। পিয়ানোৰ সুৰময় লহৰত গোটেই পৰিৱেশটো সঙ্গীত-মধুৰ হৈ পৰিছিল।.... সুৰৰ ঝঙ্কাৰ বুকুত বান্ধি লৈ মাজনিশাৰ আগে আগে হোটেললৈ উলটি আহিলোঁ। তেতিয়াই শুবলৈ নগৈ হোটেলৰ লাউঞ্জত বহি আড্ডা দিলোঁ।

ইজৰাইলত দেখিলোঁ, যেয়ে যাকেই লগ নেপাওক লাগিলে বিশেষকৈ এটা শব্দ ব্যৱহাৰ কৰে, আনকি বিদায়ৰ বেলিকাও। শব্দটো হৈছে 'শ্বেল'ম্'। প্ৰথমতে শব্দটোৰ অৰ্থ বুজিব পৰা নাছিলোঁ, আমাৰ 'চেলাম'ৰ কিবা এটা সংস্কৰণ বুলি ভাবিছিলোঁ। লাউঞ্জত বহি মেল মাৰি থকা ছোৱালী এজনীক শব্দটোৰ অৰ্থ সুধিলোঁ। তাই কলে : 'শান্তি'। সেইদিনা ৰাতিপুৱা শিকা শব্দ দুটাৰে তাইক ধন্যবাদ জনালোঁ - 'তাদা বাবা'। ইয়াৰ অৰ্থ হৈছে : 'বহুত ধন্যবাদ'। বিদেশীৰ মুখত নিজৰ ভাষাটো শুনিলে সকলো মানুহৰে মন-প্ৰাণ নাচি উঠে। তাহানি আমেৰিকাৰ ছাত্ৰ-ছাত্ৰীৰ দল এটাই যেতিয়া বি. বৰুৱা কলেজৰ সভাত অসমীয়া গান এটা সেই কেইদিনতে শিকি গাই শুনাইছিল, আমাৰে মন-প্ৰাণ সেইদৰে নাচি উঠিছিল। 'শ্বেল'ম্' শব্দটোৰ অৰ্থ জনাৰপৰা এটা লাভ হল - জাতিটোৰ প্ৰাণ-স্পন্দনৰ সঁহাৰি পালোঁ। দেশখন গঢ়িবলৈ হলে প্ৰত্যেক নৱ-জাগৰিত জাতিৰ শান্তি সৰ্বোচ্চ কামনা

হোৱাটো স্বাভাৱিক। মোৰ ধাৰণা-নৱ-জাগৰিত জাতিসমূহৰ শান্তিৰ প্ৰতি আগ্ৰহে পৃথিৱীখন ৰণ-মুক্ত কৰি ৰাখিব।...... ইজৰাইলবাসীৰ আৰু এটা কথাই মোক বৰকৈ মুহিছিল - সেইটো হৈছে দেশ-প্ৰেম। জাতি এটা ধ্বংসৰ মুখলৈ অধোগামী হয় কেতিয়া ? যেতিয়াই ব্যক্তি-স্বাৰ্থ ই সমাজ-স্বাৰ্থক খৰ্ব কৰে, যেতিয়াই দেশ-প্ৰেম বজাৰৰ পণ্য-দ্ৰব্যলৈ ৰূপান্তৰিত হয়, তেতিয়াই ধ্বংসৰ বুৰঞ্জীয়ে পোখা মেলে। এনেদৰে মন-সাগৰৰ ঢউ মনতে উথলি উঠি আকৌ নীৰৱ হৈ পৰিল। মাজনিশা হোটেলৰ কোঠাত যেতিয়া শুবলৈ যাওঁ, সাগৰখনে গুজৰি উঠি দুনাই ভাববোৰ আউল-বাউল কৰি তুলিলে। আমাৰ দেশৰ স্বপ্ন আৰু অৱস্থা চকুৰ আগেদি বাগৰি গল।

তেল-এভিভৰপৰা টাইবেৰাচ, চহৰলৈ যোৱাৰ পথত বহুত নগৰ, উপ-নগৰ পাই গৈছিলো। অলপ সময়ৰ কাৰণে হলেও প্ৰায়বোৰ ঠাইত ৰৈ গৈছিলোঁ। কিয় কব নোৱাৰোঁ, আফুলিয়া বোলা চহৰ এখন বৰ ভাল লাগিছিল। নামটো ‘আফুগুটি, আফুগুটি’ গোন্ধোৱা কাৰণেই নেকি, কব নোৱাৰে। সৰু চহৰ। য়াটিভক কলো : ‘ইজৰাইলী হোৱা হলে মই এই চহৰখনত থাকিলোহেঁতেন। তোমাৰ দৰে জেৰুজালেম চহৰত নেথাকিলোহেঁতেন।’ আফুলিয়া চহৰ অতিক্ৰম কৰাৰ পিছত বতাহ ক্ৰমাৎ তপত হৈ আহিবলৈ ধৰিলে। কেউপিনে পাহাৰ। তেনেই খৰাং ! পাহাৰৰ মাজে মাজে সেউজীয়া উপত্যকা অৱশ্যে নথকা নহয়। দুই-এটা আৰব লৰাই অ’ত ত’ত ভেড়া চৰাইছে। পাহাৰ বগাই আগবাঢ়িবলৈ ধৰিলোঁ। ইয়াৰ পিছত টাইবেৰাচ্ হ্ৰদৰ পাৰৰ আলিটো পালোঁহি। বৰ মনোৰম ঠাই। এইবাৰ এই আলিটোৱেদি আগবাঢ়িবলৈ ধৰিলোঁ। টাইবেৰাচ্ হ্ৰদৰ আৰু দুটা নাম আছে - এটা হৈছে চি অব্ গেলিলী, আনটো হৈছে কিন’ৰৎ। ‘কিন’ৰৎ’ শব্দটো ‘কিন’ৰ’ বোলা শব্দ এটাৰপৰা উৎপত্তি হৈছে। হিব্ৰু ভাষাৰ এই শব্দটোৰ অৰ্থ হৈছে ‘বেহেলা’। হ্ৰদটো দেখিবলৈ বেহেলাখনৰ লেখীয়া। উলটি অহাৰ পথত পাৰৰ ৰেষ্টোৰাঁ এটাৰ

মুকলিত বহি কিছুসময় হ্ৰদটোৰ শোভা নিৰীক্ষণ কৰিলোঁ। য়াকোভ্ ড্ৰাইভাৰে কলে : “ইয়াত এনেকৈ বহি মদ খাবলৈ বৰ ভাল।” হ্ৰদটোৰ পাৰত ডেকা-গাভৰুৰ জুম। পানীত ৱাটাৰ্-স্প’ৰ্টচৰ উজান উঠিছিল। ঠাইডোখৰ এৰি আহিবলৈ মন যোৱা নাছিল।

হাইফা চহৰ ভূমধ্য সাগৰৰ পাৰৰ এলানি পৰ্বতৰ ওপৰত অৱস্থিত। অতি আকৰ্ষণীয় চহৰ। পেনোৰেমা বোলা ইয়াত এডোখৰ সুসজ্জিত ঠাই আছে। হাইফা সোমায়েই এই ঠাইডোখৰত থিয় হৈ চহৰ আৰু সাগৰৰ বিস্তৃত শোভা নিৰীক্ষণ কৰিছিলোঁ। নিশা পৰ্বতৰ টিঙৰপৰা চহৰখন চাই পঠিয়ালে ‘সপোন, সপোন’ যেন লাগে। এগৰাকী মহিলাই কলে : “এইখন মাটিৰ চহৰ নহয়, এক নিদ্ৰামগ্না সৌন্দৰ্য্য, a sleeping beauty.”

‘মুক্ত কৰি দিমু দ্বাৰ....
শঙ্খেৰ মতন তুলি একটি ফুৎকাৰ হানি দাও
হৃদয়েৰ মুখে।’

ইজৰাইলী সংসদ সদস্য মিঃ ডেভিড্ হাকোহানৰ সৈতে নিশা সেই পৰ্বতৰ টিঙত অৱস্থিত হোটেলটোৰ বেলকনিৰপৰা সাগৰ আৰু চহৰ আকৌ চালোঁ। সঁচাই ‘নিদ্ৰামগ্না সৌন্দৰ্য’, কাৰোবাৰ সোণৰ কাঠীৰ স্পৰ্শত এই যেন সাৰ পাই উঠিব। ইয়াৰ পিছত হাকোহানৰ সৈতে চহৰৰ আলিয়ে আলিয়ে আকৌ টহল দিলোঁ। নিশা নতুন ঠাইত এনেকৈ খোজকাঢ়ি ফুৰি বিশেষ আৰাম আছে। গাড়ীত নুঠি খোজকাঢ়ি ফুৰিছিলোঁ। বেজিয়ে বিন্ধা জাৰ নহলেও বাহিৰত সাগৰৰ কোবাল বতাহ, বেছ জাৰ। তথাপি অকণো বেয়া লগা নাছিল। ইজৰাইলী চহৰবোৰ যেনেকৈ নিকা, তেনেকৈ নিৰ্জনো। মানুহৰ সমাগম কম। সেই অভাৱ গছে পূৰণ কৰিছে। ইমানবোৰ যে গছ-বিজুলী বন্তিৰ বিপৰীতে ইমানবোৰ যে দীঘল দীঘল ছাঁ। গছবোৰৰ আঁৰে আঁৰে কিমানবোৰ যে ডেকা-গাভৰু।

নিশা গহীন হৈছিল যদিও এওঁলোকৰ কাৰণে পৃথিৱীখন তেতিয়াও কুমাৰী হৈয়েই আছিল।

ইয়াৰ পিছত মাজনিশা টেক্সি এখন লৈ চহৰৰ এক প্ৰান্তৰত অৱস্থিত মিঃ হাকোহানৰ ঘৰলৈ গলো। ৰাজনীতিৰ এওঁ এজন অভিজ্ঞ মানুহ। বিশ্ব-ৰাজনীতিৰ উপৰিও মানুহজনৰ সৈতে ভাৰতীয় ৰাজনৈতিক আৰু সামাজিক নানান সমস্যাৰ বিষয়ে বিস্তৃত আলোচনা কৰিলোঁ। তাহানি ৰেঙ্গুনত আমাৰ ডক্টৰ আম্বেদকাৰক লগ পোৱা কথাও মানুহজনে কলে। এই আপাহতে আমাৰ সামাজিক বিচাৰ-ধাৰাৰ বিষয়ে ডক্টৰ আম্বেদকাৰে কৰা মন্তব্য কেইটামানো তেওঁ উল্লেখ কৰিলে। ইয়াৰ উপৰিও চীন দেশ আৰু ইণ্ডোনেচিয়াৰ বিষয়েও নানা আলোচনা হল। মিঃ হাকোহানৰ মতে কেৱল চীন দেশেই নহয়, ইণ্ডোনেচিয়াও ‘সাম্ৰাজ্যবাদী’ দেশ। সাম্ৰাজ্যবাদে এওঁলোকৰ হাতত নতুন ৰূপ লৈছে।..... হাইফা চহৰত অৱস্থিত বাহাই-সমাজৰ স্বৰ্ণমন্দিৰটো চাবলৈ গৈছিলোঁ। গছ-গছনি, ফুলৰ বাগিচা ইত্যাদিৰে গোটেই পৰিৱেশটো এনে মনোৰমকৈ সজাইছে যে চালে চাই থাকিবৰ মন যায়। হাইফাৰ তেল-শোধনাগাৰটোও চাই আহিছোঁ। তাহানি পাৰ্লামেন্টত গুৱাহাটী তেল-শোধনাগাৰৰ বিষয়ে বক্তৃতা দিওঁতে আমাৰ এজন অসমীয়া মন্ত্ৰীয়ে মন্তব্য কৰিছিল : ‘তৰাজানত বৰশী বাই মাছ ধৰি ফুৰা ই তেল-শশাধনাগাৰৰ বিষয়ে জানে কিটো? পাৰ্লামেন্টত বক্তৃতা দিলেই হল নে ?’ সেই কাৰণেই হাইফাৰ তেল-শোধনাগাৰটো চাওঁ বুলি চাইছিলোঁ। ইজৰাইলত তেল-উৎপাদন হয় দেশৰ দক্ষিণাঞ্চলত অৱস্থিত আয়লৎ নামৰ ঠাই এডোখৰত। এই চহৰখনৰ ন মাইল ইফালে-সিফালে বিদেশী ৰাষ্ট্ৰ।

মিঃ হাকোহানৰ ঘৰটো নানা কলা-সম্ভাৰেৰে সুসজ্জিত এটা চিত্ৰশালা যেন লাগিল। শ্বেলফ্‌ত কিতাপৰ উপৰিও নানা তৰহৰ প্ৰাচীন ঐতিহ্যৰ স্মৃতি-সম্পদ, নিজৰ দেশৰেই নহয়, বিদেশৰো। বেৰত নানান ধৰণৰ পেইন্টিং। মিঃ হাকোহানৰ ঘৰত সেই নিশা

ধানখেৰ বৰণীয়া চুলিৰ চিত্ৰশিল্পী এজনৰ সৈতেও সাক্ষাৎ হল। বয়সস্থ মানুহ। এওঁৰ উপৰিও ডেকা-গাভৰু শিল্পী এযোৰাকো লগ পালোঁ। এইবাৰ ৰাজনীতিৰ কথা তল পৰিল। সুকুমাৰ কলাৰ বিষয়ে আলোচনা আৰম্ভ হল। বয়সস্থ শিল্পীজনৰ কেইবাখনো ছবি হাকোহানৰ ড্ৰয়িং-ৰুমৰ বেৰত ওলমি আছে। সেইবোৰ দেখিলেই শিল্পীজন যে ইম্প্ৰেচনিজ'মৰ সাধক, সেইষাৰ কথা সহজে ধৰিব পাৰি। তথাপি শিল্পীজন কোনটো স্কুলৰ সাধক, সেই বিষয়ে নিজৰ মুখৰপৰ জানিবলৈ মন গল। উত্তৰত শিল্পীজনে কলে : "ছবি আঁকিবলৈ মন গলেই ছবি আঁকো। কোনো কলা-গোষ্ঠীৰ প্ৰতি মোৰ আনুগত্য নাই।" কথাষাৰ শুনি মনতে ভাব হল - এইষাৰ কথা প্ৰায় সকলো শিল্পীয়েই কয়। সাহিত্যিকেই হওক বা শিল্পীয়েই হওক, 'অহং' ভাব নেথাকিলে সৃষ্টি কৰিব নোৱাৰে। সত্যজিৎ ৰায়লৈ মনত পৰিছিল। কোনো ফিল্ম কলা-গোষ্ঠীৰ প্ৰতি আনুগত্য নাই বুলি ৰায়ে কয়। ফিল্ম-শিল্প এটা নতুন কলা - এতিয়াও সম্পূৰ্ণৰূপে ই সুকুমাৰ কলাৰ অন্তৰ্ভুক্ত হোৱা নাই। কথাষাৰ ফিল্মশিল্পৰ বিষয়ে সঁচা হলেও, চিত্ৰকলাৰ বিষয়ে সঁচা নহয়। চিত্ৰকলা সদায় নতুন যদিও সদায় পুৰণি। এই কাৰণেই সম্ভৱতঃ শিল্পীয়ে কয় : 'পুৰণি পুতলাত ৰং সানি মই মাথো সাজি হে যাওঁ।'

এইবাৰ যাত্ৰা কৰিলোঁ জেৰুজালেম চহৰলৈ। চহৰ যেতিয়া আহি পাওঁ, সেই সময়ত জীপ্‌জীপীয়া বৰষুণ। বৰষুণৰ বাবে জাৰটো অলপ বেছি যেন লাগিছিল। আহি পায়েই বন্ধু এজনৰ সৈতে চহৰখন চাবলৈ ওলাই গলোঁ। জেৰুজালেম চহৰৰ তিনিওটা সীমান্ত আগুৰি আছে জৰ্ডন ৰাষ্ট্ৰই। জৰ্ডনৰ বুকুত জেৰুজালেম যেনিবা এটা ম'হৰ শিং। চহৰৰ সোঁমাজত এখন প্ৰকাণ্ড শিলৰ দেৱাল আছে। এফালে ইজৰাইল। আনফালে জৰ্ডন। ব্যৱস্থাটো দেখি বৰ আচৰিত যেন লাগিছিল। ধৰি লওক, গুৱাহাটীৰ পাণবজাৰৰ কোনোবা এটা চাৰিআলিত প্ৰকাণ্ড এখন দেৱাল, এফালে ভাৰত আৰু আনফালে পাকিস্তান। কেনে লাগিব

বাৰু? এখন চহৰৰে দুটা ভাগ। এইফালে যেতিয়া কিবা উৎসৱ আদি হয়, সিফালৰ মানুহে দেৱালৰ ওপৰত উঠি এই ফাললৈ চায়। সেইদৰে সিফালে যেতিয়া কিবা হয়, এইফালৰ মানুহে চায়। কিন্তু কেতিয়াবা যদি দেৱালৰ ওপৰৰপৰা ইফালৰ মানুহ সিফালে নাইবা সিফালৰ মানুহ ইফালে সৰি পৰে, তেতিয়াই বিপদ। কেতিয়াবা সৰু লৰা-ছোৱালীৰ হাতৰ দলিৰপৰাও দুয়োখন ৰাষ্ট্ৰৰ মাজত গুলীয়া-গুলী হোৱাৰ উদাহৰণ আছে। বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কেনেডাৰ সীমান্তৰ বাহিৰে প্ৰায়বোৰ আন্তৰ্জাতিক সীমান্তৰে এইটো অৱস্থা। এইবোৰ দেখি-শুনি মোৰ পূব আৰু পশ্চিম বাৰ্লিনৰ কথা মনত পৰিছিল।

প্ৰাচীন কালৰেপৰা জেৰুজালেম এখন ঐতিহ্যপূৰ্ণ চহৰ। এই চহৰৰে বৰ্তমান দুটা ভাগ, ইজৰাইলৰ জেৰুজালেম আৰু জৰ্ডনৰ জেৰুজালেম। আন্তৰ্জাতিক কূটনীতিয়ে কি কৰিব নোৱাৰে ? পিছদিনা পুৰা মাউন্ট-জিয়নৰ টিঙৰপৰা সীমান্ত চাইছিলো। দুয়োফালে সৈন্যৰ বাহৰ। আমাক দেখি সীমান্তৰ সিফালৰ সৈন্য সতৰ্ক হৈছিল। য়াটিভে কলে : "অলপ পিছুৱাই থিয় হওক। একো কব নোৱাৰি।" দুয়োখন দেশৰে সীমান্তৰ অধিবাসী জনসাধাৰণৰ কথা ভাবিছিলোঁ। স্নায়ুৰ ওপৰত কম হেঁচা লৈ এওঁলোক জীয়াই আছে নে? গুলীয়া-গুলী হৈ থকা অৱস্থাত তাহানি ভাৰত-পাকিস্তান সীমান্তলৈ যোৱা কথাষাৰ মনত পৰিছিল। তেতিয়াও সীমান্তত বাস কৰা জনসাধাৰণৰ কথা ভাবিছিলোঁ, এতিয়াও ভাবিছোঁ। উলটি আহি এটা কৱিতা লেখিছিলোঁ।

'ইন্দো-পাক সীমান্তৰ এজনী ছোৱালী,
নাম অনামিকা;
ৰঙা-আঁচুৰ কপাহী আকাশ যেন
তাইৰ সউ মনৰ আৱেশ।
সিপাৰত বিস্ফোৰণ, শৰদ গুলীৰ,

এই পাৰে
বাঁহ-বন ফ্ৰেমত অঁকা এজনী ছোৱালী।’

ইয়াৰ পিছত আন এটা পৰ্বতৰ টিঙলৈ গৈছিলোঁ। তাত এখন লোৰ জেওৰা। জেওৰাত হাত থৈ সিফালৰ জৰ্ডন ৰাষ্ট্ৰলৈ চাইছিলোঁ। জেওৰাখনৰ সিফালেই যিশুৰ জন্মস্থান বেথেলহাম চহৰ। এখোজ গলেই পায়। যাব নোৱাৰি। গলেই বিপদ। কি যে এক সন্ত্ৰাস। জেৰুজালেম চহৰৰ আন এটা অঞ্চলত ৰাজআলিৰ মাজতে লোৰ জপনা এখন আছে। ওচৰৰ চাইনবোৰ্ড এখনত লেখা আছে : ‘শত্ৰুৰাজ্য...।’

জেৰুজালেম চহৰ সমুদ্ৰ-পৃষ্ঠৰ ৰিজনিত আঢ়ৈ হেজাৰ ফুট উচ্চ জুদিয়া পৰ্ব্বতপুঞ্জৰ ওপৰত অৱস্থিত। ইয়াৰ বৰ্তমান জনসংখ্যা এক লাখ আশী হেজাৰ। ইহুদী, খ্ৰীষ্টান আৰু মুচলিম্ তিনিওটা ধৰ্মই ইয়াত যুগ যুগ ধৰি সহ-অৱস্থান কৰি আহিছে।... জেৰুজালেম চহৰত এগৰাকী ভাৰতীয় ইহুদী যুৱতীক লগ পাইছিলোঁ। এওঁ কলে : “জেৰুজালেমৰ পুৰণি বজাৰখন চাব। একেবাৰে ভাৰতীয় বজাৰ যেন লাগিব।” পিছদিনা নিশা বজাৰখন চাবলৈ গলো। সাইলাখ আমাৰ বজাৰৰ লেখীয়া। আৰব প্ৰধান নেজেৰেথ্ চহৰৰ বজাৰখনো সকলে পিনৰপৰা আমাৰ বজাৰ যেন লাগিছিল। আৰবে ৰন্ধা অঞ্জাৰ জুতি লওঁ বুলি আৰব ৰেষ্টোৰ এখনত সোমাইছিলোঁ - একেবাৰে আমাৰ ৰেষ্টোৰাঁৰ লেখীয়া। ইজৰাইলৰ এই দুখনেই প্ৰাচ্যধৰ্মী বজাৰ, বাকীবোৰ তেনেই পশ্চিমীয়া। দেশ এখনৰ অৱস্থা বুজিবলৈ হলে বজাৰলৈ যাব লাগে। তামোল-চুৰটৰ সৰু সৰু দোকান আৰু ৰিক্সাৰ সংখ্যাৰ পৰাই দেশ এখনৰ আৰ্থিক অৱস্থা বুজিব পাৰি। এই দুটা বস্তু ইজৰাইলৰ ক’তো নেদেখিলোঁ। আগতেই কৈছোঁ, ইজৰাইল এখন সৰু দেশ। ভূমধ্য সাগৰৰ পাৰত অৱস্থিত এই নতুন দেশখন ইমূৰৰপৰা সিমূৰলৈকে খৰচি মাৰি চালোঁ। মনটো তন্ময় হৈ পৰিল। সুসংগঠিত দেশপ্ৰেমে কি কৰিব নোৱাৰে? ক্ষুদ্ৰ ব্যক্তিগত স্বাৰ্থক অৱহেলা কৰিবলৈ নিশিকিলে মানুহ কেতিয়াও

মহৎ হব নোৱাৰে। ব্যক্তিৰ ক্ষেত্ৰত যিষাৰ কথা সঁচা, সমাজ বা জাতিৰ ক্ষেত্ৰতো সেইষাৰ কথা সঁচা। ইজৰাইলত নতুন প্ৰাণৰ স্ফুৰণ হৈছে। এই কাৰণেই দেশখন আগবাঢ়ি গৈছে। কতো মগনীয়া নাই, ক'তো দুখীয়া মানুহ এজন নাই - এয়া জানো কম কথা?..... কোনোবা এটা নিশা ঘৰলৈ বুলি তেল-এভিভ্ চহৰৰ বিমান বন্দৰত আকৌ আকাশী-জাহাজত উঠিলোঁ। এদিন এনিশাৰ বাবে ইৰাণৰ ৰাজধানী তেহৰাণ চহৰত সোমাই আহিলোঁ।

কেউপিনে পৰ্বতমালা বেষ্টিত সমতলভূমিত বিস্তৃত হৈ থকা তেহৰাণ, নৈশ ক্লাবৰপৰা আৰম্ভ কৰি চুপাৰ-মাৰ্কেটলৈকে, এখন অতি আধুনিক পশ্চিমীয়া - সম্ভৱতঃ ফৰাচী দেশীয় বুলিলে হে ভাল হব - চহৰ যেন লাগিল। চহৰত প্ৰচলিত বিদেশী ভাষাসমূহৰ ভিতৰত এতিয়াও ফৰাচী ভাষা প্ৰধান। পল্লৱী ষ্ট্ৰীট্ নাইবা শ্বা ৰাজা ৰোডৰ দুয়োকাষৰ গছ-গছনি পৰিৱেষ্টিত 'বুলইভা'সমূহলৈ লক্ষ্য কৰিলেই চহৰখনত ফৰাচী প্ৰভাৱ কেনেকৈ পৰিছে, সেইষাৰ কথা স্পষ্ট হৈ পৰিব। সেইবুলি প্ৰাচীন পাৰ্চীয়ান সংস্কৃতি যে একেবাৰে লোপ পাইছে, সেইবুলিও কব নোৱাৰি। পশ্চিমীয়া জীৱন-ধাৰাৰ সমুখত ই কিমান দিন জীৱন্ত হৈ থাকে, সেইটো হে হৈছে প্ৰশ্নৰ বিষয়। ইৰাণ তেলৰ দেশ। খনিজ তেল-উৎপাদনৰ জৰিয়তে দেশত দেখা দিয়া আৰ্থিক স্বচ্ছলতাৰ পৰিচয় চহৰখনত প্ৰস্ফুটিত হৈ আছে।..... পশ্চিম প্ৰাচ্যৰ এইখন এখন মনোৰম ৰাজধানী - বিমানবন্দৰত ভৰি দিয়াৰ লগে লগেই এনেধৰণৰ এটা ধাৰণা হৈছিল। সেই ধাৰণা শেষ মুহূৰ্তলৈকে অম্লান হৈ ৰল। ইয়াৰবতাহতো যেন গোলাপ, কাবাব আৰু বাদামৰ গোন্ধ। তেহৰাণ নানা বৰণীয়া ফুল আৰু ধুনীয়া ছোৱালীৰ চহৰ, 'একো অঙ্গে নাহি খতিখুন।'

এইখিনিতে আমাৰ দেশলৈ গোলাপ ফুল কেনেকৈ আহিল, সেই বিষয়ে উল্লেখ কৰাটো উচিত হব। ইয়াৰ ইতিহাস ৰোমাঞ্চকৰ। অলপতে ইৰাণৰ এগৰাকী সুন্দৰী যুৱতীয়ে দিল্লীৰ

ৰোচানাৰা বাগিচাত ইস্পাহানৰপৰা কঢ়িয়াই অনা গোলাপ এজোপা ৰুইছে। যুৱতীগৰাকীৰ নাম মিচ জীবা জাহান। এওঁ বৰ্তমান 'envoy of roses' নামেৰে খ্যাতি আৰ্জিছে। চাৰি শ বছৰৰ পূৰ্বে আন এগৰাকী ইৰাণৰ মহিলাই আমাৰ দেশত পোনতে গোলাপ ফুল আনি ৰুইছিল। মহিলাগৰাকীৰ নাম মেহেৰুন্নিচা বেগম। এৱেঁই অৱশেষত আমাৰ বুৰঞ্জীত নূৰজাহান নামেৰে খ্যাতিসম্পন্ন হয়। এনেদৰেই আমাৰ দেশত গোলাপৰ ঐতিহই ক্ৰমাৎ বাছকবনীয়া ৰূপ লয়। মোগল সম্ৰাট চাজাহানৰ আমোলত দিল্লী আৰু আগ্ৰা, এই দুই অঞ্চল সাবটি এশখন ফুলৰ বাগিচাই ৰূপ লৈছিল। ফুলৰ কথা কৈ থাকিলে ওৰ নপৰে। মনটোৱে দুনাই ইৰাণলৈ আৰু ইতিহাসৰ বুকুলৈ উৰা মাৰে।

'শুনিলাম মানবেৰ কত বাণী দলে দলে
অলক্ষিত পথে উড়ে চলে
অস্পষ্ট অতীত হতে অস্ফুট সুদূৰ যুগান্তৰে।
শুনিলাম আপন অন্তৰে,
অসংখ্য পাখিৰ সাথে
দিনে ৰাতে
এই বাসাছাড়া পাখি যায় আলো-অন্ধকাৰে
কোন্ পাৰ হতে কোন্ পাৰে।'

আহিলোঁ দেই।

সমাপ্ত

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত।

প্ৰকাশ - ২৫/০৫/২০২১

বেটুপাতৰ ছবিৰ সৌজন্য - Freepik (https://freepik.com/) জেৰুজেলেমৰ ছাঁয়াছবিৰ সৌজন্য - Clear PNG (https://cleanpng.com/) এই গ্ৰন্থখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য বিষয়ৰ বাবে অনুগ্ৰহ কৰি ”nibirborpuzari@gmail.com” ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।